ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ
আৰু
অভিধান

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী
সত্ৰাধিকাৰ
নতুন কমলাবাৰী সত্ৰ

লয়াৰ্ছ বুক ষ্টল
পানবজাৰঃ গুৱাহাটী
অসম

প্ৰকাশক ॥ খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ॥ লয়াৰ্চ বুক ষ্টল ॥ পানবজাৰ ॥ গুৱাহাটী ॥
প্ৰথম প্ৰকাশ ॥ জুন, ১৯৯০ ॥ মুদ্ৰক ॥ ৰমা প্ৰিন্টিং ওয়াৰ্কছ্ প্ৰাইভেট লিমিটেড ॥ ৫২ ৰাজা
ৰামমোহণ ৰায় সৰণী ॥ কলিকাতা ৭০০ ০০৯ ॥

মূল্য ॥ এশ পঁচিশ টকা মাত্ৰ ॥

শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী
সত্ৰাধিকাৰ, নতুন কমলাবাৰী সত্ৰ, মাজুলী
॥ ১৯৮৪ খ্ৰীষ্টাব্দ ॥

গ্ৰন্থ সমৰ্পণ



তিনি গুৰু মাজে পিতৃগুৰু শ্ৰেষ্ঠ হয়।
ভক্তি ৰত্নাকৰ শাস্ত্ৰে শ্ৰীগুৰু কহয়॥
সংসাৰত যাত হন্তে লভয় জনম।
আদ্যগুৰু পিতৃপূজ্য সবাতে উত্তম॥
মোৰ নিজ আদ্যগুৰু শান্ত সৌম্যাধাৰ।
পিতৃ বোমেশ্বৰ নাম সাধু শিষ্টাচাৰ॥
অমায়িক সৰ্ব্বশাস্ত্ৰ কলাত পাৰ্গত।
প্ৰচাৰিল শৰণ ভজন ভক্তি যত॥
সৰ্ব্বগুণধাম নাহি তেজে সদাচাৰ।
মাজুলীৰ চামগুৰি সত্ৰ অধিকাৰ॥
তান নুমলীয়া পুত্ৰ আমি অভাজন।
কমলাবাৰীত পোষ্যপুত্ৰৰ পালন॥
পৰম স্নেহত থৈল নাৰায়ণ নাম।
মোৰ বিৰচিত ইটো গ্ৰন্থ অনুপাম॥
পিতৃ কৰকমলত কৰোঁ সমৰ্পণ।
তাহান চৰণে মোৰ এই নিবেদন॥

ইতি

নাৰায়ণ

সূচীপত্ৰ

বিষয়	পৃষ্ঠা সংখ্যা
(ক) নিবেদন	
(খ) ভূমিকা	
(১) ভাষা আৰু ব্যাকৰণ	১
(২) বৰ্ণ প্ৰকৰণ	১
(২-ক) স্বৰবৰ্ণ	১
(২-খ) ব্যঞ্জনবৰ্ণ	১
(২-গ) বৰ্ণৰ উচ্চাৰণ	২
(২-ঘ) বিপ্ৰকৰ্ষ	২
(২-ঙ) আখৰ জোঁটনি প্ৰকৰণ	৪
(৩) ণত্ববিধি আৰু ষত্ববিধি	৪
(৪) সন্ধি প্ৰকৰণ	৪
(৫) যতিচ্ছেদ বিধি	৪
(৬) বচন আৰু লিংগ নিৰ্ণয়	৫
(৫) শব্দ প্ৰকৰণ	৬
(৫) পদ প্ৰকৰণ	৬
(৮-ক) বিশেষ্য	৬
(ক-১) জাতিবাচক বিশেষ্য	৬
(ক-২) সংখ্যাবাচক বিশেষ্য	৭
(ক-৩) গুণবাচক বিশেষ্য	৭
(ক-৪) বস্তুবাচক বিশেষ্য	৭
(ক-৫) নামবাচক বিশেষ্য	৭
(ক-৬) ক্ৰিয়াবাচক বিশেষ্য	৮
(৮-খ) বিশেষণ	৮
(খ-১) বিশেষণীয় বিশেষণ	৮
(খ-২) ক্ৰিয়া বিশেষণ	৮
(৮-গ) সৰ্ব্বনাম	৮
(গ-১) ব্যক্তিবোধক সৰ্ব্বনাম	৮
(গ-২) বিশেষণ সৰ্ব্বনাম	৮
(গ-৩) কালবোধক সৰ্ব্বনাম	৮
(গ-৪) স্থানবোধক সৰ্ব্বনাম	৮
(গ-৫) সম্বন্ধবোধক সৰ্ব্বনাম	৮
(৮-ঘ) অব্যয়	৯
(ঘ-১) সাধাৰণ অব্যয়	৯
(ঘ-২) সম্বোধনাৰ্থক অব্যয়	৯

বিষয়	পৃষ্ঠা সংখ্যা
(ঘ-৩) ভাববোধক অব্যয়	৯
(ঘ-৪) যোজক অব্যয়	৯
(ঘ-৫) সম্ভাবনাৰ্থক অব্যয়	৯
(ঘ-৬) স্থানবাচক অব্যয়	৯
(ঘ-৭) নিষেধাৰ্থক অব্যয়	৯
(ঘ-৮) সংযুক্ত অব্যয়	৯
(৮-ঙ) ক্ৰিয়া প্ৰকৰণ	৯
(ঙ-১) সমাপিকা ক্ৰিয়া	১০
(ঙ-২) অসমাপিকা ক্ৰিয়া	১০
(ঙ-৩) অপূৰ্ণ ক্ৰিয়া	১০
(ঙ-৪) নিষেধবাচক ক্ৰিয়া	১১
(ঙ-৫) প্ৰাৰ্থনাবোধক ক্ৰিয়া	১১
(ঙ-৬) অনুজ্ঞা ক্ৰিয়া	১১
(ঙ-৭) শতৃবোধক ক্ৰিয়া	১১
(ঙ-৮) পাঁচনী ক্ৰিয়া	১১
(ঙ-৯) তুমৰ্থবোধক ক্ৰিয়া	১১
(৯) অনুকাৰ শব্দ	১২
(১০) অনুৰূপ শব্দ	১২
(১১) অনুসৰ্গ শব্দ	১২
(১১-ক) সংখ্যাবাচক অনুসৰ্গ	১২
(১১-খ) ক্ৰিয়াবাচক অনুসৰ্গ	১৩
(১২) উপসৰ্গ	১৩
(১৩) নামধাতু	১৪
(১৪) উহ্যপদ	১৪
(১৫) কাল প্ৰকৰণ	১৪
(১৫-ক) নিত্যবৰ্ত্তমান কাল	১৫
(১৫-খ) স্বৰূপ বৰ্ত্তমান কাল	১৬
(১৫-গ) ভূতকাল বা অতীত কাল	১৬
(১৫-ঘ) স্বৰূপভূত কাল	১৬
(গ-২) অপূৰ্ণভূত কাল	১৬
(গ-৩) সম্ভাব্যভূত কাল	১৬
(১৫-ঘ) ভবিষ্যত কাল	১৭
(১৬) অকৰ্ম্মক, সকৰ্ম্মক, দ্বিকৰ্ম্মক ৰূপ	১৭
(১৬-ক) অকৰ্ম্মক ক্ৰিয়াত সকৰ্ম্মক ৰূপ	১৮
(১৭) ক্ৰিয়াৰ বাচ্য	১৮
(১৮) শব্দৰূপ প্ৰকৰণ	১৮
(১৮-ক) শব্দৰূপ (সবিভক্তিক) প্ৰথমা বিভক্তি	১৯

বিষয়	পৃষ্ঠা সংখ্যা
(১৯) ধাতুরূপ প্রকরণ	৬৬
(১৯-ক) সমাপিকা ক্রিয়া (সাধারণ)	৬৭
(১৯-খ) সমাকিপা ক্রিয়া নিত্যবর্ত্তমান কাল প্রথম পুরুষ	৭৯
(১৯-গ) সমাপিকা ক্রিয়া স্বরূপ বর্ত্তমান কাল (অসংযুক্ত)	১০১
(১৯-ঘ) সমাপিকা ক্রিয়া স্বরূপভূত কাল প্রথম পুরুষ (অসংযুক্ত)	১১০
(১৯-ঙ) সমাপিকা ক্রিয়া অপূর্ণভূত কাল (অসংযুক্ত)	১৩৩
(১৯-চ) সমাপিকা ক্রিয়া ভবিষ্যত কাল প্রথম পুরুষ (অসংযুক্ত)	১৩৫
(১৯-ছ) অপূর্ণ ক্রিয়া-নিত্য বর্ত্তমান কাল প্রথম পুরুষ (অসংযুক্ত)	১৪২
(১৯-জ) নিষেধবাচক ক্রিয়া ভবিষ্যত কাল দ্বিতীয় পুরুষ (অসংযুক্ত)	১৪৮
(১৯-ঝ) প্রার্থনাবোধক ক্রিয়া নিত্য বর্ত্তমান কাল দ্বিতীয় পুরুষ (অসংযুক্ত)	১৪৯
(১৯-ঞ) অনুজ্ঞাবোধক ক্রিয়া নিত্যবর্ত্তমান কাল দ্বিতীয় পুরুষ (অসংযুক্ত)	১৫৩
(১৯-ট) শত্তৃবোধক ক্রিয়া (অসংযুক্ত)	১৬১
(১৯-ঠ) পাঁচনী ক্রিয়া (অসংযুক্ত)	১৬৪
(১৯-ড) তুমর্থবোধক ক্রিয়া (অসংযুক্ত)	১৬৭
(২০) কারক প্রকরণ	১৭১
(২০-ক) কর্ত্তাকারক—প্রথমা বিভক্তি	১৭২
(২০-খ) কর্ম্মকারক—দ্বিতীয়া বিভক্তি	১৭২
(২০-গ) করণ কারক—তৃতীয়া বিভক্তি	১৭৩
(২০-ঘ) সম্প্রদান কারক—চতুর্থী বিভক্তি	১৭৩
(২০-ঙ) অপাদান কারক—পঞ্চমী বিভক্তি	১৭৩
(২০-চ) সম্বধ কারক—ষষ্ঠী বিভক্তি	১৭৩
(২০-ছ) অধিকরণ কারক—সপ্তমী বিভক্তি	১৭৩
(২০-জ) সম্বোধনার্থক পদ	১৭৩
(২১) সমাস প্রকরণ	১৭৪
(২১-ক) কর্ম্মধারয় সমাস	১৭৪
(২১-খ) দ্বিগু সমাস	১৭৫
(২১-গ) বহুব্রীহি সমাস	১৭৫
(২১-ঘ) দ্বন্দ্ব সমাস	১৭৫

(২১-ঙ) অব্যয়ীভাব সমাস	১৭৫
(২১-চ) তৎপুরুষ সমাস	১৭৫
(২২) তদ্ধিত আরু কৃৎ প্রকরণ	১৭৬
(২৩) তদ্ভব আরু তৎসম প্রকরণ	১৭৬

নিবেদন

যোৱা ২১/১১/৮০ তাৰিখৰ ৰাস পূৰ্ণিমা তিথি দিনাৰ কথা। তদানীন্তন অসমৰ সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক শ্ৰীযুত আনন্দ মোহন ভাগৱতী মাজুলীৰ টটয়া মিলন কৃষ্টি মন্দিৰত আয়োজিত সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিবৰ কাৰণে আহিছিল। সেই সমাৰোহৰ সভাপতিৰ আসনত আছিল এই গ্ৰন্থলেখক। সভাৰ শেষত ঘৰুৱা পৰিবেশত কথা পাতোঁতে ভাগৱতীদেৱে আমাক ব্ৰজাৱলী ভাষাৰ অভিধান এখন লেখিবৰ কাৰণে অনুৰোধ কৰে। তেখেতৰ মতে এনেকুৱা গ্ৰন্থ অসমীয়া সাহিত্যত নাই। আমিও তেখেতৰ অনুৰোধ ৰক্ষা কৰিবৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হওঁ। কিন্তু আমাৰ "সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা" গ্ৰন্থৰ কামত সেই সময়ত একানপতীয়াকৈ লাগি থাকিব লগা হোৱাত সেই ফেৰা পুণ্য কামত সোনকালে হাত দিব পৰা হোৱা নাছিল। ১৯৮৪ চনত 'স্বৰ্ণৰেখা' গ্ৰন্থখনি ছপাশালৰ পৰা ওলোৱাৰ পিছত কিছু অৱকাশ পাই যোৱা ১১/৩/৮৫ তাৰিখৰ পৰা অভিধানৰ কামত হাত দি ৯/৮/৮৬ তাৰিখে সমাপ্ত কৰি এই অভিধানখনিৰ ভূমিকা এটি লেখি দিবৰ কাৰণে শংকৰী সাহিত্যৰ ওজা, প্ৰাচ্যতত্ত্ববিদ্ ড. মহেশ্বৰ নেওগ দেৱৰ হাতত শোধোৱা হয়। তেখেতে বস্তুটি ভালকৈ চাই এই অভিধানখনিৰ লগতে "ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ" এখনো লেখি উলিয়াবৰ কাৰণে আমাক অনুৰোধ কৰে। "এইটি অতি টান কাম। আমাৰ যোগেদি সম্ভৱ হব জানো"? বুলি প্ৰশ্ন কৰাত তেখেতে কলে "প্ৰভু ঈশ্বৰে পাৰিব"। এই বাণী মহৎ জনৰ মুখে উচ্চাৰিত হোৱাত আমি সেই অনুৰোধ অতি আগ্ৰহেৰে লৈ কামত হাত দিওঁ। তেখেতৰ সেই পবিত্ৰ অনুৰোধ বাণীয়েই আছিল আমাৰ প্ৰধান সম্বল। আমাৰ কাৰণে দুয়োটি বিষয় টান আছিল যদিও বিশ্বজনৰ ইচ্ছাৰ প্ৰেৰণা আৰু দুজনা মহাপুৰুষৰ কৃপাত ৰাইজৰ আগলৈ গ্ৰন্থ দুখনি উলিয়াই দিব পাৰি আমি কৃতাৰ্থ মানিছোঁ।

পৃথিৱীত যিমান বোৰ জাতি সম্প্ৰদায় আছে—সকলোৰে কাৰণে নিজা নিজা ভাষা, উপভাষা আদি আছে। ভাষা হল একো একোটা জাতিৰ প্ৰতীক। অসমত অসমীয়া, বঙ্গত বঙলা, উৰিষ্যাত উড়িয়া আদি ভাষাৰ ব্যৱহাৰ সেই সেই জাতিৰ স্বতন্ত্ৰ প্ৰতীক হিচাপে হৈছে। কিন্তু ব্ৰজাৱলী ভাষা কোন জাতিৰ প্ৰতীক সেই বিষয়ে কোনো সুস্থিৰ অনুসন্ধান এতিয়ালৈকে হোৱা নাই। অৱশ্যে ব্ৰজাৱলী ভাষাৰ ইতিহাস অতি পুৰণি বুলি বিজ্ঞ সকলে কৈছে। এই ভাষা বহুতৰ মতে কৃত্ৰিম উপভাষা, মিশ্ৰ ভাষা, স্বতন্ত্ৰ ভাষা ইত্যাদি অস্থিৰ সিদ্ধান্ত প্ৰকাশ কৰা দেখা যায়। এই বিষয়ত আমি বাদ-বিতণ্ডা নকৰোঁ—কৰাৰো ইচ্ছা নাই।

'ব্ৰজাৱলী' শব্দটোক যদি আমি বিসন্ধি কৰোঁ, তেন্তে সি হ'ব ব্ৰজ+আৱলী = ব্ৰজাৱলী। ব্ৰজ শব্দটোত আৱলী প্ৰত্যয় যোগ হৈ 'ব্ৰজাৱলী' শব্দ সিদ্ধ হৈছে বুলি কোৱা হয়। আকৌ অন্য প্ৰকাৰে-'ব্ৰজ' মানে 'ব্ৰজৰ' আৰু 'বোলৰ' (কথা বা ভাষাৰ) পৰা 'বোলি' অপভ্ৰংশ হৈ 'ৱলী' যোগ হোৱাত 'ব্ৰজাৱলী' শব্দটো নিষ্পন্ন হৈছে বুলিও অৰ্থ কৰা হয়। ইয়াৰ সম্পূৰ্ণ অৰ্থ হ'ব "ব্ৰজৰ ভাষা" অৰ্থাৎ ই কৃষ্ণকেন্দ্ৰিক ভাষা।

উক্ত ব্ৰজাৱলী ভাষা ব্ৰজৰ ভাষা, মিশ্ৰভাষা, বা কৃত্ৰিম উপভাষা আদি নানাজনৰ নানামতেৰে প্ৰকাশিত হলেও এইবোৰ ব্যাখ্যা বাদ দি এটি নিশ্চিত সিদ্ধান্ত কৰিব পাৰি

যে দুজনা গুৰুৱে এই ভাষা জননী পৰাকীক থলুৱা ভাষা সংমিশ্ৰণ ৰূপ নতুন কাপোৰ-কানি দি নতুনকৈ সজাই পৰাই চকুত লগা কৰি তুলিছে। সেই কাৰণে ইয়াক "অসমীয়া ব্ৰজাৱলী" বুলি কলে মুঠেই ভুল নহয়। সেই দৰে ইয়াৰ উচ্চাৰণো অসমীয়া পদ্ধতিতেই হয়। উদাহৰণ স্বৰূপে বঙলা ভাষাত 'স' বৰ্ণৰ উচ্চাৰণ 'চ' বৰ্ণ কৰি কৰা হয়। কিন্তু অসমীয়া উচ্চাৰণত 'স' সয়েই আৰু 'চ' চয়েই। অসমীয়া ব্ৰজাৱলীত 'স' বৰ্ণক 'চ' কৰি উচ্চাৰণ কৰা নহয়। তদুপৰি এই ভাষাত অসমীয়াৰ থলুৱা ভাষা ব্যবহাৰ তথা গাঁৱলীয়া জনসাধাৰণৰ মুখৰ কিছুমান শব্দ ব্যবহাৰ কৰি "অসমীয়া ব্ৰজাৱলী" ক অতি ওচৰ আপোন কৰি তুলিছে। উদাহৰণ স্বৰূপে–স্ত্ৰীযুজে মেনা যুজে" (পা.হ.), "সুন্দৰী স্ত্ৰী আয়তী সব" (রু.হ.), কি সোধতোৰ মায়েৰ পই" (কো.খে.) , এখনে কাতৰ কৰো (ভূ.লো.) তথায়ে কান্দো হামো (ব.গী.) ইত্যাদি বাক্য সমষ্টিৰ "মেনা, আয়তী,পই (পৈ) কৰো, কান্দো" এই শব্দ কেইটি থলুৱা অসমীয়া বুলি জনা যায়। এনেকৈ গোটেই খিনি চালি-জাৰি চালে বহুত থলুৱা শব্দৰ লেচেৰি বুটলিব পাৰি। এনেকুৱা শব্দবোৰ ব্ৰজাৱলী ভাষাৰ মাজত সোমাই পৰাত ই চহকী আৰু পুৰঠ হৈছে। সেইদৰে ই সেই ভাষাৰ মাজত সমাদৰো লাভ কৰিছে। আমি বিশ্বাস কৰোঁ যে অসমৰ বাহিৰেৰে আন আন ঠাইৰ ব্ৰজাৱলী ভাষায়ো প্ৰাদেশিক বৈশিষ্ট্য ৰক্ষা কৰি চলিছে। আনহাতে আৰু এটি বিশেষ যুক্তি আছে যে ব্ৰজাৱলী ভাষাটি জগদগুৰুৰে সৰ্ব্বভাৰতীয় ভিত্তিত বোধগম্য হোৱাকৈ ইয়াক সজাইছে। আমি ১৯৭৫ চনৰে পৰা সত্ৰীয়া নাট ভাওনা অসমৰ বাহিৰে ভিতৰে প্ৰচাৰ আৰু প্ৰকাশ কৰাত বিশেষভাবে জড়িত হৈ পৰোঁ। ১৯৮১ চনত কাশীধামত বিশ্ব সংস্কৃত সম্মিলন বহিছিল। তালৈ গুৰু বিৰচিত "ৰুক্মিণীহৰণ" অঙকীয়া নাট খনি নিয়া হৈছিল সত্ৰৰ পৰা। দেশী বিদেশী বহু গুণী জ্ঞানী শিল্পী লোকেৰে প্ৰেক্ষাগৃহ ঠাহ খোৱা। ভাওনা খনিৰ আৰম্ভনিৰ পৰা শেহ লৈকে কোনো দোভাষীৰ প্ৰয়োজন হোৱা নাছিল। নাটৰ ব্ৰজাৱলী ভাষাই সকলোৰে হৃদয় স্পৰ্শ কৰিছিল। দৰ্শকৰ হাত চাপৰিৰে প্ৰেক্ষাগৃহ মুখৰিত। ভাওনাৰ শেহত বচাবচা দৰ্শক আহি চোঁঘৰত অভিনেতা ভকত সকলক উচ্চ প্ৰশংসা কৰিলেহি। এতেকে দেখা গ'ল যে ব্ৰজাৱলী ভাষাটো সৰ্ব্বভাৰতীয় হিচাপে স্বীকৃত হৈছে। সেই কাৰণে শংকৰ দেৱে ইয়াত নতুন ৰূপ দিয়াৰ কাৰণে "শংকৰী ব্ৰজাৱলী" বুলি কলেও নিশ্চয় ভুল নহয়। বহুতো পণ্ডিতৰ মতে ব্ৰজাৱলী ভাষাৰ প্ৰধান আৰু প্ৰথম প্ৰৱৰ্ত্তক হ'ল কবিগুৰু শংকৰ দেৱহে।

বৌদ্ধ ধৰ্ম্মান্তৰ্গত সহজযান পন্থী সিদ্ধাচাৰ্য্য সকলৰ ধৰ্ম্ম সাধনা আৰু সাহিত্য কৰ্ম্ম চৰ্চ্চাত বিশিষ্ট নিদৰ্শন ৰূপে খ্যাত "চৰ্য্যাপদ" ৰ লগত ব্ৰজাৱলী ভাষাৰ সুন্দৰ মিল আছে। বিজ্ঞসকলৰ অভ্ৰান্ত সিদ্ধান্ত মতে চৰ্য্যাপদৰ ৰচনাকাল অষ্টম খ্ৰীষ্টাব্দৰ পৰা দ্বাদশ খৃষ্টাব্দ লৈকে বুলি স্থিৰ হৈছে। শংকৰ গুৰুৰ অৱতাৰ চতুৰ্দ্দশ খৃষ্টাব্দ। এতেকে গুৰুৱে চৰ্য্যাপদ বিষয়ে ভালকৈ অধ্যয়ন কৰিছিল। বৌদ্ধ ধৰ্ম্মৰ সিদ্ধাচাৰ্য্য সকলে চৰ্য্যাপদৰ ভাষা ধৰ্ম্মৰ মাজলৈ টানি আনি সেই ভাষাত নানা গীত পদ আদি ৰচনা কৰিছিল। আমাৰ গুৰুজনায়ো সেই চৰ্য্যাপদৰ ভাষা নিজৰ ধৰ্ম্মৰ অন্তৰ্ভুক্ত কৰি নানা গীত পদ নাট আদি ৰচনা কৰি চৰ্য্যাপদক আদৰিছে। আনকি দুজনা গুৰুৰ ৰচিত বৰগীতত চৰ্য্যাগীতৰ ঠাঁচ মনকৰিবলগীয়া। নাটক আৰু গীত আদিত চৰ্য্যাপদৰ প্ৰভাৱ কেনেদৰে পৰিছে তাৰ উদাহৰণ চমুকৈ দাঙি ধৰা হল ঃ--

	ব্ৰজাৱলী	উদাহৰণ
অইসন	ঐচন	ঐচন পৰকাৰে—সকলো নাট
অঙকৱালি	আঙেকাৱালি	আঙেকাৱালি ধৱল—পা.হ.
অন্ধাৰি	আন্ধাৰি	দিশদশ দিৱসে আন্ধাৰি—ব.গী.
অমিয়া	অমিয়, অমিয়া	অমিয় ঝুৰে বাণী—পা.হ.
আইলা	আইলা	আইলা হৰিৰ কাছে—ভূ.হ.
আইস	আইস	চল আইস যাঞু—ব.গী.
আখি	আখি	পেখলো আখি—ব.গী.
আগি	আগি	তোহাৰি বিয়োগে আগি—ব.গী.
আলো	আলো	আলো শুন—ব.গী.
উপাড়ি	উপাড়ি	তৰু সমূলে উপাড়ি—পা.হ.
এ	এ	এ আৱত এ আৱত—সকলোনাট
এক	এক	তিল এক ৰহয়ে—ব.গী.
এথা	এথা	এথা নোহে—পা.হ.
এহু	এহু	শঙকৰ এহু অভিলাসা—ব.গী.
কইসন	কৈচন	কৈচন যোগ্যতা হুই—ৰা.বি.
কৰহুঁ	কৰোহো	কৰোহো গোহাৰি—ব.গী.
কৰিআ	কৰিয়া, কৰিআ	যতন কৰিয়া—ব.গী.
কহেই	কহই	মৃকুধমতি কহই—ভ.
কেড়ুআল	কেৰুৱলী	গুৰু কেৰুৱলী ৰাম—ব.গী.
কেহো	কেহো	কেহো নাচে—ব.গী.
কোই	কোই	নাহি বান্ধব কোই—ব.গী.
খান্ট	খান্ট	যেন পায়া খান্টচোৰ—পি.গু.
খেলই	খেলাই	খেলান খেলাই—ব.গী.
গেল	গেল	সব দিবস গেল—ব.গী.
ঘালি	ঘালি	ঘনঘন ঘালি—পা.হ.
চড়ি	চড়ি	উড়ল উৱৰে চড়ি—অ.ভ.
চান্দ	চান্দ	চান্দ গিলিতে যচ—কে.গো.
ছাড়	ছাড়	কোন ছাড় পুৰাতন—পি.গু.
জানই	জানয়	স্বামী জানয় জব—কে.গো.
জান	জান	কেলি লীলাৰস জান—ৰা.বি.
নাহি	নাহি	নাহি নাহি ৰময়া বিনে—ব.গী.
তাসু	তাসু	তাসু মাঝে নন্দসুত—ভো.বে.
তাহেৰ	তাহেৰ	যাহেৰ তাহেৰ—ৰা.বি.
দুধ	দুধ	সব দধি দুধ—পি.গু.
ধনি	ধনি	পেখি মুনিক ধনি—পা.হ.
পৰান	পৰান	পৰান নিগড়ে—ব.গী.
পেখবে	পেখোবে	ওৰে সখি পেখোবে—কে.গো.

চৰ্য্যাপদ	ব্ৰজাৱলী	উদাহৰণ
বাড়ী	বাড়ি	গোৱালেৰ বাড়ি—পি. গু.
ভইল	ভৈল	ভৈল ক্ষীন নিতে—ব. গী.
মাঝে	মাঝে	পছিম মাঝে—ভ.
ৰঅনি	ৰয়নি	ৰয়নি বিদূৰ—ব. গী.
ৰে	ৰে	শুন শুন ৰে সুৰ—ব. গী.
লাগি	লাগি	গুন মন লাগি—ব. গী.
লেহু	লেহু	তোহাৰি বজ্ৰ লেহু—পা. হ.
সঅল	সয়ল	সয়ল সংসাৰ—ক. হ.
সমানা	সমানা	নাহি নাহি নাম সমানা—ব. গী.
হু	হু	তাকেৰি হু হামো—ব. গী.
হেৰ, হেৰি	হেৰ, হেৰি	মাঞি হেৰ গোকুল—ব. গী.
		বয়ন হেৰি মাঞি—ব. গী.

আমি তুলনামূলক বিচাৰৰ বাবে সাদৃশ্য গোটাচেৰেকৰ উদ্ধৃতি দি দেখুওৱা হ'ল। এই খিনিয়েই নহয়—আৰু বহুত শব্দ আছে—যিবোৰৰ উদ্ধৃতি দিলে "কেৰেলাতকৈ গুটি দীঘল" হোৱাৰ আশংকা আছে। আমি বিশ্বাস কৰোঁ—গুৰুজনাই নিজৰ ৰচনা সমূহৰ মাজত চৰ্য্যাপদৰ শব্দ সম্ভাৰ এনেধৰনে প্ৰয়োগ কৰিছিল যে বোধহয় আমাৰ "শংকৰী ব্ৰজাৱলী"ৰ বাহিৰে আন আন ব্ৰজাৱলী ভাষাত (বঙলা, ওড়িয়া আদিত) এনেকুৱা শাব্দিক সাদৃশ্য পোৱা নাযাব। এতেকে দেখা যায় যে দুজনা মহাগুৰুৰ সৃষ্ট "অসমীয়া ব্ৰজাৱলী" মধু মক্ষিকাই মৌচাক নিৰ্ম্মাণ কৰাৰ দৰে বহুভাষাৰ শব্দ মিশ্ৰিত এটি "শব্দ সমষ্টি" বা ভৰাঁল—যিটি সকলো বৰ্ণৰ সকলো ধৰ্ম্মৰ প্ৰবোধ্য ভাষা।

ব্ৰজাৱলী ভাষাত সংস্কৃতৰ প্ৰভাৱ মনকৰিবলগীয়া। "পাৰিজাত হৰণ" ৰ নাৰদৰ মুখত, "ৰামবিজয়"ৰ বিশ্বামিত্ৰৰ মুখত সৰল সংস্কৃত ভাষাত সুন্দৰ বাক্য দিয়া হৈছে। তদুপৰি অন্যান্য ভাৱৰীয়াৰ মুখতো কম বেচি পৰিমাণে সংস্কৃত শব্দ পোৱা হয় আৰু নাটবোৰত আদ্যন্ত ঘটনা বিশেষে সংস্কৃত শ্লোক আছে। "পাৰিজাত হৰণ" নাটৰ ভটিমাটিও অতি কঠিন বিধৰ। এতেকে দেখা যায়—ব্ৰজাৱলী ভাষাৰ নাটো সংস্কৃতেৰে ভাৱাক্ৰান্ত। সেই কাৰণেই হৰলা সন্তাৱলী পুথিত লেখিছে "পন্ডিতে বুজিবে শ্লোক কৰিল ৰচনা। গীত অৰ্থ বুজিবেক দ্বিজ সভ্যজনা" ইত্যাদি।

প্ৰাচীন সাঁচিপতীয়া পুথিৰ বৰ্ণবিন্যাস উচ্চাৰণ কৰা বৰ কঠিন। এই বৰ্ণবিন্যাস বোৰ পুথিতেইহে থাকিল—যাক এতিয়াও যাদুঘৰৰ বস্তু বুলিয়েই কব লাগিব। তাতে আকৌ প্ৰতিখন সাঁচিপতীয়া পুথিৰ আখৰজোঁটনিও একে ধৰনৰ নহয়। লিপিকাৰ সকলৰ নিজৰ নিজৰ হস্তলিপিৰ ভিন্নতাৰ কাৰণেও এনে হৈছে বুলি ভাবিব পাৰি। একোটা শব্দৰ আখৰজোঁটনি সুকীয়া সুকীয়া আৰু বাক্যও ঠায়ে ঠায়ে লৰচৰ হোৱা দেখা যায়। এনে কাম লিপিকাৰ সকলে নিজে নিজেই সমাধা কৰে। বাক্যৰ কিবা এটি আসোঁৱাহ নিজৰ মনতে উদ্ভাৱন কৰি ভুকিয়াই লৈ নিজৰ পান্ডিত্য প্ৰকাশ কৰিবলৈ শব্দ আৰু বাক্য খুটৱাই আমাক দিগ্‌ভ্ৰষ্ট কৰিছে। এনেকুৱা ভিন্নতাৰ কাৰণে আখৰজোঁটনিমতে উচ্চাৰণ আৰু উচ্চাৰণ মতে আখৰজোঁটনি নহয়। তদুপৰি মুদ্ৰিত

নাট্য সাহিত্যৰ আখৰ জোঁটনিৰ ৰূপো বেলেগ হ'ল। আনহাতে সত্ৰত ব্যৱহৃত অংকীয়া ভাওনাৰ সংলাপৰ আখৰ জোঁটনি আৰু ইয়াক উচ্চাৰণ কৰোঁতে ইয়াৰ ৰূপো সলনি হ'ল। ইকালে প্ৰাচীন পুথিৰ মতে উচ্চাৰণ কৰাও টান কাম। এতেকে ব্ৰজাৱলী শব্দই কেইবাটিও ৰূপ ললে। এতিয়া ইয়াক সৰ্ব্বসম্মত একেটি ৰূপ কৰাও সম্ভৱ নহয়গৈ। লেঠাটি সাঁচিপতীয়া পুথিবোৰেই লগাই থৈ গ'ল। সেই কাৰণে এই গ্ৰন্থত ঠায়ে ঠায়ে প্ৰাচীন বৰ্ণবিন্যাস বা আখৰজোঁটনি মতে আৰু সত্ৰীয়া উচ্চাৰণৰ ঠাঁচত লিপিবন্ধ কৰা হৈছে। ১৭৪১ শকাব্দৰ (১৭০ বছৰৰ প্ৰাচীন) এখন সাঁচিপতীয়া পুথি সমুখত ৰাখি, সত্ৰীয়া ধৰনে উচ্চাৰিত আৰু কোনো কোনো ক্ষেত্ৰত আধুনিক ৰূপত থকা ব্ৰজাৱলী শব্দবোৰ লেখা হৈছে—যিটি ৰূপ মুদ্ৰিত তথা সম্পাদিত নাটসমূহত পোৱা যায়। প্ৰাচীন পুথিৰ আখৰজোঁটনি, সত্ৰীয়া ঠাঁচত উচ্চাৰিত ৰূপ আৰু মুদ্ৰিত নাটৰ আখৰজোঁটনি একেলগে ইয়াত সংযুক্ত কৰি আমি অপৰাধী, যদিও পৰিস্থিতি সাপেক্ষে এনে কৰিব লগা হৈছে। এই খিনি অৱশ্য মাৰ্জ্জনীয়। তদুপৰি এই চেষ্টা আমাৰ পৰীক্ষামূলকহে, সিদ্ধান্তমূলক নহয়।

প্ৰাচীন বৰ্ণবিন্যাসত ইকাৰ আৰু ঈকাৰৰ প্ৰয়োগত কোনো ব্যৱধান দেখা পোৱা নাই। য'ত ইকাৰ হ'ব লাগে তাত ঈকাৰ আৰু ঈকাৰৰ ঠাইত ইকাৰ প্ৰয়োগ কৰা দেখা গৈছে। যেনে—"কী কহব, কী নিমিত্তে, ওহি বোলী, দাসি ভেলো, ৰাধাকু বাণি, মাধৱ দিন" ইত্যাদি। তেনেকৈ উ,ঊ, ণ, ন, চ, ছ, আদি বৰ্ণতো ব্যতিক্ৰম আছে। ঠায়ে ঠায়ে পুথিভেদে বা একেখন পুথিতে 'চ' আৰু 'ছ' বৰ্ণৰ সলনি হোৱা দেখা গৈছে। এনেকুৱা বেমেজালিত পৰি কেতিয়াবা কাক ধৰিম কাক এৰিম চিন্তা কৰিবলগীয়া হয়। কাৰণ ব্ৰজাৱলী শব্দ সমুদ্ৰত অবগাহন কৰিবলৈ আমাৰ শক্তিৰ অভাব।

ব্ৰজাৱলী ভাষাত স্বৰবৰ্ণ এঘাৰটি—যেনে—অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও ঔ। ব্যঞ্জনবৰ্ণ ছয়ত্ৰিশটি যেনে—ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য,'ৰ, ল, ৱ, শ, ষ, স, হ, ক্ষ, ং, ঃ। দুয়োবিধ বৰ্ণ মিলি সৰ্ব্বমুঠ সাতচল্লিশটি। ইয়াৰ ভিতৰৰে ঊ, ঔ, ঙ, ঞ, ণ, ৱ, ষ, ং, ঃ এই নটি বৰ্ণৰ স্বাধীনতা নাই। ইহঁত সদায় পৰমুখাপেক্ষী। আন বৰ্ণৰ সহায়তহে ইহঁত শক্তিমান। এতেকে এই বৰ্ণকেইটিক প্ৰধান স্থান দিব পৰা নাই।

এই ভাষাত লিংগ নিৰ্ণয় কৰাও সহজ নহয়। অসমীয়াত সি, তাই, আদি শব্দেৰে পুংলিংগ আৰু স্ত্ৰীলিংগ নিৰ্ণয় কৰিব পাৰি। কিন্তু ইয়াত 'তেহো' বুলিলে 'সি' আৰু 'তাই' দুয়োটি লিংগই হয়। তেনেকৈ মান্যাৰ্থত আৰু তুচ্ছাৰ্থত যেনে—আপুনি, তুমি, তই আদি সৰ্ব্বনাম শব্দত ব্যৱহৃত শব্দৰ সলনি 'তোহো' শব্দ দিলেই হয়। তেনেকৈ আন বিলাকতো।

একোটি শব্দ আন এটি শব্দৰ লগত সংযুক্ত নহলে তাৰ পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰি। এইটি "অসমীয়া ব্ৰজাৱলী ভাষা"ৰ বিশেষত্ব। উদাহৰণ স্বৰূপে "হৃদয় কমলে হৰি বৈঠহ, চিন্তো চৰণ না তেৰি" (বড়গীত) অৰ্থাৎ আমাৰ হৃদয় পংকজৰ মাজত হৰি (তুমি) বহি আছা; কিন্তু তথাপি তোমাৰ চৰণ চিন্তা নকৰোঁ। তেনেকৈ "কৰতহু পাপ সমাপল আৱি ভাবি চৰণ না তেৰি" (বড়গীত) অৰ্থাৎ পাপ কৰ্ম্ম কৰোঁতে কৰোঁতে আয়ুস শেষ হ'ল—তথাপি তোমাৰ চৰণ নাভাবোঁ ইত্যাদি। ইয়াত 'না' পদ নিষেধ বাচক। এই শব্দটি ('চিন্তো' আৰু 'ভাবি' শব্দৰ আগত বহিব লাগে। তেতিয়া

'নাচিন্তো' (চিন্তা নকৰোঁ) আৰু 'নাভাবি' (নাভাবোঁ) ৰূপ সিদ্ধ হ'ব। পিছে পদছন্দ মিলাবৰ কাৰণে গুৰুজনে ইয়াক অগা-পিছা কৰি দিছে। এতেকে ইয়াক ব্যাকৰণৰ অন্তৰ্ভুক্ত কৰোঁতে উক্ত আধা বাক্য দুটি তুলি দি সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰি দিয়া হৈছে। সংস্কৃত, অসমীয়া আদি ব্যাকৰণত শব্দৰূপ আৰু ধাতুৰূপ বিলাকৰ প্ৰতিবিধ শব্দ আৰু ধাতু পূৰ্ণৰূপত আছে। সাতোটি বিভক্তি, তিনটি পুৰুষ, আৰু তিনটি লিংগ ইয়াৰ সম্বল। কিন্তু ব্ৰজাৱলী ভাষাত স্ত্ৰীলিংগ নাই আৰু সাতোটি বিভক্তি আৰু তিনটি পুৰুষৰ পূৰ্ণৰূপ পোৱা নেযায়। সংস্কৃত শব্দবোৰ ইয়াত অন্তৰ্ভুক্ত কৰা নাই আৰু যি আছে তাকেহে ব্যাকৰণত আৰু অভিধানত সামৰা হৈছে। সেই বিষয়ে যথাস্থানত উল্লেখ কৰা হৈছে।

সংস্কৃত ব্যাকৰণত "ৰলয়োৰভেদঃ" বুলি এটি সূত্ৰ আছে। সেই মতে 'ৰ' আৰু 'ল'ৰ মাজত ব্যৱধান নাই। ব্ৰজাৱলী ভাষাতো 'ল' বৰ্ণৰ ঠাইত শব্দ বিশেষে 'ৰ' বৰ্ণ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে "সখিসব ঐচন বচন নাবোৰ" (কে.গো.) বাক্যটিত 'নাবোৰ' শব্দৰ ঠাইত 'নাবোল' হব লাগে। সেই দৰে "কাঞ্চুৰী ফোৰে ভোৰে ৰসিক কানু" (পা.হ.) বাক্যটিৰ 'ভোৰে' শব্দৰ ঠাইত 'ভোলে' হব লাগে। কীৰ্ত্তন ঘোষাৰ "অনিছাতো যেন অৰ্গনি পোলে" এই বাক্যটিত 'ৰ' ঠাইত 'ল' হৈছে। তেনেদৰে খেলা—খেৰা, কোঁল—কোঁৰ, কোঁল—কোৰ, গালি—গাৰি আদি শব্দবোৰতো 'ৰ' আৰু 'ল' অভিন্ন ৰূপত আছে।

ব্যাকৰণ আৰু অভিধানৰ শব্দ বোৰৰ সংখ্যা হিচাপ কৰি পোৱামতে ব্যাকৰণৰ শব্দৰূপ ১২০১টা, ধাতুৰূপ ২২৬২টা, মুঠ ৩৪৬৩টা। আভিধানিক শব্দ সৰ্ব্বমুঠ ৩০১৭টা পোৱা হৈছে। এই খিনি শব্দকে লৈ ৰচিত হৈছে এই দুয়ো খনি গ্ৰন্থ। শংকৰ গুৰুৰ নাটকতকৈ মাধৱগুৰুৰ নাট আৰু বড়গীতৰ শব্দাৰ্থ অতি কঠিন পাইছিলোঁ। তদনুৰূপে ভটিমাবোৰো। ইয়াৰ শব্দাৰ্থ বাচনি আৰু গাঁঠনি কৰোঁতে খুব সাৱধানে আগবঢ়া হৈছিল। কিছুমান ভটিমা আৰু বড়গীতৰ ৰচনাকাল সাময়িক বা প্ৰাসংগিক। উদাহৰণ স্বৰূপে "জয় জয় মল্লনৃপতি ৰসবান। যাকেৰি গুণ গন সম নাহি আন" এই ৰাজপ্ৰশস্তিমূলক ভটিমাটি সাময়িক বা প্ৰাসংগিক। নৰনাৰায়ণ ৰজাৰ ৰাজ সভালৈ যাওঁতে মহাপুৰুষ শংকৰদেৱে ৰাজ অভিনন্দনৰ কাৰণে আশীৰ্ব্বচন হিচাপে এই ভটিমাটি ৰচনা কৰি গাইছিল। দ্বিতীয়টি ৰাজপ্ৰশস্তি (ৰাজ ভটিমা) হল "হাসি সভাসদ কৰু বহু থিৰ। মল্ল নৃপতি সম নাহিকয় বীৰ"। এই ভটিমাটিও সাময়িক অৰ্থাৎ সেই সময়ত চলিত ঘটনা এটিক কেন্দ্ৰ কৰি লিখা ৰাজ প্ৰশস্তি। এই ভটিমাটিৰ শব্দাৰ্থ ইমান যে অবোধ্য আৰু তাক সহজ কৰি তুলিবৰ কাৰণে যে কিমান যত্ন কৰা হৈছিল সেই বিষয়ে পাঠকবৰ্গৰ অবগতিৰ কাৰণে লোভ সামৰিব নোৱাৰি তলত ভটিমাটি তুলি দিয়া হল।

হাসি সভাসদ কৰু বহুথিৰ। মল্লনৃপতি সমনাহিকয় বীৰ।।
কাশী বাৰাণসী গৌৰ পৰ্য্যন্তে। মল্ল নৃপতিক সব মহিমা কহন্তে।।
পায়া ঘোটক দেশ অশেষ। ভাট সকলে গুণ গাৱে নিশেষ॥
আপন মন বাঞ্ছিত সকলহি পাই। আনন্দে মল্ল বিলাসিত গাই॥
ঐচন নৃপতি কবহু নাহি পেখি। উদয়গিৰিত যৈচে সূৰ্য্যক দেখি॥
সভা ৰঞ্জত যৈচে দেৱতা সমাজ। স্বৰ্গক মধ্যে যৈচে দেৱৰাজ॥

এসব গুণ কহে পশ্চিম মাঝে। তাহেক শুনল পাৎসা সমাজে ॥
উমৰাসবক আনিয়ে বাত বোল। এতিবেৰি গাডাৰাঘাট মাৰিয়ে ভোল ॥
পাঠান সকলে যদি বিলাসিত হোই। ওৱা হোৱা পাৎসা পেখি নাহি কোই ॥
যৈছে ৰাহু গৰাসিত সুৰ। আৰত পাঠান তেজি নিজ পুৰ ॥
পাঠান সকলে কহে গাডাৰাঘাট মাৰি যাঞ। হাৰাম বামহাতে কাটিয়া খাঞ ॥
যুদ্ধ লগাৱল আতি বড় টানে। খেদলে ছেদল পলাৱল প্ৰাণে ॥
পুনৰ্ব্বাপ উমৰাসকল সব আৰে। গলায়ে পাটুকাবান্ধি শৰণ সোমাৰে ॥
মৃকণ্ঠ শংকৰ নজানে সকল। জয় মল্ল নৃপতিৰ চৰণ যুগল ॥

সেইদৰে 'দেৱ ভটিমা' এটিৰো "আৰে পেখিয়ে গজ কুবলাই। কুচৱলিকহো ৰোষ তোলাই ॥, তাকু পেলল হাতি পেলুবানে। তাৰলি কুম্ভ থোৰে ভগবাণে ॥, পাকড়িয়ে যো আগ ভয়ো খাড়া। গজ চৰৰ তাড়ি কৃষ্ণ দোৱাৰা ॥, ইত্যাদি বাক্যান্তৰ্গত শব্দৰ অৰ্থবোধ জটিল বুলি ধাৰণা হয়। গোটেই ভটিমাটিয়েই কঠিন। তেনেকৈ বৰগীতৰো— "শৰীৰ আতমা মানি সবলোই চোৰ। জ্ঞানী আতমা আপে হাৰামহি খোৰ" এনেকুৱা বহুতো বৰগীতৰ বাক্যৰ শব্দাৰ্থ দুৰ্বোধ্য। তাকে সুবোধ্য কৰিবৰ কাৰণে যত্ন কৰা হৈছে। এনেকৈ ব্ৰজাৱলী ভাষা সমুদ্ৰৰ পৰা মণি মুকুতা বুটলি আনোতে, দুৰ্ব্বোধ্য শব্দ ৰাশি সুবোধ্য কৰোঁতে দুই এটা শব্দ বাদ পৰি থাকি যোৱা অনিচ্ছাকৃত অপৰাধ হব পাৰে। সেই অপৰাধ মাৰ্জ্জনীয়। ইয়াত দুজনা মহাপুৰুষৰ সমস্ত অংকীয়া নাট, বৰগীত, ভটিমাৰ শব্দৰাশি অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি মাজে মাজে স্মৃতি পথত ভুমুকি মৰা কীৰ্ত্তনঘোষাৰ কিছুমান শব্দও সামৰি লোৱা হৈছে। সেই কাৰণে 'তুলং' (তুলনীয়) এই সাংকেতিক চিহ্নেৰে ইংগিত কৰা হৈছে। প্ৰতিখন নাটৰ পৰা, বৰগীত, ভটিমাৰ পৰা শব্দ, ধাতু বুটলি আনি একে ঠাই কৰোঁতে স্থান বিশেষে উদাহৰণ দিওঁতে চৰ্ব্বিত চৰ্ব্বণ কৰাও হৈছে। সেইটি আমাৰ অনিচ্ছাকৃত দোষ। পাঠক সকলৰ ওচৰত এটি বিনম্ৰ অনুৰোধ যে এই গ্ৰন্থত হোৱা ভুল ভ্ৰান্তি আৰু শব্দ বাদ পৰি গলে, তাক আঙুলিয়াই, সোঁৱৰাই, শুধৰাই দিলে পৰম কৃতাৰ্থ মনা হব।

আমাৰ "সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা" গ্ৰন্থ প্ৰকাশৰ পিছতে এইখনি দ্বিতীয় গ্ৰন্থ। প্ৰথম খনিয়ে ৰাইজৰ পৰা আশাতীত ভাবে সমাদৰ লাভ কৰাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠক্ৰমৰো অন্তৰ্ভুক্ত হোৱাত আমি গৌৰৱান্বিত। সেইখনিৰ ভূমিকা লেখক আৰু গ্ৰন্থ উন্মোচক আছিল খ্যাতনামা বিশিষ্ট সাহিত্যকাৰ ড. মহেশ্বৰ নেওগ ডাঙৰীয়া। এইখনি গ্ৰন্থৰো তেখেতে ভূমিকা লেখি দি দ্বিতীয় বাৰৰ কাৰণেও আমাক কৃতজ্ঞতাৰ পাশত আবদ্ধ কৰিছে। আমি তেখেতৰ দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে গ্ৰন্থ সংশোধনৰ সময়ত তেখেতক নানা কামত সহায় কৰি দিয়াৰ কাৰণে ড. সুলেখা চক্ৰবৰ্ত্তী লৈকো আমাৰ অন্তৰ ভৰা আশীষ যাচিছোঁ।

আমাৰ. গ্ৰন্থ প্ৰণয়নত আৰু প্ৰকাশৰ বাবে উৎসাহ যোগোৱা সকলৰ ভিতৰত সৰ্ব্বশ্ৰী অধ্যাপক ভৱপ্ৰসাদ চলিহা, ড. বীৰেন্দ্ৰ নাথ দত্ত, অতুল চন্দ্ৰ বৰুৱা, ড. নগেন শইকীয়া, সাংবাদিক কিশোৰী মোহন পাঠক, ধৰ্ম্মেশ্বৰ নামলগোৱা আতৈ, দেড়গাওঁ মহাবিদ্যালয়ৰ প্ৰবক্তা প্ৰফুল্ল চন্দ্ৰ বৰা, বি, পি, চলিহা মহাবিদ্যালয়ৰ প্ৰবক্তা ৰঞ্জিত কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা পদ্মলোচন হাজৰিকা, চাৰি গাঁৱৰ সংস্কৃতি প্ৰাণ যতীন শইকীয়া, বিশ্ববিদ্যালয়ৰ উদীয়মান ছাত্ৰ প্ৰশান্ত কুমাৰ মহন্ত

আৰু জয়ন্ত কুমাৰ ভাগৱতী প্ৰমুখ্যে আমাৰ শ্ৰদ্ধেয় আৰু স্নেহাস্পদ ব্যক্তি সকলৈ কৃতজ্ঞতা আৰু শুভাশীষ জনাইছো। তেখেত সকলৰ উদগনিয়ে আমাক বহুতো অৰিহনা যোগাইছে।

গ্ৰন্থ দুখন ছপাবৰ কাৰণে তথা প্ৰকাশকৰ দায়িত্ব বহন কৰিবৰ কাৰণে আগ বাঢ়ি অহা শঙ্কৰী বৈষ্ণৱ সংস্কৃতিৰ মাজত লালিত পালিত হৈ ডাঙৰ দীঘল হোৱা বৈষ্ণৱ প্ৰাণ শ্ৰীযুত খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে প্ৰেছৰ কৰ্ম্মী সকল লৈকো শুভেচ্ছা জনাইছোঁ। গ্ৰন্থ দুখনিৰ অবিকল প্ৰতিলিপি কৰি দি আমাক সহায় কৰাৰ কাৰণে শ্ৰীমান সকল গোলাপ বৰুৱা, যতীন বৰা, নৰেন হাজৰিকা,, আৰু প্ৰফুল্ল বৰুৱালৈ হিয়াভৰা আশীষ জনাইছোঁ। বেটু পাতৰ চিত্ৰশিল্পী শ্ৰীযুত হৰিচৰণ শইকীয়া আতৈলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা, শুভেচ্ছা জনালোঁ।

সৰ্ব্বশেষত দুয়োখনি গ্ৰন্থ লেখিবলৈ অৰিহনা যোগোৱা সাহিত্য-সভাৰ সদস্য মহীয়ন ড. মহেশ্বৰ নেওগ মহোদয় আৰু বৰ্ত্তমানৰ সাংস্কৃতিক বিভাগৰ যুটীয়া সঞ্চালক শ্ৰীযুত আনন্দ মোহন ভাগৱতী মহোদয়লৈ কৃতজ্ঞতা, ধন্যবাদ জনাই আৰু গ্ৰন্থত বৈযোৱা ভুল ভ্ৰান্তিৰ কাৰণে পাঠক সকলৰ ওচৰত ক্ষমা বিচাৰি আমাৰ নিবেদন সামৰা হ'ল। কৃষ্ণাৰ্পণমস্ত

ইতি

২০/৬/৮৯

নতুন কমলাবাৰী সত্ৰ, মাজুলী

ভূমিকা

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত নাটক, বৰগীত আৰু ভটিমাৰ ভাষা গুৰুদুজনাৰ আন গ্ৰন্থাৱলীৰ ভাষাৰে একে নহয়। সেই আন গ্ৰন্থসমূহৰ ভাষাও আকৌ কথিত অসমীয়া ভাষাৰে, আনকি মহাপুৰুষৰ নিজৰ কথিত ভাষাৰেও একে নহয়। শংকৰদেৱৰ পূৰ্ব-কবি অপ্ৰমাদীসকলৰ ভাষাও সেই যুগৰ কথিত অসমীয়া ভাষাটি নাছিল। সেই পূৰ্ব-কবি আৰু শংকৰদেৱ, মাধৱদেৱ আদিয়ে কাব্য ৰচনা কৰিবৰ কাৰণে আমাৰ শাক খোৱা, ভাত খোৱা কথাৰ ভাষাৰ পৰা স্বতন্ত্ৰ এটি সাহিত্যিক বা কাব্যিক ৰূপ সৃষ্টি কৰি লৈছিল। শংকৰদেৱ, মাধৱদেৱে আকৌ নাট-গীত-ভটিমাৰ বাবে তাতোকৈও কৃত্ৰিম অথচ শুৱলা এটি ভাষা সৃষ্টি কৰি ললে। সেই ভাষাৰ নাম গুৰুদুজনাই কি থৈছিল, আজি আমাৰ জানিবৰ উপায় নাই। কিন্তু অৰ্বাচীন কালত সেই কৃত্ৰিম ভাষাকে "ব্ৰজাৱলী ভাষা" বোলা হৈ আহিছে। সংস্কৃতৰ 'আৱলী' প্ৰত্যয় কোনো বস্তুৰ শাৰী বুজাবৰ কাৰণে ব্যৱহাৰ কৰা হয়; যেনে—'দীপাৱলী', 'ৰত্নাৱলী', ইত্যাদি। সেই ভাৱে 'ব্ৰজাৱলী' শব্দটোৰ অৰ্থ নোলায়। কিন্তু শংকৰদেৱৰ ৰচনাতে 'আৱলী' প্ৰত্যয়ৰ আন এটা ব্যৱহাৰ আমি দেখা পাওঁ, যেনে 'ৰাসক্ৰীড়া' ৰ বৰ্ণনাতে কোৱা হৈছে "চন্দ্ৰাৱলী ৰজনী দেখিয় বিতোপন।" ইয়াত 'আৱলী' প্ৰত্যয়ৰ অৰ্থ শাৰী নহৈ হৈছে 'সম্বন্ধিত', 'যুক্ত', 'সংপৃক্ত', অৰ্থাৎ 'চন্দ্ৰাৱলী' মানে 'চন্দ্ৰসংযুক্ত', জোনাক থকা। এইভাৱে "ব্ৰজাৱলী ভাষা" খণ্ড বাক্যটোৰ 'ব্ৰজাৱলী' শব্দটোৰ অৰ্থ 'ব্ৰজসম্বন্ধিত'। এই ৰূপে মহাপুৰুষৰ চন্দ্ৰাৱলী আৰু আমাৰ 'ব্ৰজাৱলী' দুইটা বিশেষণ শব্দ, 'দীপাৱলী' আৰু 'ৰত্নাৱলী' ৰ দৰে বিশেষ্য নহয়।

আমাৰ মহাপুৰুষ দুজনাৰ নাট-গীত-ভটিমাৰ ভাষাৰ অনুৰূপকৈ বংগদেশৰ বৈষ্ণৱ কবিসকলৰ মাজতো এটি কৃত্ৰিম ভাষা প্ৰচলিত হৈছিল। তাক বংগ দেশৰ লোকে "ব্ৰজাৱলী ভাষা" নোবোলে, কাৰণ "ব্ৰজাৱলী ভাষা" নামটো অসমতহে চাবত মাৰি উলিওৱা হৈছে। বংগদেশৰ সেই ভাষাক 'ব্ৰজবুলি' বোলা হয়। 'বুলি' মানে মাত বা ভাষা, 'ব্ৰজবুলি' মানে ব্ৰজৰ ভাষা। কৈছোঁৱেই, এই ভাষা কৃত্ৰিম, কাব্যৰ ভাষা। গতিকে ই ব্ৰজধামত কথিত ভাষা নহয়, মাথোন ব্ৰজধামত কথিত ভাষা বুলি ইয়াৰে এটা ধাৰণা সৃষ্টি কৰিবৰ কাৰণে যত্ন কৰা হৈছে।

ব্ৰজধামত কথিত ভাষা আছে। আজি কালিও আছে। তাৰ নাম "ব্ৰজভাখা"। এই ভাষা পশ্চিমা হিন্দী ভাষাৰ উপভাষা। আৰু আলিগড়, ঢোলপুৰ, কেৰাৱলী আদি অঞ্চলত প্ৰচলিত হৈ আছে এই ভাষা। এই প্ৰকৃত কথিত ভাষাৰ লগত কাব্যৰ কৃত্ৰিম ব্ৰজবুলিৰ কোনো পোনপটীয়া সম্বন্ধ নাই।

ব্ৰজবুলি অসম, বংগদেশ, আৰু উৰিষ্যাৰ বৈষ্ণৱ কবিসকলৰ ভাষা। পণ্ডিত সকলে কৈছে যে বংগ আৰু উৰিষ্যাৰ ব্ৰজবুলিৰ ভেটিটো হ'ল মৈথিলী ভাষা। আৰু তাৰ ওপৰৰ ঘৰটো হিন্দী আদি ভাষাৰ টুকুৰা জোৰা দি গঢ়া হৈছে; আৰু অসমৰ ব্ৰজবুলি মৈথিলীৰ পোণপটীয়া প্ৰভাৱতহে জন্ম হৈছে। অসমৰ ব্ৰজবুলিত অসমীয়া ভাষাৰ শব্দ আৰু জতুৱা ঠাঁচ সোমাইছে, বংগদেশৰ ব্ৰজবুলিত বঙলা ভাষাৰ শব্দাৱলী আৰু বঙলা জতুৱা ঠাঁচৰ প্ৰয়োগ কৰা হৈছে। বঙলা আৰু ওড়িয়া ব্ৰজবুলিৰ মাজত পাৰ্থক্য বিশেষ

নাই। আৰু এটা কথা ক'ব পাৰি যে অসমীয়া ব্ৰজবুলিৰ জন্ম বঙলা ব্ৰজবুলিতকৈ কিছু আগতে হৈছিল। শঙ্কৰদেৱে একুৰি বাৰ বছৰ বয়সত ১৪৮১ চনত প্ৰথমবাৰ তীৰ্থলৈ ওলাই যাওঁতে উত্তৰৰ বদৰিকাশ্ৰমত "মন মেৰি ৰাম চৰণহিঁ লাগু" এই গীতটি ব্ৰজাৱলী ভাষাত ৰচনা কৰিছিল। আনকালে বঙ্গীয় ব্ৰজবুলিৰ প্ৰথম গীত বুলি ধৰা হয় যশোৰাজ খাঁৰ "নৃপতিহাসনঃ জগত ভূষণ" আদি কথা থকা গীতটি; আৰু ইয়াৰ সময় হ'ব প্ৰায় ১৪৯৮–১৫০০ চন। মহাপুৰুষে ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰিবলৈ ক'ত অনুপ্ৰেৰণা পালে, সেইটি ভাবিবলগীয়া কথা। হব পাৰে মিথিলাই এই বিষয়ত অনুপ্ৰেৰণা যোগাইছিল।

ব্ৰজাৱলী ভাষা প্ৰয়োগৰ পাছফালে হয়তো সমস্ত ভাৰতৰ নহ'লেও উত্তৰ পূব ভাৰতৰ সকলো প্ৰান্তৰে এটি উমৈহতীয়া বুলি তৈয়াৰ কৰা হয়তো মহাপুৰুষৰ বিশেষ বাঞ্ছা আছিল। মহাপুৰুষৰ ব্ৰজাৱলী ভাষা গোটেই উত্তৰ পূব ভাৰতৰ বোধগম্য এটি ভাষাৰ ৰূপ। আজি-কালি আমি গান্ধীজীৰ আদৰ্শত সমস্ত ভাৰতৰ এক ভাষাৰূপে যেনেকৈ হিন্দীক পাবৰ যত্ন কৰিছোঁ সেইদৰে হয়তো মহাপুৰুষে আমাক এটি সংযুক্ত আৰু সংযোগী ভাষা দিবৰ কাৰণে যত্ন কৰিছিল।

বৰগীতৰ ভাষা ব্ৰজাৱলী ভাষা। ব্ৰজাৱলী ভাষাৰ সুন্দৰ নিদৰ্শন বিশেষকৈ দুয়োজনা গুৰুৰ ভটিমাসমূহ। তদুপৰি নাটকৰ সূত্ৰধাৰৰ সূত্ৰবিলাক আৰু চৰিত্ৰসমূহৰ বচনবিলাক, গীতবিলাক আৰু ভটিমা নামৰ প্ৰশস্তি-গীত বিলাক (নাটৰ আৰম্ভৰ, শেহৰ আৰু মধ্যভাগৰ দেৱভটিমা বিলাক) ব্ৰজাৱলী ভাষাত ৰচিত। সূত্ৰধাৰ আৰু পাত্ৰসমূহৰ বচনতে প্ৰথম অসমীয়া গদ্য ৰচিত হয়। এইটি বিশেষ মন কৰিবলগীয়া কথা। ইয়াৰ ভিতৰতে, আনকি, আমি সেই কালৰ চিঠি-পত্ৰত ব্যৱহৃত কথাৰ (epistolary Prose) নিদৰ্শন পাওঁ "ৰুক্মিণীহৰণ" নাটকৰ ৰুক্মিণী দেৱীয়ে শ্ৰীকৃষ্ণলৈ পঠোৱা প্ৰেম-পত্ৰখনিত। পত্ৰালাপত ব্যৱহৃত অসমীয়া আৰু অসমৰ ওচৰৰ দেশৰ প্ৰচধৰণ আমি বুৰঞ্জী বিলাকতে অৱশ্যে বহলকৈ পাওঁ।

এইভাৱে উপলব্ধি কৰা যাব যে ব্ৰজাৱলী ভাষাৰ বুৰঞ্জী এক জটিলতাৰ মাজত প্ৰোথিত হৈ আছে। তেনেস্থলত ব্ৰজাৱলী ভাষাৰ অভিধান আৰু ব্যাকৰণ লেখাটো একাডেমিচিয়ান অৰ্থাৎ উচ্চ বিদ্যা-মন্দিৰৰ পণ্ডিতৰ বিশেষ কাম। কালিৰাম মেধিৰ "অঙ্কাৱলী" ৰ শব্দপঞ্জীয়ে ব্ৰজাৱলী ভাষাৰ অভিধানৰ এক ভাল প্ৰাথমিক নিদৰ্শন দাঙি ধৰে। মোৰ দ্বাৰা সম্পাদিত "ভক্তিগীত সঙ্কলন"ৰ ভূমিকাত ব্ৰজাৱলী ব্যাকৰণৰ ঐতিহাসিক গতি নিৰূপণৰ সামান্য চেষ্টা কৰা হৈছে। ড. উপেন্দ্ৰ নাথ গোস্বামীয়েও ব্ৰজাৱলী শব্দতত্ত্ব স্পৰ্শ কৰি দুই-এটি প্ৰবন্ধ লিখিছে। শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৱে ব্ৰজাৱলী ভাষাৰ অভিধান আৰু ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ ৰচনা কৰিবলৈ লোৱাটি কিন্তু চমকপ্ৰদ এটি কথা হৈছে। ইতিমধ্যেই প্ৰভু ঈশ্বৰে "সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা" ৰচনা কৰি প্ৰকাশ কৰি আধুনিক পাণ্ডিত্যৰ সুন্দৰ এটি অভিলেখ দাঙি ধৰিছিল। সেই বাবেহে আমিও গোসাঁই ঈশ্বৰক বৰ্ত্তমান দুটি কামলৈ উদগাইছিলোঁ। এই কথা বোধহয় নিঃসন্দেহে ক'ব পাৰি যে কাৰ্য্য দুটি বাঞ্ছণীয় ৰূপত গঢ় লৈ উঠিছে। তাৰ অৰ্থে গ্ৰন্থকাৰে কি পৰিশ্ৰম আৰু চিন্তা কৰিবলগীয়া হৈছিল, সেই কথা গ্ৰন্থ দুখনিয়েই ক'ব। আমাৰ লগতো সেই দুখনি লৈ প্ৰভু ঈশ্বৰে কোনো কোনো দিন

মাজনিশালৈকে কষ্ট কৰিছিল। লগতে প্ৰভুৰ সত্ৰৰ ভকত আতৈ কেইবাজনেও দুপৰ ৰাতিলৈকে পৰ দি কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। সকলোচিবে এনে আশানুধীয়া বৰঙণিয়ে অতি সু-ফল ধৰিছে বুলি আমি স্বীকাৰ কৰিব লগিব।

আশা কৰিছোঁ গোসাঁই প্ৰভুৰ এই যুগল গ্ৰন্থ পণ্ডিত সকলে মনোৰম দান বুলি গ্ৰহণ কৰিব আৰু গীত-নাট-ভট্টিমাৰ অধ্যয়নৰত ছাত্ৰ ছাত্ৰী সকলৰ কাৰণে দুয়োটি বস্তুৱেই অধ্যয়নৰ সুখকৰ সহায়ক হ'ব।

বৈজয়ন্তী, উত্তৰ শৰণীয়া
গুৱাহাটী-৭৮১০০৩ ড° মহেশ্বৰ নেওগ
১৪ জানুৱাৰী, ১৯৯০

ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ

(১) ভাষা আৰু ব্যাকৰণ

যিবোৰ অৰ্থযুক্ত কথা উচ্চাৰণ কৰি মানুহে মনৰ ভাব প্ৰকাশ কৰে, তাকে ভাষা বোলে আৰু ভাষাৰ বাক্যৰ গঠন প্ৰণালী জানিবৰ কাৰণে তথা সেই ভাষা শুদ্ধকৈ লেখিবৰ কাৰণে যি বিশ্লেষণৰ আৱশ্যক হয় আৰু সেই বিশ্লেষণ যি পুথিত থাকে, তাকে ব্যাকৰণ বোলে।

পৃথিবীত বহু ভাষা আছে আৰু তেনেকৈ সেই ভাষাৰ ব্যাকৰণো আছে। কিছুমান ভাষা কথিত আৰু কিছুমান ভাষা অকথিত। উদাহৰণ স্বৰূপে সংস্কৃত ভাষাকে দেখুৱাব পাৰি। হিন্দু দৰ্শনৰ মূল হল সংস্কৃত ভাষা। ই একোটা জাতিৰ জাতীয় ভাষা নহয়। সেই কাৰণে ই অকথিত ভাষা বা শাস্ত্ৰীয় ভাষাহে। সেইদৰে ব্ৰজাৱলী ভাষাও। এই ভাষা বিভিন্ন ভাষাৰ বিভিন্ন শব্দৰ মিশ্ৰিত উপভাষা। ই কথিত ভাষা নহয়। ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ (অসমীয়া ব্ৰজাৱলীৰ) আগতে নাছিল। এই ভাষাৰ ব্যাকৰণ প্ৰস্তুত হোৱাৰ যোগ্যও।

(২) বৰ্ণ প্ৰকৰণ

ভাষাৰ সহায়ত আমি মনৰ ভাব প্ৰকাশ কৰোঁ আৰু তাকে স্থায়ী ৰূপ দিবলৈ লেখি ৰখাৰ ব্যৱস্থাও কৰোঁ। এনেকৈ ভাষা লেখি ৰাখিবৰ কাৰণে যিবোৰ চিন উদ্ভাৱন কৰা হৈছে, তাকে বৰ্ণ বোলা হয়। সেই বৰ্ণসমষ্টিকে বৰ্ণমালা বোলে। অন্যান্য ভাষাত থকাৰ দৰে ব্ৰজাৱলী ভাষাতো বৰ্ণ আছে। অসমীয়া ভাষাত ৪৭ (সাতচল্লিশ)টা আৰু সংস্কৃত ভাষাত ৫০ (পঞ্চাশ)টা বৰ্ণ আছে। সেইদৰে ব্ৰজাৱলী ভাষাতো ৪৭ (সাতচল্লিশ)টা বৰ্ণ পোৱা যায়। বৰ্ণমালা দুভাগে বিভক্ত (১) স্বৰবৰ্ণ আৰু (২) ব্যঞ্জনবৰ্ণ।

(২—ক) স্বৰবৰ্ণ

ব্ৰজাৱলী ভাষাত স্বৰবৰ্ণৰ সংখ্যা ১১ (এঘাৰ)টা যেনে—অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ। ইয়াৰ ভিতৰৰ “ঊ, ঔ” বৰ্ণদুটিৰ প্ৰাধান্য নাই। ই শব্দৰ মাজতহে প্ৰকাশ হয়। স্বতন্ত্ৰ ভাৱে শব্দৰ প্ৰথম স্থানত নথকাত এই বৰ্ণ দুটি স্বৰ বৰ্ণমালাৰ ভিতৰত ধৰি ৰাখিলেও ইয়াক স্বতন্ত্ৰ বৰ্ণ বুলি স্বীকাৰ কৰিব নোৱাৰি। স্বৰ বৰ্ণই কাৰো সহায় নলয়। এতেকে ইহঁত স্বয়ং পূৰ্ণ। ইয়াক আশ্ৰয় কৰি অন্য ধ্বনি প্ৰকাশিত হয়। স্বৰবৰ্ণ দুবিধ (১) হ্ৰস্বস্বৰ আৰু (২) দীৰ্ঘস্বৰ। অ, ই, উ, ঋ এই কেইটি হ্ৰস্বস্বৰ আৰু আ, ঈ, ঊ, এ, ঐ, ও, ঔ এই কেইটি দীৰ্ঘস্বৰ বুলি কোৱা হয়।

(২—খ) ব্যঞ্জনবৰ্ণ

ব্ৰজাৱলী ভাষাত ব্যঞ্জন বৰ্ণৰ সংখ্যা ৩৬ (ছয়ত্ৰিশ) টা যেনে ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ৱ, শ, ষ, স, হ, ক্ষ, ং, ঃ। ইয়াৰ ভিতৰৰে ঙ, ঞ, ন, ৱ, ষ, ং, ঃ এই সাতোটা বৰ্ণৰ প্ৰাধান্য নাই। ইহঁত সদায় পৰমুখাপেক্ষী। শব্দৰ মাজত, যুক্তাক্ষৰত ইহঁত সোমাই থকাত পূৰ্ব্বোক্ত সংখ্যাৰ পৰা ইহঁতক আতৰাই ৰাখিলে প্ৰাধান্য কমি যায়। তদুপৰি অনুস্বাৰ আৰু বিসৰ্গও স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ সহায় নহলে স্ফুটাই উচ্চাৰণ কৰিব নোৱাৰি (সংস্কৃত ভাষাত দুয়োটাকে

স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ লেখত ধৰা হয়)। তথাপি ইয়াক ব্যঞ্জনবৰ্ণৰ অন্তৰ্ভুক্ত কৰি ৰখা হল। এতিয়া স্বৰ বৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ সৰ্ব্বমুঠ সংখ্যা হল সাতচল্লিশটা। স্বৰবৰ্ণৰ সহায় নহলে ব্যঞ্জনবৰ্ণৰ উচ্চাৰণ কৰিব নোৱাৰি।

(২—গ) বৰ্ণৰ উচ্চাৰণ :-

ব্ৰজাৱলী ভাষাৰ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ উচ্চাৰণৰ একো সঠিক নিৰ্ণয় নাই। সংস্কৃত ভাষাত আছে। অসমীয়া ভাষাতত্ত্ববিদ সকলে অসমীয়া ভাষাৰ বৰ্ণমালাৰ উচ্চাৰণাদিৰ বিধি বিধান নিৰ্ণয় কৰিছে যদিও অসমীয়াতো উচ্চাৰণ ঠিকমতে নহয় গৈ। ব্ৰজাৱলী ভাষাৰ কিছুমান শব্দৰ উচ্চাৰণ আখৰ জোঁটনি মতেও হব নোখোজে। অংকীয়া নাট, বড় গীত, ভটিমাৰ শব্দ সত্ৰীয়া পৰম্পৰানুসৰি উচ্চাৰিত হৈ আহিছে। ইয়াক আমি নাটকীয় ভাষা বুলি কওঁহক। তোহো, তোহাৰ, হামো, হামাৰ, আদি শব্দবোৰ উচ্চাৰণ কৰোঁতে সত্ৰীয়া ভাবে অনুস্বাৰ দি কৰা হয় যেনে তোঁহো, তোঁহাৰ, হামোঁ, হাঁমাৰ ইত্যাদি। তেনেকৈ কয়ল, কৰব আদি শব্দও 'কৰল্ল' 'কৰব্ব' এইমতে যুক্তাক্ষৰ দি উচ্চাৰণ কৰা হয় (অৱশ্যে আজি কালি সংশোধন কৰা হৈছে)। আকৌ 'গোসাঞি' 'পঠাঞু' শব্দবোৰো উচ্চাৰণ কৰোঁতে অনুনাসিক বৰ্ণৰ উচ্চাৰণৰ দৰে কৰা হয়। এতেকে এনেকুৱা ভিন্নতাৰ কাৰণে আখৰ জোঁটনি মতে উচ্চাৰণ আৰু উচ্চাৰণ মতে আখৰ জোঁটনি নহয়গৈ। তদুপৰি প্ৰতিখন সাঁচিপতীয়া পুথিৰ বৰ্ণ বিন্যাসক্ৰমো সুকীয়া সুকীয়া। ইয়াত ব্যঞ্জন চিন বা হসন্ত (্) চিন প্ৰায় নায়েই।

(২—ঘ) বিপ্ৰকৰ্ষ :-

জিভাৰ জোৰ কমাই সহজ ভাবে উচ্চাৰণৰ কাৰণে সংযুক্ত ব্যঞ্জন ধ্বনিক সুকীয়া কৰি তাৰ মাজলৈ স্বৰধ্বনি অনাকে বিপ্ৰকৰ্ষ বোলা হয়। আনহাতে ইয়াক তদ্ভব, তৎসম পৰ্য্যায়লৈকো আনিব পাৰি। ব্ৰজাৱলী ভাষাত তেনেকুৱা শব্দ বহুত আছে। তাৰে কিছুমান উদাহৰণ দিয়া হ'ল যেনে—অগ্নি–অগনি, অজ্ঞান–অগিয়ান, অস্থিৰ–অথিৰ, অদ্ভুত–অদভুত অপ্সৰা–অপেসৰা, অপেচৰা; অবিঘ্ন–অবিঘিনি, অবিচ্ছেদ–অবিছেদ, অমূল্য–অমোল, আমোল, অৰ্থ–অৰথ, অৰ্পিত–অৰপিত, অল্প–অলপ, আততায়ী–আততাই, আত্মা–আতমা, আৰক্ত–আৰকত, ইচ্ছা–ইছা, উৎপল–উতপল, উদ্দিশ–উদিশ, উন্মত্ত–উনমত, উৎসাহ–উছাহ, উৎসব–উছৱ, কন্যা–কইনা, কল্মষ–কলমষ, কৰ্ত্তা–কৰতা, কৰ্ত্তা, কৰ্ম্ম–কৰম, কল্কী–কলকি, কল্প–কলপ, কাকুতি–কাকু, কাৰ্য্য–কাজ, কাপোৰ–কাপড়, কুব্জি–কুবুজী, কৃৰ্ম্ম–কুৰুম, কৃষি–কিৰিষি, ক্ৰোধ–কোৰোধ, গৰ্জ্জি–গৰজি, গৰ্ব্ব–গৰব, গৰ্হিত–গৰিহিত, গুপ্ত–গুপুত, ঘৰ্ম্ম–ঘৰম, ঘৰ্ষণ–ঘৰিষণ, ঘৃণা–ঘিণা, চক্ৰ–চকৰ, চৰ্পটি–চৰপটি, চতুৰ্দ্দশ–চতুৰদশ, চতুৰ্ভূজ–চতুৰভূজ, চতুৰ্ম্মুখ–চতুৰমুহ, চন্দ্ৰ–চান্দ, চিত্ত–চিত, চিতি, চেনী–চিনি, চুলি–চুল, জন্ম–জনম, তল্প–তলপ, স্তন–তন, স্ত্ৰী–তিৰী, তীৰ্থ–তীৰিথ, স্তুতি–তুতি, তৃপ্তি–তৃপিতি তৃষ্ণা–তৃষা, ত্ৰাস–তৰাস, স্তম্ভ–তম্ভ, স্তম্ভাই–তম্ভাই, স্থান–থান, স্থালি–থালি, স্থিৰ–থিৰ, স্থূল–থুল, দগ্ধ–দগধ, দৈ–দই, দৰ্প–দৰপ, দৰ্শন–দৰশন, দৰসন, দায়ী–দাই, দীপ্তি–দীপিতি, দুৰ্ব্বলী–দুৰবলী, দ্বাৰে–দুৱাৰে, ধৰ্ম্ম–ধৰম, ধ্যান–ধিয়ান, ধৃতি–ধতি, নিকা–নিক, নীক, নিৰ্জ্জান–নিৰজান, নিৰ্ম্মাণ–নিৰমাণ, নিৰ্ম্মল–নিৰমল, নিৰ্ম্মিল–নিৰমিল, নিঃশব্দ–নিশবদ, নীকজ–নিকজ, নেওচনি–নিচনি, পংক্তি–পকতি, পত্নী–পতনি, পতনী, পদ্মিনী–পদুমিনী,

পর্শি–পৰশি, পৰসি, প্ৰকাৰে–পৰকাৰে, প্ৰকাশ–পৰকাশ, পৰকাস, প্ৰচন্ড–পৰচণ্ড, প্ৰচাৰ–পৰচাৰ, প্ৰত্যেক–পৰতেক, প্ৰধান–পৰধান, প্ৰণাম–পৰণাম, প্ৰবেশ–পৰবেশ, পৰবেস, প্ৰভাত–পৰভাত, প্ৰভূ–পহু, প্ৰমাদ–পৰমাদ, প্ৰমাণ–পৰমাণ, প্ৰসাদ–পৰসাদ, প্ৰসাৰ–পৰসাৰ, পয়োসাৰ। প্ৰাণ–পৰাণ, প্ৰীতি–পীৰিতি, পুত্ৰ–পুত, পুতা, পূৰ্ব্ব–পূৰুব, বৰ্জ্জ–বৰজি, বল্লভ–বালাম্ভ, বৰ্ষণ–বৰিষণ, ব্ৰত–বৰত, ব্যক্ত–বেকত, ব্যাঘাত–বিঘাত, ব্যাকুল–বিয়াকুল, ব্যাপক–বিয়াপক, ব্যাপী–বিয়াপি, ব্যামোহ–বিয়ামোহ, বাৰ্ত্তা–বাত, বিঘ্ন–বিঘিনি, বিত্ত–বিত, বিৰক্তি–বিৰকতি, বুদ্ধি–বুধি, ভক্ত–ভকত, ভক্তা–ভকতা, ভক্তি–ভকতি, ভুক্তি–ভুকুতি, ভ্ৰম–ভৰম, মগ্ন–মগন, মন্মথ–মনমথ, মন্ত্ৰ–মন্তৰ, মৰ্ম্ম–মৰম, মাৰ্গ–মাৰগ, মিত্ৰ–মিত, মুক্ত–মুকুত, মুক্তি–মুকুতি, মুগ্ধ–মুগুধ, মূৰ্ত্তি–মূৰতি, মূৰ্চ্চিত–মুৰুচিত, মূৰ্খ–মূৰুখ, ম্লান–মোলান, যত্ন–যতন, যজ্ঞ–যাগ, যুক্তি–যুগুতি, যৌৱান–যোৱান, ৰত্ন–ৰতন, ৰশ্মি–ৰশমি, ৰাক্ষস–ৰাকচ, ৰীতি–ৰিত, ৰীত, ৰুক্মিণী–ৰুকমিণী, ৰুকুনী, ৰুক্মি–ৰুকুমি, লুব্ধ–লুবুধ, শক্তি–শকতি, শব্দ–শবদ, শাস্তি–শাতি, শীঘ্ৰ–শীঘিৰ, সৎকাৰ–সতকাৰ, সৰ্প–সৰপ, স্মৰণ–সুমৰন, স্নান–চিনান, স্হান–থান, স্হালি–থালি, স্হিৰ–থিৰ, সূৰ্য্য–সূৰুজ, সূৰুয, হৰ্ত্তা–হৰতা ইত্যাদি।

এনেকৈ আৰু এনেকুৱা কিছুমান শব্দত স্বৰৰ সংযোজক আমি বিপ্ৰকৰ্ষ বা স্বৰভক্তি বুলি কওঁহক। তেনেকৈ এটা বৰ্ণৰ ঠাইত আন এটা বৰ্ণৰ আগম হৈ শব্দ বা ৰূপ বিকৃতি হোৱাও দেখা যায়। ইয়াকে বৰ্ণাগম আৰু বৰ্ণ বিপৰ্য্যয় বুলি কোৱা হয়। ব্ৰজাৱলী ভাষাতো তেনেকুৱা বহু শব্দ আছে যেনে–অশ্বিণী– অৰিনি, অলকত–অৰকত, অন্বয়–অন্নয়, অপেক্ষা–অপেখা, অলক্ষিতে–অলখিতে, আধাৰ–আধাৰু, আন্ধাৰি–আন্ধিয়াৰি, আপেক্ষি–আপেখি, আশ্বাস– আশোৱাস, আছোৱাস, ঈৰ্ষা–ঈৰিসা, কপাল–কম্পাল, কপোল, কৰ্ণে কৰ্ণে–কন্নে কন্নে, কহ্লোলা–কল্লোল, কায়–কাই, কাম–কামা, কাল–কালা, কাষতে–কাখতে, কানাই–কাহ্নাই, কুশ–কুখ, কুশল–কুখল, কুতা–কুত্তা, কেলি–কেৰি, কোল–কোৰ, খেলা–খেৰা, খেলাক–খেৰাক, গালি–গাৰি, গোধূলি–গোধূৰি, গোৱালী–গোৱাৰি, গোৱাৰী, ঘাতক–ঘাতেক, চঞ্চল–চঞ্চৰ, চাকৰি–চাকেৰি, জীৱ–জীউ, জী–ঝী, জিকমিক–ঝিকমিক, টেটোন–টেন্টন, ডোল–ডোৰ, ঢকা–ঢঙকা, তুল–তুষ, তোয়ী–তোই, তোমাৰ–তোহ্মাৰ, দক্ষিণ–দখিন, দয়া–দায়া, দয়ালু–দয়ালা, দশন–দশনু, দসনা, দায়–দাই, দেহা–দেহু, ধাৰ–ধাৰু, নাম–নামা, নাবোল–নাবোৰ, নীৰ–নিৰ, পক্ষীৰাজ–পখীৰাজ, পত্ৰ–পতিয়া, পক্ষী–পাখী, পাত–পাতা, পাতক–পাতেক, পামৰ–পামৰু, পিতৃ–পিতু, পুনঃ–পুনু, পালোৱান–পেলুৱানে, বহুৱা–বসুৱা, বক্ৰ–বঙক, বাদছাহ–পাৎসা, বালক–বালেক, বিস্মৰি–বিছুৰি, বিধি–বিহি, বিশ্বাস–বিছোৱাস, বৃদ্ধ–বুঢ়িয়া, ব্যৱহাৰ–বেৱহাৰা,, ভাল–ভল্ল, ডোলে–ডোৰে, মন–মনু, মনুৱা, মনাই, অন্ধ–আন্ধা, মাজে–মাৰে, মধুৰ–মাধুৰ, মাধু, মাতৃ–মাতু, মুখ–মুহ, যদুৰায়–যদুৰাই, যদুৰায়া, যাদুৰাই, ৰক্ষা–ৰইখা, ৰজনী–ৰয়নী, ৰক্ত–ৰাতা, ৰতি–ৰকতি, ৰোষ–ৰুখ, শক্য–শখ, শিক্ষা–শিখা, শোভা–শোহা, শ্ৰী–ছিৰি, সাথে–সাতে, হৰষে–হৰখে, হাত–হাথ, হাৰ–হাৰু, হেৰ–হুৰ, ক্ষত–খত, ক্ষীৰ–খীৰ ইত্যাদি। সেইদৰে–খাও–খাঞ্ৰু, যাওঁ–যাঞ্ৰু, জাঞ্ৰু, তই–তঞ্ৰি, মই–মঞ্ৰি, তেওঁ–তেঞ্ৰো, থওঁ–থঞ্ৰু, থঞ্ৰো, মাই–মাঞ্ৰি, নাও–নাঞ্ৰো, নাই–নাঞ্ৰি, লওঁ–লিঞ্ৰো.

আদি শব্দবোৰ বৰ্ণ বিপৰ্য্যয়ৰ লেখত ধৰা হয়।

(২—৩) আখৰ জোঁটনি প্ৰকৰণ ঃ–

ব্ৰজাৱলী ভাষাত আখৰ জোঁটনিৰ প্ৰকাৰ নিৰ্ণয় কৰাই টান। সাঁচি পতীয়া পুথিভেদে আখৰ জোঁটনি বেলেগ বেলেগ হোৱা দেখা গৈছে। এনেধৰণৰ হলেও যে কোনো কোনো ক্ষেত্ৰত শুদ্ধ আখৰ জোঁটনিৰ অভাব সেইটি নিশ্চিত। প্ৰায় বিলাকেই আমাৰ আধুনিক আখৰ জোঁটনিৰ লগত অমিল দেখা যায়। সেই কাৰণে আমি সাঁচিপতীয়া পুথিৰ বৰ্ণবিন্যাসক প্ৰাচীন লিপি বুলি কওঁ। অৱশ্যে প্ৰাচীন বৰ্ণ বিন্যাসৰ কিছুমান আখৰ জোঁটনি আধুনিক অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ লগত মিলেও। আমি প্ৰাচীন বৰ্ণবিন্যাসক সন্মান কৰা উচিত। সেইবোৰ যেনে আছে তেনে ধৰণে ৰাখিব লগাটো নিয়ম। ব্ৰজাৱলী ভাষাৰ প্ৰাচীন বৰ্ণবিন্যাসবোৰ পালি প্ৰাকৃত শব্দৰ নিচিনাই। কোনো কোনো শব্দ উচ্চাৰণ কৰাটোও টান। ওপৰত উদ্ধৃতি দিয়া বিপ্ৰকৰ্ষ, বৰ্ণাগম আৰু বৰ্ণ বিপৰ্য্যয়ৰ শব্দবোৰ সংস্কৃত আৰু অসমীয়া শব্দৰ অপভ্ৰংশ ৰূপৰ সমষ্টি। ব্ৰজাৱলী ভাষাৰ প্ৰাচীন বৰ্ণবিন্যাস হিছাপে সেই বোৰ শুদ্ধ আৰু আখৰ জোঁটনি প্ৰকৰণৰ উদাহৰণ।

(৩) ণত্ববিধি আৰু ষত্ববিধি ঃ–

ব্ৰজাৱলী ভাষাত ণত্ববিধি আৰু ষত্ব বিধি ব্যবস্থা প্ৰায় নাই বুলিবই পাৰি। সংস্কৃত আৰু অসমীয়াৰ দৰে ইয়াৰ বানানত দুয়োটা বিধিৰ কোনো ব্যৱস্থা ধৰা বন্ধা হিছাপে নথকাত সিবোৰ উচ্ছেদ হৈছে। কোনো কোনো শব্দৰ মূৰ্ধন্য 'ণ' ৰ ঠাইত দন্ত্য 'ন' আৰু দন্ত্য 'স' ৰ ঠাইত মূৰ্ধন্য 'ষ' ৰ প্ৰয়োগ হোৱা দেখা যায়। এতেকে ইয়াৰ কোনো নিৰ্দ্ধাৰিত ব্যবস্থা নাই।

(৪) সন্ধি প্ৰকৰণ ঃ–

ব্ৰজাৱলী ভাষাত সন্ধিৰ সংখ্যা নিচেই সামান্য। তলত কেইটিমান সন্ধিৰ ৰূপ দেখুৱা হ'ল।

(১) ন + আৱত = নাৱত।

(২) ন + আৱে = নাৱে।

(৩) ন + আৱল = নাৱল।

(৫) যতিচ্ছেদ বিধি ঃ–

উচ্চাৰণ কৰোঁতে বাক্যৰ মাজত জিভাৰ বিৰতিৰ নাম যতিচ্ছেদ বোলা হয়। প্ৰশ্ন, হৰ্ষ, বিস্ময়াদি ভাব বুজাবৰ কাৰণে, নাইবা অৰ্থ গ্ৰহণৰ সুবিধাৰ কাৰণে বাক্যত কিছুমান ছেদ-চিন ব্যৱহাৰ কৰা হয়। যেনে পাদচ্ছেদ (,) বা কমা, অৰ্দ্ধচ্ছেদ (;) বা চেমিকলন, প্ৰশ্নচিহ্ন (?), পূৰ্ণচ্ছেদ (।) বা দাঁড়ি, বিস্ময়াত্মক চিহ্ন (!), উৰ্দ্ধচ্ছেদ্ (''), বন্ধনী চিহ্ন([ ]) বা ব্ৰেকেট্ আদি। এতিয়া ইংৰাজী ভাষাৰ অনুকৰণ কৰি অসমীয়া ভাষাতো এইবোৰ ব্যৱহাৰ কৰা হৈছে। কিন্তু ব্ৰজাৱলী ভাষাত পূৰ্ণচ্ছেদ বা দাঁড়িৰ বাহিৰে আনবোৰ যতিচ্ছেদ বিধি পাবলৈ নাই। অৱশ্যে নাটকৰ সূত্ৰধাৰে আৰু ভাৱৰীয়া সকলে নিজ নিজ বক্তব্য ডাঙি কৰোঁতে প্ৰশ্নবোধক চিন আদি এনেকুৱা বিধিবোৰ মানি চলাটো সত্ৰীয়া ভাওনাৰ পৰম্পৰাত আছে। যেনে (১) হা হা হামাক শপত, যব সত্বৰে নাহি কহ। (ৰুক্মিণী হৰণ) (২) তোহাৰি ঘৰে চুৰ কয়ে লৱনু খাৱলো ? (পিম্পৰা গুছোৱা) ইত্যাদি। ইয়াত কমা, দাঁড়ি, প্ৰশ্নচিহ্নৰ প্ৰকাৰ দেখুৱা হৈছে পাঠক সকলে

বুজিবৰ কাৰণেহে। আচলতে নাট বিলাকত নাই।

(৬) বচন আৰু লিংগ নিৰ্ণয় ঃ-

সংস্কৃত ভাষাত একবচন, দ্বিবচন আৰু বহুবচন ভেদে বচন তিনি প্ৰকাৰ। অসমীয়া ভাষাত একবচন আৰু বহুবচন ভেদে বচন দুই প্ৰকাৰ আছে। ব্ৰজাৱলী ভাষাতো তেনেকৈ একবচন আৰু বহুবচন দুই প্ৰকাৰৰ। উদাহৰণ স্বৰূপে একবচন— 'হামো', বহুবচন-'হামোসব'। তোহো, তোহোসব ইত্যাদি। ব্ৰজাৱলীত বহুবচনৰ কোনো স্বতন্ত্ৰ স্থিৰ ৰূপ নাই। ইয়াত লোক, জন, গণ, সব, চয়, কুল, সকল, সকলে, নিকৰয়ে আদি শব্দ যোগ কৰি বহুবচন নিৰ্ণয় কৰা হয়। যেনে (১) সখিসব এছন বচন নাবোৰ (কে.গো.), আহে সামাজিক লোক (সকলো নাট), ওহি বুলি গোৱাল গণ (কো.খে.) কুটিল অলককুল (পা.হ.) বালা গাৰেনিকৰয়ে (কে.গো.) ইত্যাদি। লিংগ নিৰ্ণয়ৰ ক্ষেত্ৰতো পুংলিংগ আৰু স্ত্ৰীলিংগহে পোৱা যায়। ক্লীবলিংগ নাই। পুংলিংগ— গোপ, গোৱাল আদি। স্ত্ৰীলিংগ—গোপী, গোৱালিনী আদি। অসমীয়াত তেওঁ আৰু তাই পুংলিংগ আৰু স্ত্ৰীলিংগ ৰূপত আছে। কিন্তু ব্ৰজাৱলী ভাষাত 'তেহো' বুলি কওঁতে দুয়োটা লিংগত সমানে প্ৰয়োগ কৰিব পাৰি। মান্যাৰ্থত আৰু তুচ্ছাৰ্থত 'তোহো' বুলি (তই, তুমি, আপুনি) কলেই হয়। তলত কেইটিমান উদ্ধৃতি দিয়া হল, যেনে-

পুংলিংগ শব্দ	স্ত্ৰীলিংগ শব্দ
দেৱ	দেৱী
ব্ৰাহ্মণ	ব্ৰাহ্মণী
ৰাক্ষস	ৰাক্ষসী
মানুষ	মানুষী
মানী	মানিনী
নিশাচৰ	নিশাচৰী
নিদাৰুণ	নিদাৰুণী
বনচৰ	বনচৰী
ইন্দ্ৰ	ইন্দ্ৰাণী
কুমৰ	কুমাৰি
ৰুক্ম, ৰুকুমী	ৰুক্মিণী, ৰুকমিণী
ৰাজকুমাৰ	ৰাজকুমাৰী
ৰাজ নন্দন	ৰাজ নন্দিনী
গোপ	গোপিনী
বাল	বালা
পৈ	পত্নী
কিংকৰ	কিংকৰী
নৰ	নাৰী
ৰময়া	ৰমণী
দাস	দাসী
অধিকাৰ	অধিকাৰিণী

একবচন	বহুবচন
মঞি	হামি
তঞি, তোহো	তোহোসব
হামো	হামোসব
গোৱাল	গোৱালগণ
গোপী	গোপীসব
সখী	সখীসব
তোৰা	তোৰাসব
তাহে	তাহেক
হামাক	হামাৰাসবক
বালক	বালকসব
দেৱতা	দেৱতাগণ
দাসী	দাসীসবক

(৭) শব্দ প্ৰকৰণ

অৰ্থযুক্ত বৰ্ণ সমূহক শব্দ বোলে। ব্ৰজাৱলী ভাষাত তেনেকুৱা শব্দ বহুত আছে। স্থানান্তৰত সেই বিলাক উল্লেখ হব। শব্দ দুবিধ—সব্যয় আৰু অব্যয়। তৰু, পাৰিজাত, শক্ৰ, গো, মানুষ ইত্যাদি বিশেষ্য পদবোৰ সব্যয় আৰু যিবোৰ শব্দৰ লিঙগ, বচন, বিভক্তি যোগতো সেই ৰূপৰ কোনো পৰিবৰ্তন নহয়, সেই বোৰক অব্যয় বুলি কোৱা হয় যেনে—অখন, অতয়ে, অবহু, তবহু ইত্যাদি। সব্যয় আকৌ দুবিধ—ধাতু আৰু প্ৰাতিপদিক। বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰিবলৈ ধাতু আৰু প্ৰাতিপদিকৰ পাছত যোগ কৰা বৰ্ণসমূহক বিভক্তি বোলা হয়। বিভক্তি দুবিধ-ক্ৰিয়া বিভক্তি আৰু শব্দ বিভক্তি। দুয়োবিধ বিভক্তিৰ চিন স্থানান্তৰত প্ৰকাশ পাব। শব্দ বিভক্তি সাতবিধ যেনে প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, আৰু সপ্তমী। সাতবিধ শব্দ বিভক্তিৰ চিন অসমীয়াৰ অনুকৰণত ব্ৰজাৱলী ভাষাতো পোৱা যায় যেনেঃ-

(৭ পৃষ্ঠাত চাওঁক)

(৮) পদ প্ৰকৰণ

বিভক্তি যুক্ত শব্দক পদ বোলা হয়। পদ পাঁচবিধ যেনে বিশেষ্য, বিশেষণ, সৰ্ব্বনাম, অব্যয়, আৰু ক্ৰিয়া। প্ৰতিটো পদৰ বিশ্লেষণ তলত দেখুৱা হৈছে।

(৮-ক) বিশেষ্য ঃ- যাৰ সম্বন্ধে বা যি পদে কোনো নাম প্ৰকাশ কৰে, তাকে বিশেষ্য বোলা হয় অৰ্থাৎ কোনো প্ৰাণীৰ বা পদাৰ্থৰ নাম বুজোৱা পদকে বিশেষ্য বোলে। বিশেষ্য ছবিধ যেনে—জাতিবাচক, সংখ্যাবাচক, গুণবাচক, বস্তুবাচক, নামবাচক আৰু ক্ৰিয়াবাচক। অসমীয়াৰ দৰে ব্ৰজাৱলীতো এনেকৈ বিশেষ্য পদৰ ভাগ আছে।

(ক-১) জাতিবাচক বিশেষ্য ঃ- যি পদে কোনো প্ৰাণীৰ বা জাতিৰ সাধাৰণ নাম বুজায়, তাকে জাতিবাচক বিশেষ্য বোলে যেনে—নৰ, নাৰী, নদী, পৰ্ব্বত, বৃক্ষ, পক্ষী, গো,বাছড়ু ইত্যাদি।

বিভক্তি	অসমীয়া ৰূপ	ব্ৰজাৱলীৰূপ	
		নিৰ্ব্বিভক্তিক (ঊহ্য)	সবিভক্তিক
প্ৰথমা	অ, ই, এ	অ, ই, এ	অ, অয়ে, আ, আই, ই, ইয়ে, উ, এ, এবে, ও ইত্যাদি
দ্বিতীয়া	অক	ক	আ, এ, এৰে, ক, কহো, কু, কে, কো, ত, য়ে, ৰে
তৃতীয়া	ৰে, দি, দ্বাৰা	ৰে	ই, এ, এৰ, ক, য়ে, ৰে, লো, ৰে, সে, হি।
চতুৰ্থী	অক্লৈ	লৈ	আ, ই, এ, ক, কু, গৈয়া, ত, মহ, ৰ, ৰে লাগি, লাগিয়া, এলাই, এলাগি, কলাই, কলাগি, কুলাই।
পঞ্চমী	পৰা	পৰা	এ, ত তহন্তে, ৰ, এসেহন্তে, হন্তে।
ষষ্ঠী	ৰ	ৰ	আক, আটাৰ, ঈৰ, উ, এ, এক, এৰ, ক, কৰ, কহি, কহো, কা, কাৰ, কি, কু, কেৰি, কো, ত, ৰ, ৰে, ৰো, হি, হু।
সপ্তমী	ত	ত	আ, ই, উ, এ, এয়া, ক, কহোকো, ত, তট, তে, মহ, য়, য়া, য়ে, লো, সি, হি।

(ক-২) সংখ্যাবাচক বিশেষ্য:- যি পদে সংখ্যা পৰিমাণ আদি বুজায়, তাকে সংখ্যাবাচক বিশেষ্য বোলে যেনে—এক, দোহো, তিনি, চৈধয়, একবিন্দুৰা ইত্যাদি।

(ক-৩) গুণবাচক বিশেষ্য:- যি পদে বিশেষ্যৰ গুণ বা স্বভাব বুজায়, তাকে গুণবাচক বিশেষ্য বোলে যেনে-মহিমা, শোক, মোহ, ভয়, যৌৱন, সমান ইত্যাদি।

(ক-৪) বস্তুবাচক বিশেষ্য:- যি পদে কোনো বস্তুৰ নাম ধাম বুজায়, তাকে বস্তুবাচক বিশেষ্য বোলে যেনে—অগনি, আগৰ, উতপল, নীৰ, ৰূপ চকৰ, দই, পতিয়া, ইত্যাদি।

(ক-৫) নামবাচক বিশেষ্য:- যি পদে ব্যক্তি বিশেষৰ নাম বা যি কোনো নিৰ্দ্দিষ্ট

বস্তুৰ নাম বুজায়, তাকে নামবাচক বিশেষ্য বোলে যেনে—ৰাম, কৃষ্ণ, যশোৱা,নন্দ, ৰোহিণী, ভীষ্মক, কানাই, কানু, ৰুকমিণী, শচী, বিশ্বামিত্র, দশৰথ, ৰাকচ, ইত্যাদি।

(ক-৬) ক্রিয়াবাচক বিশেষ্য ঃ- যি পদে কোনো ক্রিয়াৰ অৰ্থ প্ৰকাশ কৰে তাকে ক্রিয়াবাচক বিশেষ্য বোলে যেনে শয়ন, ভোজন, গমন, ভ্ৰমণ, শ্ৰৱণ ইত্যাদি।

(৮-খ) বিশেষণ ঃ-

যি পদে অইন কোনো পদৰ দোষ, গুণ, পৰিমাণ, অৱস্থা আদি প্ৰকাশ কৰে, তাকে বিশেষণ বোলে। ব্রজাৱলী ভাষাত বিশেষণ দুবিধ—(১) বিশেষণীয় বিশেষণ আৰু (২) ক্রিয়া বিশেষণ। ভল্ল, আৰ্গহি, আটোপ, উজোৰা আদি পদবোৰ বিশেষণ পদৰ লেখ'ত ধৰা হ'য়।

(খ-১) বিশেষণীয় বিশেষণ ঃ-

যি পদে বিশেষণৰ গুণ বা অৱস্থা প্ৰকাশ কৰে, তাকে বিশেষণীয় বিশেষণ বুলি কোৱা হয়। যেনে একান্ত,নিতান্ত, আতি, অধিকহি,, অধিকাও ইত্যাদি।

(খ-২) ক্রিয়া বিশেষণ ঃ-

যি বিশেষণ পদে ক্রিয়াপদৰ গুণ, দোষ, অৱস্থা দেখুৱাবলৈ নিৰ্দ্দেশ কৰে বা ক্রিয়াৰ কাল বা স্থান বুজাবৰ কাৰণে ব্যৱহাৰ কৰা হয়, তাকে ক্রিয়া বিশেষণ বোলে যেনে অতক্ষণে, অনাবাৰে, আউৰ বেলি, আকাৰা, আগহি আদি। এনেকুৱা পদবোৰক স্থানবাচক,পৰিমাণবাচক আদিৰে ক্রিয়া বিশেষণ কৰিব পাৰি।

(৮-গ) সৰ্ব্বনাম ঃ-

বিশেষ্য পদৰ সললি যি বিলাক পদ ব্যৱহাৰ কৰা হয়, সেই বোৰ পদক সৰ্ব্বনাম বোলে। সৰ্ব্বনাম পদ পাঁচবিধ যেনে (১) ব্যক্তিবোধক (২) বিশেষণ সৰ্ব্বনাম (৩)কালবোধক (৪)স্থান বোধক আৰু (৫)সম্বন্ধবোধক। প্ৰতিটো সৰ্ব্বনামৰ উদাহৰণ এনেদৰে।

(গ-১) ব্যক্তিবোধক সৰ্ব্বনাম ঃ-

যিবোৰ পদ কোনো পদাৰ্থ বা বস্তুৰ বিপৰীতে ব্যৱহাৰ কৰা হয়, তেনেবোৰ পদক ব্যক্তিবোধক সৰ্ব্বনাম বুলি কোৱা হয় যেনে মঞি,তঞি, তেহো, তোহো, হামো ইত্যাদি।

(গ-২) বিশেষণ সৰ্ব্বনাম -

যি বিলাক সৰ্ব্বনাম পদ বিশেষ্য শব্দৰ আগত বিশেষণৰ দৰে থাকে, তাক বিশেষণ সৰ্ব্বনাম বুলি কোৱা হয় যেনে-ঐছন, ঐছে, ওই, ওহি, কতিহো, কমন, তাহেক ইত্যাদি।

(গ-৩) কালবোধক সৰ্ব্বনাম ঃ-

যি বিলাক সৰ্ব্বনাম পদে কাল, বা সময়ৰ কথা বুজায়, সেই বোৰক কালবোধক সৰ্ব্বনাম বুলি কোৱা হয় যেনে-এখনে, তেখনে, যেখনে ইত্যাদি।

(গ-৪) স্থানবোধক সৰ্ব্বনাম ঃ-

যিবোৰ সৰ্ব্বনাম পদে ঠাইৰ কথা বুজায়, সেই বোৰক স্থানবোধক সৰ্ব্বনাম বোলে যেনে— কতিহো, কৈৰ, তথায়ে, তথি, তথিয়ে, তাহে, যৈত ইত্যাদি।

(গ-৫) সম্বন্ধবোধক সৰ্ব্বনাম ঃ-

যিবোৰ সৰ্ব্বনাম পদে সম্বন্ধ সূচক কথা বুজায়, সেই বোৰ পদকে সম্বন্ধবোধক

সৰ্ব্বনাম বুলি কয়। যেনে— যাহেৰ, তাহেৰ, তাকৰ, যাকৰ, কাহেক, তাহে, তাহেক, ইত্যাদি।

(৮–ঘ) **অব্যয় ঃ-**

যি পদৰ কোনোকালে ব্যয় নহয় অৰ্থাৎ লিংগ, বচন, বিভক্তি আদিয়ে যাক নিয়ন্ত্ৰণাধীন কৰিব নো'ৱাৰে, তাকে অব্যয় বোলে। ব্ৰজাবলী ভাষাত আঠবিধ অব্যয় পোৱা যায়— (১) সাধাৰণ অব্যয় (২) সম্বোধনাৰ্থক অব্যয় (৩) ভাববোধক অব্যয় (৪) যোজক অব্যয় (৫) সম্ভাবনাৰ্থক অব্যয় (৬) স্থানবাচক অব্যয় (৭) নিষেধাৰ্থক অব্যয় আৰু (৮) সংযুক্ত অব্যয়।

(ঘ–১) **সাধাৰণ অব্যয় ঃ-**

যিবোৰ অব্যয় পদে পৰিমাণ, কাল, অভাব আদি সূচায়, সেইবোৰকে "সাধাৰণ অব্যয়" বোলে। যেনে— আগু, অখন, অত, অতয়ে, অব, অবহু, বিনো, যব ইত্যাদি।

(ঘ–২) **সম্বোধনাৰ্থক অব্যয় ঃ-**

যিবোৰ অব্যয় পদ কোনো লোকক সম্বোধন কৰি মাতোতে ব্যৱহাৰ কৰা হয়, সেইবোৰ পদক "সম্বোধনাৰ্থক অব্যয়" বোলা হয়। যেনে— এ, ঐ, অয়ে, অৰে, আগো, আলো, আহে, ওৰে, ইত্যাদি।

(ঘ–৩) **ভাববোধক অব্যয় ঃ-**

যিবোৰ অব্যয় পদে দুখ, বেজাৰ, শোক, ঘিন, ভয় ভাব সূচায়, সেইবোৰ পদক ভাববোধক অব্যয় বোলে। যেনে আঃ, আয়, ছিঃ, হাঁ হাঁ ইত্যাদি।

(ঘ–৪) **যোজক অব্যয় ঃ-**

যিবোৰ অব্যয় পদে একোটা বা একো ফাঁকি বাক্য যোজনা কৰোঁতে বা লগলগোৱাত সহায় কৰে, তেনেকুৱা পদক "যোজক অব্যয়" বোলা হয়। যেনে— আৰবি, এতেকে, তবে, পুনু ইত্যাদি।

(ঘ–৫) **সম্ভাবনাৰ্থক অব্যয় ঃ-**

যিবোৰ অব্যয় পদে বাক্যৰ মাজত থাকি সন্দেহ, বা সম্ভাবনা অৰ্থ সূচনা কৰে তাকে "সম্ভাবনাৰ্থক অব্যয়" বোলা হয়। যেনে—জানো, জোনো, যেন, যো, ইত্যাদি।

(ঘ–৬) **স্থানবাচক অব্যয় ঃ-**

যিবোৰ অব্যয় পদে অনিশ্চিত ঠাইৰ কথা সূচনা কৰে সেইবোৰ পদক "স্থানবাচক অব্যয়" বোলা হয়। যেনে—কথি, যাহা, যাহে, ইত্যাদি।

(ঘ–৭) **নিষেধাৰ্থক অব্যয় ঃ-**

যি বোৰ অব্যয় পদে কোনো কাৰ্য্য বিশেষে নিষেধ কৰা বা বাধা দিয়া অৰ্থ সূচায়, তাকে "নিষেধাৰ্থক অব্যয়" বোলা হয়। যেনে— নাই, নাহি, নোহে, ইত্যাদি।

(ঘ–৮) **সংযুক্ত অব্যয় ঃ-**

যিবোৰ অব্যয় পদ যুটীয়া ভাবে থাকি একে অৰ্থকে প্ৰকাশ কৰে, সেইবোৰ পদক "সংযুক্ত অব্যয়" বোলা হয়। যেনে—নাহি হয়, নাহি হোৱে -ইত্যাদি।

(৮–ঙ) **ক্ৰিয়া প্ৰকৰণ ঃ-**

প্ৰতিটো বাক্যৰে প্ৰধানভাবে দুটা ভাগ থাকে। এটা উদ্দেশ্য আৰু আনটো বিধেয়।

উদ্দেশ্যাৰ প্ৰধান হল কৰ্ত্তা আৰু বিধেয়ৰ প্ৰধান হল ক্ৰিয়া। ক্ৰিয়া পদৰ মূল হল ধাতু। কৰ্, শুন্, খা, যা, লিখ্, ধৰ্ আদি ধাতুৰ পাছত ক্ৰিয়া বিভক্তি বা কৃৎ প্ৰত্যয় যোগ দি ক্ৰিয়াপদ গঠন কৰা হয়। সংস্কৃত বা অসমীয়াৰ দৰে ব্ৰজারলী ভাষাতো ধাতুৰ পাছত প্ৰত্যয় যোগ কৰি ক্ৰিয়াপদ গঠন কৰা পদ্ধতি আছে। ব্ৰজারলী ভাষাত ক্ৰিয়া নবিধ বুলি জনা যায়। যেনে (১) সমাপিকা ক্ৰিয়া (২) অসমাপিকা ক্ৰিয়া (৩)অপূৰ্ণ ক্ৰিয়া বা অৰ্দ্ধক্ৰিয়া (৪) নিষেধবাচক ক্ৰিয়া (৫) প্ৰাৰ্থনা বোধক ক্ৰিয়া (৬) অনুজ্ঞা ক্ৰিয়া (৭) শত্ৰুবোধক ক্ৰিয়া (৮) পাচনী ক্ৰিয়া (৯) তুমৰ্থবোধক ক্ৰিয়া।

প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ ভেদে ক্ৰিয়াৰ ভাগ তিনটা। প্ৰতিটো পুৰুষতে বেলেগ বেলেগ ৰূপ হয়। মই, আমি, আদিত, প্ৰথম পুৰুষ, তই, তুমি, আপুনি আদিত দ্বিতীয় পুৰুষ আৰু সি, তেওঁ, তেখেত আদিত তৃতীয় পুৰুষ হয়। ধাতু প্ৰকৰণত সেইখিনি পৰিষ্কাৰ কৰি দিয়া হৈছে।

(৬–১) সমাপিকা ক্ৰিয়া ঃ-

যিবোৰ ক্ৰিয়াপদে কোনো এটি কাম কৰা বা হোৱা অৰ্থ বুজায় আৰু বাক্যটিৰ অৰ্থ সম্পূৰ্ণ প্ৰকাশ কৰাত সহায় কৰে, তাকে সমাপিকা ক্ৰিয়া বুলি কোৱা হয়। সমাপিকা ক্ৰিয়া দুবিধ (১) সংযুক্ত আৰু (২) অসংযুক্ত। তলত উদাহৰণ দিয়া হল।

(১–ক) সংযুক্ত ঃ- প্ৰথম পুৰুষ—কয়নাহি, কৰোগিয়া।
দ্বিতীয় পুৰুষ—কৰ্য়াথিক, কৰাৱা থিক।
তৃতীয় পুৰুষ—কয়জাই,কৰত নাহি।

(১–খ) অসংযুক্ত ঃ- প্ৰথম পুৰুষ—আইছি, এৰাত্ত, কহো।
দ্বিতীয় পুৰুষ—আইলা, কয়লি, কয়ো।
তৃতীয় পুৰুষ—আনল, কয়ল গেল

(৬–২) অসমাপিকা ক্ৰিয়া ঃ-

যিবোৰ ক্ৰিয়াপদে বাক্যৰ অৰ্থ সম্পূৰ্ণ প্ৰকাশ নকৰাকৈ ৰাখে, তাকে অসমাপিকা ক্ৰিয়া বুলি কোৱা হয়। এইবিধ ক্ৰিয়া দুভাগে বিভক্ত (১) সংযুক্ত আৰু (২) অসংযুক্ত। ইয়াত পুৰুষ নাই।

(২–ক) সংযুক্ত ঃ- আনিকহো,কয়কহো, গৈয়া কহো।

(২–খ) অসংযুক্ত ঃ- আকুলি, জানিয়া, পেখি, হেৰিয়ে।

(৬–৩) অপূৰ্ণ ক্ৰিয়া ঃ-

যিবোৰ ক্ৰিয়াপদে বাক্যৰ মাজত থাকি বাক্যাৰ্থৰ পূৰ্ণতা প্ৰাপ্তি নোহোৱাকৈ ৰাখে তাকে অপূৰ্ণ ক্ৰিয়া বুলি কোৱা হয়। এই ক্ৰিয়া দুবিধ (১) সংযুক্ত আৰু (২) অসংযুক্ত। ইও তিনি পুৰুষতে হয়। যেনেঃ-

(৩–ক) সংযুক্ত ঃ- প্ৰথম পুৰুষ—নাহি দেখো, নাহি লেহু।
দ্বিতীয় পুৰুষ—নাহি কহ, নাহি খাৱত।
তৃতীয় পুৰুষ—দিতে পাৰয়, সাধব নাহি।

(৩–খ) অসংযুক্ত ঃ- প্ৰথম পুৰুষ—কহলো, জানো, দেঞু।
দ্বিতীয় পুৰুষ—কহল, খৈয়াছে, নকৰহ।
তৃতীয় পুৰুষ—আছয়, কৰে, গৈলে।

(৬–৪) নিষেধবাচক ক্ৰিয়া ঃ–

যি বোৰ ক্ৰিয়াপদে বাধা কৰা বা নিষেধ কৰা অৰ্থ সূচনা কৰে, তাকে নিষেধবাচক ক্ৰিয়া বুলি কয়। এইবিধ ক্ৰিয়া দুভাগে বিভক্ত (১) সংযুক্ত আৰু (২) অসংযুক্ত। এই ক্ৰিয়াবিধ দ্বিতীয় পুৰুষতহে প্ৰয়োগ হয়। যেনে—

(৪–ক) সংযুক্ত ঃ– দ্বিতীয় পুৰুষ—চাৰ্ড়বি নাহি, নাহি আৱব।

(৪–খ) অসংযুক্ত ঃ– দ্বিতীয় পুৰুষ— কৰবিনা, নপাৰিবা, নযায়ো।

(৬–৫) প্ৰাৰ্থনাবোধক ক্ৰিয়া ঃ–

যিবোৰ ক্ৰিয়াপদে ব্যক্তি বিশেষৰ ওচৰত নিবেদন বা প্ৰাৰ্থনা কৰা অৰ্থ সূচনা কৰে, সেইবোৰ পদক প্ৰাৰ্থনাবোধক ক্ৰিয়া বুলি কোৱা হয়। ই দুবিধ (১) সংযুক্ত আৰু (২) অসংযুক্ত। ইয়াৰ আটাইবোৰ পদ দ্বিতীয় পুৰুষত প্ৰয়োগ হয়। যেনে

(৫–ক) সংযুক্ত – দ্বিতীয় পুৰুষ—ধৰ্বাব নাহি, বঞ্চবি নাহি।

(৫–খ) অসংযুক্ত ঃ– দ্বিতীয় পুৰুষ— কৰ্বাব, কহবি, নৰ্কাৰয়ো, ৰহব,।

(৬–৬) অনুজ্ঞা ক্ৰিয়া ঃ–

আদেশ বা নিৰ্দ্দেশ সূচক ক্ৰিয়াপদক অনুজ্ঞা ক্ৰিয়া বুলি কোৱা হয়। ই মান্যাৰ্থত আৰু তুচ্চাৰ্থত দুই প্ৰকাৰে হয়। আনহাতে এইবিধ ক্ৰিয়া (১) সংযুক্ত আৰু (২) অসংযুক্ত ভেদে দুবিধ বুলি জনা যায়। তদুপৰি প্ৰথম পুৰুষৰ বাহিৰে বাকী দ্বিতীয় আৰু তৃতীয় পুৰুষত ইয়াৰ প্ৰয়োগ আছে। যেনে—

(৬–ক) সংযুক্ত ঃ– দ্বিতীয় পুৰুষ (মান্যাৰ্থত) আৰ্নগিয়া, জানগিয়া, শুনলো।
দ্বিতীয় পুৰুষ (তুচ্চাৰ্থত) কহগিয়া 'বোলগিয়া।
তৃতীয় পুৰুষ (তুচ্চাৰ্থত) নিয়া জাউক, ৰাখোক আসিয়া, দিতে পাৰয়ে নাহি।

(৬—খ) অসংযুক্ত ঃ– দ্বিবতীয় পুৰুষ (মান্যাৰ্থত) আনহ, আলিঙগহ, উঠ, কৰহ, চলহু, চিন্তহু,তেজু।
দ্বিতীয় পুৰুষ (তুচ্চাৰ্থত) কৰহ, চৰ্ড়সিয়া, চোড়হ।
তৃতীয় পুৰুষ (মান্যাৰ্থত) কৰতু, জপহু, ৰহু,
তৃতীয় পুৰুষ (তুচ্চাৰ্থত) দেখোক, পেখোক।

(৬–৭) শতৃবোধক ক্ৰিয়া ঃ–

যি ক্ৰিয়াপদে কাৰ্য্য চলিথকা অৱস্থাৰ কথা সূচনা কৰে তাকে শতৃবোধক ক্ৰিয়া বুলি কোৱা হয়। অসমীয়া ভাষাত খাওঁতে, যাওঁতে, শোওঁতে আদি ৰূপ হয়। এইবোৰ অসমাপিকা ক্ৰিয়াৰ লগৰে বুলিব পাৰি। ব্ৰজাৱলী ভাষাত শতৃবোধক ক্ৰিয়া দুবিধ (১) সংযুক্ত আৰু (২) অসংযুক্ত। যেনেঃ–

(৭–ক) সংযুক্ত ঃ– কান্দিতে কান্দিতে, খোজগুড়ি যাইতে, হাসিতে মাতিতে।

(৭—খ) অসংযুক্ত ঃ– আনিতে, কৰইতে,খুৱাইতে, গুণিতে।

(৬–৮) পাচনী ক্ৰিয়া ঃ–

অইনৰ দ্বাৰা কোনো কাৰ্য্য কৰোৱা অৰ্থ বুজালে বা এজনে আন এজনক পাঁচি কাৰ্য্য কৰোৱা অৰ্থ বুজালে সেই কাৰ্য্যৰ ক্ৰিয়াক পাচনী ক্ৰিয়া বোলে। ইয়াক প্ৰেৰণাৰ্থক ক্ৰিয়া বুলিও কয়। পাচনী ক্ৰিয়া (১) সংযুক্ত আৰু (২) অসংযুক্ত ভেদে দুবিধ।

(৮–ক) সংযুক্ত ঃ– দ্বিতীয় পুৰুষ ঃ– মৰাৱা থিক।
তৃতীয় পুৰুষ ঃ– কৰায়া থিক (কৰাৱয় থিক)

(৮–খ) অসংযুক্ত— প্ৰথম পুৰুষ ঃ– অনাৱলো, দেখাৱলো।
দ্বিতীয় পুৰুষ ঃ– পৰাৱল।
তৃতীয় পুৰুষ ঃ–কৰাৱত, কৰাৱে।

(৬–৯) তুমৰ্থবোধক ক্ৰিয়া ঃ–

যিবোৰ ক্ৰিয়াপদে নিমিত্তাৰ্থ সূচনা কৰে, তাকে তুমৰ্থবোধক ক্ৰিয়া বুলি কোৱা হয়। ইয়াক আন প্ৰকাৰে "নিমিত্তাৰ্থক অসমাপিকা ক্ৰিয়া" বুলিবও পাৰি। এইবিধ ক্ৰিয়া (১) সংযুক্ত (২) অসংযুক্ত ভেদে দুবিধ বুলি জনা যায়। যেনেঃ–

(৯–ক) সংযুক্ত ঃ– কৰয়েলাগি, কৰিতে লাগিয়ে।
(৯–খ) অসংযুক্ত ঃ– কৰ্দৰ্থিতে, পলাইতে, গিলিতে।

(৯) অনুকাৰ শব্দ ঃ–

অসমীয়াৰ দৰে ব্ৰজাৱলী ভাষাতো অনুকাৰ শব্দ পোৱা যায়। কেতিয়াবা কোনা শব্দৰ অনুৰূপ অৰ্থশূন্য শব্দ ব্যৱহাৰ কৰি প্ৰকৃত শব্দটোৰ শক্তি বৃদ্ধি কৰা হয়। তেনেকুৱা অৰ্থশূন্য অনুৰূপ শব্দকে অনুকাৰ শব্দ বোলা হয়। ব্ৰজাৱলী ভাষাত অনুকাৰ শব্দ সামান্য ভাবে আছে। যেনে–ওৱাওৱা, কুহু কুহু, ঝলমলু, ঠাৎকাৰ, ডগমগী,. ঢুলঢুল, তিৰিমিৰি, তৰতৰি, থৰথৰ, থুকে, থুকি, দিম দিমি, দুম দুম, ৰিনিৰিনি,ৰিনিৰিনি, হুলহুলি ইত্যাদি।

(১০) অনুৰূপ শব্দ ঃ–

কেতিয়াবা কোনো শব্দৰ অনুৰূপ অৰ্থশূন্য শব্দ প্ৰয়োগ কৰি আচল শব্দটোৰ শক্তি বৃদ্ধি কৰা হয়। ইয়াকে অনুৰূপ শব্দ বুলি কোৱা হয়। ই শতৃবোধক ক্ৰিয়াৰ দৰেই হয়। যেনে—কথনেমথনে (কওঁতেমেলোঁতে), খায়া-দায়া (খাই-বৈ) হাসিতে মাতিতে (হাহোঁতে মাতোঁতে), হুইনুই (হয়নে নহয়) ইত্যাদি।

(১১) অনুসৰ্গ শব্দ ঃ–

কোনো বস্তুৰ অংশ বুজাবলৈ বিশেষ্য বা ক্ৰিয়াপদৰ পিছতে একোটি অৰ্থযুক্ত উপকৰা শব্দ লগ লগাই যি পদৰ সৃষ্টি কৰা হয়, তাকে অনুসৰ্গ শব্দ বোলা হয়। এই উপকৰা শব্দবোৰ প্ৰায় প্ৰত্যয়ৰ দৰেই হয়। ইয়াৰে কিছুমান সংখ্যাবাচক আৰু আন কিছুমান ক্ৰিয়াবাচক। অসমীয়াৰ খন, টি, টো আদিৰ দৰে ব্ৰজাৱলী ভাষাতো সংখ্যাবাচক অনুসৰ্গ শব্দত খানি, গাচি, গোট আদি শব্দ লগলাগি অনুসৰ্গ পদৰ সৃষ্টি হয়। তেনেকৈ ক্ৰিয়াবাচক অনুসৰ্গ পদত অসমীয়াৰ হঁক, চোন, হবলা, তো, ও, হে, গৈ, হি, হলে, এ, এই, কে, আদি প্ৰত্যয় যোগ হোৱাৰ দৰে ব্ৰজাৱলী ভাষাতো তৰে, ত, ওক, হ, হি, গিয়া, সিয়া, আদি শব্দ লগলাগি অনুসৰ্গ শব্দৰ সৃষ্টি হৈছে। সংখ্যাবাচক অনুসৰ্গ শব্দবোৰত কেতিয়াবা কিছুমান সংখ্যা আগলৈ আহে আৰু কিছুমান পিছত বহে। তলত উদাহৰণ দিয়া হল। যেনে–

(১১–ক) সংখ্যাবাচক অনুসৰ্গ ঃ–

খানি ঃ– অঞ্চলখানি, একখানি, খেতখানি, দুখানি, অপৰাধখানি, লৱনুখানি।
গাচি ঃ– এক গাচি।

গোট ঃ- বকগোট, গোটাগোট।
জোট ঃ- জোটাজোট।
বাৰ, বাৰা ঃ- একবাৰ, একবাৰা।
সোট ঃ- সোটাসোট।
এক ঃ- খোজেক, গোটাএক, বাৰেক, বচনেক, হাজাৰেক।
টি ঃ- ভাণ্ডাটি, বাংশিটি

(১১-খ) ক্ৰিয়াবাচক অনুসৰ্গ ঃ-

গিয়া ঃ-	আনগিয়া	আনাগে
	কৰগিয়া	কৰাগে
	কৰোগিয়া	কৰোঁগে
	কহগিয়া	কোৱাগে
	দেখলোগিয়া	দেখিলোঁগে
	ৰাখোগিয়া	ৰাখোঁগে
গৈয়া	দেখিলেকগৈয়া	দেখিলেগৈ
	দেখোগৈয়া	চাওঁগে
সিয়াঃ	কৰসিয়া	কৰাহিআঁহা
	ৰাখসিয়া	ৰাখাহি
আসিয়া	দেখোক আসিয়া	দেখকহি
	ভৰল আসিয়া	ভৰিলেহি
	ৰাখল আসিয়া	ৰাখিলেহি
	ৰাখোক আসিয়া	ৰাখকহি
ওক	চাহোক	চাওকচোন
ত	দেখত	চোৱাচোন
তৰে	দেখতৰে	চোৱাচোন
হ	আনহ	আনাগে
হি	ধৰলহি	ধৰিলেহি

(১২) উপসৰ্গ ঃ-

সংস্কৃত, অসমীয়া আদি ভাষাত থকাৰ দৰে ব্ৰজাৱলী ভাষাতো উপসৰ্গ আছে। উপসৰ্গবোৰ একোটা শব্দৰ আগত বহে আৰু তাৰ অৰ্থ প্ৰকাশ কৰে। উপসৰ্গৰ প্ৰধান শক্তি হল-ই শব্দটোৰ প্ৰকৃত অৰ্থ বিকৃতি কৰি আন এটা অৰ্থ প্ৰকাশ কৰে। সংস্কৃত আৰু অসমীয়াত উপসৰ্গ কুৰিটা। ব্ৰজাৱলী ভাষাত ষোলটা। যেনে প্ৰ, অপ, সম, অনু, নি, অব, নিৰ্, দুৰ্, বি, সু, উৎ, পৰি, প্ৰতি, অভি, উপ,আ,। প্ৰতিটোৰ উদাহৰণ দিয়া হল।

প্ৰ—প্ৰকাসি, প্ৰচাৰি, প্ৰতাপে, প্ৰণামি, প্ৰবেশল', প্ৰমাণা, প্ৰলয়া, প্ৰহাৰল, প্ৰহাৰা।
অপ—অপমানে, অপৰাধে।
সম—সমৰ্পল, সমৰ্পি, সমাগল।
অনু—অনুচৰি, অনুমানি, অনুৰাগে, অনুৰূপে, অনুসাৰ।
নি—নিকাৰুণি, নিগ্ৰহি, নিদাৰুণি, নিবাৰি, নিবেদল।
অব—অৱতৰল, অৱতাৰ, অৱতৰৈছ।

নিৰ—নিৰজান, নিৰৱধি, নিৰমল, নিৰমাণ,নিৰমিল।
দূৰ—দূৰবলি।
বি—বিৰাজে, বিৰাজয়, বিহাৰা।
সু—সুজান, সুনেহা, সুপৰভাত, সুপৰসন,।
উৎ—উতপল, উতপাত, উতাৰল, উতাৰি।
পৰি—পৰিছেদ, পৰিধাই, পৰিধানে, পৰিহৰল।
প্ৰতি—প্ৰতিপালি।
অভি—অভিলাসা, অভিলাসে।
উপ—উপজল, উপজলো, উপজাল, উপতাপ, উপমুৰা।
আ—আচৰয়, আচৰল, আচৰলো, আচাৰি।

(১৩) নামধাতু ঃ-

ব্ৰজাৱলী ভাষাত ক্ৰিয়াপদৰ তৃতীয় পুৰুষত গঠিত ৰূপকে নামধাতু বুলি কোৱা হয়। অৱশ্যে পুৰুষ নিদিয়া কৈয়ো ইয়াৰ গঠন হব পাৰে। ইয়াত প্ৰত্যয় যোগ হয়। নাটকীয় ব্ৰজাৱলীৰ বাদে আন আন পুথিত ব্যৱহৃত প্ৰকাশিলা, প্ৰবেশিলা, বিস্তাৰিলা আদি শব্দবোৰ নামধাতুৰ অন্তৰ্গত। ব্ৰজাৱলী (নাটকীয়) ভাষাৰ নামধাতুৰ শব্দবোৰ প্ৰায় সংস্কৃতীয়া। তাত ব্ৰজাৱলীৰ প্ৰত্যয় যুক্ত কৰি নাম ধাতুৰ ৰূপ গঠন কৰা হৈছে। যেনেঃ- ·সমাপন্ + ল = সমাপল, সাফল্ + ল = সাফলল, উন্ধাৰ্ + ল = উন্ধাৰল, আৰম্ভ্ + ল = আৰম্ভল, প্ৰবেশ্ + ল = প্ৰবেশল ইত্যাদি।

(১৪) উহ্য শব্দ ঃ-

ব্ৰজাৱলী ভাষাত উহ্য শব্দ ভালেখিনি আছে। ইয়াক সবিভক্তিক আৰু নিৰ্বিভক্তিক ৰূপে দুটা ভাগত ভগাব পাৰি। যি বিলাকত বিভক্তিৰ চিনেৰে কাৰক নিৰূপণ কৰা হৈছে, সেই বিলাকক সবিভক্তিক বুলি কোৱা হয় আৰু যি বিলাকত বিভক্তিৰ চিন মোকাম মুঠেই নাই, অথচ প্ৰত্যয় বোৰ উহ্য হৈ থাকি কাৰক নিৰূপণ কৰা হৈছে, সেই খিনিক নিৰ্বিভক্তিক বুলি কোৱা হয়। অৱশ্যে সবিভক্তিক ৰূপ বিলাকৰ কোনো কোনো একোটা বৰ্ণ বা বিভক্তিৰ চিনে নিজকে নিজে ধ্বংস কৰি আন এটা অৰ্থ কৰি পেলায়। যেনে "ইন্দ্ৰকলাগি" এই শব্দৰূপটিৰ "কলাগি" এইটি চতুৰ্থী বিভক্তিৰ চিন। কিন্তু ইয়াৰ অৰ্থ হব 'ইন্দ্ৰলৈ'। বিভক্তিৰ চিন দুটি সম্পূৰ্ণ নষ্ট হৈ (অসমীয়া অৰ্থ কৰোঁতে) বেলেগ অৰ্থ ৰূপ ললে। তেনেকৈ প্ৰতিটো বিভক্তিতে আছে। তলত কেইটিমান উহ্যপদৰ উদাহৰণ দিয়া হল। আগলৈ শব্দৰূপ প্ৰকৰণত বিস্তৃতভাবে লেখা হব।

শব্দ	উহ্যবৰ্ণ	পূৰ্ণৰূপ	অৰ্থ
গোপ	এ	গোপ	গুৱালে
কুবলয়	ক	কুবলয়	কুবলয়ক
তালে	ৰে	তালে	তলুৱাৰে

ইত্যাদি

(১৫) কাল প্ৰকৰণ ঃ-

ক্ৰিয়া নিষ্পন্ন হোৱাৰ সময়ক কাল বোলা হয়। কাল প্ৰধানতঃ তিনিপ্ৰকাৰ (১)বৰ্ত্তমান (২) ভূত বা অতীত কাল আৰু (৩) ভবিষ্যত। বৰ্ত্তমান কাল দুবিধ (১) নিত্যবৰ্ত্তমান আৰু (২) স্বৰূপ বৰ্ত্তমান কাল।

(১৫-ক) নিত্য বৰ্তমান কাল ঃ-

সাধাৰণতে কোনো কাৰ্য্য সচৰাচৰ হৈ থকা বুজালে তাক নিত্য বৰ্তমান কাল বোলা হয়। ই সংযুক্ত আৰু অসংযুক্ত ভেদে দুয়োটাতে প্ৰয়োগ হয়। আৰু তিনিটা পুৰুষ এই নিত্যবৰ্তমান কালত পোৱা যায়। তলত উদ্ধৃতি দিয়া হল।

(ক-১) অসংযুক্ত— প্ৰথম পুৰুষ (সাধাৰণ) আইছি, কয়ো,খাঙু,খেদাঙু,দেঙু,পিয়ো বোলো।
দ্বিতীয় পুৰুষ (")কৰহ, দেখনা, নেৰাস, পুচহ, ঝুৰ,বেড়াৱ, যাৱ, শিখাৱত।
তৃতীয় পুৰুষ (") আচৰয়, উচাৰন্ত, কৰত, খেলত, গৰজয়, চলতু, জাই।

(ক-২) সংযুক্ত- প্ৰথম পুৰুষ (সাধাৰণ) কৰবোনাহি,জানন নজাই,দিতে পাৰি, নাহি দেখো।
দ্বিতীয় পুৰুষ (")জানয়ে নাহি, নাহি কৰত, বুঝয়ে নাহি, মৰিতে নজাৱ।
তৃতীয় পুৰুষ (") এড়ান নজাই, কৰয়ে নাহি, গণয়ে নাহি, জানত নাহি।

যেতিয়া তেতিয়া, সম্ভাৱনা, আশংকা আদি বুজালে অতীত কাল আৰু ভবিষ্যত কালৰ ৰূপ বোৰ নিত্য বৰ্তমান কালৰ দৰে হয়। এইবোৰক অপূৰ্ণক্ৰিয়া বুলিও কোৱা হয়।(৬-৩) শাখাত প্ৰয়োগ দেখুৱা হৈছে। আগলৈ বিস্তৃত ৰূপ প্ৰকাশ কৰা হব। নাটকত থকা কিছুমান বাক্যৰ উদ্ধৃতি দি বিষয়টি আগতীয়া পৰিষ্কাৰ কৰা হল। যেনে—

(১) "ওহি পাৰিজাত যাহেৰ গৃহে ৰহে, ধনজন বিভৱ তাহেক চাড়য়ে নাহি" অৰ্থাৎ এই পাৰিজাত পুষ্প যাৰ ঘৰত থাকে, তেওঁক ধনজন সম্পত্তিয়ে লগ এৰা নিদিয়ে (পা. হ.)।

(২) "যৱবোল তোহো অন্তেসপুৰেৰহ, কোন পৰকাৰে ভেট পাৱব" অৰ্থাৎ যদি কোৱা যে তুমি অন্তেষপুৰত থাকা, কেনেকৈ' (তোমাক) লগ পাম" (ক. হ.)।

(৩) "তোৰাসবক প্ৰসাদে স্বামী যদি গুণ দিতে পাৰয়, তব হামাৰ অগতিৰ গতি হয়" অৰ্থাৎ আপোনালোকৰ অনুগ্ৰহত যদি স্বামীয়ে (ধনুত) গুণ লগাব পাৰে, তেন্তে এই বিপদৰ পৰা আমি মুক্ত হব পাৰিম (ৰা. বি.)।

(৪) "স্বামী জানয় যব মিলব মৰণ তব" অৰ্থাৎ (তোমালোকৰ) স্বামীয়ে যদি জানিবলৈ পায়, তেন্তে মৰণ মিলিব (কে. গো.)।

(৫) "কাহে গৈলে পাইবো লাগ" অৰ্থাৎ কেনি গলে লগ পাম (চো. ধ.)।

(৬) "নিচিনি কিনিলে পুনু মিলিবে বিঘিনি" অৰ্থাৎ চিনি নোলোৱাকৈ কিনিলে পিছত বিপদ হব (ব. গী.)।

এই উদ্ধৃতি বিলাকৰ ভিতৰত "ৰহে, ৰহ, দিতে পাৰয়, জানয়, গৈলে, কিনিলে" ক্ৰিয়াপদবোৰ নিত্য বৰ্তমান কালৰ কিম্বা অপূৰ্ণ ক্ৰিয়াবোধক পদৰ। অতীত,ভবিষ্যত কালৰ এই বিষয়ৰ পদবোৰ আগলৈ আছে।

(১৫-খ) স্বৰূপ বৰ্তমানকাল

যি কাম কৰা হৈছে, তাৰ ফল বিদ্যমান আছে বা কামখিনি চলি আছে। সেই ক্ৰিয়া স্বৰূপ বৰ্তমান কালৰ ক্ৰিয়া। অসমীয়াৰ দেখিছোঁ, দিছে, গৈছোঁ, খাইছোঁ আদি ক্ৰিয়াবোৰ স্বৰূপ বৰ্তমান কালৰ। উক্ত কালৰ ক্ৰিয়া (১) সংযুক্ত আৰু (২) অসংযুক্ত ভেদে দুবিধ। তিনিও পুৰুষতে ইয়াৰ প্ৰয়োগ আছে। যেনে—

(খ-১) অসংযুক্ত- প্ৰথম পুৰুষ ঃ- আছি, আৱসি, কহৈছি।
অসংযুক্ত- দ্বিতীয় পুৰুষ ঃ- আছা, কৰস, খেলাৱত।
অসংযুক্ত- তৃতীয় পুৰুষ ঃ- আইসে, কৰত, খেদয়।

(খ-২) সংযুক্ত- প্ৰথম পুৰুষ ঃ- আছোৰাখি, দিয়া আছি।
সংযুক্ত- দ্বিতীয় পুৰুষ ঃ- কয়থিক, দিয়া আছ।
সংযুক্ত- তৃতীয় পুৰুষ ঃ- কৈয়া আছে, খেলাইতে থিক।

(১৫-গ) ভূতকাল বা অতীতকাল ঃ-

যি কাম আগতে কৰা হৈগল, তাকে ভূতকাল বা অতীতকাল বুলি কোৱা হয়। ভূতকাল তিনিবিধ (১) স্বৰূপভূত, (২) অপূৰ্ণভূত (৩) সম্ভাব্যভূত।

(গ-১) স্বৰূপভূতকাল ঃ-

যি কোনো কাৰ্য্য বা ঘটনা আগতে শেষ কৰা হৈছে। তাৰ অৰ্থ বুজাবলৈ স্বৰূপভূতকাল ব্যবহাৰ কৰা হয়। ই তিনিও পুৰুষতে আছে আৰু (১) সংযুক্ত আৰু (২) অসংযুক্ত ভেদে ইয়াৰো দুবিধ পোৱা যায়। যেনে—

(১-ক) অসংযুক্ত- প্ৰথম পুৰুষ ঃ- আইলো, কয়লো, খাৱলো।
দ্বিতীয় পুৰুষ ঃ- আইলা, কয়লি, খাৱলি।
তৃতীয় পুৰুষ ঃ- আইল, কয়ল, খাইলে।

(১-খ) সংযুক্ত ঃ- প্ৰথম পুৰুষ ঃ- আৱলোথিক, নাহি খাৱলো।
দ্বিতীয় পুৰুষ ঃ- আৱলি থিক, নাহি ডেলি।
তৃতীয় পুৰুষ ঃ- কয় লাগল, খসি পৰল।

(গ-২) অপূৰ্ণভূতকাল ঃ-

যি কোনো বাক্যত উল্লিখিত অন্য ঘটনাৰ পূৰ্ব্বে হৈ যোৱা অৰ্থত অপূৰ্ণভূত কালৰ প্ৰয়োগ হয়। ই দূৰ অতীতক বুজায়। তিনিও পুৰুষতে ইয়াৰ প্ৰয়োগ আছে। সংযুক্ত আৰু অসংযুক্ত ভেদে দুবিধ থাকিলেও সংযুক্ত বিধ দ্বিতীয় পুৰুষৰহে আছে। বাকী দুটি পুৰুষৰ অভাব। যেনে—

(২-১) অসংযুক্ত- প্ৰথম পুৰুষ ঃ- কয়েছিলো, খৈয়াছিলো, থিক।
অসংযুক্ত দ্বিতীয় পুৰুষ ঃ- আছিলা, কহৈছে, ফিৰত
অসংযুক্ত তৃতীয় পুৰুষ ঃ- খেলাইছিল, পেখল, মাৰল।

(২-খ) সংযুক্ত— দ্বিতীয় পুৰুষ ঃ- হয়েথিক।

(গ-৩) সম্ভাব্য ভূতকাল ঃ-

যি কালত ক্ৰিয়া হোৱাৰ সম্ভাৱনা আছিল; কিন্তু ক্ৰিয়া নিষ্পত্তি নোহোৱাকৈয়ে শেষ হল, তাকে সম্ভাব্য ভূতকাল বোলা হয়। অসমীয়াৰ খালোহেতেন, গলহেঁতেন আদি ক্ৰিয়াপদ বোৰৰ লগত বিজাব পাৰি। এইবিধ ক্ৰিয়া তিনিও পুৰুষতে হয় আৰু সংযুক্ত

আৰু অসংযুক্ত ভেদে ই দুবিধ বুলি জনা যায়। যেনে—

(৩-ক) অসংযুক্ত প্ৰথম পুৰুষ ঃ- দেললহো।
অসংযুক্ত— দ্বিতীয় পুৰুষ ঃ- দেহ।
অসংযুক্ত— তৃতীয় পুৰুষ ঃ- মৰই, চাহোক, হোই।

(৩-খ) সংযুক্ত— প্ৰথম পুৰুষ ঃ- মৰিয়াজাঞু।
সংযুক্ত— দ্বিতীয় পুৰুষ ঃ- গোপয়ে পাৰহ,
সংযুক্ত— তৃতীয় পুৰুষ ঃ- গেল হুই, চোড়াৱল হুই, লৈয়া গেল হুই।

(১৫-ঘ) ভবিষ্যত কাল ঃ-

যি ক্ৰিয়া এতিয়াও ঘটা হোৱা নাই, আগলৈ যি কাল আহিব-তাৰ নাম ভবিষ্যত কাল। বিধি, নিষেধ, উপদেশ, অনুৰোধ,আশীৰ্ব্বাদ, প্ৰাৰ্থনা, প্ৰতিজ্ঞা আদি ব্ৰজাৱলৈ ভবিষ্যত কালৰ ক্ৰিয়া ব্যৱহাৰ কৰা হয়। ভবিষ্যত কাল তিনিও পুৰুষতে আছে আৰু ই সংযুক্ত আৰু অসংযুক্ত ভেদে দুবিধ বুলি জনা যায়। যেনেঃ-

(ঘ-১) অসংযুক্ত— প্ৰথম পুৰুষ ঃ- আনব, কৰব, খেদব, চলব।
অসংযুক্ত— দ্বিতীয় পুৰুষ ঃ- এৰাইবা, কৰবি, জানবি।
অসংযুক্ত তৃতীয় পুৰুষ ঃ- আনব, উতাৰব, জানব।

(ঘ-২) সংযুক্ত— প্ৰথম পুৰুষ ঃ- নাহিদেখব, পয়ান কৰব।
সংযুক্ত— দ্বিতীয় পুৰুষ ঃ- তেজব নাহি, নাহি হেৰব।
সংযুক্ত— তৃতীয় পুৰুষ ঃ- নাহি পাৰব, সহব নাহি।

(১৬) অকৰ্ম্মক, সকৰ্ম্মক, দ্বিকৰ্ম্মক ৰূপ ঃ-

যি ক্ৰিয়াৰ কৰ্ম্ম নাথাকে, তাক অকৰ্ম্মক ক্ৰিয়া বোলা হয়। যি ক্ৰিয়াৰ কৰ্ম্ম থাকে, তাক সকৰ্ম্মক ক্ৰিয়া বোলা হয়, আৰু যি ক্ৰিয়াত দুটা কৰ্ম্ম থাকে, তাক দ্বিকৰ্ম্মক ক্ৰিয়া বোলা হয়। ব্ৰজাৱলী ভাষাত অকৰ্ম্মক, সকৰ্ম্মক আৰু দ্বিকৰ্ম্মক এই তিনিও বিধ ক্ৰিয়াই আছে। থকা, বঢ়া, ভয় পোৱা, নচা, শোৱা, কন্দা, বাসকৰা, কঁপা, হঁহা, খেলাকৰা আনন্দপোৱা, অহা, যোৱা, বহা, ভালপোৱা আদি ধাতুবোৰ অকৰ্ম্মক আৰু সেই দৰে শিকা, কৰা, পঢ়া, খোৱা, লিখা, শুনা, কোৱা আদি ধাতু বোৰ সকৰ্ম্মক। এই দুই বিধ ক্ৰিয়াই প্ৰধান। উক্ত ধাতুবোৰৰ ওপৰত ভিত্তি কৰি দ্বিকৰ্ম্মক ক্ৰিয়া নিষ্পন্ন হয়। কেতিয়াবা কাৰ্য্য বিশেষে অকৰ্ম্মক ক্ৰিয়াত সকৰ্ম্মক আৰু সকৰ্ম্মকতো অকৰ্ম্মক ক্ৰিয়া হোৱা দেখা যায়। তলত তিনিও প্ৰকাৰ ক্ৰিয়াৰ উদাহৰণ দিয়া হল।

(১) অকৰ্ম্মক ক্ৰিয়া ঃ- কমনে আছো ৰাখি—ভূ.হ.।
হাত দিয়া আছি—পি.গু.।
ভাৰত হাটত আছে—ব.গী.।

(২) সকৰ্ম্মক ক্ৰিয়া ঃ- কহল ভাট উপৰ তুলি হাত—ক.হ.।
তথি কৃষ্ণে কয়লি কি—পা.হ.।
খাইলে লৱনী—চো.ধ.।

৩) দ্বিকৰ্ম্মক ক্ৰিয়া ঃ- হামাক পাৰিজাত তৰু দিতে—পা.হ.।
সে পাপী তোহাক শ্ৰীকৃষ্ণক বিবাহ—ক.হ.

ইত্যাদি।

(১৬-ক) অকৰ্ম্মক ক্ৰিয়াত সকৰ্ম্মক ৰূপ ঃ-

কিছুমান অকৰ্ম্মক ধাতুক সকৰ্ম্মক ধাতুলৈ পৰিবৰ্ত্তন কৰিব পাৰি। অকৰ্ম্মক ধাতুৰ পৰা ওলোৱা ক্ৰিয়াপদক নামবাচক বিশেষ্য বা ক্ৰিয়াবাচক বিশেষ্য পদৰ লগত সংযোগ কৰি কেনেকৈ বাক্য গঠন কৰি অকৰ্ম্মক ক্ৰিয়াক সকৰ্ম্মক ক্ৰিয়ালৈ পৰিণত কৰিব পাৰি তাৰ উদাহৰণ তলত দিয়া হল। অসমীয়াত "মোৰে সৈতে ভাল খেলা খেলিলা", "তেওঁ বঢ়িয়া নাচোন নাচিলে" ইত্যাদি বাক্য বোৰত উদ্ধৃত হোৱা 'খেলা', 'নচা' আদি ধাতু অকৰ্ম্মক বুলি জনা যায়। কিন্তু 'খেলা খেলিলা' "নাচোন নাচিলে" বাক্য দুটিয়ে অকৰ্ম্মক ক্ৰিয়াত সকৰ্ম্মক ক্ৰিয়াৰূপ হৈ ৰহিছে। বৃজাৱলী ভাষাতো তেনে কুৱা ৰূপ পোৱা যায়। যেনেঃ-

(১) ভাল কালিয়া কানু খেলান খেলাই—ব.গী.।

(২) হৰিৰ সঙেগ খেলান খেলে—ব.গী.।

ইত্যাদি।

বৃজাৱলী ভাষাত সকৰ্ম্মক ক্ৰিয়াৰ পৰা অকৰ্ম্মক ক্ৰিয়ালৈ পৰিবৰ্ত্তন কৰিব পৰা কোনো বাক্য বা উদাহৰণ পোৱা হোৱা নাই।

(১৭) ক্ৰিয়াৰ বাচ্য ঃ-

অসমীয়াত প্ৰধান তিনিটা পদ থাকে—কৰ্ত্তা, কৰ্ম্ম আৰু ক্ৰিয়া। বাক্যত ক্ৰিয়াপদে কাৰোবাৰ বিষয়ে কবলগীয়া হয়। এতেকে যাৰ বিষয়ে কবলগীয়া হয়, তাৰে বাচ্য হয়। ক্ৰিয়াৰ বাচ্যও তিনি প্ৰকাৰ (১) কৰ্ত্তৃবাচ্য (২) কৰ্ম্মবাচ্য আৰু (৩) ভাববাচ্য। যি বাচ্যত ক্ৰিয়াই কৰ্ত্তাৰ বিষয়ে মুখ্যভাবে কয়, সেয়ে কৰ্ত্তৃবাচ্য। কৰ্ত্তৃবাচ্যত কৰ্ত্তাই প্ৰধান, ক্ৰিয়াপদে কৰ্ত্তাক অনুসৰণ কৰে আৰু কৰ্ত্তাত প্ৰথমা বিভক্তি হয়। যেনে—"চললি কৌসিক সাধিয়ে কাম" (ৰা. বি), "সত্যভামা মূৰ্চ্ছিত হুয়া পৰল" (পা. হ.) ইত্যাদি। ইয়াত কৌসিক আৰু সত্যভামা কৰ্ত্তাপদ, কাম কৰ্ম্মপদ আৰু চললি, পৰল ক্ৰিয়াপদ। বৃজাৱলী ভাষাত কৰ্ত্তৃবাচ্যৰ বাহিৰে কৰ্ম্মবাচ্য আৰু ভাববাচ্যৰ প্ৰয়োগ পোৱা নাযায়।

(১৮) শব্দৰূপ প্ৰকৰণ ঃ-

"শব্দ প্ৰকৰণ" অধ্যায়ত পূৰ্ব্বোক্ত বিষয়ে এটি সূত্ৰ দিয়া হৈছিল। সম্প্ৰতি শব্দৰূপ কেনেকৈ হয়, তাৰ এটি গঠন প্ৰক্ৰিয়া দিয়া হল। বৃজাৱলী ভাষাত অসমীয়াৰ দৰে সাতোটা বিভক্তি থকাৰ সন্ধান পূৰ্ব্বতে দিয়া হৈছেই। শব্দ বা প্ৰাতিপদিকৰ পাছত যি বিভক্তি যোগ কৰা হয়, তাকে "শব্দ বিভক্তি" বোলে। শব্দত বিভক্তি যোগ হলেহে শব্দৰূপ গঠন হয়। বৃজাৱলী ভাষাত সংস্কৃত বা অসমীয়াৰ দৰে সকলো শব্দৰে, বচন, লিঙগৰ পূৰ্ণাঙগৰূপ পোৱা নাযায়। অসমীয়াৰ শব্দৰূপ যেনে মানুহে, মানুহবোৰে, মানুহক, মানুহবোৰক ইত্যাদি ক্ৰমে শব্দৰূপৰ গঠন প্ৰক্ৰিয়া পূৰ্ণাঙগ ৰূপত আছে। কিন্তু বৃজাৱলী ভাষাত তেনে ধৰনে পাৰলৈ নাই। ক'ৰবাত কোনো শব্দৰ একবচনহে আছে বহুবচন নাই বা বহুবচনহে আছে একবচন নাই। সেই দৰে ঠায়ে ঠায়ে বিভক্তিৰ গঠন প্ৰক্ৰিয়া ধৰিবলৈ টান আৰু তাৰ চিন-মোকাম নোহোৱাৰ নিচিনা। তদুপৰি শব্দও সীমিত। এতেকে এই ভাষাত পোৱা কিছুমান বিশেষ্য পদত (শব্দত) বিভক্তি যোগহে কেনেকুৱা ৰূপ লৈছে, তাৰ উদাহৰণ দিয়া হল। ক্ৰমানুসৰি সাতোটা বিভক্তিৰ ৰূপ দেখুওৱা হৈছে। এই খিনি সবিভক্তিক ৰূপ বুলি কোৱা হয়। পূৰ্ব্বতে সেই বিষয়ে কোৱা হৈছে।

(১৮-ক) শব্দৰূপ (সবিভক্তিক)- প্ৰথমা বিভক্তি

শব্দৰূপ প্ৰথমা বিভক্তিত সংযুক্ত বিভক্তিৰ চিন বোৰ যথাক্ৰমে অ, অয়ে, আ, আই, ই, ইয়ে, উ, এ, এৰে, ও ইত্যাদি। উল্লিখিত প্ৰথমা বিভক্তিৰ শব্দৰূপবোৰ একবচন আৰু বহুবচন তথা পুংলিংগ আৰু স্ত্ৰীলিংগত দেখুওৱা হৈছে। নামবাচক, জাতিবাচক, বস্তুবাচক বিশেষ্য পদত বিভক্তি যোগ কৰিলেই শব্দৰূপ গঠন হয়। ইয়াত সামান্যকৈ উল্লেখ কৰা হৈছে।

শব্দৰূপ	অৰ্থ	উদাহৰণ
অচৰে	যাবনোৱৰা সকলে	অচৰে চৰ গতি—ব.গী.
অনলা	জুই, বহ্নি	ওহি ভৱগহন অনলা—ব.গী.
অনুচৰি	লিগিৰী, সংগিনী	হামো অনুচৰি—কে.গো.
অনংগ	কামদেৱে	দাৰুণ হৃদয় অনংগ—কে.গো.
অপেচৰা	অপ্সৰী, স্বৰ্গবেশ্যা	নাচয় অপেচৰাগণ—কে.গো.
আখি	চকু	আখিমুখ মুচি—ৰা.বি.
আখিয়ে	চকুৱে	তোহাক এ আখিয়ে—ক.হ.
আগি }	জুয়ে	হৃদয়ে দহে আগি—ৰা.বি.
আগিয়া }		বিৰহে দহে আগি—ক.হ.
		দেখিতে দহে আগি—কা.দ.
		দহে কাম আগি—কে.গো.
		তনু জুলে আগি—ব.গী.
		দহে দেহাসব আগিয়া—প.প্ৰ.
আচাৰি	আচৰণকাৰী	আচাৰি অনাচাৰী—কে.গো
আতমা	আত্মা	সবাৰে আতমা হৰি—অ.ভ.
		হৰি আতমা সবাৰে—পি.গু.
		আতমা গোবিন্দ—ৰা.মু.
		আতমা ৰাম বিনে—ব.গী.
		নিৰ্গুণ আতমাৰূপ—ভ.
আততাই	আততায়ী	ওহি আততাই দুষ্ট—ৰা.বি.
আদিদেৱেৰে	শ্ৰীকৃষ্ণই	নাচতু এ আদিদেৱেৰে—কা.দ.
আধাৰি }	ধাৰন কৰোঁতা	নাৰায়ণ ভুবন আধাৰি—পা.হ.
আধাৰু }		যত জগত আধাৰু—অ.ভ.
		মেৰি প্ৰাণ আধাৰু—ব.গী.
আয়তী	আইটি, মহিলা	স্ত্ৰী আয়তী সব সহিত—ক.হ.
আণ্ঠুকুড়ি	কাঠবাজী	আছিলা জনম আণ্ঠুকুড়ি—পি.গু.
আন্ধা	অন্ধ	হামো গোপিনী আন্ধা—কে.গো.
ইন্দু	চন্দ্ৰ, জোন	বদন ইন্দু মদন—ৰা.বি.
		বদন ইন্দু ৰুচি—ক.হ.
উতপল	ভেটফুল	কৰতল উতপল ৰাতা—ৰা.বি.

শব্দৰূপ	অৰ্থ	উদাহৰণ
উৎপাতক	নাশকৰোঁতা	পাপমূল উৎপাতক—ক.হ.
উত্তাৰি	উদ্ধাৰ কৰোঁতা	ক্ষিতিতল ভাৰ উত্তাৰি—ভ.
উদ্ধাৰণ	উদ্ধাৰ কৰোঁতা	জগত উদ্ধাৰণ যাহে—পা.হ.
একুপালং	একমাত্ৰ পালক	সকল ভুবন একু পালং—ব.গী.
কইনা	কন্যা	বৰকইনা পঠাৱল—বা.বি.
কংসে	কংসই	ৰাজা কংসে—ভ.
কৰতা }	কৰ্ত্তা, কৰোঁতা	সৃষ্টি হৰতা কৰতা—ভ.
কৰন্তা }	—	বালক কেলি কৰন্তা—ভ.
করুণামই	করুণাময়	কৃপাল করুণামই—ব.গী.
কলকি }	কল্কী	কলকি ৰূপে—কে.গো.
কল্কী }	—	
কাই	কায়, শৰীৰ	প্ৰেমে পুলক কাই—প.প্ৰ.
কান }	কানু, কৃষ্ণ	ঐচন নিকৰুণ কান—কে.গো.
কানাই }	—	আহে কানাই—চো.ধ., ভূ.হ.
কাহ্নাই		ৰাম কাহ্নাই—ভ.
কানু }	কানু, কৃষ্ণ	আৰত কানু বেণু বজাই—প.প্ৰ.
কানুৰাই }	—	কানুৰাই নাচতু—ব.গী.
কানে	কানুৱে, কৃষ্ণই	কাঞ্চুৰি ফোৰে কানে—ক.হ.
কাৰত	কৰোঁতা	সাৰত কাৰত ভাৰত—বা.বি.
কালে	যমে	কালে গৰসল—কে.গো.
কুত্তা	কুকুৰ	কামক্ৰোধ কুত্তা—ব.গী.
কুবুজি	কুজী	কংসক দাসী কুবুজি—পা.হ.
কুবলাই	কুবলয় হাতী	গজ কুবলাই—ভ.
কুৰুম	কূৰ্ম্ম	মৎস কুৰুম—ভ.
কেকৰলী	গুৰিয়াল	গুৰু কেকৰলী ৰাম—ব.গী.
কেশৱে	কৃষ্ণই	কেশৱে কৰত কেলি—কে.গো.
কোকিলে	কুলিয়ে	কোকিলে তেজে—ব.গী.
খণ্ডক }	খণ্ডন কৰোঁতা	ভ্ৰান্তি খণ্ডক সেৱা—ভ.
খণ্ডন }	—	তাপ তিনি খণ্ডন—ব.গী.
গৰুড়ে	গৰুড় পক্ষীয়ে	হামাক ভয়ে গৰুড়ে—কা.দ
গুৱাল সকলে	গৰখীয়া বোৰে	নন্দ আদি গুৱাল সকলে—অ.ভ.
গোপালে	শ্ৰীকৃষ্ণই	গোপালে কি গতি কৈলে—ব.গী.
গোপিনীনাথে	শ্ৰীকৃষ্ণই	গতি গোপিনীনাথে—পা.হ.
গোপে	গুৱালটোৱে	শ্ৰীদাম নাম গোপে—ভো.বে.
গোবিন্দে	শ্ৰীকৃষ্ণই	আনন্দে গোবিন্দে ৰাই—ব.গী.
গোসাঞি	মান্যৱন্ত লোক	দোষমৰস গোসাঞি—বা.বি.
গৌৱা	গৰু, গাই	ফিৰত গৌৱা চৰাই—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
ঘৰিণী	গৃহিণী, পত্নী	ঘৰিণী যব হোই—ৰা.বি.
ঘাতেক	বধ কৰোঁতা	পাতেক ঘাতেক—কা.দ.
চতুৰবয়নে	ব্ৰহ্মাই	চতুৰবয়নে ঘন—ক.হ.
চলন্তা	চলোঁতা	যৈচে সিংহ চলন্তা—ভ.
ছাগ	ছাগলী	জাই যচ ছাগ—কে.গো.
ছিৰিৰাম	শ্ৰীৰাম	ছিৰিৰাম মঞি পাপী—ব.গী.
জৰাসন্ধে	জৰাসন্ধই	জৰাসন্ধে দেখল—ক.হ.
নন্দে	নন্দই	বৃন্দ নন্দে দেখোক—অ.ভ.
নাৰীও	তিৰোতায়ো	সামান্য নাৰীও জানে—পি.গু.
পঞ্চমুহে	শিৱই	পঞ্চমুহে যাহে স্তুতিবুলি—ক.হ.
ব্ৰহ্মায়ে	ব্ৰহ্মাই	ব্ৰহ্মায়ে কৰিলা চুৰি—ভো.বে.
ভকতে	ভক্তই	সাৰ ভকতে লিয়ে—ব.গী.
যদুৰাজে	শ্ৰীকৃষ্ণই	ভোজন কৰত যদুৰাজে—ভো.বে.
হৰিদাসা	কৃষ্ণৰ দাসে	কহ শংকৰ হৰিদাসা—ক.হ

শব্দৰূপ—দ্বিতীয় বিভক্তি (একবচন আৰু বহুবচন)

দ্বিতীয়া বিভক্তি যুক্ত শব্দৰূপ বিলাকত হোৱা চিনবোৰ হল যথাক্ৰমে আ, এ, এৰে, ক, কহো, কু, কো, কে, ত, য়ে, ৰে ইত্যাদি।

শব্দৰূপ	অৰ্থ	উদাহৰণ
অহিক	সাপক, সাপটোক	সমুচিত অহিক কয়লি—কা.দ.
কদলিক	কলগছক	যৈচে কদলিক বাতে—ক.হ.
কন্যাক	ছোৱালীক	বৰকন্যাক এক—ৰা.বি.
কমল নয়নকু	শ্ৰীকৃষ্ণক	কমলনয়নকু আজু—ব.গী.
কৰমক	কৰ্ম্মক	ধৰমক কৰমক—ভ.
কানাইক	কৃষ্ণক	ওহি কানাইক হামো—পি.গু.
কামক	কৰোতাক	ৰামক কামক—ৰা.বি.
কালিসৰ্পক	কালি সাপক	ত্ৰিভুবন কম্পক কালিসৰ্পক—কা.দ.
কুকুৰাক	কুকুৰা চৰাইক	কুকুৰাক শপয়—কে.গো.
কুচবলিকহো	মাউতক	কুচবলিকহো বোল—ভ.
কুমৰক	পুত্ৰক	দোহো কুমৰক হামাৰ সংগ—ৰা.বি.
কুমাৰিক	কন্যাক	কুমাৰিক আশোৱাস—ক.হ.
কৃষ্ণক	কৃষ্ণক	কৃষ্ণক চাড়ি—কা.দ.
ক্ৰোধক	খঙক	ৰৰতো অধিক দেখো তোহাৰি ক্ৰোধক —কা.দ.
কেশিয়ে	কেশিদৈত্যক	ধেনুক কেশিয়ে—ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
গৰবক	গৰ্ব্বক	ধৰমক কৰমক গৰবক চোড়ি—ভ.
গৰুড়ক	গৰুড়পক্ষীক	গৰুড়ক পেখি—ৰু.হ.
গোপীক	গোপভাৰ্য্যাক	শ্ৰীকৃষ্ণ গোপীক চাড়ল—চো.ধ.
গোপিনীক	গোপভাৰ্য্যাক	কয়লি গোপিনীক ত্ৰাণ—ভ.
গোপীসবক	গোপীসকলক	পৰাক গোপীসবক—পি.গু.
গোপীৰে	গোপীসকলক	গোপীসবক ৰাজমাৰগে—চো.ধ.
		মিছামাতি গোপীৰে—পি.গু.
গোবিন্দা	গোবিন্দক, শ্ৰীকৃষ্ণক	বন্দো গোবিন্দা—ভ.
গোবিন্দকু	গোবিন্দক, শ্ৰীকৃষ্ণক	গোবিন্দকু ৰাধা বোলত—ভূ.হ.
চকাক	চকাটোক	পন্মৰ চকাক—ডো.বে.
চৰণক }	চৰণক, ভৰিক	চৰণক ৰঞ্জি—ৰা.বি.
চৰণকু }		সোহি হৰি চৰণকু—ব.গী
চান্দক	চন্দ্ৰক, চন্দ্ৰটোক	চান্দক গৰসি—কে.গো.
চান্দবদনক	শ্ৰীকৃষ্ণক	ওহি চান্দ বদনক—কা.দ.
চান্দা	চন্দ্ৰক	বদন বিনিন্দিত চান্দা—ভ.
ছৱালক	লৰাটোক	গৰ্ভক ছৱালক—অ.ভ
ছায়াক	ছাঁটোক	শিশুপালক ছায়াক—ৰু.হ.
জগতকে	জগত খনক	জগতকে বিয়াপি—কা.দ.
তনয়কু	পুত্ৰক	নিজ তনয়কু দেখি—অ.ভ.
তনুক	শৰীৰটোক	তনুক বেঢ়ি তিলে তিলে কৰি—ব.গী.
দাসীক	সেৱিকাক	নিজ দাসীক—ৰু.হ.
দুখকো	দুখ কষ্টক	সেসব দুখকো নগণয়—ৰা.বি.
দৈত্যকহো	দৈত্যক	দৈত্যকহো পীড়ি—পা.হ.
দোহোক	দুইজনক	দোহো দোহোক—ৰা.বি.
নটক	নটুৱাক	নটক ভাটক—ভ.
নন্দকহো	নন্দক	নন্দকহো বান্ধ—ভ.
পতনিসবকহো	পত্নীসকলক	পতনিসবকহো—ভ.
পথিকজনত }	বাটৰুৱাক	পথিকজনত বাত—চো.ধ.
পথিকজনে }	——	যশোৱা পুচয় পথিকজনে—চো.ধ.
পদধূলাক	ভৰিৰ ধূলিক	নপাৱে পদধূলাক—ডো.বে.
পাতকিক	পাপীক	পৰম পাতকিক কত—ৰা.বি.
পিউত	স্বামীক	তাহে পেখি পিউত পুচত—পা.হ.
পিতৃক	পিতৃক	মাতৃ পিতৃক বন্ধন চোড়ি—ভ.
পুতনিক	পুতনাক	যোহি পুতনিক—ভ.
বাধাকো	হকাবাধাক	উপেখিয়া বাধাকো—কে.গো.
বানৰে	বান্দৰক	দুৰ্জ্জন বানৰে দিলা—ভূ.লো.
ভকতক	সেৱকক	ভকতক ভকতিদানে—ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
ভাটক	বাৰ্ত্তাবাহকজনক	নটক ভাটক—ভ.
ভাৱক	চিন্তা ভাৱনাক	দাসভাৱক তেজয়—ব.গী.
ভৈয়াইক	ভাইক	ভৈয়াইক প্ৰাণদান—ক.হ.
মৰণা	মৰণক, মৃত্যুক	নিকটে দেখহু নিজ মৰণা—ব.গী.
মাৰেৱে	মাৰক	ভাণ্ডিতে মাৰেৱে—ভৃ.লো.
মুনিক	নাৰদক	পেখিমুনিক ধনি—পা.হ.
ৰময়া	ৰামনামক	কমনে ৰময়া মন—ব.গী.
ৰামৰায়া	শ্ৰীকৃষ্ণক	কমনে বিছুৰি মন বহু ৰামৰায়া—ব.গী.
শাশুক	শাহুৱেকক	অদিতি শাশুক জানু পাৰি—পা.হ.
স্ত্ৰীক	তিৰোতোজনীক	যুগধক সময়ে স্ত্ৰীক—ভৃ.হ.
হৰিৰে	হৰিক	জগাইলা হৰিৰে—ভৃ.হ.

শব্দৰূপ—তৃতীয়া বিভক্তি (একবচন আৰু বহুবচন)

তৃতীয়া বিভক্তি যুক্ত শব্দৰূপ বিলাকৰ চিন যথাক্রমে, ই, এ, এৰ, ক, য়ে, ৰে, লো, ৱে, সে, হি ইত্যাদি।

শব্দৰূপ	অৰ্থ	উদাহৰণ
আনন্দি	আনন্দেৰে	ভোজন কৰত আনন্দি—ভো.বে.
আয়ুয়ে	আয়ুসেৰে	হামাক আয়ুয়ে—অ.ভ.
কৰ্ণগোচৰে }	কানেদি, কানেৰে	কৰ্ণগোচৰে যাৱয়ে— অ.ভ.
কৰ্ণপথে }	—	গোপীক কৰ্ণপথে—কে.গো.
কৌতুকি	আনন্দেৰে	আসিয়ে কৌতুকি— ৰু.হ.
চক্ষুয়ে }	চকুৰে	ওহি চক্ষুয়ে দেখব—প.প্ৰ.
চক্ষুৱে }	—	চক্ষুয়ে তোহাৰি—অ.ভ.
		চক্ষুয়ে দেখিতে—পা.হ.
চিতিয়ে	চিত্তেৰে, মনেৰে	ৰামক চৰণ চিতিয়ে—ৰা.বি.
জিহ্বায়ে	জিভাৰে	জিহ্বায়ে কৰাৰি চেলেকয়—কা.দ.
তিনি ঠানেলো	তিনটা ভাজেৰে	অঙগ তিনি ঠানেলো—ব.গী.
দশোদিশে	দহ দিশেদি	দশোদিশে গেল—ৰু.হ.
ধনিয়ে	ধ্বনিৰে	বেণু ধনিয়ে—ব.গী.
ধূলায়ে	ধূলিৰে	ধূলায়ে ধূসল—ভৃ.লো.
নখেৰ	নখেৰে	নখেৰ পৰসি—কে.গো.
নেত্ৰে	চকুৰে	নেত্ৰে পিয়ে ব্ৰজবধূ—ব.গী.
ফাগুৱে	ফাকুৰে	ফাগুৱে হুয়া—ব.গী.
ফান্দেৱে	জালেৰে	মোহন মদন ফান্দেৱে—ব.গী.
বলেসে	বলেৰে	হামো বলেসে নমাৱলো—অ.ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
বাটক	বাটেদি, বাটেৰে	যাহিতে বৈকুণ্ঠ বাটক—ৰু.হ.
যানহি	বাহনেৰে	পুষ্পক যানহি—ব.গী.
ৰসেৰে	ৰসেৰে	পৰমানন্দ ৰসেৰে—ব.গী.
লাঙহি	নেগুৰেৰে	বেঢ়ল লাঙহি—কা.দ.
শ্ৰুবধায়ে	শ্ৰুবধাৰে	শ্ৰুবধায়ে যে বস্ত—অ.ভ.
		শ্ৰুবধায়ে কহে শুনে—পা.হ.
সুখহি	সুখেৰে	নিজানন্দ সুখহি—ব.গী.
হৰখে	আনন্দেৰে	হৰল হৰখে ৰুকমিণী—ৰু.হ.

শব্দৰূপ—চতুৰ্থী বিভক্তি (একবচন আৰু বহুবচন)

চতুৰ্থী বিভক্তিযুক্ত শব্দৰূপ বিলাকৰ চিন যথাক্ৰমে-আ, ই, এ, ক, কু, গৈয়া, ত, মহ, ৰ, ৰে, লাগি, লাগিয়া, এলাই, এলাগি, কলাই, কলাগি, কুলাই ইত্যাদি।

শব্দৰূপ	অৰ্থ	উদাহৰণ
অংগ গৈয়া	অংগলৈ	যোহি অংগ গৈয়া—ব.গী.
ইন্দ্ৰক লাগি	ইন্দ্ৰলৈ	ইন্দ্ৰকলাগি চক্ৰ—পা.হ.
কথাক	কথালৈ	তোহাৰ কথাক—প.প্ৰ.
কৰমক	কৰ্ম্মলৈ	ধৰমক কৰমক আশা—ভ.
কদমতলা	কদম্বৰ তললৈ	মোহন কদমতলা—ব.গী.
কাচক	কাঁচ ধাতুলৈ	জোনো কাচক চাহিতে—ৰু.হ.
কালিন্দিতীৰে	কালিন্দীৰ পাৰলৈ	কালিন্দিতীৰে আৱল—কা.দ.
কালে	যমপুৰলৈ	তাসু কিয়ে কালে—ভ.
কুণ্ডিনকু	কুণ্ডিনলৈ	কুণ্ডিনকু আৱে—ৰু.হ.
কৃষ্ণক	কৃষ্ণলৈ	প্ৰাণ পুতলি কৃষ্ণক—অ.ভ.
কৃষ্ণকলাগি	কৃষ্ণলৈ	ফিংকাৰয় কৃষ্ণক লাগি—পা.হ.
গগনকলাগি	আকাশলৈ	গগনক লাগি বান—ৰা.বি.
গৰুড়ক	গৰুড়লৈ	গৰুড়ক কিছু শংকা—কা.দ.
গলাত	ডিঙিলৈ	গলাত চাপি কহো—অ.ভ.
গৃহক	ঘৰলৈ	সত্বৰে গৃহক চল—কে.গো.
গৃহলাগিয়া	ঘৰলৈ	নচলে চিত্ত গৃহলাগিয়া—প.প্ৰ.
গৃহে	ঘৰলৈ	আপোন গৃহে আসিয়ে —অ.ভ.
গোকুলে	গোকুললৈ	গোকুলে চলেৰে—কা.দ.
		গোকুলে যাইতে—প.প্ৰ.
		গোপাল চলে গোকুলেলাই—প.প্ৰ.
গোকুলেলাই	গোকুললৈ	গোৱাৰিক চায়া—ব.গী.
গোষ্ঠক	গৰু খুটিলৈ	গোষ্ঠক চলবি—অ.ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
গোষ্ঠে	গৰু খুটিলৈ	উঠ গোষ্ঠে চল—ব.গী.
ঘৰক } ঘৰে	ঘৰলৈ —	বিকি ঘৰক যাঞ—কো.খে. ভায়ে নাইসা ঘৰে—ভূ.হ. নন্দ ঘৰে আসিল—ব.গী.
জননীকলাই	মাকলৈ	কোপিত 'জননীকলাই'—অ.ভ.
জননীৰ	মাকলৈ	জননীৰ হুয়া ভয়—অ.ভ.
ঠামে	ঠাইলৈ, ওচৰলৈ	যশোৱাকু ঠামে আৱল—অ.ভ. বান্দি সবক ঠামে—চো.ধ.
ঠামেলাগি	ঠাইলৈ, ওচৰলৈ	গোৱাবিক ঠামে লাগি—ভূ.হ.
তোহাকলাগি।	তোমালৈ, আপোনালৈ	তোহাকলাগিৰহৈছে——ৰা.বি.
থানে	ঠাইলৈ, ওচৰলৈ	অবৈক্ষৱক থানে—প.প্ৰ.
দেশে	ঠাইলৈ, দেশলৈ	নিজ দেশে চলি গেল—ক.হ.
দূৰে	দূৰলৈ, আঁতৰলৈ	বড়ি দূৰে গেল—ডো.বে.
দ্বাৰকাক } লাগি	দ্বাৰকালৈ —	সব দ্বাৰকাকলাগি পঠাঞ—পা.হ.
ধৰমক	ধৰ্ম্মলৈ	নাহি ধৰমক চিত—ভ.
প্ৰসাদক	প্ৰসাদলৈ, অনুগ্ৰহলৈ	ওহি প্ৰসাদক যে ইছা—প.প্ৰ.
পাড়া	গাঁৱলৈ	গোৱালেৰ পাড়া—পি.গু.
পাপকু	পাপলৈ	মতি পাপকু ধাই—ব.গী.
পাশা	ওচৰলৈ	নিজ পীউ পাশা—ৰা.বি.
বল্লভলাগি	স্বামীলৈ	দুল্লভ বল্লভ লাগি—ৰা.বি.
বস্তুক	বস্তুলৈ	বস্তুক বাঞ্ছা নাহি টুটত—অ.ভ.
ব্ৰজক	ব্ৰজপুৰলৈ	কে ব্ৰজক যাৱব—কা.দ. হামো সব ব্ৰজক—প.প্ৰ.
বাঠানে	গৰু খুটিলৈ	নন্দ গেল বাঠানে—ব.গী.
বিপিনে	হাবিলৈ, বনলৈ	চললি বিপিনে মধাই—ব.গী.
বৃন্দাবনে	বৃন্দাবনলৈ	বৃন্দাবনে গৈয়াকহো—.কে.গো. বৃন্দাবনে যাহি—ডো.বে. যাঞ বৃন্দাবনে—ব.গী.
মঠে	মঠলৈ, মন্দিৰলৈ	ভবানীক মঠে চলহ—ক.হ.
মৰণকলাই	মৃত্যুলৈ	ওহি 'মৰণকলাই —কা.দ.
মাঝে	মাজলৈ	বানৰ মাঝে খেপত- -অ.ভ.
মাধৱক লাই	শ্ৰীকৃষ্ণলৈ	খেপল শূল মাধৱকলাই—কে.গো.
মিথিলাক } মিথিলাকুলাই	মিথিলালৈ	মিথিলাক পয়ান কয়ল—ৰা.বি. চলে মিথিলাকুলাই—-ৰা.বি.
যমপুৰি	যমৰ নগৰলৈ	চলিতেৰে লাগয় যমপুৰি—ব.গী.
যমুনাৰে	যমুনালৈ	যমুনাৰে গেলো হামো—ভূ.লো.

শব্দৰূপ	অৰ্থ	উদাহৰণ
'ৰমণকলাই'	ৰমণ স্বীপলৈ	চললি কালি ৰমণকলাই—কা.দ.
ৰাজমাৰগে	ৰাজবাটলৈ	ৰাজমাৰগে আনিয়ে—চো.ধ.
ৰামা	ৰামলৈ	বৰিষে কুসুম সুৰ ৰামা—ৰা.বি.
লাজক	লাজলৈ	লাজক পিঠি দেলহ—পা.হ.
শ্ৰীকৃষ্ণক	শ্ৰীকৃষ্ণলৈ	শ্ৰীকৃষ্ণক বজ্ৰ প্ৰহাৰল—পা.হ.
সভামহ	সভালৈ, সভাৰ মাজলৈ	সভামহ জাই—ভ.
সমৰক	যুদ্ধলৈ	সমৰক সাজিয়ে—ব.গী.
স্বৰ্গকলাগি	স্বৰ্গলৈ	হামাৰ 'স্বৰ্গকলাগি'—পা.হ.
হ্ৰদক	হ্ৰদলৈ	শিশু সব হ্ৰদক নিবেধি—কা.দ.
হাটে	হাটলৈ, বজাৰলৈ	মথুৰা হাটে চলৈছো—কো.খে.
হাটে বাটে	হাটলৈ বাটলৈ	হাটে বাটে গেল দাসী—ভু.লো.

শব্দৰূপ—পঞ্চমী বিভক্তি (একবচন আৰু বহুবচন)

পঞ্চমী বিভক্তিযুক্ত শব্দৰূপ বোৰৰ চিন হল–এ, ত, তহন্তে, ৰ, এসেহন্তে, হন্তে

ধাতুৰূপ	অৰ্থ	উদাহৰণ
অন্তৰত	তলৰ পৰা	অন্তৰত জল ফুটয় কমল—ব.গী.
এথাহন্তে—	ইয়াৰ পৰা	দণ্ড কৰিয়ে এথাহন্তে—কা.দ.
কমলনয়নে'	নয়ন কমলৰ পৰা	'কমলনয়নে' ঝুৰে বাৰি—কে.গো.
কুণ্ডিনহন্তে	কুণ্ডিনৰ পৰা	কুণ্ডিনহন্তে এক বিশিষ্ট—ক.হ.
কৃষ্ণত	কৃষ্ণৰ পৰা	স্বামী কৃষ্ণত কোন মান—কে.গো.
কোথাহন্তে	ক'ৰ পৰা	তোহো 'কোথাহন্তে' এথা—ক.হ.
কোলহন্তে	কোলাৰ পৰা	পেখি যশোৱা কোলহন্তে—অ.ভ.
গগনহন্তে	আকাশৰ পৰা	'গগনহন্তে' পৰল—ৰা.বি.
গাৱে	শৰীৰৰ পৰা	গাৱে পৰিমল বাসে—ব.গী.
গৃহহন্তে	ঘৰৰ পৰা	গৃহহন্তে বাৰ হুয়া—প.প্ৰ.
তোহাতেসে হন্তে	তোমাৰ পৰাহে	তোহাতেসে হন্তে—কা.দ.
নয়নে	চকুৰ পৰা	নয়নে নিগড়ে নিৰ—চো.ধ. নয়নে ঝুড়াৱত পানী—ব.গী.
পাপীত হন্তে	পাপীৰ পৰা	শিশুপাল পাপীত হন্তে—ক.হ.
পুৰন্দৰত	ইন্দ্ৰৰ পৰা	পুৰন্দৰত অনুমতি পাই—পা.হ.
ফণাহন্তে	ফণাৰ পৰা	সৰ্পক ফণাহন্তে—কা.দ.
বোকাহন্তে	কোলাৰ পৰা	বোকাহন্তে কৃষ্ণে নমাৱল—কে.গো.
মধ্যহন্তে	মাজৰ পৰা	মৃগযুথ মধ্যহন্তে—ক.হ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
স্বপনৰ	সপোনৰ পৰা	বৎসপালসব স্বপনৰ জাগি—কা.দ.
স্বৰ্গহন্তে	স্বৰ্গৰ পৰা	পাৰিজাত পুষ্প স্বৰ্গহন্তে—পা.হ.
স্বামীত	স্বামীৰ পৰা	দেৱী স্বামীত মহামান্য পায়া—পা.হ.
সে হন্তে	তেতিয়াৰে পৰা	সেহন্তে হামাৰ মন—ক.হ.

শব্দৰূপ—ষষ্ঠী বিভক্তি (একবচন আৰু বহুবচন)

ষষ্ঠী বিভক্তি যুক্ত শব্দৰূপ বোৰৰ চিন হল- আক, আটাৰ, ঈৰ, উ, এ, এক, এৰ, ক, কৰ, কহি, কহো, কা, কাৰ, কি, কু, কেৰি, কো, ত, ৰ, ৰে, ৰো, হি, হু ইত্যাদি।

শব্দৰূপ	অৰ্থ	উদাহৰণ
অংগকু	অংগৰ, শৰীৰাংশৰ	এক অংগকু লাৱণ্য—ৰা.বি.
অদিতিক	অদিতিৰ, দেৱমাতৃৰ	অদিতিক কুণ্ডল—পা.হ.
অধমক	অধমৰ, পাপীৰ	ওহি অধমক জীউ—ক.হ.
অধৰক	ওঁঠৰ	অৰুণ অধৰক বালাই—অ.ভ.
অনংগক	কামদেৱৰ	অনংগক দেৱ বিমল—ব.গী.
অনাথক	অনাশ্ৰয়ৰ	অনাথক বন্ধু বুলি—কে.গো.
অন্তকক }	যমৰজাৰ	তোহো অন্তকক হাতে—ৰা.বি.
অন্তকেৰি }	যমৰজাৰ	ছুটে অন্তকেৰি দাই—ব.গী.
অবৈষ্ণৱক	বিষ্ণু বিৰোধীৰ	হেন অবৈষ্ণৱক থানে—প.প্ৰ.
অভাগিক	দুৰ্ভগীয়াৰ	হৰে অভাগিক মোহি—ৰা.বি.
		অভাগিক লাই—ক.হ.
		অভাগিক ক্লেশ—ব.গী.
অমৰাৱতীক	স্বৰ্গৰ	অমৰাৱতীক অধিকাৰিণী—পা.হ.
আকাশক	আকাশৰ	আকাশক চন্দ্ৰ আনি দিতে—ক.হ.
আখিৰ	চকুৰ	আখিৰ গোচৰে—ব.গী.
আপুনকেৰি	নিজৰ	আপুনকেৰি ছুটেৰে—ব.গী.
আশ্ৰমক	আশ্ৰমৰ	ওহি আশ্ৰমক মধ্যে—প.প্ৰ.
ইন্দ্ৰক	ইন্দ্ৰৰ	ইন্দ্ৰক গৰ্ব্ব কয়ো—কে.গো.
উন্ধৱক	উন্ধৱৰ	উন্ধৱক ধৰি হাত—ব.গী.
উৰ্ম্মিক	চৌৰ, প্ৰতিধ্বনিৰ	প্ৰচণ্ড উৰ্ম্মিক—কা.দ.
ঋষিক	ঋষিৰ, মুনিৰ	ঋষিক বাণী শুনি—ৰা.বি.
কংসক	কংসৰ	নাশক কংসক প্ৰাণ—কা.দ.
কংসকহি	কংসৰ	কংসকহি ভাই—ভ.
কংসৰ	কংসৰ	কংসৰ নগৰি—পি.পু.
কটিক	কঁকালৰ	কটিক মেখলা—কে.গো.
কদম্বক }	কদম্বৰ	বেণু কদম্বকমূল—ব.গী.
কদম্বকু }	কদম্বৰ	কণ্ঠে কদম্বকু মালা—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
কণ্ঠক	কণ্ঠৰ, ডিঙিৰ	কণ্ঠক সাতসৰি—কে.গো.
কন্যাক	কন্যাৰ	কন্যাক সদৃশ বৰ—ক.হ.
কৰ্ণিকাৰ } কৰ্ন্নিকাৰ	(পদুমৰ) চকাৰ —	কুসুম কৰ্ণিকাৰ কৰ্ণমূলে—ব.গী.
কৰ্ণেৰ	কানৰ.	কৰ্ণেৰ কুণ্ডল—অ.ভ.
কৰ্ম্মক	কৰ্ম্মৰ, কামৰ	দ্বিজ নিজ কৰ্ম্মক গৰ্ব্ব—কা.দ.
কৰ্ম্মীক	কৰ্ম্মীৰ	জ্ঞানীক কৰ্ম্মীক—অ.ভ.
কড়াদুইক	দুকড়া মূল্যৰ	কড়াদুইক খীৰ—অ.ভ.
কড়াদুইৰ	দুকড়া পৰিমাণৰ	সে কড়াদুইৰ ধন—পি.গু.
কৰেৰ	হাতৰ	কৰেৰ কঙ্কণ—অ.ভ.
কলপক	কল্পৰ	কোটি কলপক—কা.দ.
কলাৰ	ষোল কলাৰ	সকল কলাৰ গুৰু—পি.গু.
কলিকো	কলিৰ	কলিকো পাপ হৰ—কে.গো. কলিকো পৰম—ব.গী.
কাঙালক	দৰিদ্ৰৰ	কাঙালক ছৱাল—পি.গু.
কাচক	কাচমণিৰ	বেচহু কাচক লাই—কে.গো. যৈচে কাচকলাই—ব.গী.
কাচেৰ	কাচমণিৰ	বিকাইলো কাচেৰ মোলে—ব.গী.
কানাইক } কানাইৰ	কৃষ্ণৰ —	ওহি কানাইক কথা—পি.গু. কানাইৰ কমল মুখ—ব.গী.
কানুক } কানুৰ	কৃষ্ণৰ —	কানুক কমল অমল—কা.দ. কহ মোহে কানুক বাতে—ব.গী. শিৰত কানুৰ কুসুম—কে.গো.
কালিক	কালী সৰ্পৰ	মৰ্দ্দয় কালিক চড়িয়া—কে.গো. কাল কালিক—কা.দ.
কালিহ্ৰদক	কালি হ্ৰদৰ	কালি হ্ৰদক সমিপ—কা.দ.
কুচক	স্তনৰ, পিয়াহৰ	কাছুৱা কুচক হামাৰ—কে.গো.
কুণ্ডিনকু	কুণ্ডিনৰ	কুণ্ডিনকু দ্বিজ হামো—ক.হ.
কুণ্ডেৰ	কুণ্ড পুষ্পৰ	দশন কুণ্ডেৰ কোৰ—ব.গী.
কুবেৰক	কুবেৰৰ	কুবেৰক পুত্ৰ দোহো—অ.ভ. কুবেৰক এক—কে.গো.
কুমাৰিক	কন্যাৰ	কি কহব ৰূপ কুমাৰিক ৰাম —ৰা.বি.
কৃষ্ণক } কৃষ্ণকু } কৃষ্ণৰ	— কৃষ্ণৰ —	কৃষ্ণক নাম শুনি—প.প্ৰ. সোহি কৃষ্ণক নাট—পা.হ., ক.হ. কহতু কৃষ্ণকু দাসা—ৰা.বি. কৃষ্ণকু দাস দাস—ব.গী. কৃষ্ণৰ খেড়াক—অ.ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
খীৰেৰ	গাখীৰৰ	খীৰেৰ লাড়ু দেৱব—ভূ.লো.
খেড়াক	খেলাৰ	কৃষ্ণৰ খেড়াক বালক—অ.ভ.
খোপাক	খোপাৰ	খোপাক কুসুম খসি পৰল—অ.ভ.
গগনকু	আকাশৰ	তাৰকগণ যচ গগনকু মাঝে—অ.ভ.
গৰুড়ক	গড়ুৰ পক্ষীৰ	গৰুড়ক কন্ধে—পা.হ.
গৰুক	গৰুৰ	গৰুক পাগে—অ.ভ.
গৰুৰ	গৰুৰ	ৰান্ধিলা গৰুৰ লৈয়া পাগে—পি.গু.
গৰ্ভক	গৰ্ভৰ, পেটৰ	গৰ্ভক ছুৱালক—অ.ভ.
গলাক }	গলৰ, ডিঙিৰ	গলাক সাতসৰি—অ.ভ., চো.ধ
গলাৰ }	——	গলাৰ সাতসৰি—অ.ভ.
		গলাৰ মাঝে—ব.গী.
গাত্ৰৰ	শৰীৰৰ	গাত্ৰৰ বসন খসি গেল—অ.ভ.
গুণেৰ	গুণৰ	গুণেৰ সুন্দৰী—পা.হ.
		গুণেৰ নিধি শ্যাম—ব.গী.
		গুণেৰ নাগৰ—ভ.
গৃহৰ }	ঘৰৰ	গৃহৰ শ্বাৰ বাজ হুয়া—কো.খে.
গৃহেৰ }	——	হামো গৃহেৰ গৃহিণী—অ.ভ.
গোকুলক	গোকুলৰ	গোকুলক স্ত্ৰী নাহি—পা.হ.
		গোকুলক মঙ্গল—ব.গী.
গোপালক	শ্ৰীকৃষ্ণৰ	সোহি গোপালক কেলি—কে.গো..
গোপীক	গোপ ভাৰ্য্যাৰ	আলিঙ্গনে গোপীক মিলয়—কে.গো.
		এক দিবসে গোপীক—চো.ধ.
গোপীকাৰ	গোপ ভাৰ্য্যাৰ	মিলল ৰঙ্গ ঢঙ্গ গোপীকাৰ—কে.গো.
গোপিনীক	গোপ ভাৰ্য্যাৰ	গোপিনীক কৈচে কেশৱ—কে.গো.
		গোপিনীক প্ৰেম পৰশি—ব.গী.
গোবিন্দক	শ্ৰীকৃষ্ণৰ	জপ গোবিন্দক নামা—ব.গী.
গোৱালক	গুৱালৰ	গোৱালক পাচু পাচু—প.প্ৰ.
		তোহো গোৱালক পাড়া—পি.গু.
গোৱালসবক	গুৱাল সকলৰব	গোৱালসবক মোহ—অ.ভ.
গোৱালেৰ	গুৱালৰ	গোৱালেৰ পাড়া—পি.গু.
গোসাঞিক	দেৱতাৰ	গোসাঞিক বৰেসে—অ.ভ.
ঘাটক }	ঘাটৰ	ঘাটক দান দেহু—কো.খে.
ঘাটেৰ }		ঘাটেৰ ঘাটৈয়া—কো.খে.
ঘুসিক	গাখীৰ উতলোৱা পাত্ৰৰ	ঘুসিক খীৰ উথলি পৰয়—অ.ভ.
চক্ৰবাতক	চক্ৰবাতৰ	চক্ৰবাতক প্ৰাণ লেলহ—অ.ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
চৰণক } চৰণকু	চৰণৰ —	তোহাৰি চৰণক আগু—ৰা.ঝু.
		চৰণক দাস ভেলো—ৰা.বি; ৰু.হ.
		চৰণক চিহ্ন—কা.দ.
		চৰণকু মাঝে—অ.ভ.
চান্দক } চান্দকহো চান্দকেৰি চান্দেৰ	চন্দ্ৰৰ, জোনৰ	জিনি নিতে চান্দক কলা—ৰু.হ.
		চান্দক জৌতি—প.প্ৰ.
		চান্দক তুল—ৰা.বি.
		বয়ন চান্দকহো জৌতি—ভ.
		চান্দকেৰি কালা—ৰু.হ.
		চান্দেৰ উপৰি যেন চান্দ—ব.গী.
চিন্তামণিক	চিন্তামণিৰ	বণিক চিন্তামণিক—ব.গী.
চোঞ্চাক	চোৰৰ	হামো চোঞ্চাক ভয়ে—ভৃ.হ.
ছৱালক	লৰাৰ	ছৱালক বাক্য বুলিয়ে—অ.ভ.
জগতক	জগতৰ	জগতক পৰম গুৰু নাৰায়ণ সকলো নাট
জগন্নাথকি	জগতৰ ঈশ্বৰৰ	তোহো জগন্নাথকি—ভো.বে.
জনকক	জনক ৰজাৰ	চলহ অবিলম্বে জনকক ঠাম—ৰা.বি.
জনমক	জন্মৰ	পূৰুব জনমক কথা—ৰা.বি.
জলদক	মেঘৰ	জলদক ভাস—ভ.
জলধিক	সাগৰৰ	কম্পিত জলধিক জীৱ—ৰা.বি.
জীৱক	জীৱৰ	জীৱক চৈতন্য দাতা—ভ.
		হামো জীৱক পৰম—অ.ভ.
জীৱনকু	জীৱনৰ	চোড়লো জীৱ'কু আশ—প.হ.
জুড়াৰ	খোপাৰ	জুড়াৰ টালনি—ব.গী.
জোখাক } জোখাৰ	জোখৰ —	জোখাক ভাণ্ড ভাঙিগ—পি.গু.
		জোখাৰ মোৰ ভাণ্ড—পি.গু.
জ্ঞানীক	জ্ঞানীৰ	জ্ঞানীক কৰ্ম্মীক—অ.ভ.
ডম্বৰুক	ডম্বৰুৰ	ডম্বৰুক ঠাম—ভ.
		ডম্বৰুক ঠান—ৰা.বি.
তনয়কহো } তনয়ৰ	পুত্ৰৰ —	আপুন তনয়কহো—ব.গী.
		তনয়ৰ ভয় জানি—অ.ভ.
তপক	তপস্যাৰ	তপক মহিমায়ে—ৰু.হ.
তপনু	সূৰ্য্যৰ	তপনু তাপিত তনু—ব.গী.
তিনি প্ৰহৰেক	তিনি প্ৰহৰৰ	তিনি প্ৰহৰেক পথ জাই—পা.হ.
দদাৰ	দাদাৰ	দদাৰ হামাৰ নাম—প.প্ৰ.
দধিক	দৈ গাখীৰৰ	দধিক ভাৰ বহবি—অ.ভ.
		বিলাই দধিক মোৰ—কে.গো.
দশনকু	দাঁতৰ	ওতিম মোতিম দশনকু—প.প্ৰ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
দান্তৱো	দাঁতবো	দান্তৱো নাহি অৱস্থা—ব.গী.
দাসক	সেৱকৰ	দাসক নাশক ভীতি—ৰা.বি.
দাসীক	সেৱিকাৰ	অয়ে দাসীক দাসী—অ.ভ.
দ্বাৰক	দুৱাৰৰ	দ্বাৰক বিদূৰে—পা.হ.
দ্বাৰকাক	দ্বাৰকাৰ	হামো দ্বাৰকাক কৃষ্ণ—ক.হ.
দুখীৰ	দুখীয়াৰ	দুখীৰ ছৱাল যেন—পি.পু.
দেৱক }	দেৱতাৰ	দেৱক যতয়ে কুমাৰি—পা.হ.
দেৱকু }		দেৱক উপৰি—কা.দ.
		দেৱক দুৰ্ল্লভ—কে.গো.
		দেৱক পৰম দেৱতা—অ.ভ.
		কৃপাময় দেৱকু দেৱা—ভূ.লো.
		সোহি দেৱকু দেৱা—ৰা.বি.
		যো হৰি দেৱকু দেৱা—ভ.
দেৱতাক	দেৱতাৰ	দেৱতাক বৰে—চো.ধ.
দেৱৰাজক	দেবতাৰ ৰজা ইন্দ্ৰৰ	মখভঙ্গে দেৱৰাজক—ভ.
দেহক	শৰীৰৰ	হৰিসে শিহৰে দেহক লোম—ৰা.বি.
দোকানিৰ	দোকানিৰ	সাধু দোকানিৰ সঙ্গে—ব.গী.
দোহোক	দুই জনৰ	ওহি দোহোক দুখ—অ.ভ.
ধনিক	প্ৰেমিকাৰ	ধনিক বাণী শুনি—পা.হ.
ধৰমক }	ধৰ্ম্মৰ	ধৰমক ৰাজা নাম—ক.হ.
ধৰমকহো }	ধৰ্ম্মৰ	সকল ধৰমকহো—ভ.
ধৰ্ম্মক	ধৰ্ম্মৰ	তোহাক ধৰ্ম্মক পুত্ৰ ভেলো—ৰা.বি.
নয়নক	চকুৰ	নয়নক নিৰ ধাৰে—ক.হ.
		নাৱে নয়নক নিৰ—ব.গী.
নৰকক }	নৰকাসুৰৰ	দাৰুণ নৰকক মাথ—প.হ.
নৰকাসুৰক }		সে নৰকাসুৰক পাট—পা.হ.
নন্দক }	নন্দৰ	নন্দক মন্দিৰে বেকত—অ.ভ.
নন্দকু }		নন্দকু নন্দন বন্দন—কা.দ.
		নাগৰ নন্দকু লাল—চো.ধ.
		নন্দকু বালা—ব.গী.
নন্দনন্দনকহো	শ্ৰীকৃষ্ণৰ	নন্দনন্দনকহো ঐচন খেলা—ভূ.হ.
নন্দৰাজকু	নন্দৰজাৰ	ৰাজতু নন্দৰাজকু নন্দন—ব.গী.
নন্দেৰ	নন্দৰ	নন্দেৰ নন্দন—ব.গী.
নাটেৰ	নটুৱাৰ	নাটেৰ মাধুৰি গোপী—ব.গী.
নামধৰমকহো	নামধৰ্ম্মৰ	নামধৰমকহো ৰাজা—ভ.
নিগমকু	বেদৰ	হৰিকো নাম নিগমকু সাৰ—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
নিগমেৰ	বেদৰ	যিটো নিগমেৰ গুপ্তবিত্ত—ব.গী.
নিৰত	পানীৰ	সবহু নিৰত বেখ—ভ.
নেতেৰ	পাটৰ	নেতেৰ আঞ্চল—ব.গী.
নেত্ৰক	চকুৰ	নেত্ৰক নিৰ ঝুৰয়—কে.গো.
পয়োধিক	সাগৰৰ	বান্ধল সেতু পয়োধিক বাৰি—ৰা.বি.
পৰশুৰামক	পৰশুৰামৰ	পৰশুৰামক কথা—ৰা.বি.
পড়াক, পৰাক	গাঁৱৰ, কামৰ	তব পড়াক গোপী—ভূ.লো.
		আহে পড়াক লোক সব—ভূ.হ.
		পৰাক গোপী সব—চো.ধ.
পড়াকহো, পৰাকহো	গাঁৱৰ, কামৰ	পড়াকহো লোক মানত—চো.ধ.
পহুক	প্ৰভুৰ	পহুক মুখ নেহাৰি—ৰা.বি.
প্ৰহাৰক	প্ৰহাৰৰ	প্ৰহাৰক চোটে—ৰা.বি.
পাণ্ডুৰ	ঈষৎ হালধীয়া বৰনৰ	গণ্ড পাণ্ডুৰ বৰ্ণ—ভ.
পাতালক	পাতালৰ	পাতালক বাসুকি—ক.হ.
পাপক	পাপৰ	পাপী পাপক—কা.দ.
পাপেৰ	পাপৰ	মঞি বড় পাপেৰ পাপী—ব.গী.
পাৰিজাতক	পাৰিজাতৰ	ওহি পাৰিজাতক গন্ধ—পা.হ.
পাৰৰ	ভৰিৰ	তোমাৰ পাৰৰ বালাই—ভূ.লো.
প্ৰাণক	প্ৰাণৰ	প্ৰাণক কাতৰে ইন্দ্ৰ—পা.হ.
প্ৰাণকি	—	প্ৰাণকি অন্তা—ভ.
পিউক	স্বামীৰ	পিউক সমীপে চলে—পা.হ.
প্ৰিয়াক	ভাৰ্য্যাৰ	প্ৰিয়াক পীতবাসে—ক.হ.
		প্ৰিয়াক পৰম সন্তাপ—ৰা.বি.
		প্ৰিয়াক দুখ দেখি—পা.হ.
প্ৰিয়াকেৰি	ভাৰ্য্যাৰ	প্ৰিয়াকেৰি কাহিনী—ক.হ.
পুতনিকা	পুতনাৰ	পুতনিকা তন—কা.দ., ভ.
পুতনাক	পুতনাৰ	পুতনাক প্ৰাণ—ভ.
পুষ্পক	ফুলৰ	সে পুষ্পক মহিমায়ে—পা.হ.
পূৰ্ণিমাক	পূৰ্ণিমাৰ	নক্ষত্ৰ মাঝে পূৰ্ণিমাক—ক.হ.
		পূৰ্ণিমাক চান্দ বদন—পা.হ.
ফাগুৰ	ফাকুৰ	ফাগুৰ বিহাৰ—ব.গী.
বজ্ৰকু	বজ্ৰৰ, বজ্ৰৰো	বজ্ৰকু ধিক্কাৰ—পা.হ.
বজ্ৰধৰক	ইন্দ্ৰৰ	যব বজ্ৰধৰক হাতে—পা.হ.
বজ্ৰেৰ	বজ্ৰৰ	বজ্ৰেৰ সমান ঠেটে—ব.গী.
বনহু	বনৰ	বনহু মালা শোহে—ভ.
বৰুণক	বৰুণৰ	বৰুণক ছত্ৰ—পা.হ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
বলাইৰ	বলভদ্ৰৰ	বলাইৰ কনিষ্ঠ মঞি—পি.পু.
বলিক	বলিৰজাৰ	সুতলে বলিক ঠাই—ভো.বে.
বলোৰ	বলভদ্ৰৰ	বলোৰ বাক্যে—কা.দ.
ব্ৰজক	ব্ৰজৰ	ব্ৰজকু জীৱন ধনৰে—ব.গী.
ব্ৰহ্মাণ্ডক	ব্ৰহ্মাণ্ডৰ	কোটি কোটি ব্ৰহ্মাণ্ডক—অ.ভ.
ব্ৰহ্মাদিদেৱক	ব্ৰহ্মাদিদেৱতা সকলৰ	ব্ৰহ্মাদিদেৱক পৰম—অ.ভ.
ব্ৰহ্মেৰ	ব্ৰহ্মাৰ	ব্ৰহ্মেৰ বিহাৰ—ব.গী.
বায়ুক	বতাহৰ	বায়ুক বেগে—পা.হ.
বাংশীৰ	বাঁহীৰ	বাংশীৰ নিসানে—ব.গী.
বাঘক	বাঘৰ	বাঘক আগু জাই—কে.গো.
বানৰক	বান্দৰৰ	বানৰক ঠাট—ৰা.বি.
ব্ৰাহ্মণক	ব্ৰাহ্মণৰ	ব্ৰাহ্মণক হাতে ধৰিয়ে—ৰু.হ.
বিঘিনিক	বিঘিনিৰ, বিপদৰ	বিঘিনিক উপৰি—ৰু.হ.
বিপঞ্চিৰ	বিপঞ্চি বাদ্যৰ	বিপঞ্চিৰ ৰৱে—ব.গী.
বিবাহক	বিয়াৰ	বিবাহক সম্ভাৰ—ৰা.বি.
		বিবাহক যোগ্য ভেল—ৰু.হ.
বিমানক	বিমানৰ	যে বিমানক উপৰে—পা.হ.
বিষয়ক	বিষয়ৰ	বিষয়ক সুখ শূকৰী—ব.গী.
বিহিক }	বিধিৰ	বিহিক বিড়ম্বনা কি ভেলি—ৰা.বি.
বিহিকো }	—	বিহিকো জনম ভেলি—পা.হ.
বিষ্ণুক	বিষ্ণুৰ	বিষ্ণুক অজয় বীৰ্য্য—ৰা.বি.
বৃন্দাধাৰিক	বৃন্দাধিকাৰীৰ	কামধেনুবৃন্দাধাৰিক—কে.গো.
বেশ্যডসিক	বেশ্যাৰ	বেশ্যডসিক পুত্ৰ—ৰা.বি.
বেদকু	বেদৰ	কহতু বিধাতা বেদকু বাণী—ৰু.হ.
		বেদকু বাণী—ভ.
বৈকুণ্ঠক	বৈকুণ্ঠৰ	মিলহু তাহেক বৈকুণ্ঠক বাট—ৰু.হ.
		সোহি বৈকুণ্ঠক কৃষ্ণক—কা.দ.
বৈকুণ্ঠেৰ	বৈকুণ্ঠৰ	কৰে কেলি বৈকুণ্ঠেৰ পতি—কো.খে.
ভকতক	ভকতৰ	ভকতক অধীন—অ.ভ.
		ভকতক পাই নিস্তাৰ—কা.দ.
		ভকতক বান্ধৱ—ৰা.বি.
ভকতিক	ভক্তিৰ	হৰি ভকতিক মহিমা—কে.গো.
		তোহাৰি ভকতিক পন্থা—পা.হ.
		ভকতিক শকতি—কা.দ.
ভবানিক	দুৰ্গাৰ	ভবানিক মঠে চলহ—ৰু.হ.
ভৰ্ত্তাৰক	স্বামীৰ	অব ভৰ্ত্তাৰক ভয়ে—পি.পু.

শব্দৰূপ	অৰ্থ	উদাহৰণ
ভাগ্যক	ভাগ্যৰ	ভাগ্যক মহিমা কি—ৰা.বি.
ভায়াকেৰি	ভাইৰ	ভায়াকেৰি দুখ—ক.হ.
ভায়াৰে	ভাইৰ	নপাইলো ভায়াৰে উদিশ—ভো.বে.
ভাৱক	ভাবুকৰ	এ দুখ দাহক পাৱক ভাৱক—কা.দ.
ভাণ্ডক	পাত্ৰৰ	ওহি ভাণ্ডক মধ্যে—ভূ.লো.
ভাণ্ডেৰ	পাত্ৰৰ	ভাণ্ডেৰ মধ্যে লৈয়ো—কো.খে.
ভাৰ্গৱক	পৰশুৰামৰ	ভাৰ্গৱক পাৱে—ৰা.বি.
ভূমিক	পৃথিৱীৰ	ভূমিক ভাৰ উতাৰল—ৰা.বি.
ভূমিকহো	—	ভূমিক ভাৰ হৰণ—ক.হ; পা.হ;. ব.গী
ভূমিকেৰি	—	যোহি ভূমিকহো ভাৰ—কা.দ.
		হৰলি ভূমিকেৰি ভাৰ—পা.হ; ক.হ.
মদনক	কামদেৱৰ	মদনক ধনু ভ্ৰুৱ ভঙ্গ—ৰা.বি.
মদনকু	—	কৈচে মদনক হাতে—কে.গো.
মদনকেৰি	—	মদনকু চাস—ভ.
		মদনকেৰি চাপ—পা.হ.
মনহি	মনৰ	মনহি সন্তাপে—ভ.
মনুষ্যক	মানুহৰ	ওহি কি মনুষ্যক কাম—কা.দ.
মনেৰ	মনৰ	মনেৰ যুগুতি—ব.গী.
মৰণক	মৰণৰ	মৰণক সম্বল লেহু—ব.গী.
মৰণকু	—	মৰণকু বাট—ক.হ.
মৰণহি	—	মৰণহি সঙ্গ নাচোড়া—ব.গী.
মহেন্দ্ৰক	ইন্দ্ৰৰ	মহেন্দ্ৰক দুখ দেখিয়ে—পা.হ.
মহেশক	শিৱৰ	সে মহেশক ধনু আনহ—ৰা.বি.
মাতাক	মাতৃৰ	ৰেনুকা মাতাক কন্ধ—ৰা.বি.
মাথাক	শিৰৰ	মাথাক মুকুট—তা.ভ.
মাধৱকেৰি	মাধৱৰ	মাধৱকেৰি নাম—ব.গী.
মানবীৰ	মানুহৰ	ভাৱ লৈয়া মানবীৰ—ব.গী.
মানুষৰ	মানুহৰ	যেন বড় মানুষৰ ৰী—পি.গু.
মায়াৰ	মায়াৰ	ফান্দিলো মায়াৰ পাশে—ব.গী.
মাৰণক	মাৰকিলৰ	মাৰণক ভয়ে পলায়ল—অ.ভ.
	মাকৰ	কি সোধ তোৰ মায়েৰ পৈ—কো.খে.
মায়েৰ	—	মাৱক শ্ৰম পেখিয়ে—অ.ভ.
মাৱক		দেলহ মাৱকু ঠাই—ভূ.হ.
মাৱকু	—	ৰাধায়ে মাৱৰ হাতে—ভূ.হ.
মাৱৰ	—	মাৱৰ উঠিছে ৰাগ—অ.ভ.
মাসচাৰিকৰ	চাৰিমাহৰ	স্বভাৱে মাস চাৰিকৰ পথ—পা.হ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
যমুনাক	যমুনাৰ	যমুনাক বালি নামিয়ে—কে.গো.
		যমুনাক হ্রদ—কা.দ.
যশোদাক	যশোদাৰ	যশোদাক মন সন্তোষিয়ে—অ.ভ.
		যশোদাক হৃদয় কাম্পে—কা.দ.
যশোৱাকু	যশোদাৰ	যশোৱাকু আগু-—অ.ভ.
		যশোৱাকু বাণী—ব.গী.
যক্ষক	যক্ষৰ	পৰল যক্ষক চিণ্ডি—কে.গো.
যুদ্ধক	যুদ্ধৰ	যুদ্ধক সময়ে—পা.হ.
ৰতনক	ৰত্নৰ, সোনৰ	ৰতনক মেখলা—প.প্র.
ৰতনকু	ৰত্নৰ, সোনৰ	ঝনকিত ৰতনকু মালা—ৰা.বি.
ৰমণীক	তিৰোতাৰ, স্ত্রীৰ	শুনি ৰমণীক— ৰা.বি.
		কি কহব ৰমণীক—ৰু.হ.
ৰময়াক	শ্রীকৃষ্ণৰ	ৰময়াক মুহ নেহাৰি—কে.গো.
ৰসেৰ	ৰসৰ	আনন্দ ৰসেৰ পতি—কো.খে.
ৰত্নেৰ	ৰত্নৰ, সোনৰ	ৰত্নেৰ পাইলা দ্বীপ—ব.গী.
ৰাকচক	ৰাক্ষসৰ	ৰাকচক হাতে দিতে চায়—ৰা.বি.
ৰাজকুমাৰিক	ৰাজকন্যাৰ	ৰাজকুমাৰিক বয়স—ৰা.বি.
ৰাজনন্দিনীক	ৰাজকন্যাৰ	ৰাজনন্দিনীক ৰূপ—ৰা.বি.
ৰাজহংসীক	মাইকী ৰাজহাঁহৰ	ৰাজহংসীক গমনী—ভ.
ৰাজাক	ৰজাৰ	ৰাজাক বাণী শুনি—ৰা.বি.
ৰাধাকু	ৰাধাৰ	ৰাধাকু বাণী—ৰা.ঝু.
		ৰাধাকু আগু—ভৃ.হ.
ৰামক	ৰামৰ	ৰামক নাটক—ৰা.বি.
		জপহু ৰামক নাম—ভ.
ৰাৱণকেৰি	ৰাৱণৰ	চোদশ যো ৰাৱণকেৰি মাথ—ৰা.বি.
ৰুকমিনিকেৰি	ৰুক্মিণীৰ	ৰূপ ৰুকমিনিকেৰি—ৰু.হ.
লৱনুক	গাখীৰৰ	লৱনুক গন্ধ বাজ দুই—পি.গু.
		খীৰ লৱনুক ভাণ্ড—ভৃ.লো.
শকতিক	শক্তিৰ	যাহে ভকতিক শকতিক ঐচন —কে.গো.
শচীক	শচীৰ	ইন্দ্রাণী শচীক পাৰিজাত—পা.হ.
শৰক	শৰৰ, বাণৰ	শৰক সন্ধানে—ৰা.বি;ৰু.হ
শৰীৰক	শৰীৰৰ	শ্যাম শৰীৰক অৱস্থা—ভৃ.লো.
		শৰীৰক বলে লাড়িতে—ৰা.বি.
শশাঙ্কেক	চন্দ্রৰ	শশাঙ্কেক কোমল বৃন্দাবন—কে.গো.
শত্রুক	শত্রুৰ	তেখনে শত্রুক ৰুধপাত—পা.হ.
শালেৰ	শালকাঠৰ	ডবায়া শালেৰ নাৱ—ব.গী.
শিঙাৰ	শিঙৰ পেপাৰ	শিঙাৰ নিসান বাজে—ভো.বে.

শব্দৰূপ	অৰ্থ	উদাহৰণ
শিলাকেৰি	শিলৰ	সোহি শিলাকেৰি ৰেখা—ৰা.বি.
শ্ৰীৰামক	শ্ৰীৰামচন্দ্ৰৰ	শ্ৰীৰামক প্ৰবেশ—ৰা.বি.
সতিক	সতীৰ	সতিক পতি প্ৰাণ—কা.দ.
সতিনীক	সতিনীৰ	সতিনীক অভ্যুদয়ে—পা.হ.
		সতিনীক খোজ দেখি—কে.গো.
সভাকেৰি	সভাৰ, সমাজৰ	পাৰল ৰাজসভাকেৰি কোল—ৰা.বি.
সমৰক	যুদ্ধৰ	সমৰক নাগৰ—ৰা.বি.
সমাজে	সমাজৰ	লাগল শঙ্কা সমাজে—ভ.
সন্তেৰ	সন্ত সাধুৰ	লৈয়ো মনাই সন্তেৰ সঙ্গতি—ব.গী.
সম্বন্ধক	সম্বন্ধৰ	সে হামাৰ সম্বন্ধক যোগ্য—ৰু.হ.
সৰ্পক	সাপৰ	সৰ্পক বন্ধনে পৰি—কা.দ.
সাখীত	সাক্ষীৰ	আৰৰ সাখীত কমন প্ৰয়োজন—চো.ধ.
সিংহক	সিংহৰ	যৈচে সিংহক ভাৰ্য্যাক—ৰু.হ.
		যৈচে সিংহক আগু—ৰা.বি.
সীতাক	সীতাৰ	সীতাক বিবাহ নিমিত্ত—ৰা.বি.
সুতক	পুত্ৰৰ	সুতক সন্তাপে তাপে—পা.হ.
সুন্দৰীক	সুন্দৰীৰ	সে সুন্দৰীক ৰূপগুণ—ৰা. বি.
সেৱাক	সেৱাৰ	চৰণ সেৱাক মহিমা—কা.দ.
সোনাক	সোনৰ	সোনাক পুতলি শ্ৰীকৃষ্ণ—ৰু.হ.
সোনাটাৰ	সোনৰ	সোনাটাৰ খাড়ু—কো.খে.
সৌভাগ্যক	সৌভাগ্যৰ	সৌভাগ্যক মহিমা—পা.হ.
স্বৰ্গক	স্বৰ্গৰ	স্বৰ্গক মধ্যে যৈচে—ভ.
স্বৰ্গবাসিক	স্বৰ্গবাসীৰ	স্বৰ্গবাসিক মন মুহি—পা.হ.
স্বামীক	স্বামীৰ	স্বামীক চৰিত্ৰ শুনিয়ে—ৰা.বি.
		চললি স্বামীক সঙ্গিয়া—ৰু.হ.
স্ত্ৰীৰ	তিৰোতাৰ	স্ত্ৰীৰ দখিন—কা.দ.
হৰক	শিৱৰ	হৰক শৰাসন—ৰা.বি.
হৰিকহো	হৰিৰ	হৰিকহো চৰণ চিন্তিয়ে—ৰু.হ.
হৰিকু	—	হৰিকহো চৰণ কমল—অ.ভ.
		হৰিকহো চৰণা—ব.গী.
		হৰিকহো মুকতি—ভ.
		হৰিকু মকৰ কুণ্ডল—কে.গো.
		হৰিকু কণ্ঠে আলিঙ্গি—ৰা.ঝু.
		হৰিকু আকুল—ৰু.হ.
		সোই হৰিকু—ব.গী.
		বয়নে হৰিকু—ভ
হ্ৰদক	সৰোবৰৰ	হ্ৰদক উৰ্ম্মি উঠলি—কা.দ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
হাতক	হাতৰ	বঙ্কিম বিধি হাতক লিখি—ৰা.বি.
হাতকহো	—	আপুন হাতক বংশী—ভূ.লো.
হাতে	—	হাতকহো লৰনু—চো.ধ.
হাতেৰ	—	হাতে তালে নয়নক নিৰ—অ.ভ.
		হাতে গ্ৰাস পেলাইতে—ভো.বে.
		লৈবো হাতেৰ কঙ্কন—কো.খে.
হিৰণ্যাক	হিৰণ্যাৰ	হিৰণ্যাক হৃদয় বিদাৰ—ৰু.হ.
হেমক	সোনৰ	হৃদয়ে হেমক হাৰ—পা.হ.
ক্ষত্ৰিয়ক	ক্ষত্ৰিয়ৰ	সব ক্ষত্ৰিয়ক মুণ্ড মাৰলো—ৰা.বি.
		ক্ষত্ৰিয়ক ব্যৱহাৰ নোহে—ৰু.হ.
ক্ষিতিকহো	পৃথিবীৰ	ঘাতি ক্ষিতিকহো—ভ.

শব্দৰূপ—সপ্তমী বিভক্তি (একবচন আৰু বহুবচন)

সপ্তমী বিভক্তি যুক্ত শব্দৰূপবোৰৰ চিন হ'ল–আ, ই, উ, এ, এয়া, ক, কহো, কো, ত, তউ, তে, মহ, য়, য়া, য়ে, লো, সি, হি।

শব্দৰূপ	অৰ্থ	উদাহৰণ
অগনিত	অগ্নিত, জুইত	অগনিত প্ৰবেশি—ৰা.বি
অধৰে	ওঁঠত	মধুৰ অধৰে ধৰি—কা.দ.
		বংশী অধৰে ধৰি—ব.গী.
অঙ্গা	অঙ্গত	ভুজঙ্গম অঙ্গা—ব.গী.
অন্তকালে	শেষ সময়ত	অন্তকালে গতি—ব.গী.
অন্তৰে	অন্তৰত	অন্তৰে তেৰি—ব.গী.
অন্তেসপুৰে	ভিতৰত	তোহো অন্তেসপুৰে ৰহ—ৰু.হ.
অন্নদানে	অন্নদানত	অন্নদানে যেন পুণ্য—প.প্ৰ.
অপমানে	অপমানত	অপমানে মনমথে নধৰে—ব.গী.
অপৰাধে	দোষত	কোন অপৰাধে হামাক—ৰা.বি.
		ইহাক কোন অপৰাধে—অ.ভ.
		সে অপৰাধে—কে.গো.
		এহি অপৰাধে জোনো—কে.গো.
অভাগিনীত	দুৰ্ভগীয়াস্ত্ৰীত	পৰম অভাগিনীত—ৰা.বি.
অৰ্চ্চনে	অৰ্পণত	পিতৃক অৰ্চ্চনে—ভ.
আকাশে	আকাশত	আকাশে দেৱতাগণে—অ.ভ.
আগমনে	আগমনত	তোহাৰি আগমনে—ৰা.বি.
আঘাতে	আঘাতত, প্ৰহাৰত	কম্পিত মেদিনী চৰণ আঘাতে—কে.গো.
আঞ্চোৰে	আঁচলত	আঞ্চোৰে ধৰি—চো.ধ;ভূ.লো.

শব্দৰূপ	অৰ্থ	উদাহৰণ
আনন্দে	আনন্দত	আনন্দে ৰাজনন্দিনী—ৰা.বি.
		আনন্দে মন মগন—কে.গো.
		আনন্দে গোবিন্দে ৰাই—ব.গী.
আপদে	আপদত	আপদে মগন—কা.দ.
আশাভঙ্গে	আশাভঙ্গত	কৃষ্ণ দৰসন আশাভঙ্গে—প.প্ৰ.
আশীৰ্ব্বাদে	আশীৰ্ব্বাদত	হামাৰ আশীৰ্ব্বাদে—ৰা.বি.
আসনে	আসনত	যো ৰহে গৰুড় আসনে —কে.গো.
		আসনে বৈঠাই—ৰা.বি.
		বসিলা আসনে—ভো.বে.
উদয়ে	উদয়ত, আবিৰ্ভাৱত	সতিনীক উদয়ে—পা.হ.
উদৰে	পেটত, গৰ্ভত	দৈৱকী উদৰে—কা.দ.
		হামাক উদৰে জনমি—পি.গু.
		খালি উদৰে হৰি—ব.গী.
		উদৰে ললিত ৰেখা—ভ.
উপৰি }	ওপৰত, ওপৰতে	দেৱক উপৰি ৰাজা—কা.দ.
		ধৰমক উপৰি—পা.হ.
		বিঘিনিক উপৰি—ৰু.হ.
উপৰে }	ওপৰত	হামাৰ তন উপৰে—কে.গো.
		উপৰে উৰয় পাখি—ভো.বে.
		দৌলৰ উপৰে—ব.গী.
		যোহি উপৰে ৰহু—ভ.
উড়লে, উৰলে }	উৰালত	বান্ধয় উড়লে টানি—কে.গো.
উড়ুখলে, }	উৰালত	উড়ুখলে নিছয়ে—অ.ভ.
		উড়ুখলে যাৰে বান্ধি—ব.গী.
উৰুত	কৰঙনত	সে গোপীক উৰুত বৈসাই—কে.গো.
উৰে	বুকুত	উৰে বনমালা—পা.হ.
		উৰে বনমালা—ব.গী.
উৰৱে	ওপৰত	উড়ল উৰৱে চড়ি—অ.ভ.
		বস্ত্ৰ উৰৱে সিঞ্চে—কো.খে.
		উৰৱে ৰহ ৰবিকৰ—পা.হ.
		উৰৱে মেখলা—ব.গী.
ঐৰাৱতে	ঐৰাৱতত	ঐৰাৱতে চড়ি—পা.হ.
ওপৰে	ওপৰত	ৰথ ওপৰে তুলি—ৰু.হ.
কটিত }	কঁকালত	কটিত কঙ্কন কিঙ্কিনী—ব.গী.
কটিতট }	—	সোহে কটিত—প.প্ৰ.
		কটিত বস্ত্ৰ কাচি—ৰা.বি.
		কটিত মেদ্বাৰল—কা.দ.
		কটিতট কনক কাঞ্চি—পা.হ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
কণ্টকবনে	কাঁইটনিত	কৈচে কণ্টকবনে—কে.গো.
কণ্ঠে	ডিঙিত	কোকিল কণ্ঠে—পা.হ.
		কণ্ঠে কদম্বমালা—কে.গো., প.প্র., ব.গী.
		হৰিকহো কণ্ঠে—ৰা.ঝু.
		কণ্ঠে কৌস্তুভ—ভ.
কন্ধে	কান্ধত	কন্ধে কৰিয়ে—অ.ভ.
		কন্ধে কুঠাৰ ধৰি—ৰা.বি.
		কন্ধে দধি ওদন—ব.গী.
কপালে } কপোলে }	কপালত	অভাগি ৰুক্মিণীক কপালে—ৰু.হ.
		বাম কপোলে—কে.গো.
		লোলে কপোলে—ব.গী.
কণ্ঠমহ	ডিঙিত	কম্বুকণ্ঠমহ দোলে—পা.হ.
কৰমে	ভাগ্যত	হামাৰ কৰমে সে—ৰা.বি.
কৰে	হাতত	কৰে সাৰঙগ সঙেগ—পা.হ.
		ধৰিলা তেজিয়া বাৰি কৰে—অ.ভ.
		কৰে গুৰুতৰ গিৰি—ব.গী.
কৰ্ম্মে	কামত	গৃহ কৰ্ম্মে ব্যগ্র হুয়া—অ.ভ.
কলসে	কলহত	ওহি দধি কলসে—অ.ভ.
		লৱণু কলসে কেনে—পি.গু.
কলিকো	কলিযুগত	কয়লি কলিকো—ভ.
কলিকোকালে	কলিযুগত	কলিকোকালে—ব.গী;ভ.
কলিত }	কলিযুগত	লোকসব কলিত—কে.গো.
কলিযুগে }	—	অতস্পৰে পুণ্য কলিত—পা.হ.
		বিশেষত কলিযুগে—কে.গো.
		কলিযুগে কাল—পা.হ.
কাখে	কাষত	বামকাখে শিঙগা—ভো.বে., ব.গী
কাছে }	ওচৰত, সমীপত	হৰি ভকতৰ কাছে—ব.গী.
কাছেৰে }	—	সিন্ধ সব বাই কাছেৰে—কা.দ.
কাননে	হাবিত, বনত	গহন কাননে হামো—ভো.বে.
কান্ধে	কান্ধত	কান্ধে বগাৰলি মেৰা—ৰা.ঝু.
		কান্ধে লৈয়া শুঙঘয়—কে.গো.
		কান্ধে ডিৰি দান্ত—ভ.
কামবাণে	কামাস্ত্ৰ প্ৰহাৰত	কামবাণে মূৰ্চ্চিত—ৰু.হ.
কামসাগৰে	কাম সাগৰত	কামসাগৰে মগন—ৰা.বি., ৰু.হ.
কামে	কামাসক্ত ভাৱত	কেহো কামে ভুলি—ৰা.বি.
কুচকহো	স্তনত	কুচকহো কুঙকুম—কে.গো.
		কুচকহো ধৰি হৰি—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
কূপত	কুৱাঁত, গাতত	সংসাৰ কূপত পৰিয়া—ব.গী.
কৃত্যে	কামত	যশোদা নানা গৃহকৃত্যে—অ.ভ.
কৃষ্ণত	কৃষ্ণৰ ওচৰত	কৃষ্ণত হামাৰ থিক—ৰু.হ.
কৃষ্ণতে	কৃষ্ণৰ গাতে	স্ত্ৰীক কথা কৃষ্ণতে বিদিত—পা.হ.
কেশে	চুলিত	কংস কেশে ধৰি—ভ.
কোটৰে	গাতত	কোটৰে লুকাইল আখি—ব্ৰ.গী.
কোপে	খঙত, খঙতে	শচী কোপে পুৰন্দৰক—পা.হ.
		কোপে গোপাল—কে.গো.
		যশোৱা কোপে—অ.ভ.
কোড়ে } কোৰে }	কোলাত	ভোৰে কোড়ে কৰি—কে.গো.
কোলাত	কোলাত	কৃষ্ণক কোলাত লৈলা—ব.গী.
কোলে	কোলাত	বুকে বান্ধি কোলে ধৰব—কা.দ.
		গোপাল কোলে নিছা—ভৃ.লো.
		বুকে বান্ধি কোলে লৈল—ব.গী.
খংেগ	খঙত	ৰূপ নিৰেখি খংেগ—কা.দ.
খুধায়ে	ভোকত	খুধায়ে পৰম পীড়িত—প.প্ৰ.
		খুধায়ে পীড়িত হুয়াছি—ভৃ.লো.
গন্ধে	গোন্ধত	পদ্ম গন্ধে ভ্ৰমৰ—ভো.বে.
গৰ্ব্বে	গৰ্ব্বত	আৰা কৰ্ম্ম গৰ্ব্বে—প.প্ৰ.
গলায়ে	ডিঙিত	গলায়ে পাটুকা বান্ধি—ভ.
গলে	ডিঙিত	কৃষ্ণক গলে ধৰি—পা.হ.
		গলে কণ্ঠা বান্ধি—কা.দ.
		গলে কাপড় বান্ধি—ৰা.বি.
		হাতে গলে শিৰে—প.প্ৰ.
		গলে বস্ত্ৰ দিয়ে—কো.খে.
		গলে গজমতি—ব.গী.
গাই }	গাত, শৰীৰত	ধূলা দিলা গাই—ব.গী.
গায় }	—	গোধূৰী ধূসৰ গায়—ব.গী.
গাৱ }	—	অগনি জালিয়া মেৰি গাৱ—কা.দ.
গাৱে }	—	গন্ধ চন্দন গাৱে চড়াৱে—কে.গো.
		গাৱে লাগে মাটি—ভৃ.লো.
		গাৱে কি বল নাহি—অ.ভ.
		গাৱে ৰহে খাড়ি—পি.গু.
		হামাৰ গাৱে ধূলা দিলা—ব.গী.
গাৱতে	গাতে, শৰীৰতে	তেজবল মাংস গাৱতে লুকাইল—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
গৃহত } গৃহে	ঘৰত	দেহমাত্ৰ গৃহত—প.প্ৰ.
		দশৰথ গৃহে অৱতৰল—ৰা.বি.
		নন্দক গৃহে বেকত হুয়া—চো.ধ.
		ইহাৰি গৃহে ভকতিক বশ্য—অ.ভ.
গোকুলত	গোকুলত	তদনন্তৰ গোকুলত নানা—কা.দ.
গোকুলমহ	গোকুলত	নগৰ গোকুলমহ—ভূ.হ.
		গোকুলমহ মিলত—ব.গী.
গোচৰে	ওচৰত, সমুখত	কহয় মাধৱ আখিৰ গোচৰে—ভো.বে.
গোড়ে	ভৰিত, চৰণত	তোহাৰি গোড়ে লাগো—অ.ভ.; ৰা.বি.
		কৃষ্ণক গোড়ে লাগি—পা.হ.
ঘটে	হৃদয়ত	সবঘটে বৈঠহ—ব.গী.
ঘৰে	ঘৰত	গোৰস মেৰি ঘৰে—কা.দ.
		মোৰ ঘৰে কেনা—পি.গু.
		খায়া খালি ঘৰে—ভূ.লো.
ঘাটে	ঘাটত	নাৱপচে ঘাটে—ব.গী.
ঘাৱে	প্ৰহাৰত	এপদ ঘাৱে—ৰা.বি.
	খোজত	গিৰি গড়গড় পদ ঘাৱে—ব.গী.
চৰণহি } চৰণা } চৰণে	ভৰিত	ৰাম চৰণহি লাগো—ব.গী.
		কৰু নিতে চৰণহি সেৱা—ভ.
		ধৰত্তু হৰি চৰণা—ব.গী.
		তোহাৰি চৰণে লাগো—ৰা.ঝু.
		স্বামীক চৰণে—ৰু.হ.
		ৰাম চৰণে মতি—ৰা.বি.
		চৰণে কৰোহো—ব.গী.
		চৰণে মাগো—ভ.
চিতে	মনত	জনমক কথা চিতে পৰল—ৰা.বি.
		চৰণ চিতে পৰশয়—কে.গো.
চোটে	প্ৰহাৰত, খুন্দাত	প্ৰহাৰক চোটে—ৰা.বি.
ছাগলিত	ছাগলীত	বৃন্দাধাৰিক ছাগলিত—কে.গো.
জনমে	জন্মত	হামো পুৰুব জনমে—ৰা.বি.
জলমহ	পানীত	কালিন্দি জলমহ—কা.দ.
জলে	পানীত	বৰাষিণ বৃষ্টি জলে—কে.গো.
ঝমকে	ভমকত	শোক ঝমকে মূৰ্চ্ছিত হুয়া—কা.দ.
ঠোটত	ঠোটত, চৰাইৰ মুখত	ঠোটত ধৰিয়া তাক—ব.গী.
ডৰে	ভয়ত	কান্দিয়া বহিলা যেন ডৰে—অ.ভ.
তটে	পাৰত	যমুনা তটে ধেনু—ভো.বে.
তলপমহ	খাটত, শয্যাত	ৰতন তলপমহ—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
তলে	তলুৱাত	বাম পানী তলে—ভো.বে. হামাৰ পদ তলে—কে.গো.
তলে	তলত	ৰহিয়া কদম্বতৰু তলে—ব.গী.
তাপে	তাপত, ভয়ত	তাপে পলাৱত্ব প্ৰাণে—ৰা.বি. ভব ভয় তাপে তাপিত—ব.গী.
তালুত	তালুত	তালুত লাগিল হৰি—ব.গী.
তীৰে	পাৰত, দাঁতিত	কালিন্দি তীৰে—কা.দ.; ব.গী.
তৃষায়ে	পিয়াহত	খুধায়ে তৃষায়ে—কা.দ.
থানে	স্থানত, ঠাইত	কোন থানে থিক—ৰু.হ. গোৱাৰী সবক থানে—চো.ধ. মৰম থানে—কা.দ.
দণ্ডে	শাস্তি বিধানত	ইটো দণ্ডে স্বামী—কা.দ.
দসনু দসনে	দাঁতত	ধৰত তৃণ দসনু—কে.গো. দসনে খেড় কামুৰি—ৰা.বি.
দানে	দান পুণ্যত	দানে কৰ্ণ সমান—ভ.
দ্বাৰি	দুৱাৰত	দ্বাৰি দ্বাৰপালক—ৰু.হ.
দ্বাৰে		হামাৰ দ্বাৰে ৰহয় থিক—ৰু.হ. দ্বাৰে মত্ত মাতঙ্গ—ভ.
দুখানলে	দুখৰূপ জুইত	ওহি দুখানলে—কা.দ.
দুৱাৰে	দুৱাৰত	ব্ৰহ্মাহৰ যাহাৰ দুৱাৰে—ব.গী.
দোষে	দোষত, অপৰাধত	পৰৰ দোষে কেনে—ব.গী.
ধামে	ঘৰত	গোৱালিক ধামে—ভৃ.লো.
ধ্যানে ধিয়ানে	ধ্যানত	ব্ৰহ্মাৰ্কদ্ৰাদি ধ্যানে ধৰয়—কে.গো. ধিয়ানে ৰহলো—ব.গী. জানিলা ধিয়ানে—ভো.বে.
নাদে	ধ্বনিত, শব্দত	নাদে পলাৱত—ব.গী.
নাসাত	নাকত	নাসাত নিশ্বাস—ৰু.হ. নাসাত প্ৰাণবায়ু—পা.হ. নাসাত বায়ু—কা.দ.
নিকুঞ্জে	নিকুঞ্জ বনত	কালিন্দি পুলিন নিকুঞ্জে—ব.গী.
নিসানে	ধ্বনিত, শব্দত	বংশীৰ নিসানে—ভো.বে.; ব.গী.
পঙ্কজে	পদ্মত	বয়ন পঙ্কজ নিবেশিত—ব.গী. হৃদি পঙ্কজে ধৰু ভাই—ৰা.বি.
পঙ্কতে	বোকাতে	ৰহিল পঙ্কতে পশি—ব.গী.
পথহি পথে	পথত, বাটত	লক্ষ্মণ ৰাম পথহি—ৰা.বি. পথে মহাদানি—কো.খে.
পদ কমলে	পাদপদ্মত	তুৱাপদ কমলে সেৱক—অ.ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
পদ পঙ্কজে		পদপঙ্কজে মঞ্জীৰ—ব.গী.
পয়ৰহি }	পদত, ভৰিত	পয়ৰহি লাগো—ব.গী.
পয়ৰে }		তোহাৰি পয়ৰে লাগো—ৰা.বি.; অ.ভ.
পৰসাদে	প্ৰসাদত, অনুগ্ৰহত	নাৰদক পৰসাদে—অ.ভ.
পৰলোকে	পৰলোকত	ইহ পৰলোকে মেৰি—ব.গী.
পৰসে	স্পৰ্শত	হৰিকো পৰসে ৰস—ৰা.ঝু.
প্ৰতাপে	প্ৰতাপত, প্ৰভাৱত	দুৰন্ত বিষবীৰ্য্য প্ৰতাপে—কা.দ.
প্ৰসাদে	প্ৰসাদত, অনুগ্ৰহত	কৃষ্ণক প্ৰসাদে—কা.দ.
		নাৰদক প্ৰসাদে—অ.ভ.
প্ৰহাৰে	প্ৰহাৰত, আঘাতত	কৃষ্ণক বাণ প্ৰহাৰে—পা.হ.
		হামাৰ বাণ প্ৰহাৰে—ৰা.বি.
পাটে	সিংহাসনত	কামৰূপ পাটে—পা.হ.
পায়নালো	ভৰিত	ৰতন মঞ্জিৰ ঝুৰে পায়নালো—ব.গী.
পাড়াতে	গাঁৱত, ঠাইত	গোৱালি পাড়াতে নাচা—ব.গী.
পায়ে	ভৰিত	পায়ে পৰি—ৰা.বি.
		পায়ে ধৰি কহো—প.প্ৰ.
		তোহাৰি পায়ে লাগো—ভৃ.লো.
		পায়ে পৰনাম—পা.হ.
		তুৱা পায়ে অতয়ে—কা.দ.
		পায়ে পৰি হৰি—ব.গী.
পাশা	ওচৰত	পাশশ লাসস শেবত—পা.হ.
পাশে	জালত	ফান্দিলো মায়াৰ পাশে—ব.গী.
পিয়াসে	পিয়াহত	পৰম পিয়াসে—কা.দ.
পুণ্যে	পুণ্যৰ ফলত	পায়লো বহু পুণ্যে—ৰু.হ.
		কতনু পুণ্যে—ৰা.বি.
পুলিনে	পাৰত, তীৰত	যমুনা পুলিনে বনে—ব.গী.
পৃষ্ঠে	পিঠিত	তাসু পৃষ্ঠে বৈঠে—ভ.
প্ৰেমে	প্ৰেমত	প্ৰেমে পুলক কাই—প.প্ৰ.
		প্ৰেমে ঝুৰয় নিৰ—ব.গী.
ফান্দে	ফান্দত	হৰিৰ মায়াৰ ফান্দে—ব.গী.
বচনে	বাক্যত	উনিকৰ বচনে—পা.হ.
বজ্ৰপাতে	বজ্ৰপ্ৰহাৰত	বজ্ৰপাতে সবংশে—পা.হ.
		বজ্ৰপাতে যৈচে লোক—ৰা.বি.
বতাসে	বতাহত	হালয় বতাসে—ব.গী.
বদনে	মুখত	বদনে চুম্বন দিয়ে—অ.ভ.
বনমহ }	বনত	অশোক বনমহ—প.প্ৰ.
বনহি }		কালিন্দি পুলিন বনহি—ব.গী.
বনে }		দুৰ্গম শঙ্কট ঘোৰ বনে—পি.পু.

শব্দৰূপ	অৰ্থ	উদাহৰণ
বন্ধনে }	বন্ধনত	সৰ্পক বন্ধনে পৰি ৰহল—কা.দ.
বন্ধে }		সৰ্পক বন্ধে—কা.দ.
বয়নে	মুখত	বয়নে হাত চড়াই—ৰা.বি.; কে.গো.
		অধৰ বয়নে ৰুচি হাস—অ.ভ.
		যাকেৰি বয়নে— ব.গী., ভ.
ৰৰদানে }	আশীৰ্ব্বাদত	নাৰদক ৰৰদানে—অ.ভ.
বৰে }		দেৱক বৰে—অ.ভ.
বৰেসে	আশীৰ্ব্বাদতহে	গোসাঞিক বৰেসে—অ.ভ.
বাক্যে	বাক্যত	দেৱতাসবক বাক্যে—প.প্ৰ.
বাটে	বাটত	ভেণ্টল বাটে—কো.খে.
বাড়িত	ঘৰত	তাহেৰ বাড়িত পাই—পা.হ.
বাহনে	বাহনত	সোহৰি গোপিনী বাহনে—কে.গো.
বাহিৰে	বাহিৰত	জগতক বাহিৰে ভিতৰে—কে.গো.
		বাহিৰে ভিতৰে যাকেৰি—অ.ভ.
		বাহিৰে ৰহু—ব.গী.
বিচে	লগত	দ্বন্দ্বযুদ্ধ মল্ল বিচে বনাই—ভ.
বিজুবনে	কাঁইটনিত, দাঠহাবিত	ফুৰা কেনে বিজুবনে—ব.গী.
বিদূৰে	আঁতৰত	দ্বাৰক বিদূৰে—পা.হ.
বিবৰমহ	গাতত	ৰোম বিবৰমহ—ব.গী.
বিয়োগে	বিয়োগত	বন্ধু বিয়োগে—প.প্ৰ.
		তোহাৰি বিয়োগে—কা.দ.
		যাহে বিয়োগে আগি—ব.গী.
বিৰহানলে	বিৰহ জুইত	হৰি বিৰহানলে—ৰু.হ.
বিৰহে	বিৰহত	চিৰ বিৰহে দহে—ৰা.বি.
		বিৰহে হৃদয়—কা.দ.
		বিৰহে দহনু—ৰু.হ.
		বিৰহে আকুল—ব.গী.
বিৰিন্দাবনে	বৃন্দাবনত	বিৰিন্দাবনে খেলত—ব.গী.
বিষাণে	{ শিঙগা ধ্বনিত শিঙা বাদ্যত	বেণু বিষাণে—ব.গী.
বিষে	বিষত	বিষে জড়াজড়—ব.গী.
বুকে	বুকুত	বুকে বান্ধি কোলে লৈল—ব.গী.
		ধূলা ঝাৰি বুকে বান্ধি—কা.দ.
বৃন্দাবনে	বৃন্দাবনত	গোবিন্দে বাই বৃন্দাবনে বেণু—ব.গী.
		বৃন্দাবনে প্ৰবেশি—কা.দ.
বেৰাটিত	হাতৰ কিলা কুটিৰ ভিতৰত	বংশী বেৰাটিত থৈয়া—ভো.বে.

শব্দৰূপ	অৰ্থ	উদাহৰণ
বেৰাটিমহ	বেৰাটিতে	বেত বেৰাটিত মহ—ভো.বে.
বৈকুণ্ঠে	বৈকুণ্ঠত	বৈকুণ্ঠে পাইলেক বাস—ব.গী.
বোকে	কোলাত, বোকোচাত	হামাৰ বোকে—কে.গো.
বোলে	বাক্যত, কথাত	যশোৱাক্ বোলে—অ.ভ.
		ৰূপেৰ লাৱণ্য বোলে—ব.গী.
ভকতিক	ভক্তিত	ভকতিক বশ্য হুয়া—অ.ভ.
ভয়ে	ভয়ত	ভয়ে দণ্ড যুগ জাই—ক.হ.
		ভয়ে কম্পয়ে লাগল—কে.গো.
		মাৱক ভয়ে—কা.দ.
		ভয়ে জননীক—ভূ.লো.
ভৰে	ভৰত, হেচাত	ৰোষ দুখ ভৰে—ভূ.লো.
ভাগা	ভাগ্যত, ভাগ্যৰ বলত	ভাৰতে কতি ভাগা—ব.গী.
ভাগে	অংশত, ভাগতে	মধ্যভাগে ধনুভাগি—ৰা.বি.
ভাৰত বৰিষে	'ভাৰত বৰ্ষত'	ওহি ভাৰত বৰিষে—কে.গো.
		ভাৰত বৰিষে মানবী—ব.গী.
ভাৰতে }	ভাৰতত	ভাৰতে নৰতনু—কে.গো.
ভাৰস্তে }		ভাৰতে কতি ভাগা—ব.গী.
		বেসায়ো ভাৰস্তে হাট—ব.গী.
ভিতৰে	ভিতৰত	বাহিৰে ভিতৰে থিক—কে.গো.
ভুখহি	ভোকত	ভুখহি বড় দুখ পাৱতৰি—ব.গী.
ভুজবলে	বাহু বলত	আপোন ভুজবলে—ভ.
ভুজমহ	হাতত	ভুজমহ মোতিম হাৰু—ব.গী.
ভোগে	ভোগ বিলাসত	ভোগে পৰিহৰি—ব.গী.
মথনে	মন্থনত	খীৰ সাগৰ মথনে—কে.গো.
মথুৰাপুৰে	মথুৰা নগৰত	আজু মথুৰাপুৰে—ব.গী.
মধ্যে	মাজত	ব্ৰাহ্মণীক গৃহ মধ্যে—প.প্ৰ.
		সভাক মধ্যে—ৰা.বি.
		গোপী সব মধ্যে—কে.গো.
		ভাণ্ডেৰ মধ্যে—কো.খে.
		কলি যুগ মধ্যে—পা.হ.
মনে	মনত, মনতে	মনে বিমৰিস কয়—ৰা.বি.
		মনে শৰণ লেলহ—কা.দ.
		অৰুণ চৰণ মনে—প.প্ৰ.
		মনে বোলয়ে লাগল—অ.ভ.
		সদায় চিন্ত মনে—ব.গী.
মহাপাকে	চাকনৈয়াত	শোক মোহ ভয়ে মহাপাকে—ব.গী.
মঞ্চে	মঞ্চত, ওখ চাঙত	মঞ্চে সঞ্চাৰি—ভ.

শব্দৰূপ	অৰ্থ	উদাহৰণ
মন্দিৰে	মন্দিৰত, ঘৰত	মণিময় মন্দিৰে—ৰা.বি.
		নিজ মন্দিৰে ৰহল—পা.হ.
		হামাৰ মন্দিৰে—চো.ধ.
		হামাৰি মন্দিৰে—পি.গু.
		নন্দক মন্দিৰে—অ.ভ.
মল্লত } যুদ্ধত }	মাল যুদ্ধত	মল্লত যুদ্ধত—ভ.
মাঝে	মাজত	উগত তচু মাঝে—পা.হ.
		কৰ পঙ্কজ লেল মাঝে—কে.গো.
		চৰণক মাঝে—অ.ভ.
		তাসু মাঝে—ভো.বে.
মাঝে	সমাজত	গুণকহে পছিম মাঝে—ভ.
মাটিত	মাটিত	মাটিত পাৱ—ৰু.হ.
		কোল হন্তে মাটিত—অ.ভ.
মাথায়ে } মাথে }	মূৰত, শিৰত	মাথায়ে চান্দনি জড়ি—ব.গী.
		কালিক মাথে চড়ি—কা.দ.
		মাথে খণ্ড—প.প্র.
		তাহেক মাথে—ৰা.বি.
		যৈচে মাথে কলস—ৰু.হ.
		চৰণ ৰেণু মাথে—কে.গো.
মানে	সম্মানত	মানে দুৰ্যোধন—ভ.
মায়ায়ে	মায়াত	মায়ায়ে মোহিত অন্ধ—পা.হ.
মুখহি } মুখে }	মুখত	মুখহি সাখী তোৰ—চো.ধ.
		মুখে ৰুচয়ে নাহি—প.প্র.
		মুখে বাক্য হৰল—কা.দ.; কে.গো
		তোহাৰি মুখে—ভূ.হ.
		মুখে নাসে মাত—ব.গী.
মুঠিতে	মুঠিতে, মুঠিত	সুন্দৰ কটি মুঠিতে লুকাই—অ.ভ.
মুহে	মুখত	যো মুহে ৰাম নাম—পা.হ.
		অলক তিলক মুহে—ব.গী.
		সোহি মুহে নাম—ভ.
মূলে	মূলত, গুড়িত	কেলি কদম্বক মূলে—কে.গো.
		ৰহিয়া কদম্ব মূলে—ব.গী.
মেলা	মেলত, সমাজত	গোপিনী মেলা—চো.ধ.
		গোপ ৰমণী মেলা—কে.গো.
মেলে	সমাজত	যৈচন নক্ষত্ৰ মেলে—ৰু.হ.
		তুৱা ভকতৰ মেলে—ব.গী.

শব্দৰূপ	অৰ্থ	উদাহৰণ
মোলে	মূল্যত	বিকাইলো কাচের মোলে—ব.গী.
		বিষয় কাচক মোলে—ভ.
মোহে	মোহত, মোহতে	বৃথা মোহে ভুলাই—ব.গী.
যশে	যশস্যাত	আপন গুণ যশে—ভ.
যুদ্ধে	যুদ্ধত	যুদ্ধে বধিয়ে দশকন্ধ—ৰা.বি.
যোগে	যোগশাস্ত্ৰত	যোগে বিচাৰি—ৰা.ব্ৰু.
ৰন্ধ্ৰমহ	ৰন্ধ্ৰত, সুৰুঙাত	ৰোম ৰন্ধ্ৰমহ যাৰা—ব.গী.
ৰাগে	খঙত	অতয়ে ৰাগে—অ.ভ.
		ভাঙিগলো দেখি ৰাগে—পি.গু.
		বড়ৰাগে মাৰিবে—ব.গী.
ৰাজবাটমহ	ৰাজবাটত	ৰাজবাটমহ সাহস—ভূ.হ.
ৰাজবাটে	ৰাজবাটত	জিনল ৰাজবাটে—চো.ধ.
ৰাজমাৰগমহ	ৰাজবাটত	ৰাজমাৰগমহ খেলাইতে—চো.ধ.
ৰামনামমহ	ৰামনামত	ৰামনামমহ নিখিল—ব.গী.
ৰোমৰন্ধ্ৰে	নোমৰ গুড়িত	ৰোমৰন্ধ্ৰে থিক—অ.ভ.
ৰোলে	শব্দত, ধ্বনিত	শিঙ্গা শঙ্খ বেণু ৰোলে—ব.গী.
লাজে	লাজত, লাজতে	ৰহল লাজে গোপী—কে.গো.
		লাজে মনমথে—ব.গী.
লাঠিত	লাখুটিত	লাঠিত ভৰ দিয়ে—প.প্ৰ.
লোভে	লোভত	তদনন্তৰ তৃণলোভে—ডো.বে.
		লোভে মলমতি—ব.গী.
লোভেয়া	লোভত	ভ্ৰমৰ কুলবধু লোভেয়া—ব.গী.
লোহে	লোভত	মধুকৰ লোহে—পা.হ.
		কেলি কৰত মধু লোহে—ভ.
শৰীৰে	শৰীৰত, গাত	নাহিকে শৰীৰে—ভূ.হ.
		শ্যাম শৰীৰে শোভে—ব.গী.
শাপে	শাপত, শাওত	দোহো দেৱতা নাৰদক শাপে—অ.ভ.
শিখৰে	শিখৰত,	মেৰুৰ শিখৰে—ব.গী.
শিৰত	মূৰত	জানকী শিৰত চৰাই—ব.গী.
		শিৰত কানুৰ কুসুম—কে.গো.
শিৰে	শিৰত, মূৰত	আজ্ঞা শিৰে ধৰি—প.প্ৰ.
		শিৰে শিখিপুচ্ছ বৰিষে—কা.দ.
		চৰণ শিৰে ধৰি—কে.গো.
		পুচ্ছ শোহে শিৰে—ব.গী.
সতকাৰে	অভ্যাৰ্থনাত	তোহাৰি সতকাৰে—ৰা.বি.
সময়ে	সময়ত	সে সময়ে হামাক—ক.হ.
		আনন্দ সময়ে তোহো—ৰা.বি.

শব্দৰূপ	অৰ্থ	উদাহৰণ
সমজ্যাত } সমাজে	সমাজত	লাজ হুই সমজ্যাত পৰি—ৰা.বি. লাগল শঙ্কা সমাজে—ভ.
মাগিতে	খোজোঁতে	মিনতি বুলি মাগিতে—ভূ.হ.
যাইতে জাইতে	যাওঁতে, গৈ থাঁকোতে	পথে যাইতে ডাকিয়ে—কো.খে. তদনন্তৰ পানীক যাইতে—ভূ.হ. আশ্ৰম যাইতে—ৰা.বি. স্ত্ৰী লৈয়া যাইতে—পা.হ. কৃষ্ণ চৰণ তেজি যাইতে—প.প্ৰ. এপথে দেখিলা যাইতে—ভো.বে. পানীৰে যাইতে—ব.গী.

শত্ৰূপ	অৰ্থ	উদাহৰণ
যাহিতে জাহিতে	যাওঁতে, গৈ থাকোঁতে	যাহিতে হৰিখে হৰিগুণ—কা.দ.
যান্তে জান্তে	যাওঁতে	বাৱ হুয়া যান্তে—কো.খে
লৈতে	লওঁতে	হৰিগুণ নাম লৈতে—ৰু.হ.
শয়নে	শোওঁতে	নিসি শয়নে গোৱাই—ব.গী.
শুধিতে	সোঁধোতে	যশোদা শুধিতে হৰি—ভূ.হ.
শুনিতে	শুনোতে	তাহে শুনিতে ভনিতে পাৱত—ৰু.হ. শুনিতে শত নিতৰে—ব.গী.
সুমৰিতে	স্মৰণ কৰোঁতে	ইহা সুমৰিতে—কে.গো. সুমৰিতে তনু জ্বলে—ব.গী.
হৈতে হইতে	হওঁতে	তাহেক হানি হৈতে—অ.ভ.
হান্ঠিতে	খোজ কাঢ়োঁতে	হান্ঠিতে কুণ্ডল ডোলি—কে.গো. হান্ঠিতে নচলে পাৱ—ব.গী.
হেৰইতে	চাওঁতে	হেৰইতে ভুবন ভুলাই—ব.গী.
হেৰত	চাওঁতে	কহ শংকৰ কেলি হৰিকো হেৰত—কে.গো.
হেৰিতে	চাওঁতে	হেৰিতে হাসি ভুবন—ৰু.হ., প.প্ৰ.

শত্ৰুবোধক ক্ৰিয়া (সংযুক্ত)

শৰ্ত্ৰূপ	অৰ্থ	উদাহৰণ
অংগ ভঙিগয়া	অংগীভংগী কৰোঁতে	উজ্বলিত ৰতন ভূষণ অংগ ভঙিগয়া—ব.গী.
কান্দিতে কান্দিতে	কান্দোতে কান্দোতে	কান্দিতে কান্দিতে পুত্ৰ—ভূ.লো.
খোজগুড়ি যাইতে	খোজচাই যাওঁতে	খোজগুড়ি যাইতে—কা.দ. ঐছন খোজগুড়ি যাইতে—কে.গো.
হাসিতে মাতিতে	হাঁহি মাতি থাকোঁতে	হাসিতে মাতিতে দিবস অৱসানে—কা.দ.

(১৯-১) পাচনী ক্ৰিয়া

নিত্য বৰ্ত্তমানকাল—তৃতীয় পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ নিত্য বৰ্ত্তমান কালৰ তৃতীয় পুৰুষত 'আই' আৰু 'আৱে' প্ৰত্যয়হে আছে। ইয়াত প্ৰথম পুৰুষ আৰু দ্বিতীয় পুৰুষ নাই।

ধাতুৰূপ	অৰ্থ	উদাহৰণ
কৰাৱে	কৰোৱাই, কৰাই দিয়ে	হামাক যৈচে বশ্য কৰাৱে—প.প্ৰ.
পেখাই	দেখুৱাই, দেখুৱাই দিয়ে	উন্নত ৰূপ পেখাই—ভ.

পাচনী ক্ৰিয়া

স্বৰূপ বৰ্ত্তমানকাল—তৃতীয় পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ স্বৰূপ বৰ্ত্তমান কালৰ তৃতীয় পুৰুষত ‘আৱত’ প্ৰত্যয় এটিহে পোৱা হৈছে। ইয়াত প্ৰথম আৰু দ্বিতীয় পুৰুষ নাই।

ধাতুৰূপ	অৰ্থ	উদাহৰণ
কৰাৱত	কৰাইছে, কৰোৱাইছে	আনন্দে তন পান কৰাৱত—অ.ভ.

পাচনী ক্ৰিয়া

স্বৰূপভূত কাল—প্ৰথম পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ স্বৰূপভূত কালৰ প্ৰথম পুৰুষত ‘আৱলো’ প্ৰত্যয় এটিহে পোৱা হৈছে। যেনে—

ধাতুৰূপ	অৰ্থ	উদাহৰণ
অনাৱলো	অনালো, অনোৱালো	হামো পাপিনী কৈচে অনাৱলো—ৰু.হ.
দেখাৱলো	দেখুৱালো, দেখুৱাই দিয়ালো	অতয়ে মহিমা দেখাৱলো—অ.ভ.

পাচনী ক্ৰিয়া

স্বৰূপভূত কাল—দ্বিতীয় পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ স্বৰূপভূত কালৰ দ্বিতীয় পুৰুষত ‘আৱল’ প্ৰত্যয় এটিহে পোৱা হৈছে।

ধাতুৰূপ	অৰ্থ	উদাহৰণ
পৰাৱল	পৰোৱালি, পৰোৱালা	সত্যভামাক বহুত গালি পৰাৱল মাত্ৰ —পা.হ.

পাচনী ক্ৰিয়া

স্বৰূপভূত কাল—তৃতীয় পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ স্বৰূপভূত কালৰ তৃতীয় পুৰুষত হোৱা প্ৰত্যয় বোৰ যথাক্ৰমে—অত, আল, আৱত, আৱল, ইত্যাদি

ধাতুৰূপ	অৰ্থ	উদাহৰণ
অনাৱল	অনালে, অনোৱালে	ৰাজা সবক অনাৱল—ৰু.হ. অতি সত্বৰে অনাৱল—ৰা.বি.
উঠাৱল	উঠালে, তোলালে	ৰোষ উঠাৱল কংসকহি ভাই—ভ.
উপজাল	ওপজালে, জন্ম দিয়ালে	পিতা উপজাল মাত্ৰ—ৰু.হ.
কৰাৱত	কৰালে, কৰোৱালে	কৰাৱত কৃষ্ণ নাট নিৰমান—ৰু.হ. কৰাৱত নাট ওহি বহু ছন্দে—পা.হ.
কৰাৱল	কৰালে, কৰোৱালে	অন্ন ভোজন কৰাৱল—প.প্ৰ. প্ৰবেশ কৰাৱল—ৰা.বি. জলপান কৰৱাল—ডো.বে.

দেখাৱল	দেখুৱালে, দেখুৱাই দিয়ালে	দুখ দেখাৱল—কে.গো.. প্ৰত্যক্ষে দেখাৱল—পঁ.প্ৰ. শ্ৰীকৃষ্ণক দেখাৱল—চো.ধ.
বৈঠাৱল	বহুৱালে	আলিঙ্গি তুলি বৈঠাৱল—পা.হ.
ভুলত	ভুলালে, মোহনিয়ালে	ভুলত চিতি—ভ.
ভুলল	ভুলালে, মোহনিয়ালে	এ ৰূপে ভুলল মন—ব.গী.
ভুঞ্জাৱল	খুৱালে	পঞ্চামৃত ভুঞ্জাৱল—ক.হ. কৰ্পূৰ তাম্বুল ভুঞ্জাৱল—পা.হ.

পাচনী ক্ৰিয়া

ভৱিষ্যত কাল—প্ৰথম পুৰুষ (অসংযুক্ত)

এইবিধ ক্ৰিয়াৰ ভবিষ্যত কালৰ প্ৰথম পুৰুষত 'আৱব' আৰু 'আৱহো' প্ৰত্যয় দুটি পোৱা হৈছে। যেনে—

ধাতুৰূপ	অৰ্থ	উদাহৰণ
কৰাবহো	কৰাম, কৰোৱাম	কৰাবহো স্নান সুশীতল—ব.গী.
কৰাৱব	কৰাম, কৰোৱাম	বিবাহ কৰাৱব—ক.হ.

পাচনী ক্ৰিয়া

স্বৰূপ বৰ্ত্তমান কাল—দ্বিতীয় পুৰুষ (সংযুক্ত)

ধাতুৰূপ	অৰ্থ	উদাহৰণ
মৰাৱাথিক	মৰাইছা, মৰোৱাইছা	মদনক হাতে মৰাৱাথিক—কে.গো.

পাচনী ক্ৰিয়া

স্বৰূপ বৰ্ত্তমান কাল—তৃতীয় পুৰুষ (সংযুক্ত)

ধাতুৰূপ	অৰ্থ	উদাহৰণ
কৰাৱয় থিক	কৰাইছে, কৰোৱাইছে	গোকুল বাসীক আনন্দ কৰাৱয় থিক —চো.ধ.

পাচনী ক্ৰিয়া

স্বৰূপভূত কাল—তৃতীয় পুৰুষ (সংযুক্ত)

ধাতুৰূপ	অৰ্থ	উদাহৰণ
পৰিধান কৰাৱে	পিন্ধালে, পিন্ধাই দিয়ালে	কাহ্নু পীত বস্ত্ৰ পৰিধান কৰাৱে —কে.গো.
ভোজন কৰাৱল	খুৱালে, খুৱাই দিয়ালে	ষড়ৰস ভোজন কৰাৱল—প.প্ৰ.

(১৯-ড) তুমৰ্থবোধক ক্ৰিয়া (অসংযুক্ত)

তুমৰ্থবোধক ক্ৰিয়া দুবিধ, সংযুক্ত আৰু অসংযুক্ত। ইয়াত হোৱা প্ৰত্যয় বোৰ হল অই, অনা, অয়ে, অবহো, আইতে, আইবাক, আনে, আৰ, আৱতুৰে, আৱনুকু, ই, ইত, ইতে, ইবাক, ইবাৰ, ইবাৰে, ইবে, এ, ঐতে, ক, য়ে, ৰ, বে ইত্যাদি।

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
আনএ, আনয়ে	আনিবলৈ	কৃষ্ণক আনয়ে নাহি পাৰি—ক.হ.
আনিতে	আনিবলৈ	কৃষ্ণক আনিতে পাৰহ—ক.হ.
আৰতি	পূজা কৰিবলৈ	তেৰি আৰতি নপাই—ব.গী.
উপদেসে	উপদেশ দিবলৈ	পৰ উপদেসে পণ্ডিত—প.প্ৰ.
উপমাৰ	উপমা দিবলৈ	ৰূপেৰ উপমাৰ কেৱাক্ষেম—ব.গী.
এড়াইতে	এৰাবলৈ	তোহোসব কি এড়াইতে চায় ?—চো.ধ.
		এড়াইতে নপাৰি মাঞি—ভূ.লো.
		এড়াইতে পাৰয়ে নাহি—পা.হ.
কদৰ্থিতে	কদৰ্থনা শুনিবলৈ, গালি শুনিবলৈ	হামাক কদৰ্থিতে আনল—পা.হ.
কৰণা	যাতনা ভুগিবলৈ	চলিতে লাগে যমেৰ কৰণা—ব.গী.
কৰাইতে	কৰাবলৈ	যজ্ঞে সন্তোষ কৰাইতে—অ.ভ.
		তুষ্ট কৰাইতে নাহি পাৰত—ভূ.লো.
কৰিতে	কৰিবলৈ	হামাক বিবাহ কৰিতে—ক.হ.
		লৱনু অধিক কৰিতে—অ.ভ.
		সিমতে ভকতি কৰিতে—প.প্ৰ.
		ৰাস ক্ৰীড়া কৰিতে—কে.গো.
		কি কৰিতে চায় ?—কা.দ.
কৰিবাৰে	কৰিবলৈ	চুৰি কৰিবাৰে যায়—পি.গু.
কহিতে	ক'বলৈ	কহিতে বড় দুখ লাগে—পা.হ.
		সে কথা কহিতে—পি.গু.
		ঝুন্টা কহিতে নুজুৱাই—ভূ.হ.
কহিবাৰ	ক'বলৈ	তোহো কহিবাৰ পাত্ৰ—ক.হ.
কাটিতে	কাটিবলৈ	হিয়ে লাঠি মাৰি কাটিতে—ক.হ.
কৃপাএ, কৃপায়ে	কৃপা কৰিবলৈ	কিন্তু ভকতক কৃপায়ে—অ.ভ.
ক্ৰীড়াক	খেলা কৰিবলৈ	ক্ৰীড়াক প্ৰবেশল—কে.গো.
খাইতে	খাবলৈ	আপুন পুত্ৰক খাইতে চায়ল—অ.ভ.
		যত খাইতে পাৰ—চো.ধ., ভূ.লো.
খাইবাক	খাবলৈ	খাইবাক নপাই—পি.গু.
খাইবাৰ	খাবলৈ	খাইবাৰ দিলা আনি—ব.গী.
খাইবে	খাবলৈ	যত পাৰা খাইবে দিবো—ভূ.লো.

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
খেলানে	খেলিবলৈ	তন পান কৰিয়ে খেলানে চলব—অ.ভ. কানাই খেলানে জাই—ব.গী.
খেলাৱতুৰে	খেলিবলৈ	খেড়ি খেলাৱতুৰে—ডো.বে.
গৰসিতে	গিলিবলৈ	যৈচে চান্দ গৰসিতে ৰাহু—কে.গো.
গৰাসিত	গিলিবলৈ	যৈচে ৰাহু গৰাসিত সুৰ—ভ.
গিলিতে	গিলিবলৈ	চান্দ গিলিতে যচ আৱল—ৰা.বি.
গিলিবাক	গিলিবলৈ	পুনু আসে গিলিবাক—ব.গী.
গোপয়ে	গোপন কৰিবলৈ	গোপয়ে নাহি পাৰি—ভৃ.হ.
চৰাৱনুকু	চৰাবলৈ	ধেনু চৰাৱনুকু—ডো.বে.
চলএ চলয়ে	যাবলৈ	যদি চলয়ে নাহি পাৰহ—কে.গো.
চলিতে	যাবলৈ	চলিতে লাগয় যম পুৰি—ব.গী. চলিতে নিছয় কয়ল—প.প্ৰ.
চলিবাক	যাবলৈ	তোহো চলিবাক সত্বৰে—পা.হ.
চাড়িতে ছাড়িৱত	চৰাবলৈ	বাচড়ু চাড়িতে ৰোহে—ব.গী.
ছেদিতে	কাটিবলৈ	ধৰল খাণ্ডা ছেদিতে শিৰ—ৰু.হ. কন্ধ ছেদিতে পাৰল—ৰা.বি.
ছোড়য়ে	এৰিবলৈ	স্ত্ৰীক ছোড়য়ে নাহি পাৰহ—পা.হ.
ছোড়াইতে	এৰুৱাবলৈ	তাকৰ ছোড়াইতে শখ—ব.গী.
ছোড়িতে	খুলিবলৈ মুকলি কৰিবলৈ	কৃষ্ণক বন্ধন ছোড়িতে—অ.ভ.
জগাৱনুকু	জগাবলৈ	মুখ চুম্বিবত শ্যাম জগাৱনুকু—ডো.বে.
জনিত	দেখুৱাবলৈ	ভয় জনিত আৱল—কে.গো.
জানিতে	জানিবলৈ	কৃষ্ণক জানিতে নাহি পাৰলো—প.প্ৰ. কে জানিতে পাৰয়—ব.গী.
জিনএ জিনয়ে	জিনিবলৈ	জিনয়ে নাহি পাৰব—পা.হ.
তৰএ তৰয়ে	তৰিবলৈ	ভব তৰয়ে নপাৰু—ব.গী.
তৰিতে	তৰিবলৈ	কমনে তৰিতে মোৰি আশা—ব.গী.
তুলিতে	তুলিবলৈ	লৱনু তুলিতে নাহি দেৱব—অ.ভ.
তেজএ তেজয়ে	এৰিবলৈ	তেজয়ে নাহি পাৰি—কে.গো.
দণ্ডিতে	দণ্ড কৰিবলৈ শাস্তি দিবলৈ	দুষ্টক দণ্ডিতে হামো—কে.গো. দুষ্টক দণ্ডিতে অৱতৰি—কা.দ.
দৰসিত	দেখিবলৈ	দৰসিত সুন্দৰ—ভ.

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
দিতে	দিবলৈ	ঝাম্প দিতে জাই—কা.দ.
		ৰাকচক হাতে দিতে চায়—ৰা.বি.
		বিবাহ দিতে নিষেধল—ৰু.হ.
দিবাৰে	দিবলৈ	পূৰুবে বুলিয়া আছা লৱনু দিবাৰে—ভূ.লো.
দেখিতে	চাবলৈ	স্বয়ম্বৰ দেখিতে এথা—ৰা.বি.
		কৃষ্ণক দেখিতে অলখিতে—কে.গো.
		কৃষ্ণক দেখিতে চলল—প.প্ৰ.
ধৰবহো	ধৰিবলৈ	নাহি নাহি ধৰবহো হৰি বিনে—ৰু.হ.
ধৰিতে	ধৰিবলৈ	প্ৰাণ ধৰিতে নপাৰি—কা.দ.
		ধৰিতে নপাৰো হিয়াৰে—ব.গী.
নমাইতে	নমাবলৈ	পসাৰ নমাইতে চাহে—কো.খে.
নাচিবাৰে	নাচিবলৈ	হৰি নাচিবাৰে কথা—ব.গী.
নিতে	নিবলৈ	হামাক নিতে চাহে—ৰু.হ.
		নিতে নাহি পাৰল—ভূ.হ.
পলাইতে	পলাবলৈ	পলাইতে যেন নাহি পাৰিয়ে—অ.ভ.
		পলাইতে নেদেখো সন্ধি—ব.গী.
পলাইবাৰ	পলাবলৈ	পলাইবাৰ নাহি সন্ধি—ব.গী.
পানীৰে }	পানী আনিবলৈ	পানীৰে যাইতে—ব.গী.
পানীক }		তদনন্তৰ পানীক যাইতে—ভূ.হ.
পিন্ধিতে	পিন্ধিবলৈ	পিন্ধিতে সাস গেল—পা.হ.
পুচিতে	সুধিবলৈ	তাহেক পুচিতে—পি.গু.
পূজিবাৰে	পূজিবলৈ	হৰি পূজিবাৰে—ভূ.লো.
পেখএ		হৰিকো গোপিনী পেখয়ে নপাই—কে.গো.
পেখয়ে	দেখিবলৈ	হৰিপদ পেখয়ে নপাৰলি—প.প্ৰ.
পেখিতে	{ দেখিবলৈ	পেখিতে সুশোভন—ভ.
	{ চাবলৈ	চান্দমুখী পেখিতে মধাই—ৰু.হ.
পেলাইতে	পেলাবলৈ	হাতে গ্ৰাস পেলাইতে—ভো.বে.
বগাইতে	বগাবলৈ, উঠিবলৈ	কৃষ্ণক কান্ধ বগাইতে গেলো—কে.গো.
বজাৱনুক	বজাবলৈ	মুৰুৰি লেহু শ্যাম বজাৱনুক—ভো.বে.
বধিতে	বধ কৰিবলৈ	নৰকাসুৰ বধিতে—পা.হ.
বান্ধএ } বান্ধয়ে }	বান্ধিবলৈ	বান্ধয়ে নাহি পাৰলো—অ.ভ.
বান্ধিতে	বান্ধিবলৈ	তবহু বান্ধিতে ইছা কৰিতেছ—অ.ভ.
		বান্ধিতে লৈলা পাগে—ব.গী.
বোলাইবাক	{ বোলাবলৈ { প্ৰত্যয় নিয়াবলৈ	ভাল বোলাইবাক—পি.গু.

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
ভাজিতে	ভাজিবলৈ	মাঞ দুৰাচাৰ তোমাক ভাজিতে—ব.গী.
ডাৰিবাৰে	ডৰাবলৈ	গেলো হামো নিৰ ডাৰিবাৰে—ভূ.লো.
ভাণ্ডিতে	প্ৰবঞ্চনা কৰিবলৈ	ভয়ে জননীক ভাণ্ডিতে—ভূ.লো.
		হামাক ভাণ্ডিতে বাহুত—প.গু.
মাতিতে	মাতিবলৈ	নন্দে দোৱাজ মাতিতে—অ.ভ.
মাতিবাৰে	মাতিবলৈ	মিচা মাতিবাৰে প্ৰভু—প.গু.
মাৰিতে	{ মাৰিবলৈ মৰিয়াবলৈ	হামাক মাৰিতে আৱল—অ.ভ.
মাৰিতে	বধ কৰিবলৈ	নৰক মাৰিতে কয়লি—পা.হ.
		হামাক মাৰিতে চাৱল—কা.দ.
		মৃগ মাৰিতে সাজে—ব.গী.
মাৰিবাৰে	মৰিয়াবলৈ	ধায়া ফুৰে তাৰে মাৰিবাৰে—অ.ভ.
মোহিতে	মুহিবলৈ	হামাক মোহিতে চাৱ—পা.হ.
যাইতে জাইতে }	যাবলৈ	যাইতে নাহি পাৰল—প.প্ৰ. কতিহো যাইতে নাহি দেৱবো—ভূ.লো.
যাহিতে জাহিতে }	যাবলৈ	যাহিতে বৈকুণ্ঠ বাটক—কৃ.হ.
ৰহই	ৰবলৈ, থাকিবলৈ	জীৱন ৰহই নপাৰি—কে.গো.
ৰহএ ৰহয়ে }	ৰবলৈ	তাহে নাহেৰি হৰি ৰহয়ে নপাৰু—কে.গো. তিল একু ৰহয়ে নপাৰি—ব.গী.
ৰাখএ ৰাখয়ে }	ৰাখিবলৈ	ৰাখয়ে নাহি পাৰল—কে.গো.
ৰাখিতে	ৰাখিবলৈ	খীৰ ৰাখিতে গেল—অ.ভ.
		জিহ্বা ৰাখিতে নপাৰি—পি.গু.
		জগত ৰাখিতে ব্ৰহ্মা—কে.গো.
		ৰাখিতে নাহি পাৰলো—পা.হ.
		ৰাখিতে নাহি পাৰল—প.প্ৰ.
লাড়িতে	লৰাবলৈ	শৰীৰক বলে লাড়িতে নপাৰি—ৰা.বি.
লৈতে	ল'বলৈ	নাম লৈতে নপাৰো—ব.গী.
শুনিবাৰ	শুনিবলৈ	বিপৰীত শুনিবাৰ—ব.গী.
সহিতে	সহিবলৈ	পৰাক্ৰম সহিতে নপাৰি—ৰা.বি.
		ভাৰ সহিতে নপাৰি—কা.দ.
সহিবাক	সহিবলৈ	অপমান সহিবাক—পি.গু.
সাধিতে	সিদ্ধি কৰিবলৈ	সাধিতে ৰাজ কুমাৰিক—কৃ.হ.
		কোন মান সাধিতে ৰহল—পা.হ.

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
সুজএ সুজয়ে	সুজিবলৈ	তোহাক গুন সুজয়ে—ৰু.হ., পা.হ. ভকতি সুজয়ে নাহি পাৰি—কে.গো.
সেৱিতে	সেৱা কৰিবলৈ	সেৱিতে নাকৰো ৰতি—ব.গী.
সেৱিবাক	সেৱা কৰিবলৈ	সেৱিবাক কৈলো আশা—ব.গী.
স্বামীত	স্বামীক পাবলৈ	শ্ৰীকৃষ্ণ স্বামীত চিৰকাল—ৰু.হ.
হাণ্ঠিতে	খোজ কাঢ়িবলৈ	হামো পাৱে হাণ্ঠিতে—পা.হ.
হুইবাৰ	হবলৈ	দেৱে নাহি পাই মানবী হুইবাৰ—ব.গী.
হৈতে	হবলৈ	হামাৰ হৈতে কি ৰহল—পা.হ., ভূ.লো.
হৈবাৰ	হবলৈ	হৈবাৰ নবৈল মোৰ—পি.গু.

তুমৰ্থবোধক ক্ৰিয়া (সংযুক্ত)

তুমৰ্থৰূপ	অৰ্থ	উদাহৰণ
কৰএলাগি কৰয়ে লাগি	কৰিবলৈ	ৰুক্মিণীক বিবাহ লাগি—ৰু.হ.
কৰিতে লাগিয়ে	কৰিবলৈ	স্নান কৰিতে লাগিয়ে তথি—ব.গী.
খেলাইবাৰ তৰে	খেলিবলৈ	খোঁড় খেলাইবাৰ তৰে—চো.ধ.
গুচাইবে লাগি	গুচাবলৈ	পিন্দৰা গুচাইবে লাগি—পি.গু.
চাড়ন কাৰণৰে	চৰাবলৈ	গোধন চাড়ন কাৰণৰে—ডো.বে.
চাড়িতে লাগে	চৰাবলৈ	সুৰভি চাড়িতে লাগে—ব.গী.
তৰিতে লাগে	তৰিবলৈ	সংসাৰ তৰিতে লাগে নাৱ—ব.গী.
দৰসন লাই	চাবলৈ	হৰি দৰসন লাই—প.প্ৰ.
দূৰ কৰিতে	আঁতৰাবলৈ	দূৰ কৰিতে প্ৰবন্ধ—কা.দ. বন্ধন দূৰ কৰিতে—অ.ভ. ইহাক দূৰ কৰিতে—পি.গু.
নিবাক প্ৰতি	নিবলৈ	গোপীক হৰি নিবাক প্ৰতি—কে.গো.
পৰিধান কৰিতে	পিন্ধিবলৈ	পৰিধান কৰিতে পাৱে—পা.হ.
পুচিবাৰে লাগি	সুধিবলৈ	তাৰে পুচিবাৰে লাগি—পি.গু.
ভয় জনিত	ভয় খুৱাবলৈ	গোপীক ভয় জনিত—কে.গো.
মাৰণ হেতু	বধ কৰিবলৈ	ৰাকচ ৰাৱণ মাৰণহেতু—ৰু.হ.
হৰণ নিমিত্তে	হৰণ কৰিবলৈ	ভূমিক ভাৰ হৰণ নিমিত্তে—ৰু.হ.

(২০) কাৰক প্ৰকৰণ

ক্ৰিয়াৰ সৈতে সম্বন্ধ থকা পদক কাৰক বোলে। অসমীয়া মতে 'কৃ' ধাতুত 'নক' প্ৰত্যয় লগালেই কাৰক পদ সিদ্ধ হয়। ব্ৰজাৱলী ভাষাত কাৰকৰ বিষয়ে বহলাই আলোচনা নকৰিলেও চলে। ইয়াৰ আগৰ শব্দৰূপ বিলাকত সাতোটা বিভক্তিৰ আলোচনা কৰা হৈছেই। তাতেই প্ৰায় কাৰক সোমাই গৈছে। তথাপি আমি ইয়াক সুকীয়া আলোচনালৈ টানি আনিছোঁ।

অসমীয়া বা সংস্কৃতৰ দৰে ব্ৰজাৱলী ভাষাতো কৰ্ত্তা, কৰ্ম, কৰণ, সম্প্ৰদান, অপাদান, সম্বন্ধ, অধিকৰণ ভেদে সাতোটা কাৰকৰ উল্লেখ আছে। সেইদৰে কৰ্ত্তা কাৰকত তৃতীয়া বিভক্তি, সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি, অপাদান কাৰকত পঞ্চমী বিভক্তি, সম্বন্ধকাৰকত ষষ্ঠী বিভক্তি আৰু অধিকৰণ কাৰকত সপ্তমী বিভক্তি হয়। সম্বোধনতো প্ৰথমা বিভক্তি হয়। কিন্তু বিভক্তিৰ চিন নেথাকে।

(২০-ক) কৰ্ত্তাকাৰক (প্ৰথমা বিভক্তি)

যি কৰে সিয়েই কৰ্ত্তা। ক্ৰিয়াৰ সম্পাদনত কৰ্ত্তাৰেই মুখ্য সম্বন্ধ। কৰ্ত্তা কাৰকত সাধাৰণতে প্ৰথমা বিভক্তি হয়। কোনো পদাৰ্থৰ নাম বুজালে, সেই পদাৰ্থবাচক শব্দৰ পাছত প্ৰথমা বিভক্তি হয়। আমাৰ "(৮) পদপ্ৰকৰণ" শিতানত বিশেষ্য পদ ছবিধ বুলি উল্লেখ কৰি আহিছোঁ। তাৰ ভিতৰত জাতিবাচক, আৰু নামবাচক বিশেষ্য পদ বোৰেই কৰ্ত্তা পদ ৰূপে চিহ্নিত হ'ব। জাতিবাচক যেনে নৰ, নাৰী, নদী, পৰ্ব্বত, বৃক্ষ, পক্ষী আদি আৰু নামবাচক যেনে ৰাম, কৃষ্ণ, যশোৱা, ৰোহিণী, নন্দ, ভীষ্মক, কানাই, কানু, ৰাকচ, ইত্যাদি। আমি আগতে প্ৰথমা বিভক্তিৰ চিন বিলাকৰ উদ্ধৃতি দি আহিছোঁ। যি বোৰ সকৰ্ম্মক ক্ৰিয়াপদ আছে তাৰ কৰ্ত্তা পদতহে বিভক্তিৰ চিন থাকে, অকৰ্ম্মক ক্ৰিয়াৰ কৰ্ত্তাপদত চিন নেথাকে। শব্দৰূপ সবিভক্তিক আৰু নিৰ্ব্বিভক্তিক ভেদে দুবিধ বুলি আগতে কোৱা হৈছেই। উক্ত সবিভক্তিক শব্দৰূপৰ চিন অ, আয়, আ, আই, ই, ইয়ে, উ, এ, এৰে, ও, হয়। নিৰ্ব্বিভক্তিকৰ চিনবোৰ অসমীয়াৰ দৰে অ, ই, এ চিন হয়। কিন্তু অকৰ্ম্মক ক্ৰিয়াৰ কৰ্ত্তাপদত বিভক্তিৰ চিন নাথাকিলেও সি কৰ্ত্তাই আৰু প্ৰথমা বিভক্তি যুক্ত শব্দৰূপৰ অন্তৰ্গত। উদাহৰণ স্বৰূপে (সবিভক্তিক শব্দৰূপ প্ৰথমাত) "কেশৰে কৰত কেলি" (কে.গো.) এই বাক্যটোত 'কেশৰ' এই নামবাচক পদটোতে 'এ' বিভক্তি যুক্ত হৈছে। গতিকে ই কৰ্ত্তা পদ। নিৰ্ব্বিভক্তিক ৰূপত তেনেকৈ "চান্দমুখী পেখিতে মধাই" (ৰু.হ.) এই বাক্যটোতে 'চান্দমুখী' এই নামবাচক পদটোত 'এ' বা 'য়ে' বিভক্তি উহ্য হৈ আছে। ইয়াৰ অৰ্থ হব চান্দমুখীয়ে অৰ্থাৎ ৰুক্মিণীয়ে। উক্ত দুয়োটা বাক্যই সকৰ্ম্মক। কিন্তু বিভক্তিৰ চিন নথকা (অকৰ্ম্মকৰ) কৰ্ত্তৃপদৰ উদাহৰণ হল "সোহি ৰামচন্দ্ৰ পৰম ঈশ্বৰ" (ৰা.বি.) অৰ্থাৎ সেই ৰামচন্দ্ৰ পৰম ঈশ্বৰ। ইয়াত এ, বা য়ে আদি প্ৰত্যয় বা বিভক্তি যোগ নোহোৱাকৈয়ে কৰ্ত্তাপদ হৈছে। তেনেকৈ অন্যান্য নাটকতো এনেকুৱা ৰূপ পোৱা যায়।

কৰ্ত্তাকাৰকত সাধাৰণতে প্ৰথমা বিভক্তি হোৱা উদাহৰণ বহুত দিব পাৰি। তথাপি কেইটিমান উদাহৰণ দিয়া হল যেনে— শুনিয়ে ৰাম ধৰল ধনুৰ্বাণ (ৰা.বি.), ৰাজা সব সহিতে যৈচে শিশুপাল আৱল (ৰু.হ.), মন জানিয়া শঙ্কৰে কহে (ব.গী.) ইত্যাদি।

'ধন্য' শব্দৰ যোগতো প্ৰথমা বিভক্তি হয় যেনে— ধন্য ধন্য দশৰথ ৰাজা (ৰা.বি.), ধন্য ধন্য মহাৰাজা (ৰু.হ.) ইত্যাদি। নামে আদিৰ যোগতো হয় যেনে— পৰশুৰাম নামে অৱতৰি (কে.গো.), সুৰভি নামে এক ভিক্ষুকভাট (ৰু.হ.)।

(২০-খ) কৰ্ম্মকাৰক (দ্বিতীয়া বিভক্তি)

যি বস্তুক আশ্ৰয় কৰি ক্ৰিয়াৰ পূৰ্ণতা লাভ হয়, তাকে কৰ্ম্মকাৰক বোলে। কৰ্ম্মকাৰকত দ্বিতীয়া বিভক্তি হয়। "গোবিন্দকু ৰাধা বোলত বাণী" "বৰিষিল বাণ দৈত্য কহো পীড়ি" ইত্যাদি বাক্যই কৰ্ম্মকাৰক দ্বিতীয়া বিভক্তি হোৱা সূচনা কৰিছে। শব্দৰূপ প্ৰকৰণত উদ্ধৃতি আছে।

(২০–গ) কৰণ কাৰক (তৃতীয়া বিভক্তি)

ক্ৰিয়াৰ পূৰ্ণতালাভৰ কাৰণে কৰ্তাক যি প্ৰধানভাৱে সহায় কৰে তাকে কৰণ কাৰক বোলা হয়। কৰণ কাৰকত তৃতীয়া বিভক্তি হয়। সৈতে আদি শব্দৰ যোগত কৰণ কাৰক হয়। কিন্তু ব্ৰজাৱলী ভাষাত ই, এ, এৰ আদি চিনত সেই অৰ্থ বুজায়। "ভোজন কৰত আনন্দি কৰ্ণ গোচৰে যাৱয়ে নাহি–, নখেৰ পৰসি" আদি উদ্ধৃতিয়েই যথেষ্ট।

(২০–ঘ) সম্প্ৰদান কাৰক (চতুৰ্থী বিভক্তি)

নিজৰ অধীনত্ব বা স্বত্বত্যাগ কৰি আনৰ স্বত্ব সাব্যস্ত কৰিবলৈ যি বস্তু দান কৰা যায়, সেয়ে সম্প্ৰদান কাৰক। সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি হয়। নিমিত্তাৰ্থক, গমনাৰ্থক, বিস্ময় আদিত চতুৰ্থী বিভক্তি হয় যেনে "ইন্দ্ৰক লাগি চক্ৰ তুলি ধৰল; আপোনগৃহে আসিয়া" ইত্যাদি। দানাৰ্থক বিষয় ব্ৰজাৱলী ভাষাত প্ৰায় নায়েই।

(২০–ঙ) অপাদান কাৰক (পঞ্চমী বিভক্তি)

য'ৰ পৰা যি কোনো বস্তু বা ব্যক্তি চলিত, পতিত হোৱা অৰ্থ সূচনা হয়, তাতে অপাদান কাৰক হয়। অপাদান কাৰকত পঞ্চমী বিভক্তি হয়। "কুণ্ডিন হন্তে এক বিশিষ্ট বিপ্ৰ" "পুৰন্দৰত অনুমতি পাই" ইত্যাদি বাক্যত অপাদান কাৰক হৈছে। অসমীয়াত এই বিভক্তিৰ চিন 'পৰা' (ইয়াৰ নিৰ্ব্বিভক্তিক প্ৰয়োগত 'পৰা' আছে) আৰু ব্ৰজাৱলী ভাষাত হন্তে, ত, ৰ, এ আদি চিন হয়।

(২০–চ) সম্বন্ধ কাৰক (ষষ্ঠী বিভক্তি)

দুটা বস্তুৰ মাজত পৰস্পৰ সম্পৰ্ক থকা বুজালে সম্বন্ধ কাৰক হয়। সম্বন্ধ কাৰকত ষষ্ঠী বিভক্তি হয়। সংস্কৃত আৰু অসমীয়াত সম্বন্ধ কাৰকক কাৰক বুলি নধৰে। ইয়াক "ষট্‌কাৰক" বুলিহে উল্লেখ কৰে। কিন্তু ব্ৰজাৱলী ভাষাত "সম্বন্ধ কাৰক" বুলি উল্লেখ কৰা হৈছে। বিনা, তুলনা আদি বুজোৱা পদত সম্বন্ধ কাৰক হয় যেনে "কৃষ্ণ বিনে হামো প্ৰাণ ৰাখব ? বিনো হৰি ভকতি বিফল স্বৰ্গকাম" ইত্যাদি। ধিক্ শব্দৰ যো'গতো হয় যেনে তোহাৰ ধিক্কাৰ ৰহোক, হামাৰ জীৱন ধিক ধিক" ইত্যাদি।

(২০–ছ) অধিকৰণ কাৰক (সপ্তমী বিভক্তি)

বাক্যত থকা ক্ৰিয়াৰ আধাৰ, স্থান, কাল আদি বুজালে অধিকৰণ কাৰক হয়। এই কাৰকত সপ্তমী বিভক্তি হয়। গমনাৰ্থ, হেত্বৰ্থ আদিত অধিকৰণ কাৰক হোৱা দেখা যায় যেনে 'তোহাৰি আগমনে, আনন্দে ৰাজনন্দিনী" ইত্যাদি ভাৱে সপ্তমী হোৱাৰ উদাহৰণো ব্ৰজাৱলী ভাষাত আছে যেনে 'নিচিনি কিনিলে পুনু মিলিবে বিঘিনি (ব.গী.) ইত্যাদি।

(২০–জ) সম্বোধনাৰ্থক পদ

ব্ৰজাৱলী ভাষাত সম্বোধনাৰ্থক পদ ভালে খিনি আছে। তাৰে উল্লেখ কৰা হল।

অয়ে— অয়ে বেগুসিক পুত্ৰ—ৰা.বি.
অয়ে দুষ্ট ৰাজাসব—ক.হ.
অয়ে সত্যভামা—পা.হ.

আলো— আলো মাঝি—পি.গু.
আলো সই—ব.গী.

আগো— আগো মাঝি—ব.গী.

আহে— আহে সামাজিক লোক—সকলো নাট।

ওৰে— ওৰে সখী পেখোৰে—কে.গো., ব.গী.
ৰে— ৰে ৰে পুৰুন্দৰ—পা.হ.
শুন শুনৰে সুৰবৈৰি—ব.গী.
হে— হে স্বামী শ্ৰীকৃষ্ণ—কে.গো., পা.হ.
হে মাঞি—অ.ভ.

ইত্যাদি।

(২১) সমাস প্ৰকৰণ

পৰস্পৰ অৰ্থসংগতি থকা দুটা বা ততোধিক পদ লগলাগি এটা পদৰ সৃষ্টি হোৱাকে সমাস বুলি কোৱা হয়। সমাস হলে দুয়োটা বা ততোধিক পদৰ মাজত থকা কাৰকাদি বুজোৱা চিন কিম্বা বিভক্তি লোপ হয়। তেতিয়া সেই গঠিত পদটিত আকৌ নতুন বিভক্তি যোগ হৈ এটা পদ গঠিত হয়। বেলেগ বেলেগ বিভক্তি লোপ হলে সমাসৰ নামো বেলেগ হয়। তাত সেই দৰে অৰ্থৰো লৰচৰ হয়। দুটা পদৰ মাজত সন্ধিও হয়; কিন্তু সমাস সন্ধিৰ নিচিনা নহয়। সমাস মানে সংক্ষেপ। সমাসৰ অৰ্থ প্ৰকাশ কৰিবৰ কাৰণে যি বাক্য ব্যৱহাৰ কৰা হয় তাক ব্যাসবাক্য বোলে। সমাস ছবিধঃ যেনে- কৰ্ম্মধাৰয়, দ্বিগু, বহুব্ৰীহি, দ্বন্দ্ব, অব্যয়ীভাব আৰু তৎপুৰুষ। ইয়াৰ বাহিৰে 'নঞ' নামেৰে এটা উপসমাসো আছে।

ব্ৰজাৱলী ভাষাত বহুতো সমাস পদ আছে। কিন্তু সেই বিলাক সংস্কৃতীয়া হোৱাত এই ভাষালৈ টানি অনাত অসুবিধা হয়। যিখিনি ব্ৰজাৱলী ভাষাৰ অন্তৰ্ভুক্ত কৰিব পাৰি সিয়ো আংগুলিৰ মূৰত লেখিব পৰা বিধৰহে। উদাহৰণ স্বৰূপ সংস্কৃতীয়া সমাস এনেকৈ যেনে "বহল বক্ষ সিংহ কন্ধ, ত্ৰিবলি বলিত কটি কন্ধ" (ৰু.হ.) এই বাক্যটোতে থকা পদবোৰ সংস্কৃতীয়া। প্ৰতিটি শব্দৰ মাজত সমাস বাক্য বা ব্যাস বাক্য সোমাই আছে। ইয়াক ব্ৰজাৱলী ভাষালৈ টানি আনিব নোৱাৰি। সকলোৰে জ্ঞাত যে দুজনা মহাপুৰুষৰ ৰচিত শাস্ত্ৰৰাজিত সংস্কৃত শব্দৰ ভাৰাক্ৰান্ত হৈ আছে। সংস্কৃত বাক্য নিদিয়া হলে গ্ৰন্থৰ পৰিসৰ আৰু বাঢ়িল হেতেন। সংক্ষেপ কৰিবৰ কাৰণে এইটি ভাল উপায়। সেইদৰে আটাইকেখন নাটত, বৰগীত আৰু ভটিমাত সংস্কৃতৰ সমাস বাক্য অন্তৰ্ভুক্ত হৈ আছে। তথাপি দুই এটি ব্ৰজাৱলী জাতীয় সমাস বাক্যও আছে। তাৰ উদাহৰণ দিয়া হল।

(২১-ক) কৰ্ম্মধাৰয় সমাস

ৰুক্মিণীহৰণ নাটৰ "চান্দমুখী পেখিতে মধাই" এই বাক্যটোতে থকা 'চান্দমুখী' সমাস পদটো ব্ৰজাৱলী জাতীয়। ই মধ্যপদলোপী কৰ্ম্মধাৰয় সমাস হৈছে। ইয়াৰ ব্যাস বাক্য হব চন্দ্ৰতুল্য মুখ = চন্দ্ৰমুখ। ব্ৰজাৱলীৰ = চান্দতুল্য মুখ = চান্দমুখ, স্ত্ৰীলিংগ হোৱা হেতুকে 'ঈ' প্ৰত্যয় যোগ হোৱাত "চান্দমুখী" হৈছে। ই শব্দৰূপলৈ পৰিবৰ্ত্তন হৈছে। সেইদৰে "ঈসত হসিত মুখ চান্দ উজোৰ" (ৰু.হ.) এই বাক্যটোৰ "মুখচান্দ" পদটো অন্ত্যপদ লোপী কৰ্ম্মধাৰয় সমাসৰ ভিতৰত পৰিছে, ইয়াৰ ব্যাস বাক্য হব—মুখ চান্দতুল্য = "মুখচান্দ"। পূৰ্ব্বোক্ত "চান্দমুখী" আৰু "মুখচান্দ" দুটি শব্দত ক্ৰমে উপমান কৰ্ম্মধাৰয় আৰু উপমিত কৰ্ম্মধাৰয় সমাস হৈছে। দুয়োটাৰে প্ৰথমটোত মাজৰ পদ লুপ্ত হোৱাৰ কাৰণে মধ্যপদ লোপী কৰ্ম্মধাৰয় সমাস আৰু শেষৰটোৰ

শেষৰ পদ লুপ্ত হোৱাৰ কাৰণে অন্ত্যপদলোপী কৰ্ম্মধাৰয় সমাস নামেৰে অভিহিত কৰা হৈছে।

(২১-খ) দ্বিগু সমাস

ব্ৰজাৱলী ভাষাত "মাস চাৰিকৰ, চৌগড়, চৌদিশে, চৌপাশে, চৌভিতি" আদি পদবোৰ দ্বিগু সমাসৰ অন্তৰ্গত। সংখ্যাবাচক দ্বিগু = চাৰিটা মাহৰ সমষ্টি = "মাস চাৰিকৰ" (স্বভাৱে মাস চাৰিকৰ পথ—পা.হ.), চৌ (চাৰিও) গড়ৰ সমাহাৰ= চৌগড় (চৌগড় বেঢ়লি লঙ্কা—ব.গী.), চৌ (চাৰিও) দিশৰ সমাহাৰ = চৌদিশে (চৌদিশে চাৱে-ৰা.বি.), চৌ (চাৰিও) পাশৰ সমাহাৰ = চৌপাশে(চৌপাশে ফিৰিফিৰি—অ.ভ.), চৌ (চাৰিও) ভিতিৰ সমাহাৰ = চৌভিতি (চৌভিতি বৈঠল—ভো.বে., চৌভিতি গোপিনী—কে.গো., চৌভিতি বেঢ়িয়া = ব.গী.) ইত্যাদি। দ্বিগু সমাসত প্ৰথম পদটো সংখ্যাবাচক হয় আৰু পদটো সমষ্টিগত হয়। আনহাতে কোনো কোনো পদত নহয় যেনে "মাস চাৰিকৰ"।

(২১-গ) বহুব্ৰীহি সমাস

যি দুটা পদৰ সমাস হয় সিহঁতে নিজৰ অৰ্থ প্ৰকাশ নকৰি আন কোনো পদাৰ্থক বা মানুহক বুজালে সেই সমাস পদ বহুব্ৰীহি হয়। ব্ৰজাৱলী ভাষাত "পীতপিচোড়া, পীতঅম্বৰ" আদি পদবোৰক বহুব্ৰীহি সমাসৰ অন্তৰ্গত কৰিব পৰা হয়। পীত (হালধীয়া) পিচোড়া (কাপোৰ) যাৰ = পীতপিচোড়া। সংস্কৃত শব্দ যেনে পীতাম্বৰ, দশানন, পদ্মপাণি আদি পদবোৰত বহুব্ৰীহি সমাস হয়। এই বোৰ ব্ৰজাৱলী ভাষাৰ নাটক, বৰগীত আদিত প্ৰয়োগ থাকিলেও ব্ৰজাৱলী শব্দ নহয় কাৰণে ইয়াৰ অন্তৰ্ভুক্ত কৰিব পৰা নহল।

(২১-ঘ) দ্বন্দ্ব সমাস

যি সমাসত প্ৰতিটি পদৰেই অৰ্থ প্ৰধান ভাবে থাকে, তাক দ্বন্দ্ব সমাস বোলে। দ্বন্দ্ব শব্দৰ অৰ্থ জোৰা অৰ্থাৎ দুটা পদ জোৰা লগাই দিয়া হয়। অসমীয়া বা সংস্কৃতৰ "ৰামলক্ষ্মণ, হৰপাৰ্ব্বতী, অন্নবস্ত্ৰ, সুৰাসুৰ, ছাত্ৰছাত্ৰী" আদি। ব্ৰজাৱলী ভাষাত "অবনিসি, দিবস ৰয়নি (অৱনিসি চাৰি = ভ.; দিবস ৰয়নি—ক.হ.) আদি শব্দ বোৰ দ্বন্দ্ব সমাসৰ ভিতৰৰ। এই সমাসৰ মাজত আৰু শব্দ এটি খটুৱাইহে ব্যাস বাক্য কৰা হয় যেনে অব আৰু নিসি = অৱনিসি দিবস আৰু ৰয়নি = দিবস ৰয়নি,কন্দে কন্দে(কন্দে কন্দে কহে—ক.হ.) ইত্যাদি।

(২১-ঙ) অব্যয়ীভাব সমাস

অব্যয় শব্দ আগত থাকি যি সমাস হয় আৰু যত অব্যয় শব্দতেই অৰ্থ মুখ্য হৈ থাকে, তাক অব্যয়ীভাব সমাস বোলে। অভাব, বীপ্সা আদি অৰ্থ বুজালে এই সমাস হয়। অবিঘিনি (অবিঘিনিয়ে নেহন্তোক—ক.হ.) প্ৰতি দিনে দিনে (প্ৰতি দিনে দিনে বহাইবাক—পি.গু.) দিনে দিনে (দিনে দিনে দৃঢ়বন্দি—ব.গী.) ইত্যাদি পদবোৰ— অব্যয়ীভাব সমাসৰ ভিতৰৰ।

(২১-চ) তৎপুৰুষ সমাস

সমাস হোৱা দুই পদৰ প্ৰথম পদটোৰ (দ্বিতীয়া আদি কৰি সপ্তমী বিভক্তিলৈকে) চিন বা বিভক্তি লোপ হোৱাৰ পিছত যিটো ৰয়গে তাকে তৎপুৰুষ সমাস বোলে।

তৎপুৰুষ সমাস ছবিধ—দ্বিতীয়া তৎপুৰুষ, তৃতীয়া তৎপুৰুষ, চতুৰ্থী তৎপুৰুষ, পঞ্চমী তৎপুৰুষ, ষষ্ঠী তৎপুৰুষ আৰু সপ্তমী তৎপুৰুষ। ব্ৰজাৱলী ভাষাত ছবিধ তৎপুৰুষ সমাসৰ প্ৰয়োগ থাকিলেও সেইবোৰ শব্দৰূপ প্ৰকৰণৰ নিৰ্ব্বিভক্তিক প্ৰয়োগৰ অন্তৰ্ভুক্ত কৰা হৈছে। এতেকে সুকীয়াকৈ তৎপুৰুষৰ হিচাপত দেখুৱাব পৰা নহল।

(২২) তদ্ধিত আৰু কৃৎপ্ৰকৰণ

শব্দৰ পাছত যি বোৰ প্ৰত্যয় যোগ হৈ নতুন শব্দ গঠিত হয়, সেই বোৰক তদ্ধিত বোলে (তৎ + হিত = তদ্ধিত)। অসমীয়াৰ বাগিয়াল, গুৰিয়াল, মগনিয়া, ঠগামি আদি শব্দবোৰেই তদ্ধিত। ব্ৰজাৱলী ভাষাতো তেনেকুৱা তদ্ধিত শব্দ আছে। ইয়াৰে তদ্ধিত দুবিধ—এবিধ সংস্কৃতীয়া আৰু আনবিধ ব্ৰজাৱলী। তলত উল্লেখ কৰা হল যেনে (১) সংস্কৃতীয়া ঃ দয়া + আল = দয়াল (দৰসন দেহু দয়াল—কে.গো.), দয়া + আলা = দয়ালা (খেলে নাহি দয়ালা—ভূ.লো.), কৃপা + আল = কৃপাল (ওহি পৰকাৰে ভকত কৃপাল—ক.হ.), মান + ইনি = মানিনি (এ মানিনি মাঞি নয়ন পঙ্কজ—পা.হ.) সদা + আয়ে = সদায়ে (সদায়ে সেৱত—কে.গো.)। ব্ৰজাৱলীৰ—কথাৰ + ই = কথাৰি (নাহি খাৱলো সোহি কথাৰি—ব.গী.), কান + আই = কানাই (কানাই খেলানে জাই—ব.গী.) গো + আল = গোৱাল, গুৱাল (হেৰি গোৱাল ভুলাৱতুৰে—ভো.বে., নন্দ আদি গুৱাল সকলে—অ.ভ.), ঘাট + ঐয়া = ঘাটৈয়া (ঘাটেৰ ঘাটৈয়া হামো—কো.খে.) চতুৰ + আলি = চতুৰালি, চাতুৰালি (কৰত কানাই চোৰ চাতুৰালি—চো.ধ.), ঠাকুৰ + আল = ঠাকুৰাল (কে জানিতে পাৰয় তোমাৰ ঠাকুৰাল—ব.গী.), ভিখ্ + আৰি = ভিখাৰি, (সোহিলৱনু ভিখাৰি, চো.ধ.) ৰাখ্ + ওৱাল = ৰাখোৱাল (ৰাখোৱাল পাইলা—ব.গী.) ইত্যাদি।

ধাতুৰ পাছত যিবোৰ প্ৰত্যয় যোগ হৈ নতুন শব্দ গঠিত হয়, সেইবোৰক কৃৎ বোলে। ইয়াত উল্লিখিত কৃৎ প্ৰত্যয়যুক্ত শব্দবোৰ সংস্কৃত শব্দৰ অপভ্ৰংশ বা বিকৃত যদিও ই ব্ৰজাৱলী ঠাঁচত গঢ় লৈছে। ইয়াক এনেকৈ গঢ় দিয়া হয় যেনে কৰ + অতা = কৰতা (সৃষ্টি কৰতা হৰতা—ভ.), চল্ + অন্তা = চলন্তা (যৈচে সিংহ চলন্তা—ভ.), তৃপ + ইতি = তৃপিতি (বাক্যামৃতে তৃপিতি হুয়া—কে.গো.), যুক্ + উতি = যুগুতি (তপ জপ যাগ যুগুতি—ব.গী.) ইত্যাদি।

(২৩) তদ্ভৱ আৰু তৎসম প্ৰকৰণ ঃ

কিছুমান মৌলিক শব্দ লিখা আৰু উচ্চাৰণত বিভ্ৰাট হৈ একোটা বেলেগ ৰূপ লয়। আমি (২–ঘ) বিপ্ৰকৰ্ষ শিতানত কিছুমান শব্দৰ উদ্ধৃতি দি আহিছোঁ। তথাপি ওপৰঞ্চি কেইটি মান শব্দ পুনৰুল্লেখ কৰা হল। আমাৰ ভাষাৰ মূল হ'ল সংস্কৃত। এই ভাষাৰ পৰা লেখা আৰু মুখ বাগৰি অহাত শব্দৰ প্ৰকৃত ৰূপ অনেক থলত হেৰাই গৈছে।

সংস্কৃত ৰূপ	ব্ৰজাৱলী ৰূপ
অগ্নি	অগনি
চক্ৰ	চকৰ
তীৰ্থ	তীৰিথ
দৰ্প	দৰপ
ধৰ্ম্ম	ধৰম
প্ৰচাৰ	পৰচাৰ

[সমাপ্ত]

ব্ৰজাৱলী ভাষাৰ
অভিধান

ব্রজাবলী ভাষাব অভিধান

সংকেত সূচী (বর্ণানুক্রমিক)

অনুকা.	অনুকাব
অনুৰূ.	অনুৰূপ
অনুস.	অনুসর্গ
অব্য.	অব্যয়
অস. ক্রি.	অসমাপিকা ক্রিয়া
উপস.	উপসর্গ
কর্ম্ম. ক্রি.	কর্ম্মবাচ্য ক্রিয়া
কাল.সর্ব.	কালবোধক সর্ব্বনাম
কৃদ. বি.	কৃদন্ত বিশেষ্য
কৃদ. বিণ.	কৃদন্ত বিশেষণ
ক্রি. বিণ.	ক্রিয়া বিশেষণ
গু. বি.	গুণবাচক বিশেষ্য
বি.	বিশেষ্য
বি.আৰ.শ.	বিশেষ্য আৰবী শব্দ।
বি. স্ত্রীং	বিশেষ্য স্ত্রীলিঙগ
বিণ.	বিশেষণ
বিণ. স্ত্রীং	বিশেষণ স্ত্রীলিঙগ
বিণ. সর্ব্ব.	বিশেষণ সর্ব্বনাম
বিশে. বিণ.	বিশেষণীয় বিশেষণ
ব্য. সর্ব্ব.	ব্যক্তিবোধক সর্ব্বনাম
ব্য.সর্ব্ব.স্ত্রীং	ব্যক্তিবোধক সর্ব্বনাম স্ত্রীলিঙগ
ভা. অব্য.	ভাববোধক অব্যয়
যো.অব্য.	যোজক অব্যয়
স.ধা.	সকর্ম্মক ধাতু
সং অস. ক্রি.	সংযুক্ত অসমাপিকা ক্রিয়া
সং. অব্য.	সংযুক্ত অব্যয়
সং.বি.	সংখ্যাবাচক বিশেষ্য
সং.স্হা.অব্য.	সংযুক্ত স্হানবাচক অব্যয়
সর্ব্ব.	সর্ব্বনাম
সর্ব্ব. বহু.	সর্বনাম বহুবচন
সম্ব. সর্ব্ব.	সম্বন্ধবোধক সর্ব্বনাম
সম্ব. সর্ব্ব. বহু.	সম্বন্ধবোধক সর্ব্বনাম বহুবচন
সম্বো. অব্য.	সম্বোধনার্থক অব্যয়
সম্ভা. অব্যয়	সম্ভাবনার্থক অব্যয়

স্থা. অব্যয়	স্থানবাচক অব্যয়
স্থা. সৰ্ব্ব.	স্থানবোধক সৰ্ব্বনাম

(অন্যান্য—শব্দ আৰু বাক্যৰণীৰ মাজৰ)

অ.ভ.	অৰ্জ্জুন ভঞ্জন
কা.দ.	কালী দমন
কী.ঘো.	কীৰ্ত্তন ঘোষা
কে.গো.	কেলি গোপাল
কো.খে.	কোটোৰা খেলা
চো.ধ.	চোৰ ধৰা
তুল.	তুলনীয়
প.প্র	পত্নীপ্রসাদ
পা.হ.	পাৰিজাত হৰণ
পি.গু.	পিম্পৰা গুচোৱা
ভূ.লো.	ভূমি লোটোৱা
ভূ.হ.	ভূষণ হৰণ
ভো.বে.	ভোজন বেহাৰ
ৰা.বি.	ৰাম বিজয়
ৰা.ঝু.	ৰাস ঝুমুৰা
ৰু.হ.	ৰুক্মিণী হৰণ

অ

বৰ্ণমালাৰ এক সংখ্যাৰ আখৰ

অৰিণি } বিণ. ঋণমুক্ত, ধাৰমুক্ত। (ছোড়বহ তব অৰিণি—কে.গো.)
অখিণি }

অএ, অয়ে -(সম্বো.অব্য.) হেৰি, হেৰা, হেৰৌ—তাচ্ছিল্য, আৰু মান্যাৰ্থত ব্যৱহাৰ হয়—(অয়ে পাপী অসত্যবাদী—ৰা.বি., অয়ে ভিক্ষুক- ৰু.হ., অয়ে গৰুড় পখীৰাজ—পা.হ., অয়ে ৰাধিকে—ভূ.হ.)

অংশা (বি.) অংশ, ভাগ, খণ্ড। (শিৰতেৰি অংশা—ব.গী.)

অংসে (বিণ.) অংশমাত্ৰও, অলপো। (যো মুহে ৰাম নাম নাহি অংসে—পা.হ.)

অখন (অব্য.) এতিয়া, এনে সময়ত। (অখন কি নিমিত্ত—কে.গো.)

অগনি (বি.) অগ্নি, জুই। (কাহা জাহা অগনি জ্বালিয়া—কা.দ.)

অগিয়ান (বিণ.) অজ্ঞান, মূৰ্খ। (সজ্জন জনেৰ সঙগ লেহু অগিয়ান—ব.গী.)

অঘট-ঘটন-পটু (বিণ.) হোৱাকো নোহোৱা আৰু নোহোৱাকো হোৱা কৰিব পৰা ক্ষমতা। (অঘট-ঘটন-পটু—ব.গী)

অঙিগনা (বি.)অঙগন, চোতাল। (শূন্য ভেল অঙিগনা—ব.গী.)

অঙিগ-ভঙিগ (বি.) অঙিগ-ভঙগী (অঙিগ-ভঙিগ দোহো—ব.গী.

অচৰে (বি.)অচলে, স্থাৱৰে (অচৰে চৰগতি—ব.গী.)

অচলিত তোই (বিণ.) গতিহীন পানীৰ ধাৰা (তৰঙিগনী সব বহু অচলিত তোই—ব.গী.)

অচেতনে (ক্ৰি.বিণ.) অচেতন হৈ (অচেতনে মূৰ্চ্ছিত হুয়া পৰল—ৰা.বি.)

অত (অব্য.) ইমান, এইখিনি, এয়া (অত অপৰাধ সহব—পা.হ.)

অতএ, অতয়ে (অব্য.) এইখিনি, ইমান, ইয়াকে (কাহেক আগে অতএ—ভূ.হ., সাধো অতএ তোই মান—পা.হ., তোহাৰি চৰণে অতএ সাধো—ৰু.হ., অতএ শ্ৰম কৰিতে লাগল—অ.ভ., তুৱা পাৱে অতএ সাধি—কা.দ., অতএ কঠিন কৈচন—কে.গো., অতএ তোমাক পাই—ব.গী.)

অতঃপৰ } (ক্ৰি.বিণ.) ইয়াতকৈ, ইয়াৰ পিছত (অতঃপৰ হামাৰ কমন—ৰু.হ., নাহি অতঃপৰ—কে.গো., অতঃপৰে পুণ্যকলিত—পা.হ.)
অতঃপৰে }

অতক্ষণে (ক্ৰি.বিণ.) ইমানবেলি, ইমান সময়ে—(অতক্ষণে কেন নাহি কহ—কে.গো.)

অথিৰ (বিণ.) অস্থিৰ, অশান্ত, চঞ্চল (অথিৰ এহু সংসাৰ—ব.গী.)

অদভূত- (বিণ.) অদ্ভুত, আশ্চৰ্য্য (অদভুত মধুৰ মূৰুতি দেখিয়ে—ৰা.বি., আৰৰ অদভুত দেখলো—অ.ভ.)

অধিকহি } (বিণ.) বেচি, বেচিকৈ। (অধিকহি মোহিত হোই—ব.গী., মিলল
অধিকহো } অধিকহো—ৰু.হ.)

অধিকাও (বিণ.) বেচিও, বেচিহে (অধিকাও ভেল—অ.ভ.)

অধিকে (বিণ.)বেচিকৈ (অধিকে দগধ প্ৰাণ—কা.দ., হাসিৰ খলখলি অধিকে চৰে—ব.গী.)

অনন্তৰে (ক্ৰি.বিণ.) তাৰ পিছত, অলপ পিছতে (তোহো অনন্তৰে লৰণু তোলহ—অ.ভ., তুল.—অনন্তৰে সূৰ্য্য পাইলা—কী.ঘো.)

অনা (স.ধা.)—লৈ অহা কাৰ্য্য, পা.ক্ৰি.—অনাৱল—অনালে, অনোৱালে—ৰাজাসবক অনাৱল—ৰু.হ. অনাৱলো—অনালোঁ, অনোৱালোঁ—হামো পাপিনী কৈচে অনাৱলো—ৰু.হ.)

অনাথা (বিণ.) অন্নাশ্ৰয়, স্বামীহীন (হামাকু কৰত অনাথা—ব.গী.)

অনাবাৱে (ক্ৰি.বিণ.) বতাহ নোহোৱাকৈ (অনাবাৱে বৃক্ষ সব—কা.দ.)

অনুচৰি (বি.স্ত্ৰীং) অনুচৰী, লিগিৰী (হামো অনুচৰি—কে.গো.)

অনুপাম } (বিণ.) অনুপম, উপমাহীন, অতুলনীয়। (হামাকু কুণ্ডীন নগৰি অনুপাম—ৰু.হ., তনু অতি অনুপাম—ৰা.বি., মূৰ্ত্তি অনুপাম—কা.দ., অতি
অনুপামা } অনুপাম—ভ., পেখল পাছু ভুবন অনুপামা—পা.হ.)

অনুমানি (অস.ক্ৰি.) অনুমান কৰি, ভাবি (ঐচন বাক্য অনুমানি—কা.দ., শুনি মনে অনুমানি—ব.গী.)

অনুৰূপে (ক্ৰি. বিণ.) অনুসাৰে, প্ৰকাৰে (সোহি অনুৰূপে কহলো—ৰু.হ.)

অপাৰা (বিণ.) অপাৰ, বহুত, অধিক (ওহি ভব তাপ অপাৰা—ৰা.বি., বহুৰোষ অপাৰা—ভ.)

অপাঙ্গে (বি.) চকুৰ কোণেদি (অৰুণ অপাঙ্গে চাই—ব.গী.)

অপেখা } (বি.) বোৱা কাৰ্য্য, বিলম্ব, পলম (অপেখা নাহি কৰবি—ৰু.হ., কি নিমিত্ত
অপেক্ষা } তোহো অপেখা কৰহ—পা.হ.)

অপেচৰা (বি.স্ত্ৰীং) অপ্সৰা, স্বৰ্গৰ নাচনী (নাচয় অপেচৰাগণ—ব.গী., তুল.—অপেচৰাগণে কৰে নৃত্য—কী.ঘো.)

অব (অব্য.) এতিয়া, সম্প্ৰতি (অব সত্বৰে চলহ—কে.গো., অব নৰকাসুৰ পাপ—পা.হ., কহলো ভিক্ষুক অব জানি—ৰু.হ., অব অনাথিনী ভেলো—কা.দ., অব কোন প্ৰয়োজন সাধো—ৰা.বি., অব সখী পেখো—ব.গী.)

অবজৰ (বি.) আজৰি, অৱসৰ (হামো সব অবজৰ নোহো— অ.ভ., তুল.—অবজৰ নাহি ৰাতি—কী.ঘো.)

অৱতৰি (অস.ক্রি.) অৱতাৰ হৈ, জন্ম লৈ (পৰশুৰাম নামে অৱতৰি—কে.গো., তাহেৰি' অংশে অৱতৰি—ৰু.হ., দুষ্টক দণ্ডিতে অৱতাৰ—কা.দ., তুল.—অৱতৰি বিষ্ণু আছা—কী.ঘো.)

অৱধি (বি.) সীমা, অৱসান, অন্ত (অৱধি বিবাহ বয়ণি মহ থিক—ৰু.হ., এদুখ অৱধি পাৱ—ব.গী.)

অৱনিসি (ক্রি.বিশ.) দিনে ৰাতিয়ে, দিনে নিশাই (অৱনিসি হৰিগুণ গায়ো—ব.গী., অৱনিসি চাৰিবেদ বিচাৰি—ভ.)

অৱশ্যে (ক্রি.বিশ.) নিশ্চয়, খাটাং, নিতান্তই (ওহি শৰীৰ অৱশ্যে পৰব—কা.দ., অৱশ্যে ভেট পাৱব—ৰা.বি., সে অৱশ্যে কৰিবে লাগে—পা.হ.)

অৱসানে (ক্রি.বিশ.) শেহত (নিসি অৱসানে—ভো.বে., দিবস অৱসানে—কা.দ.)

অৱহু (অব্য.) এতিয়াই, এতিয়াও—(জনম সাফল সখী অৱহু হামাৰ—ৰু.হ., অৱহু নাহিঁ পৰিচয় বালা—কে.গো., অৱহু ছোড়হু মোহ পাশ—ব.গী.)

অবিঘিনিয়ে (ক্রি.বিশ.) বিঘিনি নোহোৱাকৈ (অবিঘিনিয়ে লেহন্তোক - ৰু.হ.)

অবিছেদ-ধাৰায়ে (ক্রি.বিশ.) ছেদভেদ নোহোৱাকৈ (অবিছেদ-ধাৰায়ে নয়নক নিৰ—কে.গো.)

অবিলম্বে (ক্রি.বিশ.) বিলম্ব বা পলম নকৰাকৈ (চলহ অবিলম্বে জনকক ঠাম—ৰা.বি.)

অভাগি (বিশ.স্ত্রীং) ভাগ্যহীনা, দুৰ্ভগীয়া (হামো অভাগি বিহি—ৰু.হ., তুল.-অভাগি কিনো আমি—কী.ঘো.)

অভিলাসে (অস.ক্রি.) অভিলাষ কৰি, আশা কৰি (শংকৰ কহ অভিলাসে—ব.গী.)

অমিয় } অমিয়া } (বিশ.) অমৃত, মিঠা, মধুৰ (বৰিষে শিৰ অমিয়া নিতান্ত—পা.হ., অমিয় ঝুৰে বাণী—ৰা.বি., ৰাম নাম অমিয় উপভোগা—ব.গী.)

অমোল (বিশ.) অমূল্য, উত্তম (হৃদয়ে হেমক হাৰ অমোল—পা.হ., মধুৰ মুৰুৰী অমোল—ব.গী.)

অৰথ (বি.) অৰ্থ (ধৰম অৰথ কাম—ব.গী.)

অৰপিত (বিশ.) অৰ্পিত, আৰোপিত (অধৰ অৰপিত কনক বিৰচিত—ব.গী.)

অৰি (বি.) চক্ৰ, সুদৰ্শন (অৰি অৰবিন্দ কৌমুদী—পা.হ.)

অৰে (সম্বো.অব্য.) হেৰৌ, হেৰা, হেৰি (শুন অৰে চৈণ্টন কালাই—পি.গু., সকলো নাট)

অলকত (বিশ.) ৰঙচুৰা (অলকত পান্তি—ভ.)

অলখিতে (ক্রি.বিশ.) অলক্ষিতে, নেদেখাকৈ (অলখিতে গোপজায়া—কে.গো.)

অলপ (বিশ.) অলপকৈ, সামান্যভাৱে (উচাৰন্ত বেদ অলপ কৰি হাস—প.প্ৰ.)

অলেখ (বিশ.) লেখজোখ নোহোৱা (সঙ্গে অলেখ গোৱালগণ—ব.গী.)

অসাৰত (বিণ.) সাৰহীন, অস্থিৰ (অসাৰত সাৰত কাৰত ভাৰত—ৰা.বি.)

অহিতে (স্থা. সৰ্ব্ব.) ইয়াতে, এই ঠাইতে (আসা অহিতে ভোজন কৰোহো—ভো.বে.)

অহিতো (স্থা.সৰ্ব্ব.) ইয়াতো, এই ঠাইতো (অহিতো শিশু সবক—ভো.বে.)

অন্তৰিক্ষে (অস.ক্রি.) অন্তৰীক্ষ হৈ (প্ৰাণ অন্তৰিক্ষে—কা.দ.)

অন্তৰে (ক্রি.বিণ.) পিছতো, দূৰতো (নৱতনু কোটি কল্প অন্তৰে—কে.গো.)

অন্যোঅন্যে (বিণ.) পৰস্পৰে, ইজনে সিজনে (অন্যোঅন্যে কৰ্ণে কৰ্ণে কহে—ৰু.হ., অন্যোঅন্যে হাস পৰিহাস—ভো.বে., অন্যোঅন্যে কহয়—কা.দ., অন্যো অন্যে ডাকিয়া বোলে—ব.গী.)

অন্নপান (বি.) ভাতপানী (অন্নপান সব ছোড়ল—ৰু.হ., নাহি অন্নপান—ব.গী.)

অন্নয় (বিণ.) নিচিনা, সদৃশ, তুল্য (পদ্মপত্ৰেৰ অন্নয়—ভো.বে.)

অপ্ৰয়াসে (ক্রি.বিণ.) অনায়াসে, সহজতে (হাসিহাসি অপ্ৰয়াসে—ৰা.বি., তুল.—অপ্ৰয়াসেঁ দৈত্যক কী.ঘো.)

অম্বৰি / অম্বৰু (বি.) বস্ত্ৰ, কাপোৰ (পীত অম্বৰু ঢোলে—কে.গো., পীত অম্বৰু ভাসা—পা.হ., পীত অম্বৰু অম্বুদ—ৰু.হ., কাহাকু লেলা হৰি অম্বৰিৰ চোঢ়ি—কে.গো.)

অল্পতে (ক্রি.বিণ.) অলপতে, কম সময়তে (অল্পতে অনাথিনী কয়—কা.দ., তুল.—অল্পতে সিজিব প্ৰয়োজন—কী.ঘো.)

আ

আ বৰ্ণমালাৰ দুই সংখ্যাৰ আখৰ।

আঃ (ভা.অব্য.) আনন্দ, নিন্দা, কোপ, পীড়া, তৰ্জ্জন গৰ্জ্জন, গৰিহণা সূচক শব্দ (আঃ সে শ্ৰীৰামচন্দ্ৰ মিলল—ৰা.বি., আঃ হামাৰ ভগিনি ৰুক্মিণী—ৰু.হ, আঃ হামো সব স্ত্ৰীতো অধম ভেলো—প.প্ৰ., আঃ হামো আজুসে জানলো—ভৃ.হ.)

আ-আহ্ স.ধা.—(আ + ইছু প্ৰত্যয়—আইছু—আহিছোঁ, আছোঁ (ক্রি.প্ৰ.পু.)—নিতে আইছু নিতে যাইছু—কো.খে.—আ + ইল, ইলা = আইল, আইলা—ক্রি.তৃ.পু. = আহিল—আইলা সবে কৌতূহলে—ভো.বে., আইলা হৰিৰ কাছে—ভৃ.হ.,—আ + ইলো = আহিলো—ক্রি.প্ৰ.পু. = আহিলো = মোৰ ঘৰ বুলি আইলো—পি.গু. বোলা কাহু আইলো—কে.গো., আ + ইলা = ক্রি.দ্বি.পু. = আহিলি, আহিলা = আইলা কি কাৰণে—পি.গু., আ +ইস = অনু.দ্বি.পু. = আইস = আহ, আঁহা, আহক =সাজিয়া আইস সকালে—ভো.বে., চল আইস যাঞু বৃন্দাবনে—ব.গী. আ +ইসে =ক্রি.তৃ.পু. = আহে,

আহিছে = আইসেশুনা বংশীৰ ধ্বনি—ব.গী., আ+ৱ = অনু.দ্বি.পু. =
আৱ = আহ, আহা, আহক = তোহো সত্বৰে আৱ—পা.হ., অ.ভ., চো.ধ.,
কো.খে. (ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ দ্ৰষ্টব্য)

আ-উপস = আ+চৰ্ ধাতু+য় = ক্ৰি.তৃ.পু. =
আচৰয় = বহুত বিঘিনি আচৰয়—ৰা.বি., আ+চৰ্+ল—ক্ৰি.তৃ.পু. =
আচৰল = আচৰণ কৰিলে—ঘোৰ অপৰাধ আচৰল—কা.দ.,
আ+চৰ্+ল—ক্ৰি.দ্বি.পু. =আচৰিলি, আচৰিলা =বহুত পাপ আচৰল—
ৰা.বি., আ+চৰ্+লো =ক্ৰি.প্ৰ.পু. =আচৰিলো = পৰম অপৰাধ
আচৰলো = কে.গো., ৰা.ৱু., (ব্যাকৰণ দ্ৰষ্টব্য)

আউৰ বেলি (ক্ৰি.বিণ.) আকৌ, পুনৰ্ব্বাৰ (আউৰবেলি নাটে—ব.গী.)

আউৰ-আউৰে (বিণ.) পৰস্পৰে, ইজনে সিজনে (আউৰ আউৰে ফাগু—ব.গী.)

আক (সৰ্ব্ব) ইয়াক, ইয়াকে (আক ভাল জানি নাৰায়ণ—ব.গী. তুল.; আক ভাল নমানয়—কী.ঘো.)

আকাৰা (ক্ৰি.বিণ.) আকাৰেৰে, আকৃতিৰে (পংকজ পত্ৰ আকাৰা—ডো.বে.)

আকুলা (বিণ.স্ত্ৰীং) আকুল, বাউলী (হৰি বিৰহানলে আকুলা গোপিনী—ব.গী.)

আকুলি (অস.ক্ৰি.) আকুল হৈ (যশোৱা আৱে আকুলি শোকে—কা.দ.)

আখি (বিণ.) চকু (আঞ্চোৰে আখি মুখ মুচি—ৰা.বি., বাম উৰু কৰ আখি—ৰু.হ.

আখিয়ে (বি.) চকুৱে (তোহাক এ আখিয়ে—ৰু.হ.)

আখি-ভংগ (অস.ক্ৰি.) চকু পচাৰি (হাসি আখিভংগ—ব.গী.)

আখি ভংগলো (অস.ক্ৰি.) চকু টিপিয়াই বা দৃষ্টি নিবন্ধ কৰি (কাহাকু হেৰয়ে হাসি আখি ভংগলো—কে.গো.)

আগ (বিণ.) প্ৰথম, সকলোতকৈ আগ (তথাপি বুঢ়াসে আগ—ব.গী.)

আগকু (ক্ৰি.বিণ.) আগলৈ, সমুখলৈ (ভৰি আগকু বাঢ়য়ে নাহি—কে.গো.)

আগবাঢ়ি গিয়া (অস.ক্ৰি) আগবাঢ়ি গৈ (ভৰি পাঞ্চ সাত আগ বাঢ়ি গিয়া—ৰু.হ.

আগ কৰিএ / আগকৰি (স., অস.ক্ৰি.) আগত লৈ (ধেনু সব আগ কৰিএ—কা.দ., ধেনু বৎস আগ কৰি—ব.গী.)

আগভেণ্টি (অস.ক্ৰি.) আগভেটি ধৰি, আগচি (ৰহ ৰহ বুলি আগভেণ্টি—কা.দ.)

আগৰ (বি.) অগৰু (আগৰ চন্দন ঘসল—কে.গো.)

আগহি (বিণ.) আগত, সমুখত (আগহি নিজ তনয়কু দেখি—অ.ভ.)

আগহি (ক্রি.বিণ.) পূৰ্ব্বতে, আগতে (আগহি নাৰদ হৰি গুণ গাৱে—পা.হ., আগহি লেহু জীউ—ক.হ.)

আগি (বি.) জুই, জুয়ে (হৃদয়ে দহে আগি—ৰা.বি., বিৰহে দহে আগি—ক.হ., দেখিতে দহে আগি—কা.দ., দহে কাম আগি—কে.গো., তনু জ্বলে আগি—ব.গী.)

আগিয়া (বি.) অগ্নিয়ে জুয়ে (দহে দেহা সব আগিয়া—প.প্র.)

আগু (ক্রি.বিণ.) আগে আগে, (সুৰভি চলয়ে আগু—ব.গী.)

আগু (বিণ.) আগত, সমুখত (কয়লি আগু দণ্ড পৰনাম—প.প্র., পৰিয়ে হৰিকু আগু—কা.দ., তোহাৰি চৰণকু আগু—ৰা.ঝু., হামাকু আগু কোন হয়—পা.হ., তঞি দেখনা অন্তক আগু—ব.গী.)

আগু (বিণ.) আগলৈ, সমুখলৈ (বাঘক আগু যাই যচ ছাগ—কে.গো.)

আগু (অব্য.) আগৰ পৰা, সমুখৰ পৰা (হামাকু আগু কাহা যার—পা.হ.)

আগু-পাছু (ক্রি.বিণ.) আগ-পিছ, আগ-পাছ (তদনন্তৰ গোপী সব আগু পাছু চাই—কে.গো.)

আগুৰিয়ে (অস.ক্রি.) আগচি, আগভেটি ধৰি (বাৰম্বাৰ আগুৰিয়ে—কো.খে.)

আগু হুয়া (অস.ক্রি.) আগবাঢ়ি, আগ হৈ (তোহো আগু হুয়া চলহ—ক.হ., পা.হ.)

আগে (বিণ.) আগত, সমুখত (যশোৱাক আগে—ভূ.লো., তাৰা সবক আগে—প.প্র., হামাৰ আগে খানিক—ৰা.বি., পাপীৰ পুনু আগে—ব.গী.)

আগে (বিণ.) আগলৈ, সমুখলৈ (মাৱৰ আগে যাইবো—ব.গী.)

আগে (ক্রি.বিণ.) আগেয়ে, প্রথমতে (আগে ঘৰ মাৰো চাত্রু—অ.ভ.)

আগে পাছে (ক্রি.বিণ.) আগত আৰু পাছত (চলে আগে পাছে—ব.গী.)

আগো (সম্বো.অব্য.) হেৰ, হেৰা, হেৰি (আগো মাঞি তোহাৰ তনয় যদুমণি—ব.গী.)

আঙ্কোৱালি (অস.ক্রি.) সাবটি, সাবট মাৰি ধৰি (কেহো আঙ্কোৱালি তুলি—ক.হ.)

আঙ্গুলা (বি.) আঙ্গুল (আঙ্গুলা দোহো মানে—অ.ভ., তুল.—তথাপি আঙ্গুলা দোহো—কী.ঘো.)

আচৰি (অস.ক্রি.) আচৰণ কৰি, পালন কৰি (যব তপ জপ আচৰি—পা.হ.)

আচৰিয়ে (অস.ক্রি.) আচৰণ কৰি, পালন কৰি (বহুত তপ আচৰিয়ে—ৰা.বি.)

আচৰিয়া (অস.ক্রি.) আচৰণ কৰি (আপোন ইছায়ে পাপ আচৰিয়া—ব.গী.)

আচৰ্য (বিণ.) আশ্চৰ্য্য, আচৰিত (পৰম আচৰ্য হুয়া—ৰা.বি.)

আচাৰি (অস.ক্রি.) আচাৰ মাৰি (মাটিত আচাৰি পেলাই—অ.ভ.)

আচাৰি (বি.) সৎ আচৰণ কাৰী (আচাৰি অনাচাৰী—কে.গো.)

আছোক (ক্রি.বিণ.) থাকক চাৰি, কৰক চাৰি, হওক চাৰি (আছোক আনক কথন

ছোড়ব—অ.ভ., আছোক মানুষ—ব.গী., তুল.—আছোক মৰিব—কী.ঘো.

আজি (কা.সৰ্ব্ব) চলিত দিন, অদ্য (পলাই আজি যাইবি যথা—অ.ভ., তুল.—আজি জোনো মিলয় প্ৰলয়—কী.ঘো.)

আজিসে (কা.সৰ্ব্ব.—সে অৰ্থে 'হে') আজিহে (হামো আজিসে জানলো—পা.হ.)

আজু (কা.সৰ্ব্ব.) আজি, চলিত দিন (আজু কাহা যাসি—চো.ধ., আজু হামাৰ অযোধ্যাপুৰী—ৰা.বি., গোধূলি আজু—কা.দ., আজু গোপীনাথ—ব.গী.)

আজুসে (কা.সৰ্ব্ব.—সে অৰ্থে 'হে') আজিহে (আঃ হামো আজুসে জানলো—ভূ.হ.)

আটাস (বি.) আটাহ, বিকট চিঞৰ (পৰন পিশাঁচি তেজি আটাস—ৰা.বি., তুল.—কোনে দিলে আটাস—কী.ঘো.)

আটোপ (বিণ.) গভীৰ, গহীন (এ ভব আটোপ অৰণ্য মাঝে—ব.গী.)

আটোপে (ক্ৰি.বিণ.) বলৰ দৰ্পেৰে, বিক্ৰমেৰে (পৰম আটোপে—কা.দ., পুৰঞ্জয় পৰম আটোপে—ৰা.বি. পৰম আটোপে কোপে—পা.হ., পৰম আটোপে সাজিয়ে—ৰু.হ., প্ৰকটি আটোপে—কে.গো.)

আড়ম্বৰে (অস.ক্ৰি.) আড়ম্বৰ কৰি (কালিক মাথে আড়ম্বৰে চড়ল—কা.দ., পৰম আড়ম্বৰে কাচি—ৰা.বি.)

আতমা (বি.) আত্মা—(সবাৰে আতমা হৰি—অ.ভ., হৰি আতমা সবাৰে—পি.গু., আতমা গোবিন্দ—ৰা.ৰু, আতমা ৰাম বিনে—ব.গী., নিৰ্গুণ আতমা ৰূপ—ভ.)

আততাই (বি.) আততায়ী, হত্যা কৰিবলৈ অহা ব্যক্তি (ওহি আততাই দুষ্ট দ্বিজক বধে—ৰা.বি.)

আতি (বিশে.বিণ.) অতিশয়, অত্যন্ত (ইটো পদধূলা আতি—কা.দ., আতি মোহপাশে ছন্ন—ব.গী., আতি অনুপাম—ভ.)

আদি দেৱেৰে (বি.) যাই দেৱতাজনে (নাচতু এ আদি দেৱেৰে—কা.দ.)

আদেসে (অস.ক্ৰি.) অনুমতি পাই, আদেশ পাই (তদনন্তৰ কৃষ্ণক আদেসে—ৰু.হ.)

আধাৰি (বি.) আধাৰ, (সোহি নাৰায়ণ ভুবন আধাৰি—পা.হ.)

আধাৰু (বি.) আধাৰ ধৰোঁতো, ধাৰণ কৰোঁতো (তোহো নিৰঞ্জন যত জগত আধাৰু—অ.ভ., মেৰি প্ৰাণ আধাৰু—ব.গী.)

আধি (বি.) মনৰ দুখ, বেজাৰ আদি (আধি ব্যাধি বিঘাত—ব.গী.)

আন (সৰ্ব্ব.) অন্য, বেলেগ (শ্ৰীকৃষ্ণ আন চিন্তা সব ছোড়ি—ৰু.হ., বান্ধৱ আন নাহি কোই—পা.হ., তোহো বিনে নাহি আন—ব.গী., নাহি মোহি আন কাম—ভ., তুল.—আন চিন্তা সবে পৰিহৰা—কী.ঘো.)

আনক (সৰ্ব্ব.) আন জনক, অন্যক (আছোক আনক কথন ছোড়ব—অ.ভ., তুল.—কোনজনে ভজিবে আনক—কী.ঘো.)

আন দিবসে (বি.) আন এদিনাখন (আন দিবসে দেৱবো—ভূ.লো.)

আনন্দ সিন্ধুৱা (বি.) আনন্দ সিন্ধু (বেকত আনন্দ সিন্ধুৱা—ব.গী.) গী.)

আনন্দা (বিণ.) আনন্দ, হৰ্ষ (দেখত মিলত আনন্দা—ব.গী.)

আনা (সৰ্ব্ব.) অন্য, আন, বেলেগ (বিনে হৰি ভকতি তৰণি নাহি আনা—ব.গী.)

আনি (অস.ক্রি.) লৈ আহি, আনি (তাহেক ৰত্ন চূড়ামণি আনি—কে.গো., দিলা আনি তাৰে—ভৃ.লো., সাফলল বাণী জানি আনি—ৰা.বি., ঘৰে আনি ধৰিয়া—ব.গী.)

আনিয়া (অস.ক্রি.) আনি, লৈ আহি (এতিক্ষণে আনিয়াদেৱ—পা.হ.)

আনিয়ে (অস.ক্রি.) আনি, লৈ আহি (ৰাজাসবক আনিয়ে—ৰা.বি., দেবতা সবক আনিয়ে—প.প্র., আনিয়ে বাত বোল—ভ.)

আনিকহো (সং.অস.ক্রি.) আনি, লৈ আহি (পাত্র মন্ত্রী জাতিসবক আনি কহো—ক.হ.)

আপন (সৰ্ব্ব.) নিজ, নিজে (সভা এক পাত্র আপন—ভ.)

আপহি আপ (ক্রি.বিণ.) আপোনা আপুনি, নিজকে নিজে (আপহি আপ বহৈছা—ৰা.ষু.)

আপুন (সৰ্ব্ব.) নিজে, নিজৰ (সুন্দৰি সব আপুন—কে.গো., আপুন হাতক বংশী—ভৃ.লো.)

আপুন কেৰি (সৰ্ব্ব.) নিজৰ (যাৱে নাহি জীৱ আপুনকেৰি ছুটেৰে—ব.গী.)

আপুনহি (সৰ্ব্ব.) নিজক, নিজকে (আপুনহি মানি হৰিক পদ দাসা—ব.গী.)

আপুনহি (সৰ্ব্ব.) নিজে, স্বয়ং (আপুনহি দধি দুধ খায়া—ব.গী., আপুনহি নিজৰূপ—ভ.)

আপুনি (সৰ্ব্ব.) নিজে, নিজেই (সাক্ষাতে আপুনি অৱতৰি—ক.হ., আপুনি দধি মথিতে লাগল—অ.ভ.)

আপুনু (সৰ্ব্ব.) নিজেও (আপুনু জলপান কয়ল—প.প্র., আপুনু ভোজন কৰত—অ.ভ.)

আপুনে (সৰ্ব্ব.) নিজে, স্বয়ং (আপুনে জানহ—প.প্র., হামো আপুনে বন্ধন—অ.ভ., তোহো আপুনে মৰল—কা.দ., ব্ৰহ্মাণ্ড পতি হুয়া আপুনে—ব.গী.)

আপুনো (সৰ্ব্ব.) নিজেও (আপুনো জল ভোজন কয়ল—ভো.বে., আপুনো নিজানন্দে পূর্ণ—প.প্র.)

আপে (ব্য.সৰ্ব্ব.) আপোনাক, (জ্ঞানী আতমা আপে—ব.গী.) (অৰ্থ—জ্ঞানীয়ে তোমাক আতমা বুদ্ধি কৰি মানিলে)

আপেখি (অস.ক্রি.) অপেক্ষা কৰি, বাট চাই (কি নিমিত্তে আপেখি ৰহৈছ—ৰা.বি.)

আপোন (সৰ্ব্ব.) নিজক (আপোন উদ্ধৰ—কে.গো.)

আপোন (সৰ্ব্ব.) নিজৰ (আপোন ৰথে তুলিয়ে—ক.হ., আপোন মন কাম—প.প্র., আপোন পুত্রক—অ.ভ., আপোন ভুজবলে—ভ.)

আপোনাক (সৰ্ব্ব) নিজক, নিজকে (আপোনাক ধিক্কাৰ বোলয়—প.প্ৰ.)

আপোনে (সৰ্ব্ব.) নিজৰ (আখিমুখ আপোনে পীতবস্ত্ৰে—কে.গো.)

আফাল (বি.) কোৰ, আঘাত (পেখি তাহেক হৰি কৰি আফাল—কে.গো.)

আফালি (অস.ক্ৰি.) আস্ফালন কৰি (যোহি বিষ হ্ৰদে বাহু আফালি—ক.হ., দোহো বাহু আফালি—কা.দ.)

আবৰি (অস.ক্ৰি.) আবৰণ কৰি, বেঢ়ি ধৰি (উঠি কহো কৃষ্ণক আবৰি—কে.গো., গোপসবে সবহি আবৰি—কো.খে., আবৰি কৌতুকে—কা.দ.)

আবে (কা.সৰ্ব্ব.) এতিয়া, এই সময়ত (আবে তোমাৰ আমাত চাতুৰি—পি.গু.)

আবেসে (কা.সৰ্ব্ব.—সে অৰ্থে 'হে') এতিয়াহে (আবেসে মৰিলো—কা.দ., তুল.—আবেসে জানিলো—কী.ঘো.)

আভাস (বিণ.) সামান্য, নাম মাত্ৰ (সুমৰি নাম আভাস—ব.গী.)

আভীৰ (বি.) গোৱাল জাতি (আভীৰ বালকে বেঢ়ি—ব.গী.)

আমাত (ব্য.সৰ্ব্ব.) মোত, মোৰ ওপৰত (আবে তোমাৰ আমাত চাতুৰী—পি.গু., তুলঃ- তোমাৰ আমাত আছে—কী.ঘো.)

আমি (ব্য.সৰ্ব্ব) মই, আমালোক (তাসম্বাত কৈবা আমি আসিবাৰ কথা—প.প্ৰ., আমি সবে আসিলো লৰৰে—ব.গী., তুল.—নুবুজিলো কিছু আমি—কী.ঘো.)

আমোল (ক্ৰি.বিণ.) গুৰিলৈকে, মূল পৰ্য্যন্ত (আঙ্গুলি ললিত আমোল—ৰা.বি.)

আয় (ভা.অব্য.) আইঔ, ভয় বা দুখেৰে মতা মাত (আয় হৰি হৰি গোপাল—কা.দ.)

আয়তী (বি.স্ত্ৰীং) আইটি, (অনেক সুন্দৰী স্ত্ৰী আয়তী সব সহিত—ক.হ.)

আয়া (অস.ক্ৰি.) আহি, খেদি আহি (কি কৰব সিংহ শূকৰ সব আয়া—ক.হ.)

আয়াগমন (কৃদ.বি.) অহা যোৱা, যাতায়াত (আয়াগমন কাৰণ সব মায়া—ব.গী.)

আয়াজাত (কৃদ.বি.) আয়াযাত, অহা যোৱা (কৰত আয়াজাত—ভ.)

আয়ু (বি.) আয়ুস, জীয়াই থকা কাল (আয়ু আশা দূৰ গেল—কা.দ., মন আয়ু ক্ষণে—ব.গী.)

আৰ (ক্ৰি.বিণ.) আৰু, পুনৰ, আকৌ (আৰ কতি যাসি—ক.হ., অৰুণ চৰণ আৰ—কা.দ., তোহো আৰ কতিহো—অ.ভ., আৰু যদি যাৱা—পি.গু., আৰ নাশুনবো বেণু—ব.গী., তুল.—আৰ নাদেখিবোৰে—কী.ঘো.)

আৰ (সৰ্ব্ব.) আন, অন্য (সাৰ নাহি আৰ—কা.দ., নাহি কহল গতি আৰ—ব.গী.)

আঁৰ (বি.) গোপন, আবৰণ (আঁৰ কৰিয়া থৈয়া—ভূ.হ., হাতক বংশী আঁৰ কৰিয়ে—ভূ.লো.)

আৰকত (বিণ.) আৰক্ত, অলপ ৰঙচুৱা (আৰকত কৰতল—ৰা.বি., আৰকত

আখি চাহে—কে.গো., আৰকত অধৰ—অ.ভ., পদতল আৰকত—প.প্র.)

আৰকি (ক্রি.বিণ.) আৰু কি; পুনৰ্ব্বাৰ (আৰকি পেখবো গোপাল প্রাণ—ব.গী.)

আৰতি (বি.) ভক্তি (তেৰি আৰতি নেপাই—ব.গী.)

আৰবাৰ (ক্রি.বিণ.) পুনৰ্বাৰ, আকৌ, এই বেলি (আৰবাৰ নৰক বধ নিমিত্তে—পা.হ., তুল.—আৰবাৰ দৈত্যক নেদিবা—কী.ঘো.)

আৰা (ব্য.সৰ্ব্ব.) এওঁ, এওঁলোক (আৰা দুই পৰম পুৰুষ—ব.গী.)

আৰার (বি.) শব্দ, আটাহ, চিঞৰ (ঘৰে ঘৰে ফেৰুৱা আৰার কৰে—কা.দ., তুল. –ত্ৰাহি হৰি বুলি আৰার কৰে—কী.গো.)

আৰাৰে (অস.ক্রি.) চিঞৰি চিঞৰি (আৰাৰে কাতৰ কৰে—কা.দ., কহয় আৰাৰে—ৰা.বি.)

আৰাসব (ব্য.সৰ্ব্ব.) এওঁলোক (আৰাসব পৰম মূৰুখ—প.প্র.)

আৰাসব (ব্য.সৰ্ব্ব.) এওঁলোকে (আৰাসব হামাক নপাই—কে.গো.)

আৰাসবৰ (ব্য.সৰ্ব্ব.) এওঁলোকৰ (আৰাসবৰ নাম—ৰা.বি., তথাপি আৰাসবৰ—প.প্র.)

আৰু (অব্য.) ইয়াৰ উপৰিও, অতিৰিক্ত (আৰু মোৱা লাড়ু—ব.গী.)

আৰোপিয়া (অস.ক্রি.) আৰোপ কৰি, নিৰ্ভৰ কৰি (বাহুমূলে আৰোপিয়া—ব.গী.)

আলাস (বি.) এলাহ (তেজিয়ো আলাস—ব.গী.)

আলিঙ্গি (অস.ক্রি.) আলিঙ্গন কৰি, সাবটি ধৰি (হৰি কহো কণ্ঠে আলিঙ্গি বহু—ৰা.ঝু., কৃষ্ণক আলিঙ্গি ধৰল—কে.গো., আলিঙ্গি ধৰিয়ে—ৰু.হ., আলিঙ্গি বোলল—ৰা.বি.)

আলিঙ্গিকহো (সং.অস.ক্রি.) আলিঙ্গন কৰি, সাবটি ধৰি (গোপীক কণ্ঠে আলিঙ্গি কহো—কে.গো.)

আলেজালে (ক্রি.বিণ.) এনেয়ে, অবাবতে, অনাৱশ্যক ভাবে। (আয়ু আলেজালে গৈলা—ব.গী.)

আলো (সম্বো.অব্য.) হেৰৌ, হেৰা, হেৰি (আলো মাঞি গালি তুমি—পি.গু., কিৰিৰি কৰ আলো মনাই—ব.গী.)

আলোলা (বিণ.) আলসুৱা, আলৌ লৌৱা (তথি আলোলা ব্রাহ্মণ—ৰু.হ.)

আৰে পেখিয়ে (সং.অস.ক্রি.) অহা দেখি (আৰে পেখিয়ে গজ কুবলাই—ভ.)

আৰৰ (বিণ.) আৰু, অধিক (আৰৰ অদভুত দেখলো—অ.ভ., আৰৰ খে—কো.খে., শাসন নাশন কাৰণ আৰৰ—ব.গী.)

আৰৰ (বিণ.) পুনৰ, সিবাৰ (আৰৰ জনমে—ৰা.বি.)

আৰবি (যো.অব্য.) আৰু, দ্বিতীয় জন (মোহোসম সৌভাগিনি আৰবি নাহি—পা.হ., হেৰব আৰবি হৰিকো নাহি—ৰু.হ., দেখলো আৰবি—ভূ.হ.,

হামাক আৱৰি নাহি লাগে—ৰা.ব্ৰু., গতি আৱৰি নাই—ৰা.বি., নিৰয় নিবাৰ আৱৰি নাহি—ব.গী., পিতৃমাতৃকহো আৱৰি নন্দ—ভ.)

আৱি (বি.) আয়ু, আয়ুস (কৰতহু পাপ সমাপল আৱি—ব.গী.)

আশ, আস (বি.) আশা, অভিলাষ (প্ৰাণ পীউ আশ—ক.হ., অব সব পূৰল আশ—ৰা.বি.)

আশাই (অস.ক্ৰি.) আশাকৰি (পৰতিৰী পৰধনৰ আশাই—ব.গী.)

আশে, আসে (অস.ক্ৰি.) আশা কৰি (তোহেক আশে—ৰা.ব্ৰু., কমল মধু আশে—অ.ভ., হামাতেসে আশে গোপী—ব.গী.)

আশেস (বিণ.) অশেষ, অন্তহীন (চাড়ল নগৰ গিৰি অৰণ্য আশেস—ক.হ., তুল. —আশেষ ক্ৰীড়িলা—কী.ঘো.)

আশোৱাস (বি.) আশ্বাস, সান্ত্বনা (কুমাৰিক আশোৱাস বুলিয়ে বচন—ক.হ.)

আসঙ্গ (বি.) আসৈ (দুৰ্জ্জন বানৰে দিলা আপুনি আসঙ্গ—ভূ.লো.)

আসি (অস.ক্ৰি.) আহি (ধৰল হৰি আসি—অ.ভ., কোনে আসি হামাক—কা.দ.)

আসিয়া (অস.ক্ৰি.) আহি (পাইলা দ্বীপ ভাৰতে আসিয়া—ব.গী.)

আসিয়ে (অস.ক্ৰি.) আহি (খীৰ উতাৰি আসিয়ে—অ.ভ., আসিয়ে কৌতুকি—ক.হ., আসিয়ে গোপিনী—কা.দ.)

আসিকহো (সং.অস.ক্ৰি.) আহি (ঘৰে আসি কহো—ভূ.হ., বাদ্য ভণ্ডে আসি কহো—ক.হ., খেদি আসি কহো—কা.দ., কৌসিক আসি কহো—ৰা.বি.)

আসিবাৰ (কৃদ.বি.) আহিবৰ, অহাৰ, আগমনৰ (তাসম্বাত কৈবা আমি আসিবাৰ কথা—প.প্ৰ.)

আহাৰ (সৰ্ব্ব.) এওঁৰ, ইহঁতৰ (আহাৰ লগতে বৃক্ষে—ডো.বে., তুল.—আহাৰ বিৰোধে—কী.ঘো.)

আহে (সম্বো.অব্য.) হেৰি, হেৰা (আহে মাগ্ৰি যশোদে—ভূ.হ., আহে সামাজিক লোক—সকলো নাট, আহে জগন্নাথ—ব.গী.)

আহেক (সৰ্ব্ব.) এওঁক, ইয়াক (আহেক ঐছন অৱস্থা—অ.ভ., আহেক ৰক্ষা কৰহ—পা.হ., আহেক তোহো—ৰা.বি., আহেক চোৰ বোলসি—চো.ধ., আহেক খণ্ডগ—কা.দ.)

আহেৰ (সৰ্ব্ব.) এওঁৰ, ইয়াৰ, এইটোৰ (আহেৰ কথনে মথনে কৰয়—ৰা.বি.)

আহেৰি (সৰ্ব্ব.) ইয়াৰ, এইখনৰ (পাৰিজাত হৰণ আহেৰি নাম—পা.হ.)

আগ্ৰহি (অস.ক্ৰি.) আহৰণ কৰি, আগ্ৰহ কৰি (সৰ্ব্বস্ব আগ্ৰহি লৈয়া—প.প্ৰ.)

আঞ্চল (বি.) আঁচল, কাপোৰৰ আগটো (সম্মান কয় আঞ্চল পাতি—কে.গো., তোহাৰি আগু আঞ্চল পাতি—কা.দ., নেতেৰ আঞ্চল খানি—ব.গী., তুল.—আঞ্চল পাতি স্বামী দান মাগে—কী.ঘো.)

আঞ্চোৰ (বি.) আঁচল, কাপোৰৰ আগটো (আঞ্চোৰ পাতি কৰ যোৰি—ৰা.বু., আঞ্চোৰ পাতি মাগো—কে.গো.)

আঞ্জলি (বি.) আঁজলি (ফাগু মাৰে আঞ্জলি ভৰিয়া—ব.গী.)

আঞ্জুৰি (বি.) আঁজলি (মাগে আঞ্জুৰি জুৰি হাত—পা.হ., আঞ্জুৰি জুৰি—ৰা.বু.)

আঞ্জুলি (বি.) আঁজলি (আঞ্জুলি ভৰি বৰিষে—ক.হ.)

আণ্ট (বি.) আঁটি, নাড়ি, শিৰ (শুখাই গৈল আণ্ট—ব.গী., তুল.—শিৰত মেহ্রাইল আণ্ট দুই—কী.ঘো.

আণ্টয়ে নাহি পাৰি (সং.অস.ক্রি.) বলে নোৱাৰি, ঘটুৱাব নোৱাৰি (উত্তৰে আণ্টয়ে নাহি পাৰি—চো.ধ.)

আণ্ঠুকুড়ি (বি.স্ত্রীং) কাঠবাজী, নিঃসন্তান (আছিলা জনম আণ্ঠুকুড়ি—পি.গু.)

আন্দোল (কৃদ.বি.) আন্দোলন, হেন্দোলনি (উর্ম্মি উথলি আন্দোল মিলল—কা.দ., ধৰঁমাৰ ৰোল আন্দোল —ৰা.বি.)

আন্ধা (বিণ.) আন্ধাৰ, অন্ধকাৰ (ভয়ো গোপপুৰ আন্ধা—ব.গী.)

আন্ধা (বি.) অন্ধ, দৃষ্টিহীন (হামো গোপিনী আন্ধা—কে.গো., দেখি নেদেখস আন্ধা—ব.গী.)

আন্ধাৰি (বিণ.) আন্ধাৰ, অন্ধকাৰ (দিশ দশ দিবসে আন্ধাৰি—ব.গী.)

আন্ধিয়াৰি (বিণ.) আন্ধাৰ, অন্ধকাৰ (দিশ দশ দেখু আন্ধিয়াৰি—কে.গো., ক.হ., ৰা.বি., গোপাল বিনে ভয়ো আন্ধিয়াৰি—ব.গী.)

আৰ্ত্তৰাৱ (বি.) চিঞৰ বাখৰ, আটাহ (আৰ্ত্তৰাৱ শুনিয়ে—কা.দ.)

আৰ্ত্তৰাৱে (অস.ক্রি.) চিঞৰি, আটাহ পাৰি (আৰ্ত্তৰাৱে ক্রন্দন কয়ে লাগল—কে.গো., আৰ্ত্তৰাৱে মাটি লুটি—কা.দ.)

আম্দাসক (বিণ.) আবদাৰ বেচি, অধিক (আজু আম্দাসক সময় নাহি হয়—অ.ভ.)

আস্ফোট (বিণ.) আস্ফালন, আঘাত (শ্রীকৃষ্ণ আস্ফোট কয়—কা.দ.)

আহুতি (বি.) হোম কাৰ্য্য (স্বহস্তে আহুতি কৰিয়ে—ক.হ.)

ই

বৰ্ণমালাৰ তিনি সংখ্যাৰ আখৰ।

ই (সৰ্ব্ব.) এই, এয়া, এইটো (ই কথা বহোক—ক.হ., আৰু আন নাট, ই কোন বিহাৰ—ব.গী., পাত্ৰমধ্যে ই কথা পোছ—ভ.)

ইছা (বি.) ইচ্ছা, অভিলাষ (শুনা সাধুজন যাকেৰি ইছা—ক.হ., বহুত ইছা হুয়াছে—অ.ভ., স্বামী ইছা কয়—ৰা.বি., ইছা কৰো—ব.গী.)

ইছাএ, ইছায়ে (ক্রি.বিণ.) ইচ্ছামতে, ইচ্ছা অনুসৰি (আপোন ইছায়ে পাপ আচৰিয়া—ব.গী.)

ইজানিয়া (অস.ক্রি) ইয়াকে জানি, বুজি (ইজানিয়া কৰিলো ভাৰসা—ব.গী.)

ইটো (সৰ্ব্ব.) এই, এইটো, এইখিনি (ইটো দণ্ডে স্বামী—কা.দ., ইটো আতি বিদিত—ব.গী.)

ইদানিক (ক্রি.বিণ.) এতিয়া, সম্প্রতি (ইদানিক তুমি—প.প্র.)

ইবাৰ (ক্রি.বিণ.) এইবাৰ, এইবেলি (ইবাৰ পাৰিজাত আনি—পা.হ., মোকে ইবাৰ করুণা কৰা—ব.গী., তুল.- ইবাৰ করুণাময়—কী.ঘো.)

ইবেৰি (ক্রি.বিণ.) এইবেলি, এইবাৰ (তাৰু তাৰু তাৰু ইবেৰি নাৰায়ণ—ব.গী.)

ইসব (সৰ্ব্ব.বহু.) এইবিলাক, এইবোৰ (তোহো ইসব বৃত্তান্ত—ৰু.হ., ইসব জানিয়া হৰি—ভৃ.হ., ইসব বৈৰিৰ সঙ্গ—ব.গী.)

ইসে (সৰ্ব্ব.) এইটোৱেহে, এয়াইহে (ইসে মোৰ পাইলে বৰদুখে—ব.গী.)

ইহা (সৰ্ব্ব.) এই, এইটো, (ইহা হামো জানো—ৰা.বি.)

ইহা (ক্রি.বিণ.) ইয়ালৈ, (বনমধ্যে ইহা আৱল—কে.গো.)

ইহাজানি (অস.ক্রি.) ইয়াকে জানি, (ইহাজানি নিৰন্তৰে হৰিবোল হৰিবোল—সকলো নাট)

ইহাক (ব্য.সৰ্ব্ব.) ইয়াক, এওঁক (ইহাক সম্বৰণ কৰিতে—ৰা.বি., বিহিলা ইহাক হৰি—কা.দ., ইহাক দেখিয়ে—অ.ভ.)

ইহাক (ক্রি.বিণ.) সেই কাৰণে, সেই নিমিত্তে (ইহাক চিন্তা নাহি নাথ—কা.দ.)

ইহাক (ব্য.সৰ্ব্ব.) ইয়াৰ, এওঁৰ (ইহাক শাতি—অ.ভ.)

ইহাত (অব্য.) সেই সম্পৰ্কে, ইয়াত (ইহাত কিছু শঙ্কা নাহি—ৰা.বি.)

ইহাত (স্থা. সৰ্ব্ব.) এই ঠাইত, ইয়াত (ইহাত বাধা চোৰ বাঢ়লি— ভৃ.হ.)

ইহাৰ (ব্য.সৰ্ব্ব.) এওঁৰ, এখেতৰ (ইহাৰ দোষ মৰস গোসাঞি—ৰা.বি, তুল. বিহিলা ইহাৰ উচিত—কী.ঘো.)

ইহাৰি (ব্য.সৰ্ব্ব.) এওঁৰ, এখেতৰ (ইহাৰি গৃহে ভকতিক বশ্য হুয়া—অ.ভ.)

ইন্দু (বি.) চন্দ্ৰ, জোন (বদন ইন্দু মদন—ৰা.বি., বদন ইন্দু ৰুচি—ৰু.হ., কুমুদ কুল ইন্দু—ভ.)

ঈ

ঈ বৰ্ণমালাৰ চাৰি সংখ্যাৰ আখৰ।

ঈৰিষা (বি.) ঈৰ্ষা, খিয়াল (ঈৰিষা অসূয়া হিংসা—ব.গী., তুল. ঈৰিষা অসূয়া—কী.ঘো.)

ঈসত (বিণ.) ঈষৎ, অলপ, কিঞ্চিৎ (ঈসত হাসা—কে.গো., ৰু.হ., ঈসত হাসি—ৰা.বি.)

উ

উ বৰ্ণমালাৰ পাঁচ সংখ্যাৰ আখৰ।

উচ (বিণ.) উচ্চ, ওখ (উচ কুচ কৰু খত— কে.গো. তুল.—উচ কুচ কুম্ভ হোৱে—কী.ঘো.)

উচল (বিণ.) উচ্চ, উন্নত, ওখ (উচল খোপা কুসুমে ৰঞ্জি কেশ— অ.ভ.)

উচঙ্ক (বি.) শঙ্কা, সন্দেহ, লাজ (হেৰিয়ে ভুজ যুগ মিলল উচঙ্ক— ৰা.বি.)

উচ্চৰি (অস.ক্রি.) উচ্চাৰণ কৰি (উচ্চৰি যাকেৰি নাম— কা.দ.)

উচান (বিণ.) উচ্ছন্ন, নষ্ট, ধ্বংস, নিৰ্ম্মূল (কৰবি ম্লেচ্ছ উচান— কে.গো., ভয়ো গোকুল উচান— ব.গী.)

উচায়া (অস.ক্রি.) ভাঙি, তুলি (উচায়া পাঞ্চনি ধাই— ব.গী.)

উচায়া (ক্রি.বিণ.) উচ্চকৈ, ওখকৈ। (উচায়া পঞ্চম পুৰি—কে.গো., উচায়া পঞ্চম পুৰে—ব.গী.)

উচাৰি (অস.ক্রি.) উচ্চাৰণ কৰি (চতুৰ বয়নে ঘনবেদ উচাৰি— ক.হ., যাকেৰি নাম উচাৰি— পা.হ.)

উছৱ (বি.) উৎসৱ, আনন্দজনক ব্যাপাৰ (চৌদিশে উছৱ— ৰা.বি.)

উছৱে (ক্রি.বিণ.) উৎসৱেৰে, উৎসৱ সহকাৰে (পৰম উছৱে— ৰা.বি., তুল. —উছৱে নাচিল— কী.ঘো.)

উছাহ (বি.) উৎসাহ (সুৰ পুৰে মিলল উছাহ— ৰা.বি.)

উছাট (বিণ.) উচপিচ, ব্যাকুলতা, উচাপ খোৱা কাৰ্য্য (আশ্রম যাইতে ঋষিক উছাট— ৰা.বি.)

উছাটন (বিণ.) ওভোটাই পেলোৱা কাৰ্য্য (শকট উছাটন কয়ল— অ.ভ.)

উছুক (বি.) উৎসুক, উৎসাহ, আনন্দ (দেখি দেৱক উছুক বহুল— পা.হি.)

উছুকি (অস.ক্রি.) উৎসাহিত হৈ (বাসুকি উছুকি— ক.হ.)

উছুকে (ক্রি.বিণ.) উৎসুক্যেৰে, উৎসাহেৰে, উৎসাহ সহকাৰে (জগ জীউ উছুকে চললি— ক.হ., পৰম উছুকে—কে.গো., উছুকে ৰাজ সভা— ৰা.বি., ভুঞ্জিলা উছুকে— ভূ.লো.)

উজণ্টি, উৰাণ্টি (বি.) ভৰি আঙুলিত পিন্ধা এবিধ ওভোটা আঙঠি— (মাণিক উজণ্টি আঙুলিত— প.প্র., ৰতন উজণ্টি— ভ., তুল. উজণ্টি ষত— কী.ঘো.)

উজৰ (বিণ.) উজ্জ্বল, প্ৰকাশিত, উদ্ভাসিত (চতুৰ উজৰ কৰ— ব.গী.)

উজল (বিণ.) উজ্জ্বল (উজল কৰু বেশ— অ.ভ., কিৰীটি উজল— ভ., কী.ঘো., তুল.)

উজৰিত
উজলিত (বিণ.) উজ্জ্বলিত, দীপ্তিমান (চাৰু অংগ উজৰিত— ব.গী.)

উজাৰ (বিণ.) উন্মত্ত, উজাৰ খোৱা কাৰ্য্য (খসল বাঘাম্বৰ বৃষভ উজাৰ— ক.হ.)

উজুৰি (বিণ.) উজ্জ্বল, পোহৰ (বিজুৰি উজুৰি দেখ নেদেখা— ৰা.বি., উজুৰি মিলাৱত—ব.গী.)

উজোৰ (বিণ.) উজ্জ্বল, প্ৰকাশ (উজোৰ তচু সংগ— ক.হ., বিজুৰি উজোৰ— ৰা.বি., বয়ন চান্দ উজোৰ. ব.গী., কিৰীটি কেয়ূৰ উজোৰ— ভ.)

উজোৰা (বিণ.) উজ্জ্বল, প্ৰকাশ (বিজুৰি উজোৰা— প.প্ৰ.)

উঠলি (অস.ক্ৰি.) উতলি (হ্ৰদক উৰ্ম্মি উঠলি— কা.দ., সে উঠলি পৰয়— অ.ভ.)

উঠাই (অস.ক্ৰি.) তুলি, ভাঙি (বাম মুঠি উঠাই— ভ.)

উঠি (অস.ক্ৰি.) উত্থিত হৈ (যৈচে উঠি বৈঠল— কা.দ., আৰু সকলো পাঠ)

উঠিয়া (অস.ক্ৰি.) উঠি (হুৰ দেখ উঠিয়া আসিল—ব.গী.)

উঠিএ,
উঠিয়ে } (অস.ক্ৰি.) উঠি (নিশা ভাগে উঠিয়ে— অ.ভ.)

উঠিকহো (অস.ক্ৰি.) উঠি (কৌতুকে উঠি কহো— ৰা.বি., উঠিকহো আনন্দ মূৰ্ত্তিক— প.প্ৰ., উছুকে উঠিকহো — কে.গো.)

উতপল (বি.) উৎপল, ভেটফুল (কৰতল উতপল ৰাতা— ৰা.বি., কৰদোহো উতপল ৰাতা— প.প্ৰ., নীল উতপল— ভ.)

উতপাত (বি.) উৎপাত, বিপদ, বিঘিনি (কয়লি পুনু উতপাত— ৰা.বি., কৰ্মন উতপাত গোকুলে মিলল— কে.গো.)

উতাৰি (অস.ক্ৰি.) তুলি, নমাই থৈ (খীৰ উতাৰি আসিয়ে মাঞি— অ.ভ.)

উতাৰিয়ে (অস.ক্ৰি.) দলিয়াই দি (সব উতাৰিয়ে— ভ.)

উৎপাতক (বি.) নাশকৰোঁতা (পাপ মূল উৎপাতক— ক.হ., উৎপাতক দুখ মূল— কা.দ.)

উৎপাতি (অস.ক্ৰি.) উঘালি, নাশ কৰি (কোপে শাল বৃক্ষ উৎপাতি— কে.গো.)

উত্তাৰি (বি.) উদ্ধাৰ কৰোঁতা (ক্ষিতিতল ভাৰ উত্তাৰি— ভ.)

উদাম (বিণ.) উদাৰ, সবল (চৰিত উদাম— ভ.)

উদাস (বিণ.) মুকলি, উদং (মুকুতি কয়লি উদাস— ভ., তুল.,— ভৈল তনু উদাস— কী.ঘো.)

উদিশ, উদিস (বি.প.) উৱাদিহ, সন্দেহ (ভায়াৰে উদিশ— ভো.বে.).

উনমত (বিণ.) উন্মত্ত, হিতাহিত জ্ঞানহীন (কতিহো উনমত মনে— কে.গো.)

উনিকৰ (ব্য.সৰ্ব্ব.) এওঁৰ, এখেতৰ, তেওঁৰ, তেখেতৰ। (উনিকৰ মন পুৰিয়ে— ক.হ., উনিকৰ বচনে সঞ্জাত,. পা.হ., উনিকৰ মুখহি সাখী— চো.ধ.,

উনিকৰ দুৰ্জ্জন ভাৱ— কে.গো.)

উপতাপ (বি.) উৎপাত, সন্তাপ, উন্ডভ্ডালি। (কয়লি বড়ি উপতাপ— পা.হ.)

উপমুৱা, উপামুৱা (বিণ.) উপমা, তুলনা (তবহু কৈছে উপমুৱা— ব.গী.))

উপযোগা,উপজোগা (বিণ.) উপযোগী, উপযুক্ত (ছোড়ি ৰাম নাম অমিয় উপযোগা— ব.গী.)

উপাই (বি.) উপায়, প্ৰতীকাৰ (কমন উপাই পাই পুনু— ক.হ., শঙকৰ কহতু উপাই— ব.গী.)

উপাঙগ (বি.) কৰতাল, এবিধ বাদ্য (শিঙগা উপাঙগ বেণু মুহ— ভো.বে., মন্দিৰা উপাঙগ— ব.গী.)

উপাম (বিণ.) অনুপম, উপমাহীন, তুলনাহীন (কৃষ্ণ কিঙকৰ কহ ধৰম উপাম— প.প্ৰ., নাহিকে উপাম—ভ.)

উপামা (বিণ.) উপমাহীন, তুলনাহীন (সোহি কৃষ্ণক নাট উপামা— পা.হ., বিট কীট উপামা— ব.গী.)

উপাৰি, উপাড়ি (অস.ক্ৰি.) উঘালি (পাৰিজাত তৰু সমূলে উপাৰি— পা.হ.)

উপাৰিয়ে, উপাড়িএ (অস.ক্ৰি.) উঘালি (উপাৰিয়ে দন্তা— ভ.

উপালম্ভ (বি.) অসন্মান, উপলুঙা, মানহানী (কি উপালম্ভ ভেলি— ৰা.বি., হাসিয়ে উপালম্ভ বোলব— অ.ভ.)

উপেখিয়া (অস.ক্ৰি.) এৰি থৈ, ত্যাগ কৰি, অমান্য কৰি (চলে সচকিতে পতিসুত উপেখিয়া— কে.গো.)

উফৰি (অস.ক্ৰি.) আচাৰ খাই, আঁতৰি (লাড়িতে নপাৰি উফৰি পৰল— ৰা.বি., কৃষ্ণক ছাড়ি উফৰি পৰল— কা.দ.)

পটাপোক (বি.) পটাগুটি (পটাপোক হানি— অ.ভ.)
পটাম্বৰ (বি.) পাটৰ কাপোৰ (পহিৰিয়ে পটাম্বৰ— ক.হ., পীত পটাম্বৰ— ভ.)
পঠাই (অস.ক্রি.) পঠিয়াই, পঠাইদি (দূত পঠাই ৰাজা— ৰা.বি.)
পঠাইকহো (সং.অস.ক্রি.) পঠিয়াই, পঠাইদি (বিপ্ৰক আগু পঠাই কহো—ক.হ.)
পঢ়ি (অস.ক্রি.) পাঠকৰি (পঢ়ি পুনু ভাট— ক.হ., পঢ়িপুনু মৰম নজানি— ব.গী.)
পতনি } পতনী } (বি.স্ত্রী.) পত্নী, ভাৰ্য্যা (হামো তোহাৰ প্ৰথম পতনি— পা.হ., মাতু পিতু পতনি তনয়া— ব.গী., পতনিধন— ভ.)
পতিয়া (বি.) পত্ৰ, চিঠি (এক পতিয়া লিখি— ক.হ.)
পতিতগতি (বি.) পতিতৰ গতি দাতা (তোহো পতিতগতি—ব.গী.)
পতি ভাৱে (সং.অস.ক্রি.) স্বামী বুলি ভাবি (তোহাক পতি ভাবে বৰৈছি— ক.হ.)
পতিৱায়া (কৃদ.বি.) পতিয়ন, প্ৰত্যয়, বিশ্বাস (যব মোহি বাক্য নাহি পতিৱায়া— পা.হ.)
পত্ৰে (বি.) পাতে, পাতবোৰে (পদ্মৰ চকাক পত্ৰে— ভো.বে.)
পথালি (বিণ.) থিয় বা দীঘৰ বিপৰীত, আগ ভেটা (চলিতে উড়ল পথালি হুয়া— অ.ভ.)
পথে পথে (ক্রি.বিণ.) বাটে বাটে (পথে পথে যশোরা— চো.ধ.)
পদনখ (ক্রি.বিণ.) ভৰিৰ নখলৈকে (পদনখ পৰসি— ভ.)
পদৰেণুৱে (বি.) পদধূলিয়ে (তোহাৰি পদৰেণুৱে— ক.হ.)
পদাৰস (বি.) ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ (পাই পদাৰস চাৰি— পা.হ., দাতা পদাৰস চাৰি— ব.গী., পাৰত চাৰি পদাৰস— ভ.)
পদুমিনি (বি.স্ত্রীং.) পদ্মিনী, (ত্ৰিভুবন মোহিনী পদুমিনি— ৰা.বি.)
পয়ান (বি.) প্ৰয়াণ, প্ৰস্থান, গমন (কয়লি পয়ান যদুৰাই— পা.হ.)
পয়ানা (বি.) প্ৰয়াণ, প্ৰস্থান, গমন (সমদলে কয়লি পয়াণা — ব.গী.)
পয়ানে (অস.ক্রি.) প্ৰয়াণ কৰি, যাত্ৰা কৰি (প্ৰিয়াক সহিতে পয়ানে চলৈছে— পা.হ.)
পৰ (সৰ্ব্ব.) পৰৰ, আনৰ (তোহো সব পৰ উপকাৰি— কে.গো., পৰ তিৰি পৰ ধনৰ আশাই— ব.গী.)
পৰ (সৰ্ব্ব.) পৰক, আনক (পৰ উপদেশে পণ্ডিত— প.প্ৰ.)
পৰকাৰে (ক্রি.বিণ.) প্ৰকাৰে, দৰে (ওহি পৰকাৰে, ঐছন পৰকাৰে— সকলো নাট.)

পৰকাস, পৰকাশ (বি.) প্ৰকাশ, পোহৰ (চিৰ পীত পৰকাস— ৰা.বি., দসন পৰকাস— প.প্ৰ., কুসুম পৰকাস— কে.গো., শঙ্কৰদেৱৰ পৰকাস— ভ.)

পৰকাসি, পৰকাশি (অস.ক্ৰি.) প্ৰকাশ কৰি (তাৰবি লোক বিনোদ পৰকাসি— অ.ভ., পৰমানন্দ লীলা পৰকাসি— চো.ধ.)

পৰকাসি, পৰকাশি (বি.) প্ৰকাশক, প্ৰকাশ কৰোঁতা (শাৰদ ইন্দু নিন্দি পৰকাসি— কে.গো., ইন্দু নিন্দি পৰকাসি— ব.গী.)

পৰকাসিত (কৃদ.বিণ.) প্ৰকাশিত (তথি পৰকাসিত— পা.হ.)

পৰখি (অস.ক্ৰি.) স্পৰ্শ কৰি (পদ পঙ্কজ শিৰে পৰখি— ভো.বে.)

পৰচণ্ড (বিণ.) প্ৰচণ্ড (উৰৱে ৰহ ৰবিকৰ পৰচণ্ড— পা.হ.)

পৰচাৰ (বি.) প্ৰচাৰ (কয়লি বহু পৰচাৰ— ভ.)

পৰতেক (ক্ৰি.বিণ.) প্ৰত্যক্ষে (পৰম্পদ পৰতেক— ব.গী.)

পৰধান (বিণ.) প্ৰধান, ঘাই (নাট পৰধান— ক.হ.)

পৰনাম (বি.) প্ৰণাম (গোপীনাথ কৰো পৰনাম— কে.গো., পৰনাম কয় কহো— অ.ভ., কয়লো পৰি পৰনাম— ৰা.বি., কিছু পৰনাম— ভ.)

পৰনামি (অস.ক্ৰি.) প্ৰণাম কৰি (পৰি পৰনামি— কা.দ., চৰণে পৰি পৰনামি— পা.হ., পৰি পৰনামি— ৰা.বি.)

পৰবেশ, পৰবেস (বি.) প্ৰবেশ, আগমন (ভেলি পৰবেস পৰেশ ৰঘুনাথ— ৰা.বি., দ্বাৰৱতী পুৰি বিপ্ৰ পৰবেস— ক.হ.)

পৰভাত (বি.) প্ৰভাত, ৰাতিপুৱা (নিসি পৰভাত ভেল— ব.গী.)

পৰভাতে (ক্ৰি.বিণ.) প্ৰভাতে, ৰাতি পুৱাতে, নিচেই পুৱাতে (আজু পৰভাতে— প.প্ৰ., পৰভাতে শ্যাম কানু— ব.গী.)

পৰমা (বিণ.) পৰম, শ্ৰেষ্ঠ, উৎকৃষ্ট (পুৰল পৰমা কাম— ৰা.বি.)

পৰমাদ (বি.) প্ৰমাদ, বিপদ (বড়ি পৰমাদ ভেল— ভো.বে.)

পৰমান, পৰমানা (বি.) প্ৰমাণ (কহয় পৰমান— কে.গো., শঙ্কৰ পৰমানা— কে.গো.)

পৰমানি (অস.ক্ৰি.) প্ৰমাণ কৰি (কহত মাধৱ পৰমানি— ব.গী.)

পৰমানি (বি.) প্ৰমাণ, তুল্য (যৈছন অণু পৰমানি— ব.গী.)

পৰৰ (সৰ্ব্ব.) আনৰ, আনলোকৰ (পৰৰ দোষে কেনে আমি— ব.গী.)

পৰল দেখি (সং.অস.ক্ৰি.) পৰা দেখি (লৱণু চোৰ পৰল দেখি— চো.ধ.)

পৰশ, পৰস (বি.) স্পৰ্শ (প্ৰেম পৰশ ৰস— ৰা.বি., পৰস তুচ চাহে— ব.গী.)

পৰশন } (বি.) স্পৰ্শন, স্পৰ্শ (পাই পুনু পৰশন— ক.হ.)
পৰসন

পৰশনি } (বি.স্ত্ৰীং.) স্পৰ্শযুক্তা (পদ পঙ্কজ ৰজ পৰশনি গঙ্গা— ক.হ.)
পৰসনি

পৰশনে } (ক্ৰি.বিণ.) স্পৰ্শ কৰা মাত্ৰেই (পৰশনে পৰমানন্দ— কে.গো.)
পৰসনে

পৰসাদ (বি.) প্ৰসাদ, অনুগ্ৰহ, পুৰস্কাৰ (তোহাক কি পৰসাদ দেঅ— ক.হ.)

পৰসাৰ (বি.) প্ৰবেশ, আগমন (আৱত ৰুকমিণী কয়ো পৰসাৰ— ক.হ., আৱে বালক কানু কয়ো পৰসাৰ— অ.ভ.)

পৰশি } (অস.ক্ৰি.) স্পৰ্শ কৰি, চুই (চৰণ পঙ্কজ ৰজ পৰশি— পা.হ., প্ৰেম পৰশি পুনু— কে.গো., গোপিনীক প্ৰেম পৰশি— ব.গী., ৰেণু শিৰে পৰশি— ভ.)
পৰসি

পৰশিএ } (অস.ক্ৰি.) স্পৰ্শকৰি, চুই (শিৰে চৰণ পৰশিএ— কা.দ.)
পৰসিয়ে

পৰান (বি.) প্ৰাণ, (লৱড়ে শঙ্খচূড় ৰাখি পৰান— কে.গো. পৰান নিগড়ে— ব.গী.)

পৰানু (বি.) প্ৰাণ (ৰমণীক নৰহে পৰানু— ব.গী.)

পৰি (অস.ক্ৰি.) দণ্ডৱৎ হৈ, দীঘল দি (চৰণে পৰি পৰনামি— পা.হ., পাৱে পৰি মাঞি— ৰা.বি., পাৱে পৰি হৰি— ব.গী., পাৱে পৰি তেৰি— ভ.)

পৰিয়া } (অস.ক্ৰি.) পৰি, পৰিধৰি (সংসাৰ কূপত পৰিয়া তোমাৰ— ব.গী., কাম্পে কৌসিক পৰিয়ে— ৰা.বি., ওহি বৃক্ষ পৰিয়ে— অ.ভ., পৰিয়ে হৰিকু— কা.দ.)
পৰিয়ে

পৰিয়ে (অস.ক্ৰি.) পিন্ধি, পৰিধান কৰি (মলিন বসন পৰিয়ে— অ.ভ.)

পৰিচ্ছিন্ন (বিণ.) সীমাবন্ধ, নিৰূপিত (নাহি আদি অন্ত মধ্য পৰিচ্ছিন্ন যাৰ— কা.দ.)

পৰিছেদ (বি.) এৰাএৰি, আধ্যা (আজু পৰিছেদ ভেল— ৰা.বি.)

পৰিধাই (অস.ক্ৰি.) পিন্ধাই দি (স্বামীক মাথে মালা পৰিধাই — ৰা.বি.)

পৰিধান (বি.) পিন্ধা, পিন্ধা থকা (পৰিধান চৰ্ম্ম খসি পৰল— ৰা.বি.)

পৰিধানি (বি.) পিন্ধোতা (পীত বসন পৰিধানি— ভ.)

পৰিবৰ্ত্তি (অস.ক্ৰি.) উভটি, উলটি (সভাৰ্য্যে পৰিবৰ্ত্তি— পা.হ.)

পৰিহৰি (অস.ক্ৰি.) এৰি, পৰিহাৰ কৰি (যজ্ঞকাৰ্য্য পৰিহৰি— প.প্ৰ.)

পৰিহাসে (অস.ক্ৰি.) পৰিহাস কৰি (হৰি পৰিহাসে— কে.গো.)

পলাই (অস.ক্ৰি.) পলায়ন কৰি, পলাই গৈ (পলাই আজি যাইবি যথা— অ.ভ., ইন্দ্ৰ বিভঙ্গে পলাই— পা.হ.)

পলায়া (অস.ক্ৰি.) পলায়ন কৰি (নপায়া পলায়া যাইবো— পি.গু., মাৰিবাৰ ভয়ে পলায়া— ভৃ.হ., গোপাল পলায়া আছা— ব.গী.)

পশি, পসি (অস.ক্ৰি.) সোমাই, প্ৰবেশ কৰি (ৰহিল পঙ্কতে পশি— ব.গী.)

পশিয়ে, পসিয়ে (অস.ক্ৰি.) সোমাই, আশ্ৰয় লৈ (তোহাৰি চৰণে শৰণ পশিয়ে— অ.ভ., যশোৱাক মন্দিৰ পশিয়ে— ভৃ.লো., বৃন্দাবনে পশিয়ে— কে.গো.)

পসাৰ (বি.) পোহাৰ, বজাৰত বেচিবলৈ নিয়া সম্ভাৰ (পসাৰ নমাইতে— কো.খে., পসাৰ পেহ্লাই— বং.গী.)

পসাৰি (বি.স্ত্ৰীং.) পোহাৰি (আহে পসাৰি সব— কো.খে., তুল. ডাকিল পসাৰি— কী.ঘো.)

পহিল (ক্ৰি.বিণ.) পহিলাতে, প্ৰথমতে (কাম পহিল প্ৰবেশ— ৰা.বি.)

পহিলহি (ক্ৰি.বিণ.) পহিলাতে, প্ৰথমতে (পহিলহি শ্ৰীকৃষ্ণক প্ৰণাম কয়কহো— পা.হ.)

পহ্নিয়ে, পহ্নিএ (অস.ক্ৰি.) পিন্ধি, পৰিধান কৰি (পহ্নিয়ে পটাম্বৰ— ক.হ.)

পহু (বি.) প্ৰভু, গৰাকী (পহু বিনে তনুমন— কে.গো., পাৱল পহু ওহি— ৰা.বি., পাৱলো পহু বহু— ক.হ., শঙ্কৰ কহ পহু— ব.গী.)

প্ৰকটি (অস.ক্ৰি.) প্ৰকাশ কৰি, প্ৰকাশ হৈ (নৰসিংহ ৰূপে প্ৰকটি— কে.গো.)

প্ৰকাশি, প্ৰকাসি (অস.ক্ৰি.) প্ৰকাশ কৰি, উলিয়াই দি (গোপী দান্ত প্ৰকাশি— কে.গো., তুল. সাধুৰ্ব্বাদ দান্ত প্ৰকাশি— কী.ঘো.)

প্ৰচাৰি (অস.ক্ৰি.) প্ৰচাৰ কৰি (প্ৰচাৰি তাৰিলা জীৱ— ব.গী.)

প্ৰতিপালি (বি.) প্ৰতিপালন কৰোঁতা (সজ্জন জন প্ৰতিপালি— ভ.)

প্ৰতি দিনে দিনে (ক্ৰি.বিণ.) নিতৌ, দিনৌ (প্ৰতি দিনে দিনে বহাইবাক পাৰো নদী— পি.গু.)

প্ৰথমে (ক্ৰি.বিণ.) প্ৰথমতে, আৰম্ভনিতে (প্ৰথমে লক্ষ্মণ সহিত শ্ৰীৰামক— ৰা.বি.)

প্ৰদক্ষিণে (অস.ক্ৰি.) প্ৰদক্ষিণ কৰি (পৰম আনন্দে প্ৰদক্ষিণে— ক.হ.)

প্ৰণামি (অস.ক্ৰি.) প্ৰণাম কৰি (ঋষিক প্ৰণামি— ৰা.বি.)

প্ৰপঞ্চিয়া (অস.ক্ৰি.) ভাণ্ডিপাতি, বুজনি দি (বাধা কৈলা প্ৰপঞ্চিয়া— ভৃ.হ.)

প্ৰবন্ধে (ক্ৰি.বিণ.) অতি যত্নেৰে, যত্ন সহকাৰে (বেঢ়ল লাগহি ভুজঙ্গ প্ৰবন্ধে— কা.দ., গোপী সব অনেক প্ৰবন্ধে— কে.গো., সেৱন্ত কত প্ৰবন্ধে— ব.গী., তুলহ লগাইলেক জুই তাত অনেক প্ৰবন্ধে— কী.ঘো.)

প্ৰবেশ কয় কহো (সং.অস.ক্ৰি.) প্ৰবেশ কৰি,আছি (শ্ৰীকৃষ্ণ প্ৰবেশ কয় কহো— সকলো নাট.)

প্ৰবেশ দিএ কহো (সং.অস.ক্ৰি.) প্ৰবেশ কৰি, আছি (ছিৰিগোপাল প্ৰবেশ দিএ কহো— কে.গো.)

প্ৰবেশি (অস.ক্ৰি.) প্ৰবেশ কৰি, সোমাই (দ্বাৰকাপুৰ প্ৰবেশি ৰহল— পা.হ., যমুনাক জল প্ৰবেশি— কে.গো.)

প্ৰবেশিএ, প্ৰবেশিয়ে (অস.ক্ৰি.) প্ৰবেশ কৰি, সোমাই (অভ্যান্তৰ প্ৰবেশিএ— ৰা.বি.)

প্ৰবেশি কহো (সং.অস.ক্ৰি.) প্ৰবেশ কৰি, আছি (সভামধ্যে প্ৰবেশি কহো— পা.হ., এথা প্ৰবেশি কহো— কা.দ.)

প্ৰবোধ কয় (সং.অস.ক্ৰি.) বুজনি দি, জ্ঞান দি (সখী সব প্ৰবোধ কয়— ৰা.বি.)

প্ৰভাত নাহি হয় (ক্ৰি.বিশ.) ৰাতি নৌ পুৱাওঁতেই (যাৱত প্ৰভাত নাহি হয়— কে.গো.)

প্ৰমাণা (বি.) প্ৰমাণ (সুৰ বৈৰি প্ৰমাণা— ব.গী.)

প্ৰলয়া (বি.) প্ৰলয়, বিনাশ (পালন প্ৰলয়া— কে.গো.)

প্ৰশংসিয়ে (অস.ক্ৰি.) প্ৰশংসা কৰি (শ্ৰীকৃষ্ণক প্ৰশংসিয়ে— কা.দ.)

প্ৰহাৰি (অস.ক্ৰি.) প্ৰহাৰ কৰি (গাৱে গাৱে বাণ প্ৰহাৰি— ৰা.বি., পুনু বাণ প্ৰহাৰি— পা.হ.)

প্ৰহাৰিয়ে (অস.ক্ৰি.) প্ৰহাৰ কৰি (বাণ প্ৰহাৰিয়ে— পা.হ.)

পাই (অস.ক্ৰি.) লাভ কৰি, উপস্থিত হৈ (হামাক পাই— অ.ভ., আশ্ৰম পাই আৰম্ভল হোম— ৰা.বি.)

পাই (বি.) পাৱ, ভৰি, চৰণ (কহ শঙ্কৰ হৰি পাই— পা.হ., গতি গোবিন্দ পাই— কা.দ., ভজব তুৱা পাই— ৰা.বি., পাই মুহ— ব.গী.)

পাই কহো (সং.অস.ক্ৰি.) পাই, লাভ কৰি (মহামান্য পাই কহো— কে.গো., ভবানীক মঠ পাই কহো— ৰু.হ.)

পাক (বি.) ৰন্ধন, উতলি থকা অৱস্থা (পাক জুৰাইলে— অ.ভ.)

পাক (অস.ক্ৰি.) পাক দি, চক্ৰাকাৰে (পাক ফুৰিতে লাগল— কা.দ., পাক ফিৰি ফিৰিয়া নাচয়— ব.গী.)

পাকড়ি (বি.) কলি (চম্পক পাকড়ি— ৰা.বি.)

পাকড়িয়ে (অস.ক্ৰি.) আগচি ধৰি (পাকড়িয়ে যো আগ— ভ.)

পাখি (বি.) পক্ষী, চৰাই (উপৰে উৰয় পাখি— ডো.বে.)

পাচু (ক্ৰি.বিশ.) পিছলৈ, পিছফাললৈ (ত্ৰাসে পাচু চাহে নাহি— ৰু.হ., লৰড়ে বায়ব পাচু নচাই— পা..)

পাচু (ক্ৰি.বিশ.) পিছত (পাচু লৈয়া যাৱব— পা.হ.)

পাচু কয় (সং.অস.ক্ৰি.) পিছ পেলাই থৈ (লক্ষ্মণক পাচু কয় বোলল— ৰা.বি.)

পাচু পাচু (ক্ৰি.বিণ.) পিছে পিছে (পাচু পাচু চাটুবুলি— কে.গো., লড়ু ধৰি পাচু পাচু ধাই— অ.ভ., গোৱালক পাচু পাচু—প.প্ৰ., হাসি হাসি পাচু পাচু— পা.হ., শ্ৰীকৃষ্ণক পাচু পাচু— ৰু.হ., বাছড়ু পাচু পাচু ধাই— ব.গী.)

পাচে (ক্ৰি.বিণ.) পিছত (শুনিয়া সিদ্ধান্ত পাচে— প.প্ৰ.)

পাট (বি.) নগৰ, পুৰ, পাট কাপোৰ, সিংহাসন (সে নৰকাসুৰ পাট— পা.হ., পাট ধুতি পীত— প.প্ৰ., সুগ্ৰীৱক পাট— ৰা.বি.)

পাটুকা (বি.) কাপোৰ (গলায়ে পাটুকা বান্ধি— ভ.)

পাড়িয়ে (অস.ক্ৰি.) পেলাই লৈ (পুনু পাড়িয়ে— ভ.)

পাত (কৃদ.বি.) পতন, মৃত্যু (ভেলি সুবাহু সাগৰত পাত— ৰা.বি., কথি তনু পাত মিলত— ব.গী.)

পাত (বি..) প্লাত, পাহি, পত্ৰ, (পংকজ পাত অহিত—ব.গী.)

পাতন (বি.) বধ কৰোঁতা (পাতন পাতক ৰীতি— ৰা.বি., পুতনিকাতন পাতন— ভ.)

পাতকি (বি.) পাপী (কৰতহু গতি পাতকি পায়ী— ব.গী.)

পাতা (বি.) পাত, পাহি, পত্ৰ (নয়ন পংকজ নৱপাতা— ৰা.বি., দোহো পংকজ পাতা— প.প্ৰ.)

পাতা (বি.) পালন কৰোঁতা (পাতা দেৱকু দেৱা— ভ.)

পাতি (অস.ক্ৰি.) মেকোলাই দি, পাতি (আঞ্চল পাতি— কে.গো., তোহাৰি আগু আঞ্চল পাতি— কা.দ., তুল. আঞ্চল পাতি স্বামী দান— কী.ঘো.)

পাতিয়া (অস.ক্ৰি.) পাতি (আঞ্চল পাতিয়া মাগো— কা.দ., তুল. আঞ্চল পাতিয়া দিলা— কী.ঘো.)

পাতেক (বি.) পাতক, পাপ (এড়াইল পাতেক— কা.দ., পাতেক ঘাতেক— ভ.)

পাৎসা (বি.) বাদছাহে, মুছলমানৰ ৰজাই (তাহেক শুনল পাৎসা সমাজে— ভ.)

পানহি (অস.ক্ৰি.) পান কৰি, পী খাই (যশোৱাকু তন পানহি সন্তোষ— ব.গী.)

পানা (বি.) পান, পী খোৱা কাৰ্য্য (চৰণ পংকজ মধুপানা— ব.গী.)

পানী গৈয়া (সং.অস.ক্ৰি.) পানী আনিবলৈ গৈ (পানী গৈয়া ৰাধা দেখি— ভৃ.হ.)

পানে (অস.ক্ৰি.) পান কৰি (বিষজল পানে— কা.দ., পূৰল মন পয়োধৰ পানে— ভৃ.লো. মৰিয়ে বিষয় বিষ পানে— ব.গী.)

পাপিনি (বি.স্ত্ৰীং.) পাপীনী (হামো পাপিনি পুনু— ব.গী.)

পামৰা (বি.) মূৰ্খ, অজ্ঞানী (এমন পামৰা— ব.গী.)

পামৰি (বি.) পামৰী, নীচ (পামৰি হৰিকো— পা.হ.)

পামৰু (বি.) পামৰ, মূৰ্খ, নীচ (মেৰি পামৰু মন— ব.গী.)

পায়া (অস.ক্ৰি.) পাই, লাভ কৰি (কৃষ্ণক প্ৰসাদ পায়া— ৰু.হ., লৱণু চোৰা

	পায়া— অ.ভ., নবীন লৱণু পায়া— ভূ.লো., পায়া ঘোটক দেশ— ভ.)
পাৰ	(বি.) উদ্ধাৰ, পৰিত্ৰাণ (পাৱত ভৱ নদী পাৰ— কে.গো., পাপ পয়োনিধি পাৰ— ৰু.হ., পাৰ কৰা হৃষীকেশ— ব.গী., তুল. পাৰ কৰা ৰঘুনাথ— কী.ঘো.)
পাৰমানে	(ক্ৰি.বিণ.) পাৰেমানে, যিমান পাৰি (যত পাৰমানে খাৱ— পি.গু.)
পাল	(বি.) পালক, পালন কৰোঁতা (সেৱক পাল— ব.গী.)
পালটি	(অস.ক্ৰি.) উলটি, উভটি (পালটি পলাৱল— ৰু.হ.)
পালি	(অস.ক্ৰি.) পালন কৰি (যোহি পালি পিতা কেৰি— ৰা.বি., পালি সুগ্ৰীৱ কপি— ব.গী.)
পালি	(বি.) পালন কৰোঁতা (সন্ত বিভীষণ পালি—ভ.)
পালিয়ে	(অস.ক্ৰি.) পালন কৰি (পাণ্ডৱ পালিয়ে— ভ.)
পাৱ	(বি.) ভৰি, চৰণ (হস্ত পাৱ মৰ্দ্দয়— কে.গো., পাৱ পখালিয়ে— ৰু.হ., পাৱ নৱ পল্লৱ— ব.গী.)
পাৱত	(অস.ক্ৰি.) পাই, লাভ কৰি (যদুপুৰি পাৱত পুনু— ব.গী.)
পাৱমাৰিয়ে	(ক্ৰি.বিণ.) ভৰিৰ শব্দ নোহোৱাকৈ, হাতত সাৰে ভৰিত সাৰে (বাঁৰি ধৰিয়ে পাৱ মাৰিয়ে— অ.ভ.)
পাশ, পাস	(বি.) ওচৰ, সমীপ (প্ৰাণ পিউ পাশ আস— ৰু.হ.)
পাশ, পাস	(বি.) জৰি, খোৰোচা (খসল কেশ পাশ— কে.গো., বিষয় বিলাস পাশ— ব.গী.)
পাশান, পাসান	(বি.) শিল, (কেহো পাশান— ভো.বে.)
পাশে, পাসে	(বি.) জৰিয়ে, দোলে (আঙগুল দোহো পাশে— অ.ভ.)
পাসি	(বি.) পাহি (নয়ন ৰাতা উতপল পাসি— ব.গী., কমল দল পাসি— ভ.)
পাঞ্চ কাওন	(সং.বি.) পাঁচ কাওন, পাঁচ টকা, আশী পোন কড়ি (এ পাঞ্চ কাওন— কো.খে.)
পাঞ্চনি	(বি.) এচাৰি, গৰু খেদা মাৰি (উচায়া পাঞ্চনি নাচে— ব.গী.)
পাঞ্চসাত	(সং.বি.) পাঁচসাত (ভৰি পাঞ্চসাত আগবাঢ়ি গিয়া— ৰু.হ.)
পাঞ্চি কহো	(সং অস.ক্ৰি.) পঠিয়াই, প্ৰেৰণ কৰি (কৌতুকে দূত পাঞ্চি কহো—ৰু.হ.)
পান্তি	(বি.) শাৰি, শ্ৰেণী (নৱমোতিম পান্তি— ৰা.বি., দশনকু পান্তি— ৰু.হ., অলকত পান্তি— ভ.)
পাৰ্থক, পাৰ্থকে	(বি.) খোজনিয়া, খোজনিয়াই, ভিক্ষাৰি, ভিক্ষাৰিয়ে (তোহাক ঠাই পাৰ্থক— ৰা.বি., কোননো পাৰ্থকে নাহি পাৱে— প.প্ৰ.)
পাৰ্থিয়ে	(অস.ক্ৰি.) প্ৰাৰ্থনা কৰি (ওহি বৰ প্ৰাৰ্থিয়ে— ৰু.হ.)

প্ৰাই (বিণ.) প্ৰায়, দৰে, নিচিনাকৈ (শোহে বিদ্যাধৰ প্ৰাই— ব.গী.)

প্ৰাতু (বি.) পুৱা, প্ৰাতঃ (প্ৰাতুসময়ে যশোৱা— ভো.বে.)

প্ৰাণঅধিক (ক্ৰি.বিণ.) প্ৰাণতকৈ বেচি (প্ৰাণ অধিক প্ৰিয় মানি— কে.গো.)

প্ৰাণতো অধিক (ক্ৰি.বিণ.) প্ৰাণতকৈ বেচি (হামাৰ প্ৰাণতো অধিক—কে.গো.)

প্ৰাণে (বি.) প্ৰাণ, জীৱন (প্ৰাণেকি জীৱয় মোৰ— পা.হ., প্ৰাণে মৰলো— কা.দ., ব্ৰজ বধু প্ৰাণে— ব.গী.)

প্ৰাণে (অস.ক্ৰি.) প্ৰাণৰক্ষা কৰি (পলাৱত প্ৰাণে— ৰা.বি., পলাৱল প্ৰাণে— ভ.)

প্ৰাৰম্ভে (অস.ক্ৰি.) আড়ম্বৰ কৰি (পৰম প্ৰাৰম্ভে সাজি— পা.হ.)

প্ৰাৰ্থী (অস.ক্ৰি.) প্ৰাৰ্থনা কৰি (কৃষ্ণক প্ৰাৰ্থী ক্ৰন্দন কয়ে— কে.গো.)

পিঅ, পিয় (বিণ.) প্ৰিয়, মৰমৰ (তেজয় জীৱ পিঅ— কা.দ.)

পিউ, পীউ (বি.) স্বামী, গৰাকী (আৱত গোবিন্দ গোপিনি পিউ— কে.গো., পৰম পিউ জীৱ— ৰা.বি., সব গোপিনি পিউ— ব.গী.)

পিচোড়া, পিছোড়া (বি.) কাপোৰ, বস্ত্ৰ (শ্যামল অংগ পীত পিচোড়া— প.প্ৰ. , তনু পীত পিচোড়া— ৰু.হ., পিশংগ পিচোড়া— ব.গী.)

পিচোড়ি, পিছোড়ি (বি.) কাপোৰ, বস্ত্ৰ (তথি পৰকাসিত পীত পিচোড়ি— পা.হ., তথি পীত পিচোড়ি— কা.দ.)

পিঠাপন্না (বি.) পিঠাপনা, এবিধ সুস্বাদু খাদ্য (অন্ন ব্যঞ্জন পিঠাপন্না— প.প্ৰ., তুল. অন্ন পিঠাপন্না— কী.ঘো.)

পিঠি দিয়ে কহো, পিঠি দিয়ে (সং.অস.ক্ৰি.) পিঠি দি, পিছফাল কৰি (স্বামীক পিঠি দিয়ে কহো— পা.হ., মদ গৰ্ব্বে পিঠি দিয়ে— কে.গো.)

পিড়ি (অস.ক্ৰি.) পীড়া কৰি, দুখদি (দৈত্য কহো পিড়ি— পা.হ., পিড়ি ক্ৰীড়ি— কা.দ.)

পিড়িত হুয়া (সং.অস.ক্ৰি.) পীড়া পাই, কষ্ট পাই (বাক্যশৰে পিড়িত হুয়া— পা.হ.)

পিতৃ (বি.) পিতৃ, পিতা (মাতৃ পিতৃ পতনি তনয়া— ব.গী.)

পিতৃ মাতৃ কহো (বি.) পিতৃ মাতৃয়ে (পিতৃ মাতৃ কহো আৱৰি নন্দ— ভ.)

পিয়া (অস.ক্ৰি.) পী, পান কৰি (পানী পিয়া কাখতে— ভো.বে.)

পিয়াৰি (বি.) প্ৰিয়, স্বামী (গুৰু গোপী পিয়াৰি— পা.হ.)

পিয়াৰু (বি.) স্বামী, গৰাকী (ৰেসোই গোপিনি পিয়াৰু— ব.গী.)

পিয়ে (অস.ক্ৰি.) পী, পান কৰি (ওহি বিষ পানী পিয়ে— কা.দ.)

পিশাচিনি (বি.স্ত্ৰীং.) পিশাচৰ স্ত্ৰী (মিলল ভক্ষ পিশাচিনি হাসে— ৰা.বি.)

পিশাচে (বি.) পিশাচ (দোহো পিশাচে— ৰা.বি.)

পিসঙ্গ (বি.) হালধীয়া, পীত (পিসঙ্গ পিচোড়া— ব.গী.)

পিৰিতি, পীৰিতি (বি.) প্ৰীতি, মৰম (যৈছন পিৰিতি ৰিতি— পা.হ., সহজে পিৰিতি মাগো— ব.গী.)

পিন্ধন (বি.) পিন্ধি থকা (পিন্ধন নেতেৰ ধড়া— ব.গী.)

পিম্পৰা (বি.) পিঁপৰা, পৰুৱা (পিম্পৰা গুচাইতে লাগি— পি.গু.)

পুত (বি.) পুত্ৰ, (পুত পুত বুলি— ব.গী.)

পুতমাথে (সং.অস.ক্ৰি.) পুতেকৰ মূৰ খোৱা বুলি (তাকু শপয় পুত মাথে— কে.গো.)

পুতলি (বিণ.) পুতলাতুল্য, পুতলা সদৃশ (ওহি মাণিক পুতলি— অ.ভ., ভূ.হ.)

পুতা (বি.) পুত্ৰ, সন্তান (আহে পুতা— ৰু.হ., কা.দ., চো.ধ., ভূ.লো.)

পুনু, পুনুপুনু (ক্ৰি.বিণ.) পুনৰ, আকৌ, বাৰে বাৰে (কয়লি পুনু উতপাত— ৰা.বি., পঞ্চম পুৰি পুনু— কে.গো., পঢ়ি পুনু ভাট— ৰু.হ., পুনুপুনু চাহে মাগ্ৰি— প.প্ৰ., পঢ়ি পুনু মৰম নজানি— ব.গী., পুনু পাড়িয়ে— ভ.)

পুনুহু, পুনুহো (ক্ৰি.বিণ.) পুনৰ, আকৌ (দুৰ্ল্লভ মানবী তনু পুনুহু নপাস— ব.গী.)

পুৰ, পূৰ (বি.) পূৰ্ণ কৰোঁতা (গোপী মনোৰথ পুৰ— ৰু.হ.)

পুৰ, পূৰ (বিণ.) পূৰ্ণ, পূৰণ (মোহি মন কৰু পুৰ— ভ.)

পুৰণ, পূৰণ (বি.) পূৰ্ণ কৰোঁতা (কোটি কল্পতৰু পুৰণ কামা— পা.হ., জগজন পুৰণ কাম— ৰু.হ., পুৰণ কামা— ব.গী., ভকত বৎসল মন পুৰন— ভ.)

পুৰণ, পূৰণ (বিণ.) পূৰ্ণ, সিদ্ধি (হামাক পাই মন পুৰণ— অ.ভ.)

পুৰি, পূৰি (অস.ক্ৰি) পূৰ্ণ কৰি, সিদ্ধি কৰি (তোৰা সবক মনোৰথ পুৰি— কে.গো., সীতাক মনোৰথ পুৰি— ৰা.বি., কমল নয়ন পুৰি— ৰু.হ., মন পুৰি পাৰে— ভ.)

পুৰি (বি.) গাখীৰ, চেনীৰে নিৰ্ম্মিত এবিধ খাদ্য (মাখন চঞ্চ পুৰি মুৰুবি— ভো.বে.)

পুৰিয়ে (অস.ক্ৰি.) পূৰ্ণ কৰি (উনিকৰ মন পুৰিয়ে— ৰু.হ.)

পুৰুব দিবসে, পূৰুব দিবসে (ক্ৰি.বিণ.) আগদিনাখন (বিবাহক পুৰুব দিবসে— ৰু.হ.)

পুৰুবে, পূৰুবে (ক্ৰি.বিণ.) পূৰ্ব্বতে, আগেয়ে (পুৰুবে বুলিয়া আছা— ভূ.লো.)

পুলকিত (বিণ.) আহ্লাদিত, ৰোমাঞ্চিত (শৰীৰ পুলকিত— কে.গো.)

পুলকে (অস.ক্ৰি.) ৰোমাঞ্চিত হৈ (পুলকে কমল কুল ডোলে— কে.গো.)

পুৰ্ব্বৱতে, পূৰ্ব্বৱতে (ক্ৰি.বিণ.) আগৰ দৰে, আগৰ নিচিনাকৈ (সন্ধ্যা সময়ে পূৰ্ব্বৱতে— কে.গো.)

পেখি (অস.ক্ৰি.) দেখি (তাহে পেখি— ৰা.বি., পেখি কৰল ৰাস— কে.গো., পেখি হৰিক— ভ.)

পেখিএ, পেখিয়ে (অস.ক্ৰি.) দেখি, দেখা পাই (পেখিএ নৈৰাস— কে.গো., পেখিএ বদন— ৰা.বি., পেখিএ যশোৱা— ব.গী., আৱে পেখিয়ে— ভ.)

পেচন্দাৰ (বি.) ঐবিধ অলংকাৰ (গজমতি হাৰ পেচন্দাৰ— ভ.)

পেৰা পাত্ৰক জীউ, পোৰা পাত্ৰক জীউ (বি.স্ত্ৰীং.) ৰাজস্ব মন্ত্ৰীৰ জীয়েক স্বামী বশ কৰা নাৰীয়ে (যৈচে সেকৰা স্বামীক পেৰা পাত্ৰক জীউ— কে.গো.)

পেলাই (অস.ক্ৰি.) পেলাই, থৈ, দলিয়াই (পসাৰ পেলাই— ব.গী.)

পেলুৱানে (বিণ.) পালোৱান, শকত আৱত (তাকু পেলল হাতী পেলুৱানে— ভ.)

পেহ্লাই (অস.ক্ৰি.) দলিয়াই পেলাই থৈ (মাটিত আচাৰি পেহ্লাই— অ.ভ.)

পেহ্লায়া (অস.ক্ৰি.) দলিয়াই পেলাই (হাতক বাৰি পেহ্লায়া— অ.ভ.)

ফ

ফ বৰ্ণমালাৰ আঠাইশ সংখ্যাৰ আখৰ।

ফণধৰ (বি.) সাপ, অনন্তনাগ (ফণধৰ থৰথৰ— ব.গী.)

ফণামণি (বি.) সাপৰ মণি (ফণামণি ঝিকমিক—কা.দ.)

ফৰমান (বি.) আদেশ (গোবিন্দৰ ফৰমান— ব.গী.)

ফলগোটে (বি.) ফলটোৱে (প্ৰজাৰ ভাগ্য ফল গোটে— ব.গী.)

ফন্দিয়ে (অস.ক্ৰি.) স্পন্দন কৰি, লৰচৰ হৈ (আখি ফন্দিয়ে গেল— ৰু.হ.)

ফাগু (বি.) ফাকু (ফাগু খেলে করুণাময়ই— ব.গী., তুল. ৰঙেগ ফাগু খেলে— কী.ঘো.)

ফান্দিয়ে (অস.ক্ৰি.) জোৰ দি, ফিন্দাই লৈ (কঙ্কাল ফান্দিয়ে— অ.ভ.)

ফান্দোৱাল (বি.) জাল পাতোঁতা, ব্যাধ (ফান্দোৱাল গোবিন্দক— ব.গী.)

ফিৰি ফিৰি (অস.ক্ৰি.) ফুৰি ফুৰি (পাক ফিৰিফিৰি— কা.দ.), চৌপাশে ফিৰি ফিৰি চাৱত— অ.ভ., ফিৰি ফিৰি চাই— ব.গী.)

ফুণ্ডিক ফুণ্ডিক (অস.ক্ৰি.) ফুৱাই ফুৱাই (ফুণ্ডিক ফুণ্ডিক ধাতু আনল— ৰু.হ.)

ফুটি (অস.ক্রি.) সৰকি, সৰকি গৈ (মদন বাণে ফুটি— ৰা.বি.)
ফুটি (অস.ক্রি.) লুকাই, গোপনকৈ (ঘন খীৰ ফুটি থৈয়া ছিলো— ভূ.লো.)
ফেট (বি.) ফণা (তুলি ফেট ফোটকাৰা— কা.দ.)
ফেৰিয়া (অস.ক্রি.) ফালি, ভেদ কৰি (তিমিৰ ফেৰিয়া বাৰ— ব.গী.)
ফেৰুৱা (বি.) শিয়াল (ঘৰে ঘৰে ফেৰুৱা আৰাৱ— কা.দ.)
ফোকাৰি (অস.ক্রি.) উচুপি উচুপি (নিশ্বাস ফোকাৰি— কে.গো., কান্দে ফোকাৰি ফোকাৰি— ব.গী.)
ফোকাৰি কহো (সং.অস.ক্রি.) বাহিৰ কৰি, উলিয়াই (নিশ্বাস ফোকাৰি কহো— ৰা.বি.)
ফোট (বি.) তিলক, চন্দনৰ ফোট (চৰাচৰ ফোট— প.প্র.)
ফোটকাৰা (অনুকা.) ফোঁচফোৰ্চনি শব্দ (কৰত তুলি ফেট ফোটকাৰা— কা.দ.)
ফোৎকাৰ (অনুকা.) ফোঁচফোৰ্চনি (মহা ফোৎকাৰ কৰিয়ে— কা.দ.)

ব

ব বৰ্ণমালাৰ ঊনত্রিশ সংখ্যাৰ আখৰ।
বক (বি.) বক নামৰ এবিধ ফুলৰ গছ (কদম্ব বক তুলসী— কে.গো.)
বকগোট (বি.) বগলিটো (ভয়ংকৰ বক গোট— ব.গী.)
বখানা (বি.) ব্যাখ্যা (বয়নে কৰত বখানা— ব.গী.)
বখানি (অস.ক্রি.) ব্যাখ্যা কৰি (কৃষ্ণকু আগু ৰূপ বখানি— ৰু.হ., পণ্ডিত মানি বেদ বখানি— ভ.)
বচনেক (অনুস.) একাষাৰ, এফাঁকি (হামো বচনেক বোলো— কে.গো., অব বচনেক বুলি— পি.গু., হামো বচনেক বুলি— ভূ.হ., শুন অব বচনেক বোলোহো— ৰু.হ., হামো বচনেক বোলো— ৰা.ঝু.)
বজাই (অস.ক্রি.) বাদ্য কৰি (আৰত কানু বেণু বজাই— প.প্র., আনন্দে বাজনা বজাই— ৰা.বি.)
বজাইতে (অস.ক্রি.) বজাই বজাই, বাদ্য কাৰ কাৰ (বেণু বজাইতে জাই— প.প্র., বজাইতে বেণু— কা.দ.)
বজায়া (অস.ক্রি.) বজাই, বাদ্য কৰি (বজায়া মোহন বেণু— ব.গী.)
বড় (বিণ.) শ্ৰেষ্ঠ, উত্তম, বেচি, অধিক (বড় ভুজ দণ্ড— ভ., শমনক লাই জীৱ বড় ডোৰ— ব.গী.)
বড়টানে (ক্রি.বিণ.) বৰটানকৈ (মৰম ভেদল বড় টানে— ব.গী.)
বড়হি (বিণ.) বৰ, শ্ৰেষ্ঠ, (বড়হি ঠাকুৰ হৰি— ব.গী., বড়হি বলীয়ন্তা— ভ.)
বড়াই (বিণ.) ডাঙৰ, মহৎকাল (ই কোন বড়াই— ব.গী.)

বড়াই কৰিয়ে (সং.অস.ক্ৰি.) বৰ কথামাতি, দম্ভালি মাৰি (সত্যভামা বড়াই কৰিয়ে— পা.হ.)

বড়ি (বিণ.) বৰ, বেচি, অধিক (বড়ি বাৰিষা যচ— ৰু.হ., বড়ি বিষম চেষ্টা— পা.হ., বৎস সব বড়ি দূৰে— ডো.বে., বড়ি দুখী— ভ.)

বড়ে (বিণ.) বৰকৈ, বেচিকৈ (কম্পিত ভৈগেলো বড়ে— ব.গী.)

বড়ায়া (অস.ক্ৰি.) বঢ়াই, বেচি কৰি (বচন চৰপটি বড়ায়া ভূঙগ— কে.গো.)

বতৰ (বি.) শস্য আৰ্জিবলৈ ভাল সময় (বতৰ বান্ধিয়া লয়ো— ব.গী.)

বতাসে (বি.) বতাহে (বিষয় বতাসে পাই— ব.গী.)

বৎসপালনা (বি.) গোপালন কৰোঁতা (সো হৰি বনে বৎসপালনা— ব.গী.)

বৎসৰ দুই চাৰি (ক্ৰি.বিণ.) দুই চাৰি বছৰৰ মূৰকত (বৎসৰ দুই চাৰি পাৰব— পা.হ.)

বধ দিয়ে (সং.অস.ক্ৰি.) বধশপতদি (তোহাত বধ দিয়ে— ৰু.হ.)

বধভাগি (বি.) হত্যাৰ সমভাগী (হঞু তব তুৱা বধভাগি— ৰু.হ., ভেলো তিৰী বধভাগি— পা.হ., ভেলি মাধৱ বধভাগি— ব.গী.)

বধি (অস.ক্ৰি.) বধ কৰি, হত্যা কৰি (বকাসুৰ বধি হৰি— ব.গী.)

বধিয়ে (অস.ক্ৰি.) বধ কৰি, হত্যা কৰি (যুদ্ধে বধিয়ে— ৰা.বি.)

বনমাল (বি.) বনমালা (পঞ্চবৰণ বনমাল (পা.হ.)

বনিয়ে (অস.ক্ৰি.) বনাই, ফনিয়াই, শোভা যুক্ত কৰি (কেশ বেশ বনিয়ে— অ.ভ., সুবেশ ভাল বনিয়ে— ব.গী.)

বৰজি (অস.ক্ৰি.) বৰ্জ্জন কৰি, ত্যাগ কৰি (লেহু হৰি চৰণ শৰণ সব বৰজি— পা.হ., লেহু সব বৰজি— ব.গী.)

বৰঠাকুৰ (বি.) শ্ৰেষ্ঠব্যক্তি, প্ৰভু (তুমহি বৰঠাকুৰ— ব.গী.)

বৰত (বি.) ব্ৰত, উপবাস (তীৰিথ বৰত তপজপ— ব.গী.)

বৰতো অধিক (ক্ৰি.বিণ.) আশীৰ্ব্বাদতকৈয়ো (বৰতো অধিক দেখো তোহাৰি— কা.দ.)

বৰবালা (বি.স্ত্ৰীং.) সুন্দৰী, উত্তমাকন্যা, সম্ভ্ৰান্ত মহিলা (মোহে পৰল বৰবালা— ৰা.বি., মূৰুচি পৰয় বৰবালা— কে.গো.)

বৰষি (অস.ক্ৰি.) বৰ্ষণ কৰি (বচন অমিয়া ৰস বৰষি— ৰা.বি.)

বৰষিয়ে (অস.ক্ৰি.) বৰ্ষণ কৰি (ৰাজা শৰ বৰষিয়ে— ৰু.হ.)

বৰিয়ে (অস.ক্ৰি.) বৰণ কৰি (স্বামী ভাবে বৰিয়ে— ৰা.বি.)

বলয়া (বি.) এবিধ অলঙ্কাৰ (বলয়া কঙ্কন— ভ.)

বলাইতোকৰি (ক্ৰি.বিণ.) বলভদ্ৰতকৈয়ো (আপোন পুত্ৰ বলাইতো কৰি— অ.ভ.)

বলিত (বিণ.) দীঘলিয়া (ভুজ যুগ বলিত ভুজঙ্গ— ৰা.বি., দোহো বলিত সমান— ভ.)

বলিয়ন্তা } (বি.) বলবান্, বলী (বড়হি বলিয়ন্তা— ভ.)
বলীয়ন্তা }

বলিয়াৰ } (বি.) বলবান্, বলী (কেশিকংস বলিয়াৰ— ক.হ., বড়হি বলিয়াৰ— ভ., আৰে কাল কালি বলিয়াৰা— কা.দ.)
বলিয়াৰা }

বলে (বি.) বলোভদ্রই (মাৰল বলে তাহে— ভ.)

বসি (অস.ক্রি.) বহি, উপবেশন কৰি (ৰতন সিংহাসনে বসি— ব.গী.)

বসুৱা (কি.) বহুৱা, আলধৰা, (বসুৱা চুৱড়ি পাৰল— পা.হ.)

বহল (বিণ.) বিস্তীর্ণ, পথালিয়ে বেচি (বহল বক্ষস্থল— ক.হ., বহল নিতম্ব কটি— ভ.)

বঙ্ক (বিণ.) বক্র, বেকা, প্রতিকূল দৃষ্টি (হামাৰ বিধি বঙ্ক ভেল— ক.হ., বঙ্ক বিধাতা— ৰা.বি., হামাৰি বঙ্ক বিধি— ব.গী.)

বঙ্কিম (বিণ.) বক্র, বেকা, কেৰাহিকৈ (বঙ্কিম নয়নে হেৰহু— ক.হ., কে.গো., বঙ্কিম নয়নে চাই— ব.গী.)

বঞ্চনা (বি.) প্রবঞ্চনা, প্রতাৰণা (ওহি বাঞ্চা বঞ্চনা— ৰা.বু.)

বঞ্চিত (বিণ.) প্রতাৰিত, আশাচ্ছেদ (কৈছে হামাক বঞ্চিত কয়লি— ক.হ.)

বঞ্চিয়া (অস.ক্রি.) প্রবঞ্চনা কৰি, প্রতাৰণা কৰি (বঞ্চিয়া নিলেক নিকৰুণ বিধি— ব.গী.)

বণ্টা (বি.) অংশ, ভাগবঁটা (তাৰো বণ্টা খাই— ব.গী.)

বন্দি, বন্দিয়ে (অস.ক্রি.) বন্দনা কৰি, সেৱা কৰি (তোহাৰি চৰণ বন্দি ৰহু— অ.ভ., তোহাৰি চৰণ বন্দিয়ে— ক.হ.)

বন্দিত (কৃদ.) সেৱিত (সাদৰ বন্দিত যাকৰ— কে.গো., ব্রহ্মামহেশ বন্দিত পাদপদ্ম— ক.হ.)

বন্ধ (বি.) বন্ধন (শিলা সেতু কয় বন্ধ— ৰা.বি., চোড়ল বন্ধ মুৰাৰি— কা.দ., মাতু পিতুক বন্ধ চোড়ি— ভ.)

বন্ধ কয় (সং.অস.ক্রি.) বন্ধ কৰি, জপাই ধৰি (দ্বাৰবন্ধ কয়— কে.গো.)

বন্ধ কয় কহো (সং.অস.ক্রি.) বন্ধ কৰি, জপাই ধৰি (দ্বাৰবন্ধ কয় কহো— চো.ধ.)

বর্ণাই (অস.ক্রি.) বর্ণনা কৰি (গলে বান্ধিয়ে গুণ বর্ণাই— প.প্র.)

বহু } (বিণ.) অসংখ্য, অনেক (কৰোহো বহু সেৱা— ক.হ., বহুত বিঘিনি আচৰয়— ৰা.বি., কৰোহো বহু সেৱ— ভ.)
বহুত }

বহুতৰ (বিণ.) অসংখ্য, অনেক (বহুতৰ বাণে তাহে— ক.হ., পুনু বহুতৰ জৰি— অ.ভ.)

বহুবিধ (ক্রি.বিণ.) বহু প্রকাৰৰ, অনেক বিধৰ (বহুবিধ ষড়ৰস— প.প্র., বহুবিধ প্রসাদ— ক.হ.)

বহুভাৱে (ক্রি.বিণ.) বহুপ্রকাৰে, বহুভাৱেৰে (বহুভাৱে গাৱে— ব.গী.)

বহুল (বিণ.) বহুত, অনেক (দেখি দেৱক উছুক বহুল— পা.হ.)

বহুৰসে (ক্রি.বিণ.) বহুপ্রকাৰ ৰসেৰে (বহুৰসে ৰঙ্গল— চো.ধ., জিনি বহুৰসে— ভো.বে., বহুৰসে লাসে বেশে— ব.গী.)

বহুৰি (ক্রি.বিণ.) পুনৰ, আকৌ (চলহু বহুৰি গৌৰি— কে.গো., বহুৰি নয়ন চান্দ বয়ন— প.প্র.)

ব্রহ্মায়ে (বি.) ব্রহ্মাই (ব্রহ্মায়ে কৰিলা চুৰি— ভো.বে.)

বাইৰ হুয়া (সং.অস.ক্রি.) বাহিৰ হৈ, ওলাই (বাইৰ হুয়া কানু— ব.গী.)

বাখৰে (বিণ.) সুগন্ধি মছলা আদিৰে (নানান সুৰস কৰি নানান বাখৰে— পি.গু.)

বাগ (বিণ.) ভাঁজ, বেকা (তিনি থানে ভৈল বাগ— ব.গী.)

বাংশিটি, বাশিটি (অনুস.) বাঁহীটো (বাংশিটি বজাৱে— ভো.বে., বাশিটি বজান্ত—ভ.)

বাচৰু, বাছড়ু (বি.দ.) গৰু, (এক বাচৰু নাহি পাৱত—পি.গু., বাচৰু হৰায়া— ভো.বে., বাচৰু চাৰিতে— ব.গী.)

বাচি, বাছি (অস.ক্রি.) বিচাৰি, বিচাৰ কৰি (বড় দোষ পাইলি বাচি— পী.গু.)

বাচিয়া (অস.ক্রি.) বাচি বাচি (লৈয়ো ৰামনাম ভাই মানিক বাচিয়া— ব.গী.)

বাজন, বাজনা (বি.) বাদ্য, (জয় বাজন বজাৱল— পা.হ., বাজত বাজন ৰংগ— ভ. আনন্দে বাজনা বজাই— ৰা.খি., বাজনা বাজে— ৰু.হ.)

বাজহুয়া (সং.অস.ক্রি.) বাজহৈ, বাহিৰ হৈ (গৃহৰ দ্বাৰ বাজহুয়া যান্তে—কো.খে., গৃহ হন্তে বাজ হুয়া.প.প্র.)

বাজহুয়া কহো (সং অস.ক্রি.) বাজহৈ, বাহিৰ হৈ (দিব্যৰূপ ধৰিয়ে বাজহুয়া কহো— অ.ভ.)

বাঞুকা (বি.) বাওঁকা, ভাৰ কঢ়িওৱা মাৰি (কলস কন্ডিয়া বাঞুকা সিকিয়া— অ.ভ.)

বাঞ্চিত (কৃদ.বিণ.) অভিলষিত (আপোন মন বাঞ্চিত— ভ.)

বাট (বি.) পথ, (বহু বাট বিয়াপিয়ে—ব.গী., মিলল তাহেক বৈকুণ্ঠক বাট— ৰু.হ)

বাটোৱাৰি (বি.) ডকাইতে (ওহি লুটে বাটোৱাৰি— ব.গী.)

বাড়য় (সং.বি.) বাৰ সংখ্যা (চিন্তা নামে বাড়য় অগণি শোষে প্রাণ— ব.গী.)

বাড়ি (বি.) বাৰী, ঘৰ (তাহেক বাড়ি ছাড়ি— পা.হ.)

বাত (বি.) বাতৰি সম্বাদ, কথা, বাক্য, বায়ু, বতাহ আদি (ঐছন বাত জনাই,— ভৃ.হ., শ্রীৰামক বিজয় বাত শুনিয়ে— ৰা.বি., কাতৰ কৰিকহো বাত পুচি— পা.হ., গোপিনিক সন্দেশ বাত— ব.গী., হামাৰ বাত বুজব— অ.ভ., হামাক কি বাত পুছহ— ৰা.বি., বাত বুঝ লোহো—

ৰা.বু., আনিয়ে বাত বোল— ভ., বাত নাহি বৃষ্টি নাহি— অ.ভ., বাত ভয় কৰু ত্ৰাণ— ভ.)

বাতয়া (বি.) সম্বাদ, বাতৰি (কহতু শংকৰ বাতয়া— ক.হ.)

বাতে (বি.) বতাহে, বায়ুয়ে (যৈচে লবংগ লতাক বাতে উপাৰল— পা.হ., যৈচে কদলিক বাতে উপাৰল— ক.হ.)

বাতে (বি.) বাতৰি, সম্বাদ, কথা (কহ মেৰি কানুক বাতে— ব.গী.)

বাধ (বি.) বাধা, নিষেধ (কবহু নাহিকে বাধ— অ.ভ.)

বাধা (বি.) বাধা, নিষেধ (তথি বাধা সব দেখিয়ে— কো.খে., বহুবিধ ৰাধা কয়— প.প্ৰ.)

বাধি (অস.ক্ৰি.) বাধা কৰি, নিষেধ কৰি (বাধি বৰিষণ— ভ.)

বাণ (বি.) বাণে, শৰে (হৰল চেতন মন মনসিজ বাণ— কে.গো.)

বানে (বি.) বান পানীয়ে (খৰে নমাৰে বানে নেনে— ব.গী.)

বাপ (বি. মান্যাৰ্থে, স্নেহাৰ্থে) প্ৰভু, বোপাই (হৰি হেৰোৰে বাপ— ব.গী., গোপাল শুনৰে বাপ— ভূ.লো., বাপ চাপ সমিপ— কা.দ., বাপ ৰামক চাড়ি— ৰা.বি.)

বাপ (বি.) পিতৃ, (তোহাৰি বাপ নন্দ— পি.গু., ত্ৰিভুবন ঈশ্বৰ ৰামক বাপ— ৰা.বি.)

বাপু (বি. স্নেহাৰ্থে) বোপাই (আহে বাপু কৃষ্ণ— অ.ভ.)

বাম (বিণ.) বক্ৰ. বিৰুদ্ধ (নিকৰুণ বিধি বাম— ব.গী., মোহি বিহি ভেল বাম— ক.হ.)

বাম (বি.) বাওঁফাল (হামাৰ বাম অংক ফন্দে— ৰা.বি., ক.হ., মাৰলি ৰাম বাম মুঠি উঠাই— ভ.)

বাৰহিবাৰা (ক্ৰি.বিণ.) বাৰে বাৰে (টানহি বাৰহিবাৰা— চো.ধ.)

বাৰি (বি.) এচাৰি, চেকনি (হাতে বাৰি ধৰিয়ে— অ.ভ.), তুল. দেখি বাৰি এৰিলাহা সতী— কী.ঘো.)

বাৰিষা (বি.) বৰ্ষাকাল (বড়ি বাৰিষা যচ— ক.হ.)

বাৰেক (অনুস.) এইবাৰলৈ, এই বেলিলৈ (ইহাক দোষ বাৰেক মৰস— কা.দ.)

বাৰেবাৰ (ক্ৰি.বিণ.) বাৰে বাৰে, বাৰম্বাৰ (ফুংকল শংখ হৰি বাৰেবাৰ— পা.হ.)

বাৰেবাৰে (ক্ৰি.বিণ.) বাৰম্বাৰ, (গুণি চাৱা বাৰেবাৰে— ভূ.লো.)

বালাম্ভ (বি.) স্বামী, গৰাকী (বঞ্চল কৈছন কৃষ্ণ বালাম্ভ হামাৰি— ক.হ.)

বালাই (বি.) বালি, ধূলি, আপদ বিপদ (অধৰক বালাই লঞ— অ.ভ., তোমাৰ পাৱৰ বালাই লঞো,— ভূ.লো., চান্দ মুখেৰ বালাই লঞ— ব.গী.)

বায় (বি.) বায়ু, বতাহ (লহু লহু বহে মলয়া বায়— ব.গী.)

বাসনা (বি.) ইচ্ছা, কামনা, সঞ্চিত ভাগ্যৰ ফল (পূৰুৱ বাসনা দূৰ কৰহু— অ.ভ., বাসনা নচাড়ে— ব.গী.)

বাসা কৰি (সং.অস.ক্রি.) বাস কৰি, নিবাস কৰি (যে নৃপতি সব বাসা কৰি ৰহৈছে— ৰা.বি.)

বাসাঘৰ (বি.) থকাঘৰ (বাসাঘৰ দিয়ে ৰাখল— ৰু.হ.)

বাহিৰ (বি.) বাজ, বাহিৰ (পেলাইল বাহিৰ কৰি— ব.গী., এহেসে বাহিৰ কৰ— ভ.)

বাণ্টিয়া (অস.ক্রি.) ভাগবাটি, ভাগ বতৰা কৰি (একখানি বস্তু পাইলে বাণ্টিয়া খাঞু— ব.গী.)

বাণ্টি লৈয়া (সং.অস.ক্রি.) ভাগ ভাগ কৰি লৈ (কৃষ্ণৰ অসংখ্য বৎস বাণ্টি লৈয়া— ভো.বে.)

বাহু মেলি (সং.অস.ক্রি.) বাহু দুটা মেলি দি, বাহুৰে সাবটি ধৰি (বাহু মেলি গলে বান্ধি— কা.দ., তথি গোপী বাহু মেলি— চো.ধ., কনকাৱতী বাহুমেলি ধৰি— ৰা.বি. ৰহতব বাহু মেলি— কে.গো.)

বাহুড়িয়ে (ক্রি.বিণ.) পুনৰ, আকৌ (চলে ৰাধে বাহুৰিয়ে— কো.খে.)

বাহুড়ি (ক্রি.বিণ.) ঘূৰি, পুনৰ, আকৌ (বেদ নিধি গৈয়া কহো বাহুড়ি নাৰল— ৰু.হ., হৃদয়ে মুষ্ঠি হানি বাহুড়ি— ৰা.বি., বাহুড়ি আৱব কৃষ্ণ— ব.গী.)

বান্দী (বি.স্ত্রীং.) দাসী, চাকৰণী (দাসীক দাসী বান্দী— অ.ভ., ওহি বান্দী সবক— চো.ধ.)

বান্ধি (অস.ক্রি.) বন্ধন কৰি, মেৰিয়াই (গলে কাপড় বান্ধি— ৰা.বি., গলায়ে পাটুকা বান্ধি— ভ.)

বান্ধি (অস.ক্রি.) লৈ, গ্রহণ কৰি (কৃষ্ণে বোকে বান্ধি— কে.গো.)

বান্ধি (অস.ক্রি.) সাবটি, সুমুৱাই (ৰামচন্দ্ৰক গলে বান্ধি— ৰা.বি., গলে বান্ধি ধৰল— কা.দ., বুকে বান্ধি কোলে লৈল— ব.গী.)

বান্ধি ছান্দি (সং.অস.ক্রি.) বান্ধি ছাটি, মেৰিয়াই (শিকা বান্ধি ছান্দি কান্ধে— ব.গী.)

বান্ধি কহো (সং.অস.ক্রি.) বান্ধি, বন্ধন কৰি (কৃষ্ণক চৰণ হৃদয়ে বান্ধি কহো— কে.গো.)

বান্ধিয়ে (অস.ক্রি.) বান্ধি, বন্ধন কৰি (গলে বস্ত্ৰ বান্ধিয়ে— ৰা.বি., ৰু.হ.)

বান্ধিয়া (অস.ক্রি.) বান্ধি, বন্ধন কৰি (বতৰ বান্ধিয়া লৈয়ো— ব.গী.)

বান্ধি থৈয়া কহো (সং.অস.ক্রি.) বান্ধি থৈ, বন্ধন কৰি থৈ (শ্ৰীকৃষ্ণক বান্ধি থৈয়া কহো— অ.ভ.)

ব্যাপিয়ে (অস.ক্রি.) ব্যাপ্তহৈ, বিয়পি (ব্যাপিয়ে ধৰণী— ভ.)

বিকৰ্থনা (বি.) নিন্দা, গৰিহনা (হামাক কত বিকৰ্থনা— পা.হ.)

বিকলি (বিণ.) অস্থিৰ, বিকল (বিকলি ৰুকুণি— ৰু.হ.)

বিকলে (অস.ক্রি.) বিকলহৈ, অস্থিৰহৈ (বিকলে মৰব— ভ্.হ., মনৰ বিকলে— ব.গী.)

বিকাকিনা (বি.) বেচাকিনা, ক্রয় বিক্রয় (কৰো বিকাকিনা— কো.খে.)

বিকি (অস.ক্রি.) বেচি, বিক্রী কৰি (দধি দুধ বিকি— কো.খে., দধি বিকি আসি— ব.গী.)

বিগাৰ (বিণ.) বিকাৰ, বিগৰি যোৱা (মদন বিগাৰ উপজল— ৰা.বি.)

বিগাৰি (বিণ.) বিকাৰ, বিগৰি যোৱা (চিত্ত মদন বিগাৰি— ৰা.বি., মানস মদন বিগাৰি— ৰু.হ.)

বিগুটি (বিণ.) অপদস্থ, অপমান (বিগুটি কৰি ঘসায়ল— কো.খে.)

বিঘটিয়ে (অস.ক্রি.) লুটি খুৱাই, বগৰাই পেলাই (শকট বিঘটিয়ে— ভ.)

বিঘাত (বি.) ব্যাঘাত, (আধি ব্যাধি বিঘাত— ব.গী.)

বিঘাতনকাৰি (বি.) লুটি খুৱাই পেলাওঁতা (যোহি শকট বিঘাতনকাৰি— ভ.)

বিঘিনি (বি.) বিঘ্ন, বিপদ (ভকতক বিঘিনি লঙঘয়ে নাহি— প.প্র., লংঘ নাহি একোৱে বিঘিনি— কে.গো., বহুত বিঘিনি আচৰয়— ৰা.বি., কৰত্ব বিঘিনি নাশা— ব.গী.)

বিচাৰক ছাড়ি } (সং.অস.ক্রি.) বিচাৰ কৰাটো এৰি (অব বেদ বন বিচাৰক ছাড়ি—
বিচাৰক ছোড়ি } অ.ভ.)

বিচাৰি (অস.ক্রি.) বিচাৰ খোচাৰ কৰি, বিচাৰ বিবেচনা কৰি (অব বচন বিচাৰি— ৰু.হ., দেখু বিচাৰি— কা.দ., বৃন্দাবনে বিচাৰি নপাই— কে.গো., লোই দেখু বিচাৰি— পা.হ., সকল নিগমে বিচাৰি বিধি— ব.গী.)

বিচাৰিয়া (অস.ক্রি.) বিচাৰি, বিচাৰ কৰি (চাৰি বেদ বিচাৰিয়া— ব.গী.)

বিচেষ্টা (বিণ.) উন্ডভন্ডালি, অত্যাচাৰ (নৰকাসুৰক বিচেষ্টা—পা.হ.)

বিচুড়ি } (অস.ক্রি.) এৰি, পাহৰি (মাধৱ মেৰি বিচুড়ি অব—ৰু.হ., হৰিক্ বিচুড়ি
বিছুড়ি } কত— কে.গো. বিচুড়ি ৰহত তনু—ৰা.ঝু., বিচুড়ি বিষয় কামা—ব.গী.)

বিচোড়ন } (বি.) ত্যাগ, এৰাকাৰ্য্য (নৱপ্রেমৰস বিচোড়ন—কে.গো.)
বিছোড়ন }

বিছোৱাস (বি.) বিশ্বাস, প্রত্যয় (শুন সব কয় বিছোৱাস—ৰা.বি., সুদৃঢ় বিছোৱাস— পা.হ., নামে কৰু বিছোৱাস—ব.গী.)

বিজুড়ি (বি.) বিজুলি (যৈচে চমকে বিজুড়ি—কা.দ., যৈচন বিজুড়ি—ৰা.বি., ব.গী., বিজুড়ি সঞ্চাৰ—ভ.)

বিজোড় (বিণ.) উজ্জ্বল, প্রকাশিত (কঙ্কন বিজোড়—ভ.)

বিটাল (বি.) ৰমণ কৰোঁতা, হৰণ কৰোঁতা (ওহি গোপী বিটাল গোপাল—পা.হ.)

বিড়ম্বনা (বি.) প্ৰতাড়ণা, চলনা (বিহিক বিড়ম্বনা কি ভেলি—ৰা.বি.)

বিড়ালা (বি.) বিড়াল, মেকুৰি (মানস মুগুধ বিড়ালা—ব.গী.)

বিত (বি.) বিত্ত, ধন (সুত বিত জায়া—ব.গী.)

বিতাৰি (বি.) বিস্তাৰ কৰোঁতা (গুণ তিনি মায়া বিতাৰি—ভ.)

বিদাৰ (বিণ.) বিদীৰ্ণ, দুই ফাল (শুনি শত্ৰুক ভেল হৃদয় বিদাৰ—ৰু.হ.)

বিদাৰি (অস.ক্ৰি.) বিদাৰণ কৰি (ইন্দ্ৰক হৃদয় বিদাৰি—পা.হ., মধুমূৰ নৰক বিদাৰি—ভ.)

বিদূৰতে (ক্ৰি.বিণ.) আতঁৰতে, অলপ দূৰতে (বিদূৰতে দেখল—কা.দ.)

বিদূৰে (ক্ৰি.বিণ.) আতঁৰলৈ, দূৰলৈ (বৎস সব বিদূৰে গেল—ভো.বে.)

বিধানা (বি.) বিধান, উপায়, দিহা, ব্যৱস্থা (কৰু বহু পাত্ৰ বিধানা—ভো.বে.)

বিধিএ (বি.) বিধাতাই, (বিধিএ নিৰমিল—ব.গী.)

বিনাই (অব্য.) বাহিৰ, ব্যতিৰেকে (হৰিচৰিত্ৰ বিনাই—ৰু.হ.)

বিনাশি, বিনাসি } (বি.) বিনাশ কৰোঁতা (দানব দৈত্য বিনাশি—ভ.)

বিনি (অব্য.) বাহিৰে, ব্যতিৰেকে (ৰময়া বিনে মন—ৰা.বি., প্ৰাণ গোপাল পিউবিনে—কে.গো, চোৰ ৰাধা বিনে নাই—ভূ.হ., তেহো বিনে নাহি আন—ব.গী., বিনে অংগ ভূষণ—ভ.)

বিনো (অব.) বাহিৰে, ব্যতিৰেকে (বিনো হৰি ভকতি—প.প্ৰ., গোবিন্দ পদ পংকজ বিনো—ব.গী.)

বিনোদি (অস.ক্ৰি.) বিনোদ বা লীলা প্ৰকাশ কৰি (লীলা বিনোদি—ব.গী.)

বিপাৰিএ, বিপাৰিয়ে } (অস.ক্ৰি.) উঘালি, উৎপাতন কৰি (তাসু বিপাৰিএ দন্তা—ভ.)

বিফলহি (ক্ৰি.বিণ.) এনেয়ে, অবাবতে, (তনু চিন্তামণি বিফলহি যাই—পা.হ., ব.গী., নৰতনু বিফলহি যাই—ৰা.বি., ভ., হৰি বিনে বিফলহি যাই—কে.গো.)

বিফলে (ক্ৰি.বিণ.) এনেয়ে, অবাবতে (বিফলে জনম সব গেলৰে—ব.গী.)

বিভৎস (বিণ.) গৰ্হিত আচৰণ, অভদ্ৰ (বিভৎস ভাৱনা কয়—ৰা.বি., আৰু অন্যান্য.)

বিভংগ (অস.ক্ৰি.) ভংগ দি, ভংগমানি (ইন্দ্ৰ বিভংগ পলাই—পা.হ.)

বিমৰিস (বি.) চিন্তা, ভাৱনা, (মনে বিমৰিস কয়—ৰা.বি., সবহি বিমৰিস কয়ে বোল—ৰু.হ.)

বিমৰ্দ্দিএ, বিমৰ্দ্দিয়ে } (অস.ক্ৰি.) মৰ্দ্দন কৰি, দমন কৰি (সদৰ্পে গজৰাজ বিমৰ্দ্দিএ—ভ.)

বিমোড়ন কাৰি (বি.) বধ কৰোঁতা (মল্ল বিমোড়ন কাৰি—ভ.)

বিয়াকুল (বিণ.) ব্যাকুল, বিমোৰ (বিষয়ে বিয়াকুল—ব.গী.)

বিয়াপক (বিণ.) ব্যাপক (ঘটে ঘটে ৰাম বিয়াপক হোই—ব.গী.)

বিয়াপি (অস.ক্রি.) ব্যাপি, সম্প্রসাৰিত হৈ (জগতকে বিয়াপি আপুনি—কা.দ., যৈচন গগন বিয়াপি—ব.গী. তুল.- জগততে তুমি আছা বিয়াপি—কী.ঘো.)

বিয়াপিএ, বিয়াপিয়ে (অস.ক্রি.) ব্যাপি, সম্প্রসাৰিত হৈ (বহু বাট বিয়াপিএ—ব.গী.)

বিয়ামোহ (বিণ.) ব্যামোহ, বিবুদ্ধি).কিনো ভৈল বিয়ামোহ—ব.গী.)

বিয়াল (বি.) বিয়লি, ভাটিবেলা (ভৈ গৈল বিয়াল পুতা এভো—চো.ধ.)

বিয়োজন কাৰি (বি.) বধ কৰোঁতা, (জীৱ বিয়োজনকাৰি—ভ.

বিৰকতি (বি.) বিৰক্তি, বেজাৰ (বিৰকতি তবহু—ব.গী.)

বিৰহাতুৰ (বিণ.) বিৰহ বেদনাত ব্যাকুল (পৰম বিৰহাতুৰ হুয়া—ৰা.বি.)

বিৰিখ (বি.) বৃক্ষ, গছ (পেখু পেখু বিৰিখ পশু—কে.গো.)

বিৰিন্দাবন (বি.) বৃন্দাবন (বিৰিন্দাবন বৈৰি—ব.গী.)

বিৰিন্দা বিপিন (বি.) বৃন্দাবন (বিৰিন্দাবিপিন কুসুম পৰকাস—কে.গো., শূন্য ভেল বিৰিন্দা বিপিন—ব.গী.)

বিলসিয়া (বিণ.) বিলাসী, ধুন পেচ (দেখত নাগৰ নট বিলসিয়া—ব.গী.)

বিলম্ব ছোড়ি (সং অস.ক্রি.) পলম নকৰি (জানি বিলম্ব ছোড়ি—ৰা.বি.)

বিলাই (বিণ.) দুৰৱস্থা, নষ্ট (কেহো বোলে বিলাই দধিক মোৰ—কে.গো.)

বিলাসা (বি.) আমোদ প্রমোদ (কৰল হৰি বিবিধ বিলাসা—ক.হ.)

বিলাশিত (বি.) বিলাস কৰোঁতা (বাল বিলাসিত—ভ.)

বিষাণ (বি.) শিঙা (নাহি বাজত বেণু বিষাণ—ব.গী.)

বিহসি (অস.ক্রি.) মিচিকিয়া হাঁহি মাৰি (বিহসি বোল—ক.হ., প.প্র., কে.গো.

বিহানত বিহানে বজাইল—চো.ধ., চাড়ব বিহানে কেবা—কা.দ.)

বিহাৰা (বি.) বিহাৰ, লীলা, খেলা (কৰত বিহাৰা—ভূ.লো.)

বিহি (বি.) বিধি, বিধাতা (হামাৰ বিহি বঞ্চক ভেল—ক.হ.)

বিক্ষেপ (বি.) ক্ষেপণ, অধোবায়ু (মহা প্রয়াস পাই বিক্ষেপ কয়ল—ৰা.বি.)

বিন্দু (বি.) কোৱাভাতুৰি (নিৰমিল বিম্ববিন্দু—ব.গী.)

বিঞ্চি (অস.ক্রি.) বিচি, বতাহ লগাই দি (আঞ্চোৰে বিঞ্চি—পা.হ.)

বিঞ্চিকহো (সং অস.ক্রি.) বিচি, বতাহ লগাই দি (আঞ্চোৰে বিঞ্চিকহো—ক.হ.)

বিস্তাৰি (অস.ক্রি.) বিস্তাৰ কৰি, বহলাই (বৈষ্ণবী মায়া বিস্তাৰি—পা.হ., মায়া বিস্তাৰি—ভ.)

বুক (বি.) বুকু, বুকুখন (কালিন্দি দেখি সখী ফুটয় বুক—ব.গী.)
বুঢ়াসে (বি.) বুঢ়াহে (তথাপি বুঢ়াসে আগ—ব.গী.)
বুঢ়িয়া (বি.) বুঢ়া, বৃদ্ধ (আহে বুঢ়িয়া—অ.ভ.)
বুধি (বি.) বুদ্ধি (বুধিহত ভেলো—প.প্র.)
বুন্দা কৰি (সং অস.ক্রি.) মুঠি মাৰি (বুন্দা কৰি আনন্দে—ব.গী.)
বুলি (অস.ক্রি.) কৈ, দি, ভাবি (বুলি নির্ভয়ে জোড়ল—ৰা.বি., হা হৰি হা হৰি বুলি ৰহ পৰি—প.প্র., মাধৱক বুলি বন্ধু—কে.গো., হাৰাম স্বামী বুলি—ৰা.বি., দাস দাস বুলি তাৰহু—ব.গী.)
বুলিয়ে (অস.ক্রি.) বুলি, কৈ, ভাবি (হা হা কৃষ্ণ বুলিয়ে—কে.গো., ৰাজ কুমাৰিক প্ৰবোধ বুলিয়ে—ৰু.হ., ছৱালক বাক্য বুলিয়ে—অ.ভ.)
বুলিয়া (অস.ক্রি.) বুলি, ভাবি (অমিয় বুলিয়া বিষয়—ব.গী.)
বৃক্ষে (বি.) বৃক্ষই, গছে (আহাৰ লগতে বৃক্ষে—ভো.বে.)
বেকত (বিণ.) ব্যক্ত, প্ৰকাশ (বেকত ভেল মুৰাৰি—কে.গো., নিজ যোগ মায়া বেকত কয়ল—অ.ভ., বেকত কয়ো হৰিনাম—ভ.)
বেগহি (ক্রি.বিণ.) খৰখেদাকৈ, বেগাবেগিকৈ (বেগহি যাই জনিল—কে.গো.)
বেগাড়ি (বিণ.) বিকাৰ, বিকাৰী (কৈচন বাত বেগাড়ি—ৰা.ঝু.)
বেগে (ক্রি.বিণ.) বেগা বেগিকৈ (বেগে যাৱ—কে.গো.)
বেগ্ৰহুয়া (সং অস.ক্রি.) ব্যগ্ৰহৈ, (গৃহ কৰ্ম্মে বেগ্ৰ হুয়া—অ.ভ.)
বেটি, বেটী (বি.স্ত্ৰীং.) কন্যা দাসী, চাকৰনী (অয়ে দানবক বেটি শচী—পা.হ.)
বেঢ়ি (অস.ক্রি.) আবৰি, (চৌভিতি বেঢ়ি ৰহ—প.প্র., বালকে বেঢ়ি বংশী—কা.দ., গোপীক বেঢ়ি—কে.গো., তনুক বেঢ়ি তিলে তিলে কৰি—ব.গী.)
বেঢ়িয়া (অস.ক্রি.) আবৰি, (পদ্মক বেঢ়িয়া—ভো.বে.)
বেত (বি.) বেতৰ আচাৰি (শিঙা বংশী বেত—ভো.বে., বাম কাখে শিঙা বেত—ব.গী.)
বেথা (বি.) মৰম, চেনেহ (আপোন পুত্ৰৰ দয়া বেথা—পি.,গু., লাগিয়া গৈল বেথা—ব.গী.)
বেৰিবেৰি (ক্রি.বিণ.) বাৰে বাৰে (পিউ মুখ বেৰিবেৰি—ৰু.হ., পৰল ভৱ বেৰি বেৰি—ব.গী.)
বেলা (বি.) বিয়লি, ভাটি বেলা (বেলা ভৈল—ভো.বে.)
বেৱহাৰ, বেৱহাৰা } (বি.) ব্যৱহাৰ, আচৰণ, বিহাৰ (ওহি ক্ষত্ৰিয়ক বেৱহাৰ নোহে—ৰু.হ., কৰত গোপাল ভোজন বেৱহাৰা—ভো.বে., তোহো বেৱহাৰা—পা.হ.)
বৈঠাই (অস.ক্রি.) বহুৱাই (আসনে বৈঠাই—ৰা.বি., তুলি বৈঠাই—ৰু.হ.)
বৈঠিয়ে কয় (সং অস.ক্রি.) বহি (কৰহু বৈঠিয়ে কয়—ব.গী.)
বৈঠিকহো (সং অস.ক্রি.) বহি (উড়ল উৱৰে বৈঠিকহো—অ.ভ.)

বৈৰাগ্যে (অস.ক্রি.) বিৰক্তি উপজি (পুৰুন্দৰ পৰম বৈৰাগ্যে—পা.হ.)
বৈৰিণী (বি.স্ত্রীং.) ৎঅহিতকাৰিণী। (আজু বৈৰিণী নিসি—কে.গো., পৰল বৈৰিণী—ব.গী.)
বৈসাই (অস.ক্রি.) বহুৱাই (কতিহু উকত বৈসাই—কে.গো.)
বৈসায়া (অস.ক্রি.) বহুৱাই (আঞ্চোৰ পাতি বৈসায়া—কে.গো.)
বোল (বি.) কথা, বাক্য (তনিকৰ বোল বাধয়ে—ক.হ.)
বোলমাত (বি.) মাত কথা (যত বোল মাত মানে—পি.গু.)
বোলান (বি.) কথা, মাত, বাক্য (হাসিয়া খেলাই বোলান বোলাই—ব.গী.)

ভ

ভ বৰ্ণমালাৰ ত্ৰিশ সংখ্যাৰ আখৰ।
ভকত (বি.) ভক্ত, ভগবানৰ সেৱক (ভকত বোচন ৰাম—ভ.)
ভকতা (বি.স্ত্রী.) ভক্তা, দাসী (ভকতা ভীতা সীতা—ৰা.বি., হামাৰ ভকতা জননীক—অ.ভ.)
ভকতিয়ে (বি.) ভক্তিয়ে (কাম ভকতিয়ে বশ্য—কে.গো.)
ভকতিৰাজ (বি.) ভক্তিৰজা (নিৰমল ভকতিৰাজ—ব.গী.)
ভকতে (বি.) ভক্তই, বিষ্ণু সেৱকে (সাৰ ভকতে লিয়ে—ব.গী.)
ভখিয়ে (অস.ক্রি.) খাই, ভক্ষণ কৰি (ভখিয়ে ভালমন্দ—ভো.বে.)
ভজমান (বি.) ভজন কৰোঁতা (হৰিকো পদ পঙ্কজ ভজমান—পা.হ.)
ভৰম (বি.) ভ্ৰম, ভুল, বিস্মৰণ (ভৰম তেজি জাগু—ব.গী.)
ভৰা (বিণ.) ভৰপূৰ, পৰিপূৰ্ণ (ভৰাহাট ভাগে—ব.গী.)
ভৰায়া (অস.ক্রি.) ভৰাই, পূৰ্ণ কৰি (ভৰায়া শালেৰ নাৱ—ব.গী.)
ভৰি (অস.ক্রি.) ভৰাই, পূৰ্ণ কৰি (খাৱ পেট ভৰি ভৰি—পি.গু., মুহ ভৰিৰাম—ভো.বে., নয়ন ভৃঙগ ভৰি পিৱত—কে.গো., বয়ন ভৰি ঘন—ভু.লো., ভৰি লৈয়াকহো—প.প্ৰ.)
ভৰি (অস.ক্রি.) পূৰ্ণ হৈ, পূৰ হৈ (কমল নয়ন ভৰি ঝুৰি বহে নীৰ—পা.হ.)
ভৰি (বি.) পদ, চৰণ (ভৰি পাঞ্চসাত—কে.গো., ভৰি পাঞ্চসাত আগবাঢ়ি—ক.হ.)
ভৰিয়ে (অস.ক্রি.) পূৰ্ণ কৰি, হেপাহ পলুৱাই (দেখোৰে নয়ন দোহো ভৰিয়ে—ব.গী.)
ভল্ল (বিণ) ভাল, সুন্দৰ (ওাঁহ ভল্ল ভাট—ক.হ., আঃ ভল্ল কহল—প.প্ৰ., দেৱী ভল্ল কহল—পা.হ.)
ভল্ল কয় } ভল্ল কয়ে } (ক্রি.বিণ.) ভালকৈ, দৃঢ়ভাৱে (তোহো ভল্ল কয়—ৰা.বি., তোহো জব ভল্ল কয় নৃত্য কৰহ—চো.ধ.)

ভৰতবি (সং অস.ক্ৰি.) মুক্তি লাভ কৰি (বহু ভৰতবি—ব.গী.)

ভঙ্গ (বি.) পৰাজয়, বিফল (কৃষ্ণক ভয়ে ভঙ্গ দেলহ—পা.হ., প্ৰাৰ্থনা ভঙ্গ কয়লো—প.প্ৰ., ভঙ্গ কৰাৱল—চো.ধ.)

ভঙ্গ কৰিয়ে(সং অস.ক্ৰি.) ভাঙি, ভঙ্গ কৰি (হামো ধনু ভঙ্গ কৰিয়ে—ৰা.বি.)

ভঙ্গ দিয়ে (সং অস.ক্ৰি.) পৰাজয় হৈ (ৰাজা সব ভঙ্গ দিয়ে পলাৱল—ক.হ.)

ভঙ্গমানি (সং অস.ক্ৰি.) পৰাজয় হৈ (বিশ্বামিত্ৰ ভঙ্গমানি—ৰা.বি.)

ভঙ্গিম (বি.) হাত ভৰিৰে কৰা অঙ্গ বিক্ষেপ (অঙ্গ ভঙ্গিম—কা.দ.)

ভঙ্গুৰা (অস.ক্ৰি.) কোচাই, কোচ খুৱাই (কপোল ভঙ্গুৰা—ব.গী.)

ভঙেগ (অস.ক্ৰি.) ভঙ্গ কৰি, চূৰ্ণ কৰি (মখ ভঙেগ দেৱৰাজক—ভ.)

ভজি (অস.ক্ৰি.) উঘালি (ভজি তৰুবৰ—ভ.)

ভজিয়ে (অস.ক্ৰি.) উঘালি (জমলাৰ্জুন ভজিয়ে —ভ.)

ভণ্টা (বি.) খেলৰ সামগ্ৰী, টাংগুটি (ভণ্টা খেলা শ্ৰমজলে—চো.ধ., ভণ্টা কয়লি চুৰি—ভৃ.হ.)

ভৎসনি (বি.) নিন্দা, গালি (তোহাক ভৎসনি—পি.গু.)

ভ্ৰমিয়ে (অস.ক্ৰি.) ভ্ৰমণ কৰি (একবিংশতি বাৰ ভূমি ভ্ৰমিয়ে—ৰা.বি.)

ভাই (বি.) সহোদৰ, কনিষ্ঠ (হৃদি পঙ্কজ ধৰু ভাই—ৰা.বি., ভাই চিত্তে নাচিন্তস—ব.গী.)

ভাগ (বি.প.) ভাগ্য, কপাল, দশা (থিক তোহা কেৰি ভাগ—ভৃ.হ.)

ভাগি (অস.ক্ৰি.) ভঙ্গ হৈ (মধ্যভাগে ধনুভাগি—ৰা.বি.)

ভাজিত (কৃদ.বিণ.) মাৰ্জ্জিত (মিলিত বহুভাজিত—ব.গী.)

ভাট (বি.) ভট্ট, বাৰ্ত্তাবহ লোক (এক ভিক্ষুক ভাট—ক.হ.)

ভাত (বি.) সিদ্ধান্ন, পাকান্ন (দধিভাত মেলিএ—ডো.বে., লৈয়া দধি ভাত—ব.গী.)

ভায়া (বি.) ভাই, সহোদৰ (আহে ভায়া—ৰা.বি.)

ভাৰ (বিণ.) বোজা, (দধিক ভাৰ বহবি—অ.ভ., হৰলি ভূমিকেৰি ভাৰ—পা.হ., ক.হ., ভূমিক ভাৰ উতাৰল—ৰা.বি., ভূমিক ভাৰ হৰসি—ব.গী.,ক্ষিতিকহো ভাৰ—ভ.)

ভাৰসা (বি.) প্ৰাৰ্থনা, অনুৰোধ (ওহি মেৰি পৰম ভাৰসা—ব.গী.)

ভাৰা (অস.ক্ৰি.) ভৰাদি (ত্ৰিজগত ভাৰা—ভ.)

ভাল (বিণ.) সুন্দৰ, বঢ়িয়া (ভখিয়ে ভাল মন্দ তোহাক কহব—ডো.বে., ভাল খেত খানি—ব.গী., ইহাৰ ভাল মন্দ—অ.ভ.)

ভালকয়ে (ক্ৰি.বিণ.) ভালকৈ, সুন্দৰকৈ (তোহো ভাল কয়ে নৃত্য কৰহ—কো.খে.)

ভাল জানি (সং অস.ক্ৰি.) ভাল বুলি বোধ কৰি (আক ভাল জানি নাৰায়ণ—ব.গী.)

ভাল বনিয়ে (ক্ৰি.বিণ.) ভালৰূপে (সুবেশ ভাল বনিয়ে—ব.গী.)

ভাল বনিয়া (ক্রি.বিণ.) ভালকৈ সজোৱা (কপোল ভাল বনিয়া—ব.গী.)

ভালা (ক্রি.বিণ.) ভালকৈ, বঢ়িয়াকৈ (পুষ্প পৰিধান ভালা—ব.গী., দিৰত হামো ভালা.চো.ধ.)

ভালাৰে (বিণ.) সুন্দৰ (ভালাৰে নয়না—অ.ভ.)

ভালি (ক্রি.বিণ.) ভালকৈ, বঢ়িয়াকৈ (ভালি নাচে মদন গোপাল—ব.গী.)

ভালি (বিণ.প.) ভাল, সুন্দৰ (ভালি টালনা—ব.গী.)

ভালে (ক্রি.বিণ.) ভালকৈ, ভালধৰনে (ভালে আমি সৈয়া আছি তাৰে—পি.গু.)

ভাৱ (বি.) ভাও, ভাৱনা, অভিনয় (ভাৱ দেখাৰত—অ.ভ., ভাৱ ভিন্ন ৰীত—ক.হ.)

ভাৱ (বি.প.) চৰিত্ৰ,স্বভাৱ (স্ত্রীক দুৰ্জ্জন ভাৱ—কো.গো.)

ভাৱতৰি (অস.ক্রি.) ভাও দেখুৱাই (সোহৰি মানুষ ভাৱতৰি—ব.গী.)

ভাৱন (বি.) ভাও, অভিনয় (ভাৱন ওহি সংসাৰ—ভ.)

ভাৱনা (বি.) ভাওনা, অভিনয়, চিন্তা, অহঙ্কাৰ (বিভৎস ভাৱনা কয়ে—ৰা.বি., বিভৎস ৰস ভাৱনা কয়ে—কে.গো., যে ভাৱনা কৰয়—অ.ভ., তেৰি ভাৱনা নাই—ব.গী., তোহাৰি ভাৱনা চুৰ কৰব—অ.ভ.)

ভাৱে (অস.ক্রি.) চিন্তাযুক্ত হৈ (ভাৱে নিৰক বুৰাৱে—কা.দ.)

ভাঙ্গি (অস.ক্রি.) ভঙ্গ কৰি, চূৰ্ণ কৰি (মথনি মাঠি ভাঙ্গি—অ.ভ., জোখাক ভাণ্ড ভাঙ্গি—পি.গু.)

ভাঙ্গিয়ে (অস.ক্রি.) ভাঙ্গি, চূৰ্ণ কৰি (মথনি মাঠি ভাঙ্গিয়ে—অ.ভ.)

ভাণ্ড (বি.) পাত্ৰ, বাচন (খীৰ লৱনুক ভাণ্ড—ভৃ.লো., জোখাৰ মোৰ ভাণ্ড—পি.গু., ব্ৰহ্মাণ্ড ভাণ্ড—ক.হ.)

ভাণ্ডাটি (বি.) ভাণ্ডটো, পাত্ৰটো (ভাণ্ডাটি গড়ায়া—ভৃ.লো.)

ভাণ্ডাৰ (বি.) ভঁৰাল (ভাণ্ডাৰ মেলি আছে—ব.গী.)

ভাণ্ডিয়ে (অস.ক্রি.) প্ৰবঞ্চনা কৰি, ছলনা কৰি (মাৱক ভাণ্ডিয়ে—ভৃ.লো., হামাক ভাণ্ডিয়ে—চো.ধ.)

ভিখাৰী (বি.) ভিক্ষাৰী (সোহি লৱনু ভিখাৰী—চো.ধ.)

ভিত (বি.) ভয়, আশঙ্কা (তিৰী বধ ভিত—কে.গো.)

ভিতি (বি.) দিশ, ফালে (কোন ভিতি গেল—কে.গো.)

ভিতি (বি.) ভয় (ভকতক ভিতি পেখিয়ে—কা.দ., ভিতি কাতৰ দেখিয়ে—পা.হ., দাসক নাসক ভিতি—ৰা.বি.)

ভিতি (অস.ক্রি.) ভয় খাই (ভিতি পলাৱল—অ.ভ.)

ভিনে ভিন (বিণ.) বেলেগে বেলেগে (গাৱত ভিনে ভিন—ব.গী.)

ভিৰ দিয়ে (সং অস.ক্রি.) ভিৰদি, ভেজাদি (লাঠিত ভিৰ দিয়ে—প.প্ৰ.)

ভিৰি (অস.ক্রি.) ভিৰ দি, ভেজাদি (কুবলয় ভিৰি উপাৰল—ক.হ., ভিৰি ভিৰি

পাৱে—কা.দ., কান্ধে ভিৰি দান্ত—ভ.)

ভিৰি (অস.ক্ৰি.) ভিৰাই লৈ (হৰি উত্কাৰল সাৰঙ্গ ভিৰি—পা.হ.)

ভুকুতি (বি.) ভুক্তি, ভোগ (ভুকতি মুকুতি নিত্য—পা.হ.)

ভুখাৰি (বি.) ভোকাতুৰ (হামো বড়ি ভুখাৰি—ব.গী.)

ভুজ মেলি (সং অস.ক্ৰি.) বাহু মেলি দি (ভুজ মেলি কেলি—কে.গো.)

ভুলাই (অস.ক্ৰি.) মোহিত কৰি (লীলা গতি ভুবন ভুলাই—ক.হ., ভুবন ভুলাই—কে.গো., পা.হ.)

ভুলাই (অস.ক্ৰি.) ভোল গৈ (বৃথা মোহে ভুলাই—ব.গী.)

ভুলি (অস.ক্ৰি.) ভোল গৈ (সীতা ভুলি ভজব—ৰা.বি., ভুলি শশধৰ ৰথ—কে.গো.)

ভুলি (অস.ক্ৰি.) ভোল নিয়াই (ভুবন ভুলি কয়ো পৰকাস—ব.গী.)

ভূমি পাৱে (সং.অস.ক্ৰি.) খোজ কাঢ়ি (হামো ভূমি পাৱে চলৈছি—কে.গো.)

ভূসিত হুয়া (সং.অস.ক্ৰি.) আভৰণ পিন্ধি (তোহো অতি সত্বৰে ভূসিত হুয়া—ক.হ.)

ভুজি (অস.ক্ৰি.) ভোজন কৰি, খাই (প্ৰসাদ ভুজি—ভো.বে., ভুজি সুৰভি ফুল—ব.গী.)

ভুঞ্জিয়া (অস.ক্ৰি.) ভোজন কৰি, খাই (যমেৰ যাতনা ভুঞ্জিয়া—ব.গী.

ভুঞ্জিয়ে (অস.ক্ৰি.) ভোজন কৰি, খাই (কৰ্পুৰ তাম্বুল ভুঞ্জিয়ে—অ.ভ., নৱনু ভুঞ্জিয়ে—প.প্ৰ., ভূ.লো.)

ভ্ৰুৱ ভঙ্গ (বিণ.) চেলাউৰি বেঁকা (ধনু ভ্ৰুৱ ভঙ্গ—ৰা.বি., ক.হ.)

ভ্ৰুৱ ভঙ্গ (বিণ.) চকুৰ পচাৰতে (ভ্ৰুৱ ভঙ্গ চলিত মায়া—ভ.)

ভ্ৰুৱভাস (বিণ.) কেৰাহিকৈ দৃষ্টি (কক-হৰি ভ্ৰুৱ ভাস—ব.গী.)

ভ্ৰুৱ ভঙ্গিয়া(ক্ৰি.বিণ.) কেৰাহিকৈ দৃষ্টি কৰামাত্ৰেই (ভূবন ভুলে ভ্ৰুৱ ভঙ্গিয়া—ক.হ.)

ভেজাই (অস.ক্ৰি.) প্ৰহাৰ কৰি (সে লাঠ ভেজাই—ভ.)

ভেট (বি.) লাগ, সং (পদচিহ্ন ভেট পাৱলো—ভো.বে., স্বামীক ভেট নাহি পাৱব—ৰা.বি., কৃষ্ণক ভেট পাৱল—ক.হ.)

ভেন্ট (বি.) লগ, সং (তোহাক ভেন্ট নপাই—কে.গো.)

ভেদি (অস.ক্ৰি.) ভেদ কৰি (তাহে হৃদি ভেদি—ক.হ.)

ভেল দেখি (সং অস.ক্ৰি.) হোৱা দেখি (নৰক পুত্ৰ বধ ভেল দেখি—পা.হ.)

ভৈয়াই (বি.) ভাই, সহোদৰ (হাঁ ভৈয়াই বুলি—ক.হ.)

ভোগা (বি.) ভোগ, ভোজন (যৈছে পুৰীষ শূকৰ কয়ো ভোগা—ব.গী.)

ভোভোকাৰ (বিণ.) ভোবোকাৰ, ভোবোৰা (ভোভোকাৰ দাড়ি নখ—প.প্ৰ.)

ভোৰে (অস.ক্ৰি.) ভোল গৈ, মুগ্ধ হৈ (কাহুক ভোৰে কোৰে—কে.গো., ভোৰে ৰসিক কানু—পা.হ.)

ভোলে (অস.ক্ৰি.) ভোলগৈ, পাহৰি (পৰসয় ভোলে—কে.গো. কামিনী কোলে ভোলে—পা.হ., গোৱাইলো বিষয় ভোলে—ব.গী.)

ভোলেৰে (অস.ক্ৰি.) ভোলগৈ, পাহৰি (মৃকচি পৰয় ভোলেৰে—কে.গো.)

ম

ম বৰ্ণমালাৰ একত্ৰিশ সংখ্যাৰ আখৰ।

মঞি (ব্য.সৰ্ব.) মই (বলাইৰ কনিষ্ঠ মঞি—পি.গু., লাগল পাইলো মঞি—অ.ভ., মঞি কৃষ্ণ বুলি—কে.গো., মঞি সেবহো—ব.গী.)

মকৰন্দা (বি.) মকৰন্দ,ফুলৰ মৌ (তুৱা পদ মকৰন্দা—ব.গী.)

মগন (বিণ.) মগ্ন (মগন মন কামিনী—ৰা.বি., আনন্দে মন মগন হুয়াছে—কে.গো., মগন মন মজ্জন—ড.)

মগনে (অস.ক্ৰি.) মগ্ন হৈ (আনন্দে মন মগনে—কে.গো.)

মগৰ (বি.) মেহৰাজি (মগৰ ভিতৰে—ব.গী.)

মগৰে (বি.) মকৰে (সাগৰত থকা এবিধ প্ৰাণী) (কাম ক্ৰোধ কুম্ভীৰ মগৰে—ব.গী.)

মজি (অস.ক্ৰি.) মগ্ন হৈ (মেৰি মন মজি ৰহু —ৰা.বু., মজিৰহু মেৰি মন—ব.গী.)

মজিয়া (অস.ক্ৰি.) মগ্ন হৈ (নমৰমজিয়া —ব.গী.

মজিয়ে (অস.ক্ৰি.) মগ্ন হৈ (তথিয়ে মজিয়ে ৰহু —ৰা.বু.)

মজু (বি.) মধু (ছোড়ি অমিয়া মজু—ব.গী.)

মজ্জন (বি.) দমন কৰোঁতা (দুজ্জন মজ্জন—ড.)

মতি মানি (সং অস.ক্ৰি.) মনতে ভাবি (কথি তনুপাত মিলত মতি মানি—ব.গী.)

মথন (বি.) দমন কৰোঁতা (মনমথ কোটি মথন মন—কে.গো.)

মথন (বি.) মন্থন কৰা কাৰ্য্য (তেজল মথন যশোমতী মাঞি—অ.ভ.)

মথনি মাঠি (বি.) দধি মথা কলহ (মথনি মাঠি ভাঙিগ—অ.ভ.আক.ভ.)

মথিয়ে (অস.ক্ৰি.) মন্থন কৰি (তাহেক হামো মথিয়ে—ভৃ.লো.)

মদন (বি.) কামভাৱে (কিঞ্চিত মদন বিগাৰ—ৰা.বি.)

মদনে (বি.) কামদেৱে(মদনেমন মৰ্দয়—কে.গো., ৰা.বি., ক.হ., ঘনঘন হানয় মদনে—ব.গী.)

মধাই (বি.) মাধৱ, শ্ৰীকৃষ্ণ (মধাই আৱত আনন্দ মনে—ক.হ., জগজন জীৱন মধাই—পা.হ., হামাৰি বন্ধু মধাই—কে.গো., চলদি বিপিনে মধাই—ব.গী.)

মধুৰি (বিণ.) মিঠা, সোৱাদ (অমিয়া মধুৰি ৰুৰে—ব.গী.)

মধ্যভাগে (বিণ.) মাজ ভাগতে (মধ্যভাগে ভাগি—ৰা.বি.)

মধ্যাখিনী (বিণ.স্ত্ৰীং) সৰু কঁকাল (চলে ৰামা মধ্যাখিনী—ক.হ.)

মধ্যে কৰিয়ে(সং অস.ক্ৰি.) মাজত লৈ (কৃষ্ণক মধ্যে কৰিয়ে—ভো.বে.)

মনকামা (বি.) কামনা, অভিলাষ (পূৰল সব মনকামা—ৰা.বি.)

মন পূৰ (বি.) মন পূৰ্ণ কৰোঁতা (ভকত মন পূৰ—পা.হ.)

মন পূৰি (সং অস.ক্ৰি.) মন পূৰ্ণ কৰি (পূয়াক মন পূৰি—পা.হ.)

মনমথ, মনমথে (বি.) কামদেৱ, কামদেৱে (মনমথ কোটি—কে.গো., পা.হ., মনমথ ভোলে—ৰা.বি., অপমানে মনমথে—ব.গী.)

মনলাগি (সং অস.ক্ৰি.) মনত লাগি, মন লগাই, মনোনিবেশ কৰি, মনত পৰি (গোবিন্দ গুণ মনলাগি—ব.গী.)

মনাই (বি.) মন, চিত্ত (হৰিগুণ গাৱত মেৰি মনাই—ব.গী.)

মনু (বি.) মন, চিত্ত (কুসুম ধনু মনু—কে.গো.)

মনুৱা (বি.) মন, চিত্ত (কা কৰু মনুৱা—ব.গী.)

মনে (অস.ক্ৰি.) ভাবি, অভিলাষ কৰি (দুখমোচন মনে—কা.দ.)

মৰকত (বি.) সেউজীয়া বাখৰ (মণি মৰকত পৰকাশে—কে.গো., মৰকত গিৰি—ব.গী., মৰকত ৰত্ন—ভ.)

মৰণা (বি.) মৃত্যুশীল (জনয় সব মৰণা—ব.গী.)

মৰম (বি.) মৰ্ম্ম, গূঢ়াৰ্থ, সাৰ (পঢ়ি পুনু মৰম নজানি—ব.গী.)

মৰম (বি.) স্নেহ, বেথা (হৃদয়ে মৰম চড়ল—কে.গো., দেখিয়ে মৰম চড়ল—পা.হ.)

মৰম (বিণ.) কোমল, শিথিল (খেদি আসি মৰম থানে—কা.দ.)

মৰয় দেখি (সং অস.ক্ৰি.) মৰে যেন দেখি (স্বামী মৰয় দেখি—কা.দ.)

মৰয় বুলি (সং অস.ক্ৰি.) মৰে বুলি (ভাতৃ মৰয় বুলি—ক.হ.)

মৰল বুলি (সং.অস.ক্ৰি.) মৰিল বুলি ভাবি (প্ৰাণ সখি মৰল বুলি—পা.হ.

মহ (ব্য.সৰ্ব্ব.) মোৰ, আমাৰ (মৰস সকল মহ দোষ—ভ.)

মহাদই (বি.স্ত্ৰীং) মাদৈ, মহাৰাণী, ঘাইপত্নী (যত মহাদই থিক—ৰা.বি., ক.হ.)

মহাবেগে (ক্ৰি.বিণ.) বেগাবেগিকৈ (মহাবেগে ৰথ ডকাৱল—ক.হ.)

মঞ্জিৰ (বি.) ভৰিৰ অলংকাৰ বিশেষ (মঞ্জিৰ কনঝুন বোলে—কে.গো., চৰণক বাজি মঞ্জিৰ—ৰা.বি., মণি মঞ্জিৰ ঝুৰাৱে—পা.হ., হীৰ মঞ্জিৰ ঝুৰাৱে—কা.দ., মঞ্জিৰ ঝুৰে—ব.গী.)

মঞ্জুৰি (বি.) ফুলৰ থোপা (পাৰিজাতক মঞ্জুৰি পৰিধান কৰিয়ে—পা.হ.)

মঞ্জুল (বিণ.প.) মনোহৰ, সুন্দৰ (মঞ্জুল মধুৰ মূৰুতি—ব.গী.)

মণ্ডিয়ে (অস.ক্ৰি.) সুন্দৰকৈ ঘঁহি, লেপন কৰি (নবীন কুংকুমে কুচ যুগ মণ্ডিয়ে—অ.ভ.)

মন্তৰ (বি.) মন্ত্ৰ (মোহ মন্তৰ জপি—ব.গী.)
মন্দা (বিণ.) মন্দ, বেয়া, বিষণ্ণ (মেৰি মন মন্দা—ব.গী.)
মন্দিৰা (বি.) এবিধ বাদ্য (মন্দিৰা উপাঙ্গ—ব.গী.)
মৰ্দ্দিয়ে (অস.ক্ৰি.) দমন কৰি, ঘৰ্ষণ কৰি (মৰ্দ্দিয়ে বিষধৰ কালি—ক.হ., দুই পাৱে ফনাক মৰ্দ্দিয়ে—কা.দ.)
মাঞি (বি.স্ত্ৰীং) মাই, আই (বিদপতি মৈথিলী মাঞি—ৰা.বি., আহে মাঞি—ভূ.লো., অ.ভ., মাঞি খেলত—ব.গী.)
মাখি (অস.ক্ৰি.) সানি, সানি দি (গোপিনী মুখে মাখি—চো.ধ., চৰণ ৰেণু মাথে মাখি—কে.গো.)
মাখিয়ে (অস.ক্ৰি.) সানি, সানিদি (চিনি কৰ্পুৰ মাখিয়ে—ভূ.লো.)
মাগি (অস.ক্ৰি.) খুজি, প্ৰাৰ্থনা কৰি (ৰাকচ লাগি মাগি—ৰা.বি., অন্ন মাগি পঠাৱল—প.প্ৰ., মাগি আনো দই দুধ—ব.গী.)
মাগিয়ে (অস.ক্ৰি.) খুজি, প্ৰাৰ্থনা কৰি (মাগিয়ে ভুঞ্জব ভিক্ষা—কা.দ.)
মাজিয়ে, মাঝিয়ে (অস.ক্ৰি.) মোহাৰি, মচি (নয়নক নিৰ মাজিয়ে—অ.ভ.)
মাঝ হুয়া (সং অস.ক্ৰি.) মাজত সোমাই, মাজহৈ (বৃক্ষ দোহোক মাঝ হুয়া—অ.ভ.)
মাঝে মাঝে (ক্ৰি.বিণ.) মজামজিকৈ, ঠায়েঠায়ে (যৈচে হেম মণি মাঝে মাঝে মণি—কে.গো.)
মাঠি (বি.) মঠিয়া কলহ (মথনি মাঠি ভাঙ্গিয়ে—অ.ভ.)
মাতি (অস.ক্ৰি.) কৈ, বুলি (মিছামাতি গোপীৰে—পি.গু.)
মাতিয়ে (অস.ক্ৰি.) মাতি, আহ্বান কৰি (এক গোৱালিনী মাতিয়ে—ভূ.হ.)
মাতু (বি.স্ত্ৰীং) মাতৃ, আই (মাতুপিতু পতনী তনয়া—ব.গী.)
মাথ, মাথা (বি.) মূৰ, শিৰ (পৰল যক্ষক চিণ্ডি কন্ধ মাথ—কে.গো., তোৰ মাথা খাইবো—কে.গো.)
মাথা পাতি (সং অস.ক্ৰি.) মূৰ দোঁৱাই, মূৰপাতি (শ্ৰীৰাম মাথা পাতি লেলহ—ৰা.বি.)
মাধু (বিণ.) মধুৰ, মিঠা (মাধু অধৰ মধু—ৰা.বু.)
মাধুৰ (বিণ.) মধুৰ, মিঠা (মাধুৰ ৰঙ্গ বনাই—ব.গী.)
মানত (অস.ক্ৰি.) মানি, লৈ (পৰাকহো লোক মানত হৰি সাখী—চো.ধ.)
মানস (বি.) মন, চিত্ত (চাড়হু ধন্দ মানস অন্ধ—ব.গী.)
মানি (অস.ক্ৰি.) বুজি, স্থিৰ কৰি, মান কৰি (আপুনহি মানি হৰিক পদ দাসা—ব.গী., পণ্ডিত মানি—ভ.)
মানিনি (বি.স্ত্ৰী.) অভিমানিনী (মানিনি মাঞি নয়ন পঙ্কজ—পা.হ.)
মানিয়ে (অস.ক্ৰি.) মানি, মান্য কৰি (সৌভাগিনি মানিয়ে—ৰা.বু.)

মানুষী } (বি.স্ত্ৰীং) মহিলা, নাৰী (মানুষী সাহস—পা.হ., কি নিমিত্তে মানুষী
মানষী } ভেলি—অ.ভ.)

মানে (ক্ৰি.বিণ.) পৰিমাণে, (আঙ্গুল দোহোমানে—অ.ভ., যত বোল মাত মানে—পি.গু., মানে বিপ্ৰক—ভ.)

মায়াময় (বিণ.)মায়াৰ আবৰণেৰে ঢকা, অশাশ্বত (ওহি জগত মায়াময়—অ.ভ., মায়াময় সকল—ব.গী.)

মায়াময় (বি.) মায়া, মমতা (ছোড় মায়াময়—ব.গী.)

মায়ে (বি.স্ত্ৰীং.) আয়ে, মাতৃয়ে (মায়ে দিয়া তন—ভৃ.লো.)

মাৰক (বি.)বধ কৰোঁতা (তাৰক মাৰক—কা.দ.)

মাৰণ (বি.) বধকৰোঁতা (তাৰণ মাৰণ—ৰা.বি.)

মাৰণ (বি.) মাৰকিল (আপুনি মাৰণ খাইবো—ব.গী.)

মাৰি (অস.ক্ৰি.) বধ কৰি (দোহো ৰাকচ মাৰি—ৰা.বি., কানাইক কেবা মাৰি—ভৃ.হ., আহেক মাৰি—কা.দ., সবকহো মাৰি—ব.গী., মাৰি যক্ষক—ভ.)

মাৰি (অস.ক্ৰি.) আক্ৰমণ কৰি (আনল স্বৰ্গক মাৰি—পা.হ.)

মাৰিকহো (সং অস.ক্ৰি.) বধ কৰি (সে মূৰ নৰকক মাৰিকহো—পা.হ., যক্ষক মাৰিকহো—কে.গো.)

মাৰিবাৰ (অস.ক্ৰি.) মৰিয়াব বুলি (মাৱে মাৰিবাৰ ডৰে—ভৃ.হ.)

মাৰিয়া } (অস.ক্ৰি.) মাৰি, মৰিয়াই, মাৰকিল কৰি (মাৰিয়া শিখাইবো আজি—
মাৰিয়ে } ব.গী., তোহাক আজু মাৰিয়ে—অ.ভ., হামাক মাৰিয়ে—চো.ধ., মাৰিয়ে লাঠে—ভ.)

মাৰিয়ে (অস.ক্ৰি.) চুই, স্পৰ্শকৰি (হামাক মাৰিয়ে চাহোক—অ.ভ.)

মাৱ (বি.স্ত্ৰীং.) আই, মাতৃ (বোলব অব মাৱ—কা.দ.)

মাৱে (বি.) আয়ে, মাকে (মাৱে বাপে নাম থৈয়া—কো.খে., মাৱে মাৰিবাৰ—ভৃ.হ.)

মাণ্ডলি (বি.) ৰাজহাড়, মাৰলি (ভাগিল মাণ্ডলি—ব.গী.)

